স্মৃতিগ্ৰন্থ

# ৰূপালী জয়ন্তী

## নগাঁও ছোৱালী কলেজ



১২, ১৩, ১৪ ছেপ্টেম্বৰ, ১৯৮৭



নগাঁও ছোৱালী কলেজলৈ শুভেচ্ছাৰে ঃ

"গছ থাকিলেহে মানুহ থাকিব"

বন-বননিয়েই আপোনাৰ দৈনন্দিন সামগ্ৰী খৰি-খেৰ, বাঁহ-বেত, ঘৰ বন্ধাৰ সা-সঁজুলি, ঘাঁহ-পাত ইত্যাদি অত্যাৱশ্যকীয় সামগ্ৰীৰ অবিৰত যোগান ধৰি আহিছে। সেয়েহে বাৰীৰ ঢাপ, পতিত মাটি, গো-চাৰণ ভূমি আৰু পদূলি-মুখত বৃক্ষ ৰোপণ কৰক।

আপোনাৰ সন্তানকেইটিৰ বাবে আপুনি একো কৰিব নোৱাৰিলেও প্ৰত্যেকৰে বাবে অন্ততঃ এজোপাকৈ মূল্যবান গছ ৰুই থব পাৰে, যিয়ে সন্তানকেইটিৰ ভৱিষ্যত সুৰক্ষাত সহায় কৰিব।

আপোনাৰ ওচৰত থকা গছ কেইজুপিক ৰক্ষণাবেক্ষণ কৰি আপোনাৰ আৰু দেশৰ উন্নতি সাধনত সহায় কৰক।

বৃক্ষৰোপণ পদ্ধতি, বিনামূলীয়াকৈ পুলি সংগ্ৰহ আৰু পৰামৰ্শৰ কাৰণে বন-কাৰ্যালয়ৰ লগত যোগাযোগ কৰক।

**প্ৰচাৰ শাখা, সামাজিক বনানীকৰণ, অসম**

গুৱাহাটী—৩

স্মৃতিগ্ৰন্থ

# ৰূপালী জয়ন্তী

# নগাঁও ছোৱালী কলেজ

১২, ১৩, ১৪ ছেপ্টেম্বৰ, ১৯৮৭

নগাঁও ছোৱালী কলেজ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি।

**Rupalee Jayantee** : A Souvenir published on the occasion of the Silver Jubilee Celebrations of Nowgong Girls' College, Nagaon. 14 th September, 1987.

---

স্মৃতিগ্ৰন্থ উপ-সমিতি ঃ

| | |
|---|---|
| শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা | আহ্বায়ক |
| শ্ৰীঅপূৰ্ব শৰ্মা | আহ্বায়ক |
| শ্ৰীইদ্ৰিছ আলি | সদস্য |
| শ্ৰীইন্দ্ৰেশ্বৰ গোস্বামী | ,, |
| শ্ৰীনাৰায়ণ কটকী | ,, |
| শ্ৰীকবিতাৰাণী দাস | ,, |

সম্পাদক ঃ শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা ।

মুদ্ৰক ঃ পুথিঘৰ প্ৰেছ, নগাঁও ।

প্ৰকাশক ঃ

অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা,
সাধাৰণ সম্পাদক, নগাঁও ছোৱালী কলেজ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি ।

মূল্য— ১০'০০ ( দহ ) টকা মাত্ৰ ।

**Souvenir Sub-Committee :**

| | |
|---|---|
| J. Narayan Bhuyan | Conveners |
| Apurba Sarma | Conveners |
| Md. Idrish Ali | Member |
| Indreswar Goswami | ,, |
| Narayan Kotoky | ,, |
| Kabita Rani Das | ,, |

Edited by : **J. Narayan Bhuyan.**

Printed at :
**Puthighar Press,** Nagaon

Published by : Principal **B. K. Bara.**
General Secy., Nowgong Girls' College Silver Jubilee Celebrations Committee.

Price : **Rs. 10'00** ( ten ) only

## উৎসৰ্গ

নগাঁও ছোৱালী কলেজৰ লগত জড়িত
যিসকল ব্যক্তি
চিৰকালৰ বাবে
আমাৰ মাজৰ পৰা
হেৰাই গ'ল,
সেইসকলৰ পৱিত্ৰ স্মৃতিত

ৰূপালী জয়ন্তী ঃ নগাঁও ছোৱালী কলেজ

## প্ৰথম অংশ


শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী ।।১।। নগাঁও ছোৱালী কলেজৰ সংক্ষিপ্ত ইতিবৃত্ত O শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা ।।৬।। মহিলা কলেজৰ পৰা ছোৱালী কলেজলৈ O শ্ৰীমহেশচন্দ্ৰ ভূঞা ।।২৩।। নগাঁও ছোৱালী কলেজৰ আবয়বিক পৰিচয় O শ্ৰীকৃষ্ণ বৰা ।।৩১।। আমাৰ কলেজ সংগীত O শ্ৰীমতী তৰু বৰুৱা ।।৪০।। এৰি অহা দিনবোৰলৈ উভতি চাওঁ O ড° ৰত্নকান্ত বৰুৱা ।।৪৪।। স্মৃতিলেখা O শ্ৰীমতী শিখা দত্ত ।।৫০।। স্মৃতি ফুল বাছি O শ্ৰীব্ৰজেন ৰায় চৌধুৰী ।।৫৪।। মই এৰি অহা কলেজখন O শ্ৰীমতী বীণা শৰ্মা ।।৫৬।। সোঁৱৰণি ঃ টুকুৰা-টুকুৰ O ড° লীলাৱতী শইকীয়া বৰা ।।৫৯।। স্মৃতিৰ অনুৰণন O শ্ৰীপদুম শইকীয়া ।।৬৬।। নগাঁও ছোৱালী কলেজৰ স্মৃতি O শ্ৰীমতী আল্পনা সৰকাৰ ডেকা ।।৬৯।। মই পঢ়ি অহা কলেজখন O শ্ৰীইদ্ৰিছ আলি ।।৭৩।। চৰৈৱেতি চৰৈৱেতি O শ্ৰীঅদিতি ভূঞা ।।৭৭।। নগাঁও ছোৱালী কলেজৰ সাঙ্গীতিক পৰিবেশ O শ্ৰীকবিতা ৰাণী দাস ।।৮১।। 'নগাঁও ছোৱালী কলেজ আলোচনী'ত এভুমুকি O Sri J. Chakravarty ।।৮৯।। Academic Performance of Our College : A Retrospect. O


## দ্বিতীয় অংশ


শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা ।। ১ ।। কলেজীয়া শিক্ষা ঃ তেতিয়াৰ আৰু এতিয়াৰ
শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ।। ৭ ।। কবিতাৰ অধ্যাপনা
শ্ৰীঅজিত কুমাৰ শৰ্মা ।।১১।। অসমীয়া মাধ্যমত শিক্ষা কেতিয়া সাৰ্থক হ'ব
শ্ৰীকমলেশ্বৰ বৰা ।।১৬।। জাতীয় শিক্ষা-নীতি আৰু ছোৱালী কলেজৰ সমস্যা
শ্ৰীমতী তিলোত্তমা বৰুৱা ।।১৯।। স্ত্ৰী-শিক্ষা আৰু নাৰী
শ্ৰীইন্দ্ৰেশ্বৰ গোস্বামী ।।২২।। আইন বৃত্তি আৰু মহিলা
শ্ৰীদিলীপ শৰ্মা ।।৩১।। এটা তিনিশ বছৰীয়া উপপাদ্য
Sri U. N. Bhuyan ।।৩৪।। Rural Development : Role of the Youth
ড° মুকুন্দমাধৱ শৰ্মা ।।৩৭।। সংস্কৃত আবৃত্তিৰ প্ৰসংগ
শ্ৰীমতী পুষ্পলতা দাস ।।৪২।। মূল্যবোধ আৰু নাৰী
Dr. Niru Hazarika ।।৪৫।। Emancipation of Women and Gandhi
শ্ৰীহৰেশ্বৰ গোস্বামী ।।৫২।। সম মৰ্যাদা


राष्ट्रपति का प्रेस सचिव
Press Secretary to the President

राष्ट्रपति सचिवालय
राष्ट्रपति भवन
नई दिल्ली 110004
President's Secretariat
Rastrapati Bhavan.
New Delhi-110004

No.F.2-M/87

August 25, 1987



Dear Shri Bhuyan,

The President of India is glad to know that the Nagaon Girls' College, Nagaon, Assam, has completed twenty-five years of valuable service to the cause of education and is celebrating its Silver Jubilee from September 12-14, 1987. The President sends his greetings to the management, staff and the students on the occasion and best wishes for the continued progress of the College in future.

Yours sincerely,

( K. Suryanarayana)

Shri Jogendra Narayan Bhuyan.
Convener, Souvenir Sub-Committee,
Nagaon Girls' College,
Nagaon-782002
( Assam )

RAJ BHAVAN
GAUHATI
August 20, 1987.



## MESSAGE

I am happy to learn that the Nowgong Girls' College has now entered the Silver Jubilee Year and the College authorities are celebrating this momentous occasion from September 12-September 14, 1987 with a befitting programme. I am glad that the organizers are bringing out a souvenir to mark the significant occasion.

Assam has witnessed a steady progress in the field of higher education since the beginning of this century. There has been tremendous expansion of the institutional base since independence and spread of women's celebration has been particularly noteworthy. There is no doubt that Assam has shown the way in the north eastern region by ensuring a continued positive direction where womens' education is concerned. Nowgong Girls' College has received remarkable progress over the years and has been of immense benefit to the girl students in that part of the State.

I wish the Nowgong Girls' College years of fruitful service for the cause of the higher education and the Silver Jubilee celebrations all success.

( Bhishma Narain Singh )

মুখ্যমন্ত্ৰী অসম



# শুভেচ্ছা বাণী

নগাঁও ছোৱালী কলেজৰ ৰূপালী জয়ন্তী উৎসৱ অহা ১২,১৩ আৰু ১৪ ছেপ্টেম্বৰত উদ্‌যাপিত হ'ব বুলি জানিবলৈ পাই মই অতি আনন্দিত হৈছোঁ।

আশা কৰোঁ, উক্ত ৰূপালী জয়ন্তী উৎসৱ পালনে কলেজখনক বিগত ২৫ বছৰৰ অভিজ্ঞতা আৰু ঐতিহ্যৰ ভিত্তিত অধিকতৰ সবল পদক্ষেপেৰে ভৱিষ্যতৰ পথত আগুৱাই যাবলৈ প্ৰেৰণা যোগাব।

নগাঁও ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতিৰ বাবে আন্তৰিক শুভেচ্ছা জনাইছোঁ। লগতে, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকললৈ ৰূপালী জয়ন্তীৰ অভিনন্দন যাচিছোঁ।

দিশপুৰ
৭।৮।৮৭

(শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত)

# সম্পাদকৰ দুআষাৰ

## উৎসৱৰ আনন্দৰ মাজতো

উনৈছ শ বাষষ্ঠি খ্ৰীষ্টাব্দত যিবোৰ শিশুৰ জন্ম হৈছিল, সেই-বোৰ এতিয়া ভৰ যৌৱনত। পঁচিছ বছৰীয়া জীৱনৰ উচ্ছলতাৰে সেই শিশুবোৰৰ যৌৱন এতিয়া পৰিপূৰ্ণ। যাৰ যৌৱন এতিয়াও ভৰি উঠা নাই, সেইবোৰৰ অপূৰ্ণতাৰ কাৰণ পুষ্টিহীনতা, যথাসময়ত পাবলগীয়া আদৰ-যত্নৰ ন্যূনতা, বা সংশ্লিষ্টসকলৰ অক্ষমনীয় উদাসীনতা।

মানৱ শিশুৰ দৰেই ৰাজহুৱা অনুষ্ঠান এটায়ো আবয়বিক দিশত পৰিপূৰ্ণতা লাভ কৰিবলৈ পঁচিছটা বছৰ নিশ্চয় কম সময় নহয়। সেই ৰাজহুৱা অনুষ্ঠানটো যদি এটা শিক্ষানুষ্ঠান হয়, সিও আকৌ স্ত্ৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান, তেতিয়া হলে বাষষ্ঠি চনত স্থাপিত হোৱা অনুষ্ঠান-টোৱে সাতাশী চনত বাহ্যিক-আভ্যন্তৰিক উভয় দিশতে সৰ্বাংগসুন্দৰ আৰু নিটোল ৰূপ এটা পৰিগ্ৰহ কৰি দেশ আৰু সমাজক প্ৰতিশ্ৰুতি দিবৰ যোগ্যতা অৰ্জন কৰাটো বাঞ্ছনীয় হৈ পৰে। তেনে বাঞ্ছাৰ অপূৰ্ণতা আমাৰ সমাজ-জীৱনৰ বাবে নিশ্চয় এক ক্ষতিকাৰক হতাশা।

স্বৰাজোত্তৰ কালছোৱাত ভাৰতবৰ্ষই বিভিন্ন ক্ষেত্ৰত বিভিন্ন শ্লোগানৰ খেতি কৰি আহিছে। ফচল যে সমূলি পোৱা নাই, তেনে নহয়। কিন্তু আৰ্থ-সামাজিক ক্ষেত্ৰত ভাৰতৰ দ্ৰুত উন্নয়নৰ বাবে দেশখনৰ নাৰী-সমাজৰ শিক্ষা তথা উচ্চ শিক্ষাৰ ক্ষেত্ৰত দিয়া শ্লোগানৰ প্ৰতিধ্বনি যি অনুপাতে ডাঙৰ হ'ব লাগিছিল, সেই অনুপাতে হোৱা নাই। হোৱা যে নাই, তাৰ প্ৰমাণ নগাঁও ছোৱালী কলেজ।

নগাঁও ছোৱালী কলেজ স্থাপিত হৈছিল আজিৰ পৰা পঁচিছ বছৰৰ পূৰ্বেই। সংশ্লিষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰচেষ্টাত ৰাইজৰ দান-বৰঙণিৰে কাঠ-বাঁহৰ খুটা-মাৰলি, টিংপাতৰ ঢাকনী আৰু বাঁহৰ বেৰৰ আবৰণীৰে বৰ্তমানৰ ঠাইডোখৰত এই "পোহৰৰ কাৰেং" টোৱে যেতিয়া গঢ় লৈ উঠিছিল, মধ্য অসমত তেতিয়া স্ত্ৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান বুলিবলৈ দ্বিতীয় এটা নাছিল। শৈক্ষিক দিশত দেখুৱা সাফল্যৰ বাবে সংশ্লিষ্ট-সকলৰ মনত প্ৰতিষ্ঠা-কালৰে পৰা অনুষ্ঠানটোৱে এটা অনন্য ভাবমূৰ্তি গঢ়ি তুলিছিল, এখন মৰ্যাদাৰ আসন লাভ কৰিছিল। স্বাভাৱিকতে অনু-ষ্ঠানটোৱে চৰকাৰৰ পৰা যথোচিত আদৰ-যত্ন পাব লাগিছিল। ৰাজহুৱা অনুষ্ঠান এটাৰ লগত ৰাইজৰ উদ্যম-উচ্ছ্বাস জড়িত হৈ থাকে এটা স্বনিৰ্দ্ধা-

ৰিত সময়লৈহে। অনুষ্ঠানটো চৰকাৰৰ হাতত অৰ্পিত হোৱাৰ বা চৰকাৰৰ দৃষ্টিত পৰাৰ পাছত সংশ্লিষ্ট ৰাইজৰ উদ্যোগ এটা বিন্দুত ৰৈ যায়। কাৰণ, আমাৰ সমাজ-জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে থকা ৰাজনীতিৰ এৰাঁসুতাৰ নিয়ন্ত্ৰণৰ কথা ৰাইজে জানে।

পিছে, একুৰি পাঁচটা বছৰত কলঙৰ বুকুৰেদি বহুতো পানী বৈ গ'ল। অসমৰ সমাজ আৰু ৰাজনীতিৰ ক্ষেত্ৰত বহুতো পৰিবৰ্তন ঘটিল। পৃথক পৃথক নীতি-আদৰ্শৰ একাধিক চৰকাৰ অসমত অধিষ্ঠিত হ'ল। সিবোৰ ঘটনাৰ অৱধাৰিত পৰিণতি স্বৰূপে তিনি বছৰীয়া মিয়াদৰ কলেজ পৰিচালনা সমিতিলৈকো সদস্যৰূপে বহুতো ব্যক্তিৰ গমনাগমন ঘটিল। কিন্তু নগাঁও ছোৱালী কলেজৰ ভাগ্যফলকবহে কোনো পৰিবৰ্তন নঘটিল। অনুষ্ঠানটোৰ আবয়বিক দাৰিদ্ৰ্য-দশা দূৰীকৰণৰ বিশেষ কোনো প্ৰচেষ্টা পৰিলক্ষিত নহ'ল; পঁচিছ বছৰতো ভৰ-যৌৱনা এগৰাকী গাভৰুৰ প্ৰাণ-প্ৰাচুৰ্যৰ প্ৰমাণ প্ৰকাশ নাপালে। ইয়াৰ বিপৰীতে কেইবাবাৰো কলেজখনৰ স্থায়ীভাৱে 'অস্থায়ী' কাঠ-বাঁহৰ খুটা-ম্যাৰলি সলাব লগা হ'ল, পুৰণা বাঁহৰ বেৰৰ ঠাইত নতুন বাঁহৰ বেৰ লগোৱা হ'ল, ধুমুহাত উৰি যোৱা চালি-ঘৰৰ টিংপাত কেইচলা কলঙৰ বুকুৰ পৰা উদ্ধাৰ কৰি আনি দুনাই তাঁৰেৰে মজবুতকৈ বান্ধি দিয়া হ'ল। বছৰে বছৰে শ শ ছোৱালী কলেজখনত পঢ়িবলৈ আহিছে। ৰ'দ-বৰষুণৰ লগত সহাৱস্থান কৰি কলেজখনৰ পৰা বছৰে বছৰে শ শ ছোৱালী উচ্চ শিক্ষিতা হৈ ওলাই গৈছে। তেওঁলোকে আমাৰ সমাজ-জীৱনৰ বিভিন্ন ক্ষেত্ৰত আত্মনিয়োগ কৰিছেগৈ দেশখনক আৰু জাতিটোক গঢ়িবলৈ, দেশৰ আৰ্থ-সামাজিক ভেটিটোক শক্তিশালী কৰিবলৈ। দেশখনে, জাতিটোৱে গঢ় লৈছে, আৰ্থ-সামাজিক ভেটিটোও মজবুত হৈছে। কিন্তু নগাঁও চহৰৰ মাজ-মজিয়াত, টেলিভিছনৰ অজস্ৰ এণ্টেনাৰ ব্যংগ-বিদ্ৰূপৰ মাজত এতিয়াও সেই একে বিষণ্ণ মন লৈ জীৰ্ণ বস্ত্ৰ পৰিহিতা ২৫ বছৰীয়া গাভৰুজনীৰ দৰে নগাঁও ছোৱালী কলেজ বহি আছে আমাৰ শিক্ষাক্ষেত্ৰৰ প্ৰগতিৰ প্ৰতিভূ স্বৰূপে।

নগাঁও ছোৱালী কলেজ-পৰিয়াল পিছে এতিয়াও হতাশ হোৱা নাই। তাৰ প্ৰমাণ সংশ্লিষ্ট ৰাইজে পাইছে। পৰিয়ালটোৰ উদ্যোগত, ৰাইজৰ সহায়-সহযোগত অনুষ্ঠানটো এতিয়াও গৈ আছে। গতিয়েই অনুষ্ঠানটোৰ ধ্বনি, গতিয়েই অনুষ্ঠানটোৰ বাণী। এই উদ্যোগ, এই গতি নিশ্চয় শক্তিশালী আৰু দৃঢ় হৈ পৰিব নগাঁৱৰ নতুন চাম সমাজকৰ্মীৰ স্বতঃস্ফুট সঁহাৰিত। ৰাজহুৱা অনুষ্ঠান এটাৰ উৎকৰ্ষ সাধনৰ বাবে প্ৰচেষ্টা চলাবলৈ সকলোৰে অধিকাৰ আছে। ৰাজনৈতিক দল-মত নিৰ্বিশেষে সকলোটিকে সেইবাবে আমি আহ্বান জনাইছোঁ, অনুষ্ঠানটিৰ কল্যাণ আৰু উৎকৰ্ষ সাধনত প্ৰত্যেকেই আত্মনিয়োগ কৰক। আমি



কেৱল বাঞ্ছা কৰিম এইটোহে যে অনুষ্ঠানটি যাতে ৰাজনীতিৰ পাশতি স্বৰূপে ব্যৱহৃত নহয়। ৰাজনৈতিক দল-মতৰ বা দৃশ্য-পটৰ পৰিবৰ্তন ঘটি আছে, ঘটি থাকিব; ৰাজহুৱা অনুষ্ঠান এটাৰ গতি পিছে নিৰৱধি কাললৈ বৰ্তি থাকিব।

পঁচিছ বছৰৰ অন্তত নগাঁও ছোৱালী কলেজৰ ইতিহাসৰ নতুন অধ্যায় এটা আৰম্ভ হ'ব। কলেজখনৰ পৰিয়ালটোৱে সেই নতুন অধ্যায়টোৰ সমল যোগাব। কিন্তু সেই নতুন অধ্যায়টো ৰচনা কৰিব লাগিব অসমৰ নতুন সমাজ-কৰ্মীসকলেহে, অসমৰ নতুন চৰকাৰেহে। কলেজখনৰ ৰূপালী জয়ন্তী উৎসৱৰ পৰৱৰ্তী কালৰ এই অধ্যায়টো সঁচা অৰ্থত কলেজখনৰ ৰূপান্তৰৰ অধ্যায় হ'ব, এই প্ৰত্যাশা অসমৰ নতুন চৰকাৰৰ ওচৰত আমি কৰিব নোৱাৰোঁ নে?

## স্মৃতিগ্ৰন্থ প্ৰসংগত

অনিবাৰ্য বিভিন্ন কাৰণত ৰূপালী জয়ন্তী উৎসৱৰ আঁচনি হাতত লোৱা বহুত পলম হ'ল। প্ৰকৃতপক্ষে অনুষ্ঠানটোৰ প্ৰস্তুতিৰ বাবে ডেৰমাহ সময়ো পোৱা নগৈছিল। ইমান কম সময়ত উৎসৱৰ আনবোৰ কাম সম্ভৱ হলেও স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰাটো সম্ভৱ হ'ব বুলি আমি ভবা নাছিলোঁ। বিভিন্ন প্ৰবন্ধৰ লেখকসকলক আমি দহোটা দিনৰো সময় দিব নোৱাৰিছিলোঁ। তথাপি আমাৰ অনুৰোধ উপেক্ষা নকৰি যিসকল সদাশয় ব্যক্তিয়ে নিজৰ লেখা একোটা দি আমাক সহায় কৰিলে, তেখেতসকলক কৃতজ্ঞতা জনোৱাৰ ভাষা আমাৰ নাই।

আমাৰ প্ৰাক্তন কৃতী ছাত্ৰীসকলৰ প্ৰত্যেককে আমি অনুৰোধ জনাইছিলোঁ তেওঁলোকে পঢ়ি যোৱা কলেজখনৰ বিষয়ে লিখিবলৈ। প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীসকলৰো প্ৰায় প্ৰত্যেককে অনুৰোধ জনাইছিলোঁ তেখেতসকলে এৰি যোৱা কলেজখনৰ কথা মনত পেলাবলৈ। আটায়ে লিখাহেঁতেন, মনত পেলোৱাহেঁতেন!

স্মৃতিগ্ৰন্থখন আমি তৰা আঁচনি মতে নহ'লগৈ। পুথিঘৰ প্ৰেছৰ গৰাকী আৰু কৰ্মচাৰীসকলৰ আন্তৰিক সহযোগিতা অবিহনে এইকণো নহ'লহেঁতেন। বিভিন্ন ক্ষেত্ৰত সহকৰ্মী শ্ৰীজ্যোতি চক্ৰৱৰ্তী, শ্ৰীঅপূৰ্ব শৰ্মা আৰু শ্ৰীপ্ৰভাত বৰাৰ, আৰু উৎসৱ উদযাপন সমিতিৰ যুটীয়া সম্পাদক শ্ৰীশৰত চন্দ্ৰ খাওন্দৰ সহায় পাইছোঁ। তথাপি অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা ডাঙৰীয়াই অনবৰতে আমাক যোগাই থকা প্ৰেৰণাইহে গ্ৰন্থখন গোহৰলৈ অনাটো সম্ভৱ কৰিলে যেন লাগিছে।

পৰিশেষত, যিসকল ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ দান-বৰঙণি

আৰু সক্ৰিয় সহায়-সহযোগত ৰূপালী জয়ন্তী উৎসৱটি সাফল্যমণ্ডিত হৈ উঠিছে, নগাঁও ছোৱালী কলেজৰ হৈ সেই সদৌটিলৈকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ, আৰু আমাৰ ব্যক্তিগত সীমাবদ্ধতাৰ ফলত স্মৃতিগ্ৰন্থত ৰৈ যোৱা ভুল-ত্ৰুটীৰ বাবে ক্ষমা বিচাৰিছোঁ ।

সম্পাদক, স্মৃতিগ্ৰন্থ,
ৰূপালী জয়ন্তী উৎসৱ,
নগাঁও ছোৱালী কলেজ ।

# প্ৰথম অংশ

শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী

# নগাঁও ছোৱালী কলেজৰ সংক্ষিপ্ত ইতিবৃত্ত*

নগাঁৱত ছোৱালীবিলাকৰ কাৰণে এখন পৃথক কলেজৰ প্ৰয়োজনটো যোৱা ১৯৫৯ চনৰ এপ্ৰিল মাহতে অনুভৱ কৰা হৈছিল, আৰু সেই মৰ্মে 'Nowgong Women's College' নামকৰণেৰে নগাঁও ছোৱালী স্কুল প্ৰাঙ্গণত দৰাচলতে ১৯৫৯ চনতে এই অনুষ্ঠানৰ পত্তন হয়। কিন্তু ১৯৬০ চনৰ জুন মাহত অনুষ্ঠানটোৰ প্ৰতিষ্ঠাতা সম্পাদক ডাঃ ললিত কুমাৰ বৰুৱাৰ পৰলোক ঘটাত অনুষ্ঠানটোৰ প্ৰভূত ক্ষতি হ'ল, আৰু তাৰ পৰৱৰ্তী বছৰতে অনুষ্ঠানটো বিলুপ্ত হ'ল।

১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনৰ পাছত নগাঁৱত ছোৱালী কলেজ এখনৰ কথাটোৱে পুনৰ ভুমুকি মাৰিলে, আৰু জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত সেই বছৰৰে জুন মাহত অনানুষ্ঠানিক আলোচনা এটাৰ মাজেদি এখন কৰ্ণধাৰ সমিতি ( Steering Committee ) গঠিত হ'ল। সমিতিৰ হৈ এটি সজাতী দলে তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাক সাক্ষাৎ কৰাত মন্ত্ৰীগৰাকীয়ে সকলো প্ৰকাৰে উৎসাহ আৰু সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিলে। কৰ্ণধাৰ সমিতিয়ে অনতিপলমে প্ৰাক্‌বিশ্ববিদ্যালয় আৰু প্ৰথম বাৰ্ষিক স্নাতক শ্ৰেণী আৰম্ভ কৰাৰ সিদ্ধান্ত ললে।

যথেষ্ট উৎসাহ-উদ্দীপনাৰ মাজেদি শিক্ষক নিয়োগ কৰা হ'ল, আৰু নগাঁও কলেজৰ কেইবাজনো অধ্যাপকে স্বেচ্ছাই অবৈতনিক ভাৱে তেখেতসকলৰ সেৱা এই অনুষ্ঠানলৈ আগবঢ়ালে। ৫।৯।৬২ তাৰিখে বৰ্তমানৰ অধ্যক্ষই প্ৰথম অধ্যক্ষ স্বৰূপে নিযুক্ত হোৱাৰ লগে লগে ছাত্ৰীৰ নাম-ভৰ্তি আৰম্ভ হ'ল, আৰু প্ৰাক্‌বিশ্ববিদ্যালয়ত ৪২ গৰাকী আৰু প্ৰথম বাৰ্ষিক বি. এ. শ্ৰেণীত ২২ গৰাকী ছাত্ৰীৰে ১২।৯।৬২ তাৰিখৰ পৰা শিক্ষাদান কাৰ্য আৰম্ভ হ'ল। ২০।৯।৬২ তাৰিখে নগাঁও কলেজ প্ৰাঙ্গণত তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা ডাঙৰীয়াই আনুষ্ঠানিক ভাৱে কলেজখনৰ দ্বাৰ উদ্ঘাটন কৰে। কলেজৰ বৰ্তমানৰ ঠাইডোখৰ পৰিদৰ্শন কৰি তেখেতে সম্ভাব্য বানৰ পৰা ঠাইডোখৰ ৰক্ষা কৰিবৰ কাৰণে মথাউৰি আৰু খাল বিভাগক বৰ্তমানৰ মথাউৰিটো বান্ধিবলৈ উপদেশ দিয়ে।

---

*নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক আৰু প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত গোস্বামী ডাঙৰীয়াৰ এই লেখাটো উনাশী চনৰে। স্বাস্থ্যজনিত কাৰণত তেখেতে নতুনকৈ লিখিব নোৱৰা বাবে ইয়াকে আমি পুনৰ মুদ্ৰণ কৰিছোঁ। —সম্পাদক*

পোনতে চহৰৰ বিশিষ্ট ব্যৱসায়ী লালচান্দ টোডিৰ ৪লাখ টকীয়া কলেজ-ভৱন নিৰ্মাণৰ চুক্তি এখন পঞ্জীবদ্ধ হোৱাৰ উপৰি টোডিয়ে ছাত্ৰী-নিবাসৰ বাবে ৫০,০০০ আৰু গ্ৰন্থাগাৰৰ বাবে ২৫,০০০ টকা দান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। আশা আৰু প্ৰতিশ্ৰুতি দিয়াৰ ৪ বছৰৰ পাছত লালচান্দ টোডিয়ে কলেজ-ভৱন নিৰ্মাণত তেখেতৰ অক্ষমতা প্ৰকাশ কৰাত কলেজ সমিতি সঙ্কটাপন্ন হ'ল।

টোডি নিজৰ প্ৰতিশ্ৰুতিৰ পৰা হঠাৎ আঁতৰি যোৱাৰ বাবে কলেজ সমিতিয়ে ২৩।১২।৬৬ তাৰিখে বৰ্তমান ঠাইত কলেজ ভৱন নিৰ্মাণ কৰাৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰি 'নগাঁও গাৰ্লছ কলেজ' নামেৰে অনুষ্ঠানৰ নতুন নামকৰণ কৰে। তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাই কলেজ-ভৱনৰ বাবে ৫০,০০০ আৰু গ্ৰন্থাগাৰৰ বাবে ১০,০০০ টকাৰ এটি মঞ্জুৰি আগবঢ়ায়।

ইতিমধ্যে কলেজ কৰ্তৃপক্ষই আমোলাপট্টিত অৱস্থিত বেডক্ৰছ ভৱন ভাড়াত লোৱাত শ্ৰেণীসমূহ তালৈ স্থানান্তৰিত হয়। ছাত্ৰীৰ প্ৰথম দলটো ১৯৬৫ চনত স্নাতক হয়। ২৪ গৰাকী ছাত্ৰীৰ ভিতৰত ১৫ গৰাকী উত্তীৰ্ণ হোৱাত উত্তীৰ্ণৰ হাৰ বিশ্ববিদ্যালয় আৰু স্থানীয় কলেজ কেইখনৰ হাৰতকৈ উচ্চ আছিল। এই কথাই শিক্ষকসকলক তথা ৰাইজক অনুপ্ৰেৰণা যোগালে।

কেইগৰাকীমান ছাত্ৰী তেতিয়ালৈকে স্থানীয় ছোৱালী স্কুলৰ ছাত্ৰী-নিবাসত আছিল; কিন্তু ছাত্ৰী-নিবাসৰ আসনৰ চাহিদা ইমানেই বৃদ্ধি হ'ল যে ৬০ গৰাকী ছাত্ৰীক ৰাখিবৰ বাবে দুটা ঘৰ ভাড়াত লব লগা হ'ল

কলেজ সমিতিয়ে বৰ্তমান ঠাইত নিজা ভৱন নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰাত এই ভৱনৰ[১] সৃষ্টি হ'ল, আৰু ১।৬।৬৮ তাৰিখে শ্ৰেণীসমূহ ইয়ালৈ স্থানান্তৰ কৰি বেডক্ৰছ ভৱনটো ছাত্ৰী-নিবাসলৈ ৰূপান্তৰিত কৰা হ'ল।

১৯৬৮ চনৰ ফেব্ৰুৱাৰী মাহৰ এটা পষেকত কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে এটকীয়া দানকে ধৰি চলোৱা অৰ্থ সংগ্ৰহ অভিযানত বাৰ হাজাৰ টকা সংগৃহীত হয়। 'শ্ৰীকৃষ্ণা টকীজ' প্ৰতিষ্ঠানৰ যোগেদি 'ৰাম ঔৰ শ্যাম' কথাছবি প্ৰদৰ্শনেৰেও বাৰ হাজাৰ টকা সংগৃহীত হয়, আৰু এই অৰ্থেৰে ১।৭।৬৮ তাৰিখৰ পৰা শ্ৰেণীসমূহ বহুৱাবৰ বাবে বৰ্তমানৰ কোঠাবোৰ অস্থায়ী ভাৱে নিৰ্মিত হয়।[২]

কলেজখন ঘাটি মঞ্জুৰি অৱস্থাৰ অধীনলৈ আনিবলৈ বহুবাৰ সঁজাতা দল গৈ ব্যৰ্থ হোৱাৰ পাছত কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে

১. *বৰ্তমানৰ পাঁচোটা কোঠাযুক্ত ১০০' × ৩৬' আয়তনৰ প্ৰশাসনীয় ভৱন। —সম্পাদক*

২. *দুখৰ কথা যে কলেজখনৰ সেই অস্থায়ী ব্যৱস্থাৰ সম্পূৰ্ণ অৱসান এতিয়াও ঘটা নাই। —সম্পাদক*



তেতিয়াৰ মাননীয় মুখ্যমন্ত্ৰী চলিহা ডাঙৰীয়াক ৩১।৯।৬৭ তাৰিখে নগাঁও চাৰ্কিট হাউচত সাক্ষাৎ কৰে, আৰু শিক্ষাধিকাৰক কৈ তেখেতে অৱশেষত কলেজখনক ১।৭।৬৬ তাৰিখৰ পৰা ঘাটি মঞ্জুৰি দান কৰে। তেতিয়ালৈকে কলেজখনে তদৰ্থ মঞ্জুৰি এটি লাভ কৰি আছিল। চলিহা ডাঙৰীয়াৰ ওচৰত আমি অশেষ কৃতজ্ঞ।

গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৬৬ চনলৈকে কলেজখনক কেৱল বাৰ্ষিক সম্বন্ধীকৰণহে (affiliation) দি আছিল, আৰু '৬৬ চনত ত্ৰৈবাৰ্ষিক সম্বন্ধীকৰণ মঞ্জুৰ কৰাত কলেজখন বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ ২ (চ) ধাৰাৰ অধীনলৈ আহে, আৰু কলেজখনে বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ অনুদান বিচৰাৰ যোগ্যতা লাভ কৰে।

সকলোবোৰ চৰ্ত পূৰণ কৰা সত্ত্বেও স্থায়ী ভৱনৰ অভাৱত বিশ্ববিদ্যালয়ে কলেজখনক এতিয়া বাৰ্ষিক সম্বন্ধীকৰণহে মঞ্জুৰ কৰি আছে। আচৰিত কথা, বিশ্ববিদ্যালয়ে বছৰি ৩০০ টকাকৈ মাচুল লয় আৰু বাৰ্ষিক সম্বন্ধীকৰণহে দিয়ে।[৩] কলেজৰ কোনো ধৰণৰ উন্নতিৰ বাবে একোকে নকৰে। অন্ততঃ আজি ৩৩ৰ বছৰে আমি কিবা কৰাতো দেখা নাই![৪]

পূৰ্ণাঙ্গ ছাত্ৰী--নিবাস এটাৰ অভাৱ আৰম্ভণিৰে পৰা অনুভৱ কৰি অহা হৈছিল। বহুতো অভাৱ আৰু অসুবিধাৰ মাজত ৬০ গৰাকী ছাত্ৰীক ভাড়া ঘৰত ৰখাৰ ব্যৱস্থা কৰা হৈছিল। বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগ আৰু ৰাজ্য চৰকাৰক ছাত্ৰী-নিবাস নিৰ্মাণৰ খৰচৰ বাবে আবেদন জনোৱা হ'ল, আঁচনিও দাখিল কৰা হ'ল। মঞ্জুৰি আয়োগৰ সভাপতি ড° ডি. এছ. কোঠাৰীক ১৯৬৭ চনৰ অক্টোবৰতে বৰ্তমানৰ[৫] অধ্যক্ষই ছাত্ৰীসকলৰ দল এটাৰে সৈতে সাক্ষাৎ কৰে, আৰু তেখেতে মঞ্জুৰি দিয়াৰ আশ্বাস দিয়ে। বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ ওচৰত আঁচনি দাখিল কৰাত ১৯৬৯ চনৰ অক্টোবৰত ১,৫০,০০০ টকাৰ মঞ্জুৰি ছাত্ৰী-নিবাস নিৰ্মাণৰ বাবে পোৱা হয়। ৰাজ্যিক চৰকাৰকো বাৰে বাৰে অনুৰোধ জনোৱা হয়। বহু বছৰৰ মূৰত অলপ অলপকৈ সেই মঞ্জুৰি দিয়েগৈ।

এই কলেজত ভৰ্তি হোৱা ৯৮% ভাগ ছাত্ৰীয়েই মাধ্যমিক শিক্ষান্ত

৩. *গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সমপৰ্যায়ৰ সকলো কলেজে পোৱা দৰে এই কলেজেও এতিয়া ১৯৮৯ চনলৈকে সম্বন্ধীকৰণ লাভ কৰিছে। স্থায়ী সম্বন্ধীকৰণ পাবৰ বাবে কলেজখনে যাৱতীয় সকলোবোৰ চৰ্ত পূৰণ কৰিছে, আৰু গুৱাহাটী বিশ্ববিদ্যালয়েও এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লৈছে। —সম্পাদক*

৪. *কলেজখনৰ বিদ্যায়তনিক দিশত বিশ্ববিদ্যালয়ে কৰিব লগীয়াখিনি যোৱা বছৰ কেইটাত কৰিছে। —সম্পাদক*

৫ *উনৈছ শ উনাশী চনৰ। —সম্পাদক*

পৰীক্ষাত তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা; অথচ শিক্ষাৰ ক্ষেত্ৰত কলেজখনে সংশ্লিষ্ট সকলোকে আৰম্ভণিৰে পৰা সন্তোষ দি আহিছে। তাৰ বাবে কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকল ধন্যবাদাৰ্হ। অনাৰ্হ বিষয়তো এই কলেজৰ ছাত্ৰীয়ে ১৯৬৯, ১৯৭৩ আৰু ১৯৭৪ চনত ৰাজনীতি বিজ্ঞানত, আৰু ১৯৭০ আৰু ১৯৭২ চনত[৬] অসমীয়াত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰিছে।

এই ছোৱালী কলেজত 'গৃহ বিজ্ঞান' খুলিবৰ কাৰণে যত্ন কৰা হৈছিল। শিক্ষামন্ত্ৰীক এই বিষয়ে কলেজ কৰ্তৃপক্ষৰ পৰা এটা সঁজাতী দলে ৬-৭-৭০ তাৰিখে লগ ধৰাৰ পিছ বছৰত খুলিবৰ কাৰণে শিক্ষা-মন্ত্ৰীয়ে আশ্বাস দিছিল। বহু যত্নৰ মূৰত চিলাই কল, গৰম কাপোৰ বোৱা যন্ত্ৰ কেইটামানো কিনা হৈছিল। দুখৰ বিষয়, মহিলাবৰ্ষ আৰু আন্তৰ্জাতিক মহিলা দশক পাৰ হোৱা সত্বেও আমি গাৰ্লছ কলেজে একো নাপালোঁ। উপযুক্ত আৰ্থিক সাহায্য নোপোৱাৰ কাৰণেই এতিয়ালৈকে Home Science খুলিব পৰা হোৱা নাই, আৰু ধাৰ মাৰিবৰ বাবে যন্ত্ৰ-পাতিখিনিও বিক্ৰীহে কৰা হ'ল।[৭]

আপোনাসকলে শুনি সুখী হ'ব যে কংগ্ৰেছ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাৰ উদ্যোগত আমাৰ কলেজলৈ বোম্বাই স্বাধীনতা দিৱস ৰূপালী জয়ন্তী সমিতিৰ তৰফৰ পৰা এক লাখ টকাৰ (শ্বহীদ ভোগেশ্বৰী ফুকননীৰ নামত এটি ছাত্ৰীবাস নিৰ্মাণৰ কাৰণে) আৰ্থিক সাহায্য পোৱা হৈছিল। সেই সাহায্যৰেই ফল এই 'শ্বহীদ ভোগেশ্বৰী ফুকননী' ছাত্ৰী-নিবাস। সি এতিয়াও অসম্পূৰ্ণ হৈ ৰৈছে।[৮]

সম্প্ৰতি আমাৰ কলেজৰ অভাৱ-অভিযোগ অলেখ। ছাত্ৰীসকলে ১৯৬৮ চনতে তৈয়াৰী চালি ঘৰতেই পঢ়া-শুনা কৰি আছে।[৯] পুথি-ভঁৰাল ঘৰৰ অসুবিধাৰ কাৰণে ছাত্ৰীসকলক পঢ়াৰ সুবিধা দিব পৰা নাই। ইয়াৰ বাহিৰেও ছাত্ৰীসকলৰ কাৰণে জিৰণি কোঠা, ছাত্ৰী একতা সভাৰ কোঠা আদিৰ অভাৱত বহুতো অসুবিধাৰ সন্মুখীন হৈ আছোঁ।

আমি আশা কৰোঁ, বিশ্ববিদ্যালয়ে অকল মাচুলখিনি লোৱাতে ক্ষান্ত নাথাকি কলেজখন কেনেকৈ সৰ্বাংগ সুন্দৰ হ'ব পাৰে, কলেজখনে কেনেকৈ আৰ্থিক অনুদান পাব পাৰে, অধ্যাপক-অধ্যাপিকাৰ অভাৱ কেনেকৈ পূৰণ কৰিব পাৰে, তালৈকো চাব। নহলে, বছৰি "অমুকটো নাই গতিকে তোমালোকৰ এফিলিয়েচন নহ'ল" এনে কৰি থাকিলেই হ'বনে ?

আমি আগৰ দৰে এইবাৰো আশা ৰাখিছোঁ, কলেজৰ ঘৰ-বাৰী, বিভিন্ন অভাৱ-অভিযোগ সহৃদয় ৰাইজৰ সহযোগিতাত অচিৰে আঁতৰিব। □

৬. ১৯৭৯ চনতো। —সম্পাদক

৭. 'হোম চায়েন্স' বিষয়টো প্ৰৱৰ্তন কৰিবৰ বাবে বৰ্তমানৰ কলেজ পৰিচালনা সমিতিয়ে পুনৰ চিন্তা কৰিছে। —সম্পাদক

৮. অসম ৰাজ্যিক লটাৰী পুঁজিৰ পৰা ১৯৮৫ চনত পোৱা এক লাখ টকাৰ অনুদানেৰে উক্ত ছাত্ৰী-নিবাস বৰ্তমান সম্পূৰ্ণ হৈ উঠিল। —সম্পাদক

৯. চালি-ঘৰৰ উপৰি ১০০´×৩০´ আকাৰৰ সভাঘৰ এটাতো শ্ৰেণীসমূহ বহে। সম্পদ-পুঁজি ( Resource Fund )ৰ উদ্যোগত অনুষ্ঠিত লটাৰী-যোগে সংগ্ৰহ কৰা ধনেৰে দুটা কোঠা যুক্ত ৭০´×২৫´ আকাৰৰ ঘৰটোতো বৰ্তমান পাঠদান কাৰ্য চলে। ষষ্ঠ পাৰিকল্পনাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা মঞ্জুৰি আৰু ৰাজ্যিক চৰকাৰৰ পৰা পোৱা তুল্যাংশ (Matching Share )ৰ সহায়ত, লগতে কলেজৰ সম্পদ-পুঁজিৰ পৰা আগবঢ়োৱা ধনেৰে এটা তিনি খলপীয়া ঘৰৰ মাটি-খলপটো সম্পূৰ্ণ হ'ল। বৰ্তমান বছৰত অসম ৰাজ্যিক লটাৰীৰ পৰা পোৱা একলাখ টকা, ৰাজ্যিক চৰকাৰৰ পৰা পোৱা পঞ্চাছ হাজাৰ টকা, আৰু কলেজ পুঁজিৰ টকাৰে উক্ত ঘৰৰ প্ৰথম খলপটো সম্পূৰ্ণ হৈছে। —সম্পাদক



"কথাৰে নহয় বন্ধু
কামত পৰিচয়"

এইশাৰী সোণসেৰীয়া কথাৰ প্ৰমাণ হয়তো আপুনি ইতি-মধ্যে পাইছেই, বা নাপাবও পাৰে। মন ভুলোৱা ৰহণ লগা বিজ্ঞাপন দিয়া বজাৰৰ বহুতো দৰব-জাতিৰ কথা আপুনি সদায় দেখি আছে। গুণাগুণৰ বেলিকা সঠিক বাছ-বিচাৰ কৰাৰ দায়িত্ব কিন্তু আপোনাৰ।

"দেহাই বেহা,
দেহা নাথাকিলে কিহৰ বেহা"।

আপোনাৰ দেহাৰ ন-পুৰণি ৰোগ নিৰাময় কৰি পৰিপুষ্টি লাভ কৰি দীৰ্ঘায়ু হবলৈ যদি বিচাৰে, তেন্তে বিনা দ্বিধায় স্বীকাৰ কৰি ল'ব পাৰে এখন চৰকাৰী প্ৰতিষ্ঠান —

অসম আয়ুৰ্বেদিক প্ৰডাক্ট্‌ছ
গুৱাহাটী—২১

শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

# মহিলা কলেজৰ পৰা ছোৱালী কলেজলৈ

নগাঁও ছোৱালী কলেজ স্থাপিত হৈছিল এতিয়াৰ পৰা একুৰি পাঁচ
বছৰৰ পূৰ্বে। ১৯৬২ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰ মাহৰ ১২ তাৰিখে এই শিক্ষা-
নুষ্ঠানটোৱে জন্ম লাভ কৰিছিল। কিন্তু তাৰো প্ৰায় তিনি বছৰৰ
আগেয়ে ১৯৫৯ চনত নগাঁৱত মহিলাৰ উচ্চ শিক্ষাৰ আচুতীয়া অনুষ্ঠান
এটাই ভুমুকি মাৰিছিল। নগাঁও ছোৱালী হাইস্কুল প্ৰাংগণত বহা 'নগাঁও
উইমেন্‌ছ কলেজ' নামৰ সেই অনুষ্ঠানটোৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল
ডাঃ ললিতকুমাৰ বৰুৱা। অনুষ্ঠানটোৰ অধ্যক্ষ ৰূপে কাৰ্যনিৰ্বাহ কৰি-
ছিল নগাঁও কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপক নিৰ্মল চন্দ্ৰ চামাদ্দাৰে।
কিছুদিন চলাৰ পাছতেই অনুষ্ঠানটোৰ অকাল মৃত্যু ঘটিল। সেই অনু-
ষ্ঠানৰ লিপিবদ্ধ সংবাদ আমাৰ হাতত এতিয়া একো নাই। সেইটো
এটা সম্পূৰ্ণ বেলেগ অধ্যায়। সেই অধ্যায়ৰ তাতে সামৰণি পৰিল।

সেই অনুষ্ঠানটোৰ, সেইখন উইমেন্‌ছ কলেজৰ গতিত যতি পৰিল
যদিও নগঞা ৰাইজৰ মনত মহিলাৰ উচ্চ শিক্ষাৰ আচুতীয়া অনুষ্ঠান এটাৰ
প্ৰয়োজনটোৱে আমনি নিদিয়াকৈ নাছিল। সেইবাবেই ১৯৬২ চনত
নগাঁও চহৰৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ উদ্যোগত পুনৰ তেনে
এটি অনুষ্ঠানে (একে নামৰ নগাঁও মহিলা কলেজ, Nowgong Women's
College) জন্ম লাভ কৰিলে। কোন মাহৰ কোন তাৰিখে অনুষ্ঠানটোৰ কথা
কোনে ভাবিছিল, তাৰ লিখিত কাহিনী আমি পঢ়িবলৈ পোৱা নাই।
নগাঁও ছোৱালী কলেজৰ কাৰ্যালয়ত সংৰক্ষিত প্ৰথম কাৰ্যবিবৰণী বহী-
খনতো সেই কথাৰ কোনো সাক্ষ্য-প্ৰমাণ নাই। এই কাৰ্যবিবৰণী
বহীখনত ১৯৬২ খ্ৰীষ্টাব্দৰ জুলাই মাহৰ ১১ তাৰিখে অনুষ্ঠিত সভাৰ
সংবাদহে লিপিবদ্ধ হৈ আছে। উক্ত দিনত অনুষ্ঠিত সভাখনেই অনু-
ষ্ঠানটোৰ প্ৰতিষ্ঠাৰ লগত জড়িত ব্যক্তিসকলৰ প্ৰথম সভা ("First
Meeting")। অৱশ্যে জুলাই মাহৰ ৮ তাৰিখৰ পূৰ্বে কোনো বা এটা
দিনত এই বিষয়ক সাধাৰণ সভা এখন বহিছিল। ১১ জুলাইৰ সভাত
উপস্থিত থকা ব্যক্তিসকলক নিশ্চয় সেইখন সভাই নিৰ্বাচিত বা মনো-
নীত কৰি 'কৰ্ণধাৰ সমিতি' ("Steering Committee") এখন গঠন
কৰি দিছিল। ৮ জুলাই তাৰিখে কৰ্ণধাৰ সমিতিৰ হৈ এটা সঁজাতী
দলে অসমৰ তেতিয়াৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাক নগাঁও চাৰ্কিট
হাউচত সাক্ষাৎ কৰি তেখেতৰ লগত 'নগাঁও উইমেন্‌ছ কলেজ'ৰ বিষয়ে



আলোচনা কৰাৰ সংবাদ ১১ জুলাইৰ কাৰ্যবিবৰণিয়েই দিছে। সেই সংবাদ
মতে মন্ত্ৰীগৰাকীয়ে কলেজখন আৰম্ভ কৰিবলৈ সঁজাতী দলটোক উপ-
দেশ দিয়ে, আৰু তেখেতে নিজে দহ হাজাৰ টকা সংগ্ৰহ কৰি দিয়াৰ
প্ৰতিশ্ৰুতি দিয়ে। শিক্ষামন্ত্ৰীৰ আশ্বাস আৰু প্ৰতিশ্ৰুতিৰ কথা কৰ্ণধাৰ
সমিতিৰ সাধাৰণ সম্পাদক (General Secretary) জনে জনোৱাত
কৰ্ণধাৰ সমিতিৰ এই প্ৰথম বৈঠকত উপস্থিত থকা সদস্যসকল আশ্বস্ত
হ'ল, আৰু সমিতিয়ে পৰৱৰ্তী শিক্ষা বছৰৰ পৰা প্ৰাক্ বিশ্ববিদ্যালয় (Pre-
University) আৰু তিনিবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম (Three Years
Degree Course) ৰ প্ৰথম বাৰ্ষিক শ্ৰেণীটো মুকলি কৰাৰ সিদ্ধান্ত
গ্ৰহণ কৰি এটা শিক্ষানুষ্ঠানৰ ইতিহাসৰ পাতনি মেলিলে।

১১.৭.৬২ তাৰিখে অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ এই প্ৰথম বৈঠকটোৰ
স্থান আছিল জিলাৰ উপায়ুক্তৰ কাৰ্যালয়, সময় আছিল সন্ধ্যা ৭ বজা।
বৈঠকত সভাপতিত্ব কৰিছিল কৰ্ণধাৰ সমিতিৰ সভাপতি (নগাঁও জিলাৰ
উপায়ুক্ত) এছ. জে. (সতী জীৱন) দাসে। উপস্থিত সদস্যসকলৰ বাকী
কেইগৰাকী হ'ল এইচ. ডি. (হলধৰ) ভূঞা, য়ু. (উষা) বৰঠাকুৰ,
বেগম আফিয়া আহমেদ, এম. চি. (মহেশচন্দ্ৰ) দেৱগোস্বামী, শৰত চন্দ্ৰ
গোস্বামী (জিলা কংগ্ৰেছ কমিটিৰ সভাপতি) জি. চি. (গোলোক চন্দ্ৰ)
বৰুৱা (পৌৰ সভাপতি), এল. ডি. (লীলাধৰ) কটকী (সংসদী সদস্য),
এল. পি. (লক্ষ্মীপ্ৰসাদ) গোস্বামী (বিধায়ক), এচ. ডি (? সুৰেন্দ্ৰ নাথ)
শৰ্মা (নগাঁও জিলাৰ যোগান বিভাগৰ উপ-সঞ্চালক), চন্দ্ৰকান্ত শৰ্মা
(হয়বৰগাঁৱৰ). মঃ ছামচুল হুদা. মঃ এন. (নূৰুল আমিন). ডি (ডম্বৰু)
গগৈ (স্কুল পৰিদৰ্শক)। বিশেষভাৱে নিমন্ত্ৰিত হৈ বৈঠকত উপস্থিত আছিল
চি. চি. বৰ্মন (নগাঁৱৰ অতিৰিক্ত উপায়ুক্ত), আৰু কে. চি. (কমলচন্দ্ৰ)
মজুমদাৰ (নগাঁৱৰ মহকুমা প্ৰাধিকাৰী)।

কৰ্ণধাৰ সমিতিৰ সেই বৈঠকে লোৱা সিদ্ধান্ত মতে প্ৰাক বিশ্ব-
বিদ্যালয় শ্ৰেণীত ইংৰাজী, অসমীয়া, বিকল্প অসমীয়া, অসমীয়া দ্বিতীয়
ভাষা, বাংলা, ৰাজনীতি বিজ্ঞান, পৌৰ বিজ্ঞান, তৰ্ক বিজ্ঞান, বুৰঞ্জী,
শিক্ষা এইকেইটা বিষয়; আৰু ডিগ্ৰী পাঠ্যক্ৰমৰ প্ৰথম বাৰ্ষিকত (পৌৰ
বিজ্ঞান আৰু তৰ্ক বিজ্ঞান বাদে) উল্লিখিত বিষয়কেইটাৰ উপৰি অৰ্থ-
নীতি আৰু দৰ্শন বিষয় প্ৰবৰ্তন কৰাৰ সিদ্ধান্ত লয়।

কৰ্ণধাৰ সমিতিৰ সিদ্ধান্তসমূহ খৰতকীয়াকৈ কাৰ্যকৰী কৰাৰ
উদ্দেশ্যে সেই বৈঠকতে সৰু সমিতি এখন নিম্নোক্ত ব্যক্তিক লৈ গঠিত হ'ল।

১, জিলাৰ উপায়ুক্ত (সভাপতি)
২, স্কুল পৰিদৰ্শক ডম্বৰু গগৈ (সাধাৰণ সম্পাদক)
৩, মহেশচন্দ্ৰ দেৱ গোস্বামী (যুটীয়া সম্পাদক)
৪, নূৰুল আমিন (যুটীয়া সম্পাদক)

৫. ছামচুল হুদা ( সহকাৰী যুটীয়া সম্পাদক )
৬. উষা বৰঠাকুৰ
৭. আফিয়া আহমেদ
৮. ৰামনাথ শৰ্মা
৯. কে. কে. ( ক্ষীৰোদ কুমাৰ ) বৰুৱা
(৬–৯: সদস্য)

শ্ৰেণীকেইটা আৰম্ভ কৰিবৰ বাবে বিশ্ববিদ্যালয়ৰ যাৱতীয় অনুমতি পোৱাৰ চেষ্টা কৰিবলৈ আৰু স্থানীয় ইচ্ছুক অধ্যাপকসকলক পূৰ্ণকালীন বা অংশকালীন অধ্যাপক ৰূপে নিযুক্তি দিবলৈ এই **সমিতিখনকে** কৰ্তৃত্ব দিয়া হ'ল। সাময়িকভাৱে নগাঁও ছোৱালী হাইস্কুল প্ৰাংগণতে কলেজখন বহুৱাব সিদ্ধান্ত কৰা হ'ল অনুষ্ঠানটোৰ নিজা ঘৰ-দুৱাৰ **নিৰ্মিত** নোহোৱা- লৈকে।

কলেজখনৰ আঁচনি বাস্তৱায়িত কৰিবলৈ পঞ্চাছ হাজাৰ টকাৰ প্ৰয়োজন অনুভূত হোৱাত জিলাৰ উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত, আৰক্ষী অধীক্ষক, গড়কাপ্তানী বিভাগৰ পূব পশ্চিম উভয় সংমণ্ডলৰ কাৰ্য-বাহী অভিযন্তা দুজন, বিক্ৰীকৰ অধীক্ষক, যোগান বিভাগৰ উপ-সঞ্চালক, উপসংমণ্ডল প্ৰাধিকাৰী, পৌৰ সভাপতি, জিলা বন-বিষয়া, লীলাধৰ কটকী, ৰামনাথ শৰ্মা, বেগম আফিয়া আহমেদ, উষা বৰঠাকুৰ, নূৰুল আমিন, মহম্মদ ইদ্ৰিছ, লক্ষ্মীপ্ৰসাদ গোস্বামী, আৰু শৰত চন্দ্ৰ গোস্বামী এই সকলক লৈ এখন বিত্ত-উপসমিতি গঠন কৰা হ'ল।

'নগাঁও উইমেন্‌ছ কলেজ'ৰ নামত য়ুনাইটেড বেংক অফ ইণ্ডিয়াৰ নগাঁও শাখাত ছেভিংছ বেংক একাউণ্ট এটা খোলা হ'ল। উক্ত পুঁজিৰ লেনদেন জিলাৰ উপায়ুক্ত আৰু স্কুল পৰিদৰ্শকৰ ( কৰ্ণধাৰ সমিতিৰ যথাক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক ) যুটীয়া স্বাক্ষৰত হোৱাৰ সিদ্ধান্ত লোৱা হ'ল। মাহিলি ২৫ টকা বেতনত এজন কাৰ্যালয় সহকাৰী আৰু ১০ টকা বেতনত এজন পিয়ন নিয়োগ কৰিবলৈ বৈঠকে সাধাৰণ সম্পাদকক কৰ্তৃত্ব দিলে। কাৰ্যালয় স্বৰূপে ব্যৱহাৰ **কৰিবলৈ** স্কুল-পৰি-দৰ্শকৰ কাৰ্যালয়ৰে কোঠা এটা সাময়িকভাৱে দিবলৈ স্কুল পাৰদৰ্শকক অনুৰোধ জনোৱা হ'ল।

পোনতে ছোৱালী হাইস্কুল প্ৰাংগণতে কলেজখন বহুৱাবলৈ সংশ্লিষ্ট স্কুল কৰ্তৃপক্ষক অনুৰোধ জনোৱাৰ কথা আছিল যদিও কিবা কাৰণত হাইস্কুল প্ৰাঙ্গণত কলেজখন নবহিলগৈ। ইতিমধ্যে নগাঁও কলেজ কৰ্তৃ-পক্ষই নগাঁও কলেজ প্ৰাঙ্গণ ব্যৱহাৰ কৰিবলৈ দিয়া বাবে কৰ্ণধাৰ সমিতিৰ ৪।৯।৬২ তাৰিখৰ বৈঠকে নগাঁও কলেজ পৰিচালনা সমিতিৰ সভাপতি মতিৰাম বৰা আৰু অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাক ধন্যবাদ জনায়। এই মাহৰ ভিতৰতে সাধাৰণ সম্পাদকে নাৰায়ণ শৰ্মাক কাৰ্যালয় সহকাৰী, আৰু তগৰচন্দ্ৰ বৰাক পিয়ন নিয়োগ কৰে।



৪।৯।৬২ তাৰিখে অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ কাৰ্যবিবৰণিত প্ৰকাশ পাইছে যে ইতিমধ্যে নগাঁৱৰ বিশিষ্ট ব্যৱসায়ী এল. চি. ( লালচান্দ ) টোডিয়ে কেইটামান প্ৰতিশ্ৰুতি আগবঢ়াইছিল। যেনে, (ক) কলেজ-খনৰ পুনৰাবৰ্তক ( recurring ) ব্যয় বাবদ তেখেতে সাম্প্ৰত চাৰি মাহৰ বাবে মাহিলি ২,৫০০ টকাকৈ দিব ; ( Sri L C, Todi will pay Rs. 2,500/- P. M, for four months for the present to the College Fund for recurring expenses ), (খ) বিশ্ববিদ্যালয়ৰ সম্বন্ধীকৰণৰ ( affiliation ) বাবে প্ৰয়োজনীয় ২২,৫০০ টকাৰ সংৰক্ষিত পুঁজি এটা আগবঢ়াব ( He will pay Rs. 22,500/- to the College Fund for creation of a Reserve Fund, which is required for affiliation to the University), (গ) কাৰিকৰী উপদেশ মতে কলংপাৰত কলেজৰ বাবে নিৰ্দ্ধাৰিত ২৫ বিঘা মাটিৰ বুকুৰ পৰা অন্ততঃ ৫ বিঘা মাটি উলিয়াই দিব (He will develop atleast 5 bighas of land out of the plot of 25 bighas of land on the bank of the river Kolong earmarked for the College, according to technical advice ) আৰু, (ঘ) সেই মাটিডৰাত বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ বিস্তৃত বিবৰণ অনুযায়ী হবলগীয়া কোঠাৰে ৫,৫০০ বৰ্গফুট আয়তনৰ ঘৰ এটা নিৰ্মাণ কৰি দিব [ He will erect on the plot so developed a building covering a floor area of 5,500 sft (with pucca plinth from original land to the floor level with 10" wall and 5" wall upwards ) with rooms according to University Grants Commissions' specifications, and according to design to be approved by the Committee' ]। টোডিৰ তেনে প্ৰতিশ্ৰুতিৰ বিনিময়ত কৰ্ণধাৰ সমিতিয়ে অনুষ্ঠানটোৰ নামকৰণ 'নগাঁও উইমেন্‌ছ কলেজ'ৰ পৰিবৰ্তে 'এল. চি. টোডি উইমেন্‌ছ কলেজ' কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে ৪.৯.৬২ তাৰিখৰ এইটো বৈঠকতে। একেটা বৈঠকতে এল চি. টোডিক কৰ্ণধাৰ সমিতিৰ এজন অন্যতম সদস্যৰূপে সহ-নিযুক্ত কৰি কোষাধ্যক্ষ পতা হ'ল। যুগল কিশোৰ কেডিয়া আৰু বি. এন. কেডিয়াকো সহ-নিযুক্ত সদস্য কৰা হ'ল। এইটো দিনতে কৰ্ণধাৰ সমিতিয়ে ১৬ গৰাকী স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীক অংশকালীন আৰু পূৰ্ণকালীন ভিত্তিত বাছনি কৰে। সেইসকল আছিল ঃ

[ ইংৰাজী ]

১। অধ্যাপক এছ. এন. চক্ৰবৰ্তী ( অংশকালীন )
২। অধ্যাপক এইচ. ৰহমান ( ,, )
৩। অধ্যাপক আৰ. বৰা ( ,, )

[ অসমীয়া ]

৪। অধ্যাপক মহিম বৰা ( অংশকালীন )
৫। অধ্যাপক টি. পি. শৰ্মা ( ,, )
৬। অধ্যাপক এম. চি. বৰা ( ,, )
৭। অধ্যাপিকা তৰু বৰুৱা [ পূৰ্ণকালীন ]

[ বুৰঞ্জী ]

৮। অধ্যাপিকা ওৱাহেদা হুছেইন [ ,, ]

[ তৰ্ক-বিজ্ঞান আৰু দৰ্শন ]

৯। অধ্যাপিকা মৃণালিনী বৰদলৈ [ ,, ]

[ শিক্ষা ]

১০। অধ্যাপক এইচ. গোস্বামী [ অংশকালীন ]

[ ৰাজনীতি বিজ্ঞান ]

১১। অধ্যাপক এ. চি. নাথ [ ,, ]
১২। অধ্যাপক টি. চি. বৰা [ ,, ]

[ অৰ্থনীতি ]

১৩। অধ্যাপিকা জেড. এ. বেগম [ পূৰ্ণকালীন ]
১৪। অধ্যাপিকা বি. পদ্মপতি [ ,, ]

[ বাংলা ]

১৫। অধ্যাপক পি. এল. দত্ত [ অংশকালীন ]
১৬। অধ্যাপক এম. কে. ৰয় [ ,, ]

প্ৰাৰম্ভিক কামখিনি চলাবৰ বাবে এজন অভিজ্ঞ ব্যক্তিৰ প্ৰয়োজন হোৱাত নগাঁও কলেজৰ উপাধ্যক্ষ আৰু কলেজ কৰ্ণধাৰ সমিতিৰ যুটীয়া সম্পাদক অধ্যাপক শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীক পূৰ্ণকালীন অধ্যক্ষ এজন নোপোৱালৈকে অধ্যক্ষ স্বৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ সমিতিয়ে অনুৰোধ জনায়। যান-বাহন বানচ ৰূপে শ্ৰীগোস্বামীক মাহিলি এশ টকাকৈ দিয়াৰ সিদ্ধান্ত হ'ল।

১২.৯.৬২ তাৰিখে কলেজৰ শ্ৰেণীসমূহ প্ৰথম বাৰৰ বাবে আৰম্ভ হ'ল। এসপ্তাহৰ পাছত ২০.৯.৬২ তাৰিখে নগাঁও কলেজ প্ৰাংগণতে অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই আনুষ্ঠানিকভাৱে কলেজৰ দুৱাৰ মুকলি কৰিলে।

১৫.১১.৬২ তাৰিখৰ বৈঠকত কৰ্ণধাৰ সমিতিয়ে গ্ৰহণ কৰা সিদ্ধান্ত এনে ধৰণৰ—

১. ২৫ নবেম্বৰ তাৰিখে পুৱা ৯ বজাত 'এল. চি. টোডি কলেজ'ৰ আধাৰশিলা প্ৰতিষ্ঠা কৰিবৰ বাবে অসমৰ ৰাজ্যপালক অনুৰোধ জনোৱা হওক, আৰু

২. ১৯৬৩ চনৰ জুন মাহৰ শেহলৈ ৫,৫০০ বৰ্গফুট আকাৰৰ



ভৱন এটাৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তুলিবলৈ দাতাগৰাকীক অনুৰোধ জনোৱা হওক।

ইতিমধ্যে টোডিয়ে কলেজ ভৱনৰ উপৰি ছাত্ৰী-নিবাস এটাৰ বাবে পঞ্চাছ হাজাৰ আৰু গ্ৰন্থাগাৰ ভৱনৰ বাবে পঁচিছ হাজাৰ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। সমিতিয়ে সেই প্ৰতিশ্ৰুতিৰ বাবে টোডিক ধন্যবাদ জনালে।

এইটো বৈঠকতে ( ১৯.১১.৬২ ) এল. চি. টোডি উইমেনছ কলেজৰ নতুন নাম অনতিপলমে 'এল. চি টোডি গাৰ্লছ কলেজ' কৰাৰ সিদ্ধান্ত সমিতিয়ে গ্ৰহণ কৰিলে ( **Resolved that the L. C. Todi Women's College be renamed L. C. Todi Girls' College with immediate effect** )। তেতিয়ালৈকে কলেজখনে বিশ্ববিদ্যালয়ৰ সম্বন্ধীকৰণ পোৱা নাছিল। কৰ্ণধাৰ সমিতিয়ে এইটো বৈঠকতে মাহিলি ৯৫০ টকাকৈ অধ্যক্ষৰ মাননী এটা নিৰ্দ্ধাৰণ কৰিলে।

কৰ্ণধাৰ সমিতিৰ ১৬.২.৬৩ তাৰিখৰ বৈঠকত সভাপতিত্ব কৰিছিল নগাঁও কলেজৰ অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই। ইতিমধ্যে কলেজখন আৰ্থিক সংকটৰ সন্মুখীন হৈছিল। পৰিস্থিতি সম্পৰ্কে শিক্ষামন্ত্ৰীক অৱগত কৰাবলৈ সমিতিয়ে লীলাকান্ত বৰাক অনুৰোধ জনালে। দাতা আৰু ধনভঁৰালী টোডিয়ে পুনৰাবৰ্তক ব্যয় হিচাপে দি অহা ধন দি থাকিবলৈ টোডিকো সমিতিয়ে অনুৰোধ জনালে ( **Sri L. C. Todi, donor and Treasurer be requested to Continue payments of donation so as to meet the recurring expenses till Govt. grant is available** )।

ইতিমধ্যে নগাঁও জিলাৰ উপায়ুক্ত সতীজীৱন দাসৰ ঠাইত বহিলহি চি. আৰ. কৃষ্ণমূৰ্তি। কৰ্ণধাৰ সমিতিৰো সভাপতি হলহি চি. আৰ. কৃষ্ণমূৰ্তি। ১৭.৮.৬৩ তাৰিখৰ বৈঠকত কৃষ্ণমূৰ্তিয়েই সভাপতিত্ব কৰিলে। সভাত উপস্থিতিৰ সংখ্যা আছিল ১০। সভাৰ এই বৈঠকত টোডিয়ে শেনচোৱাত কলেজৰ মাটি আৰু ঘৰৰ ব্যৱস্থা কৰিব বুলি কলে।

এমাহৰ মূৰত ১৭.৯.৬৩ তাৰিখে পুনৰ কৰ্ণধাৰ সমিতিৰ বৈঠক আহ্বান কৰা হ'ল; কিন্তু সভাপতি, দাতা আৰু কেইগৰাকীমান গুৰুত্বপূৰ্ণ ব্যক্তিৰ অনুপস্থিতিৰ বাবে ৮ গৰাকী সদস্য উপস্থিত থকা সত্বেও পৰৱৰ্তী এটা দিনলৈ সেই বৈঠক মুলতুবী ৰখা হ'ল।

কলেজখন তেতিয়াও নগাঁও কলেজৰ লগত সংলগ্ন পূৰ্বৰ ডাক-বঙলাতে চলি আছিল। কিন্তু ডাক-বঙলাৰ অৱস্থা শোচনীয় হৈ অহা বাবে নগাঁও কলেজৰ অধ্যক্ষই তাৰ পৰা ছোৱালী কলেজখন স্থানান্তৰিত কৰিব লাগে বুলি ৯৫.৬.৬৪ তাৰিখে জনালে। ২৩.৬.৬৪ তাৰিখে কৰ্ণধাৰ সমিতি বহিল। সভানেত্ৰীত্ব কৰিলে শ্ৰীমতী উষা বৰঠাকুৰে।

সভাত নগাঁও কলেজৰ অধ্যক্ষই দিয়া চিঠিৰ কথা বিশদভাৱে আলোচিত হ'ল, আৰু আমোলাপট্টিৰ কলংপাৰত অৱস্থিত ৰেডক্ৰছ ভৱনটোতে অস্থায়ীভাৱে কলেজ চলাবলৈ থিৰ কৰি মাহিলি ২৩০ টকাত ঘৰটো ভাৰালৈ লোৱাৰ সিদ্ধান্ত হ'ল। তেতিয়া ৰেডক্ৰছ সমিতিৰ সম্পাদক আছিল ডাঃ পি, (পদ্ম) ভূঞা।

ইতিমধ্যে টোডিয়ে অধ্যক্ষক জনালে যে শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাই দেখুৱাই দিয়া ঠাইতহে তেখেতে কলেজৰ ভৱন নিৰ্মাণ কৰিব। কলেজ ভৱনৰ বাবে কৰ্ণধাৰ সমিতিৰ হাতত মাটি আছিল দুডোখৰ ঃ
১। হয়বৰগাঁৱত থকা এছ. মজুমদাৰৰ মাটি আৰু তাৰে সংলগ্ন মাটিখনি,
২। 'কমলা ইণ্ডাষ্ট্ৰিজ'ৰ কাষৰ মাটিখিনি।

২৩।৬।৬৪ তাৰিখৰ বৈঠকতে মাহিলি দুশ টকা বেতনত (লগতে মৰগীয়া বানচ) ইংৰাজী, অসমীয়া, শিক্ষা, দৰ্শন, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু বুৰঞ্জী বিষয়ৰ পূৰ্ণকালীন অধ্যাপক পদৰ বাবে বিজ্ঞপ্ত দিয়াৰ সিদ্ধান্ত হয়। কাৰ্যালয় সহকাৰী হিচাপে আগৰ বছৰৰ ছেপ্টেম্বৰ মাহৰ পৰা এন. (নাৰায়ণ) শৰ্মাক নিযুক্তি দিয়া হৈছিল মাহিলি ২৫ টকা বেতনত। সেই নিযুক্তিত সমিতিয়ে অনুমোদন জনালে। পূৰ্ণকালীন কাৰ্যালয় সহকাৰী এজন মাহিলি ৯০ টকাত নিয়োগ কৰিব লাগে বুলিও সমিতিয়ে সিদ্ধান্ত ললে। আন সকলো ধৰণৰ অৰ্হতা সমান হ'লে মহিলা প্ৰাৰ্থীকহে অগ্ৰাধিকাৰ দিব লাগে বুলি সমিতিয়ে মত প্ৰকাশ কৰিলে। পিছে কাৰ্যালয় সহকাৰীৰূপে [পূৰ্ণকালীন] পোনাৰাম বৰাহে নিযুক্ত হ'ল।

১২।৭।৬৪ তাৰিখে কৰ্ণধাৰ সমিতিৰ বৈঠক বহিল স্পৰ্টছ ক্লাব পেভিলিয়নত সন্ধ্যা ৬.৩০ বজাত। সভানেত্ৰী উষা বৰঠাকুৰ। বৈঠকত এল. চি. টোডিয়ে কলেজ ভৱন নিৰ্মাণ কৰা বিষয়ত তেখেতৰ পূৰ্বৰ মতকে দোহাৰি কলে যে মাটি পোৱাৰ লগে লগেই ভৱন নিৰ্মাণৰ কাম তেখেতে আৰম্ভ কৰিব। সমিতিয়ে সেইবাবে শেনচোৱাৰ ওচৰত 'কমলা ইণ্ডাষ্ট্ৰিজ'ৰ কাষৰ মাটিডোখৰ বাছনি কৰি যাৱতীয় কাৰ্য-ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত ললে।

ইতিমধ্যে নতুন নতুন নিযুক্তি আৰু ভৱনৰ ভাৰা বাবদ কলেজখনৰ মাহিলি পুনৰাৱৰ্তক ব্যয় ৪,৭০০ টকালৈ উঠিল। অন্যান্য খৰচ যে আছিলেই। এই বৈঠকত সমিতিয়ে সেইবাবে শিক্ষা মন্ত্ৰীৰ ওচৰলৈ সঁজাতী দল পঠোৱাৰ সিদ্ধান্ত ললে। ৮ জন সদস্যৰে গঠিত সঁজাতী দলটোক কলেজত ভূমি আৰু ভৱন সম্পৰ্কে আৰু চলিত শিক্ষাবছৰটোৰ পৰাই কলেজখনক ঘাটি মঞ্জুৰি দিয়া সম্পৰ্কে শিক্ষামন্ত্ৰীক অনুৰোধ জনাবলৈ দায়িত্ব দিলে।

সেই বৈঠকতে সেই শিক্ষাবৰ্ষৰ পৰাই ভূগোল আৰু সংস্কৃত বিষয়



দুটা কলেজখনত প্ৰবৰ্তন কৰাৰ সিদ্ধান্ত লোৱা হ'ল। অধ্যাপক হৰেশ্বৰ বৰুৱা আৰু অধ্যাপক এছ. এম. কুমে্ৰ যথাক্ৰমে ভূগোল আৰু সংস্কৃতৰ অধ্যাপক নিযুক্ত হ'ল। যান-বাহন বানচ আগবঢ়োৱা হ'ল ৫০ টকাকৈ। ছাত্ৰীৰ সংখ্যা আশানুৰূপ ভাৱে তেতিয়াও কলেজখনত বৃদ্ধি পোৱা নাছিল। তুলনামূলকভাৱে বেছি সংখ্যক ছোৱালী তেতিয়াও নগাঁও কলেজলৈকে গৈছিল নামভৰ্তি কৰিবলৈ। তেনে ছাত্ৰীক এইখন কলেজলৈ পঠিয়াবৰ বাবে সমিতিয়ে নগাঁও কলেজ কৰ্তৃপক্ষক অনুৰোধ জনাব লগা হৈছিল।

ইফালে ছাত্ৰী-নিবাসৰ সমস্যাই দেখা দিলে। ১০ গৰাকী ছাত্ৰীক ৰেডক্ৰছ ভৱনতে ৰখাৰ ব্যৱস্থা কৰা হ'ল। সমিতিৰ এইটো বৈঠকতে কাৰ্যালয়-সহকাৰী (পূৰ্ণকালীন) পোনাৰাম বৰাক দিয়া নিযুক্তি অনুমোদিত হ'ল। এই বৈঠকতে সমিতিয়ে ইংৰাজী, অসমীয়া, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, শিক্ষা আৰু দৰ্শন বিষয়ৰ বাবে যথাক্ৰমে জে, বি. ত্ৰিপাঠী, অৰ্ঘাবালা বৰুৱা, শান্তি কুমাৰী জালান, হিমাদ্ৰি দেৱী, জীনত অহিদা বেগম আৰু বিনয় চন্দ্ৰ বৰাক মাহিলি দুশ টকা (লগত মৰগীয়া বানচ ৩৫ টকা) বেতনত পূৰ্ণকালীন শিক্ষক-শিক্ষয়িত্ৰী ৰূপে নিযুক্তি দিলে। জীনত অহিদা বেগম আৰু অৰ্ঘাবালা বৰুৱাই দৰমহাৰ পৰা মাহিলি এশ টকাকৈ কলেজ পুঁজিলৈ দান স্বৰূপে আগবঢ়াইছিল বাবে সমিতিয়ে দুয়োকে ধন্যবাদ যাচিলে।

২৩।৭।৬৪ তাৰিখে সন্ধ্যা ৬.৩০ বজাত স্পৰ্টছ ক্লাব পেভিলিয়নত কৰ্ণধাৰ সমিতিৰ যি বৈঠক হৈছিল, তাত সভাপতিত্ব কৰিছিল চি. আৰ. কৃষ্ণমূৰ্তিয়ে। বৈঠকত উপস্থিত আছিল যজ্ঞেশ্বৰ শৰ্মা, মঃ ইদ্ৰিছ, লীলাকান্ত বৰা, ছামচুল হুদা, লীলাধৰ কটকী, চন্দ্ৰকান্ত শৰ্মা ক্ষীৰোদ কুমাৰ বৰুৱা, ৰামনাথ শৰ্মা, নুৰুল আমিন, লালচান্দ টোডি, বেগম আফিয়া আহমেদ, ডম্বৰু গগৈ, টি শৰ্মা (উপপ্ৰতি সমাহৰ্তা), ৰূপৰাম সুত আৰু মহেশচন্দ্ৰ দেৱগোস্বামী। বৈঠকত পূৰ্বনিৰ্দ্ধাৰিত বন্দবস্ত মতে সঁজাতী দলটোৰ শিক্ষা মন্ত্ৰীৰ লগত হোৱা আলোচনাৰ কথা আৰু হয়বৰগাঁও শেনচোৱা দুয়ো ঠাইৰে মাটি পৰীক্ষা কৰাৰ কথা আলোচিত হ'ল। এইটো বৈঠক গুৰুত্বপূৰ্ণ এই বাবেই যে কলংপাৰত কলেজৰ মূল মাটিত ভৱন নিৰ্মাণৰ সম্ভাৱনীয়তা সম্পৰ্কে সমিতিয়ে চিন্তা কৰিছিল ইয়াতে। এই সম্পৰ্কত দুদিনৰ ভিতৰতে (২৫ জুলাইৰ সন্ধ্যাৰ আগে আগে) সিদ্ধান্ত দিব পৰাকৈ এখন স্থান নিৰ্বাচন উপ-সমিতি গঠন কৰি দিয়া হৈছিল। আনহাতে শেনচোৱাত লালচান্দ টোডিৰ কাৰখানাৰ (কমলা ইণ্ডাষ্ট্ৰিজ?) কাষৰ মাটিৰ পৰিমাণ আৰু অধিগ্ৰহণ ব্যয়কে ধৰি মাটিৰ ব্যয় নিৰ্দ্ধাৰণ কৰিবলৈকো আন এখন উপসমিতি গঠন কৰি ২৫ জুলাইৰ ভিতৰতে প্ৰতিবেদন দাখিল কৰিবলৈ ভাৰ দিয়া হ'ল।

সমিতিৰ সেইটো বৈঠকতে ৰূপৰাম সুতক সহ-নিযুক্ত সদস্য কৰি লোৱা হ'ল। শেহলৈ এখেত অতিৰিক্ত সাধাৰণ সম্পাদক হলগৈ।

তেতিয়াও ছোৱালী কলেজতকৈ বেছিকৈ নগাঁও কলেজতেই ছোৱালীৰ ভৰ্তিকৰণ চলি আছিল, নগাঁও কলেজৰ পৰিচালনা সমিতিক ছোৱালীৰ নাম ভৰ্তি নকৰিবলৈ পূৰ্বে অনুৰোধ জনোৱা সত্ত্বেও। ছোৱালী কলেজখনে গঢ় লৈ উঠাত সহায় কৰিবলৈ নগাঁও কলেজ পৰিচালনা সমিতিক কৰ্ণধাৰ সমিতিৰ এই বৈঠকে পুনৰ অনুৰোধ জনালে।

২৪'৭৷৬৪ তাৰিখে সন্ধ্যা ৬.৩০ বজাত স্পৰ্টছ ক্লাব পেভিলিয়নত স্থান বাছনী সমিতিৰ বৈঠক বহিল। স্থান বাছনী সমিতিয়ে মুঠতে চাৰি ডোখৰ ঠাই কলেজখনৰ বাবে পৰীক্ষা কৰিছিল। চাৰিও ডোখৰ ঠাইৰ সুবিধা-অসুবিধা সম্পৰ্কে বিশদভাৱে আলোচিত হ'ল, আৰু সমিতি তলত দিয়া দৰে সিদ্ধান্তলৈ আহিল ঃ

১। কলং পাৰৰ মাটিত কলেজৰ ঘৰ সাজিলে বুজন পৰিমাণৰ ব্যয় হ'ব। মথাউৰিটো শিলেৰে বন্ধাব লাগিব। ঘৰৰ গাঁথনিও হ'ব লাগিব বিশেষ ধৰণৰ, আৰু খৰচো হ'ব চুকি নোপোৱা বিধৰ। এই ঠাইত ঘৰ সজাত হ'ব পৰা অধিক ব্যয় বহন কৰিবলৈ দাতাগৰাকী ইচ্ছুক নহয়।

২। ছোৱালী হাইস্কুলৰ বিপৰীতে থকা মাটি (এতিয়া য'ত উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয় আদি বহিছে) ডোখৰৰ আয়তন নিচেই কম। এনেকি কেইবা মহলীয়া ঘৰ সাজিলেও ঠাই যথেষ্ট নহ'ব। ভৱিষ্যতে অনুষ্ঠানটোৰ সম্প্ৰসাৰণৰ বাট বন্ধ হ'ব।

৩। হয়বৰগাঁৱত থকা এছ. কে. মজুমদাৰ আৰু ত্ৰৈলোক্য হাজৰিকাৰ মাটিৰ দাম অতিপাত চৰা, আৰু সেইবাবেই মাটিডোখৰ কলেজৰ বাবে বাছনি কৰিব নোৱাৰি।

৪। টোডিৰ কাৰখানাৰ কাষত শেনচোৱাত পৰ্যাপ্ত পৰিমাণৰ মাটি কিনিবলৈ পোৱা যাব। কিন্তু সমুখ ভাগৰ বাবে পূৱ ফালৰ কুৰি বিঘা মাটিৰ দাম হ'ব চল্লিছ হাজাৰ টকা. আৰু পশ্চিম ফালে থকা ডেৰকুৰি বিঘা মাটিৰ দাম হ'ব প্ৰায় পঞ্চাছ হাজাৰ টকা। দুয়ো ডোখৰ মাটিৰ উন্নয়ন-ব্যয় পৰিব প্ৰায় দহ হাজাৰ টকা। কলেজৰ দাতা টোডি মাটি কিনিবলৈ সন্মত নহয়।

সকলো কথা চালি-জাৰি সমিতিয়ে স্থিৰ কৰিলে যে শেনচোৱাত কলেজ-ভৱন নিৰ্মিত হলে দূৰত্বৰ কাৰণেই চহৰৰ বহুতো আগ্ৰহী ছোৱালীও কলেজলৈ যোৱাৰ পৰা বিৰত থাকিব। গতিকে শেনছোৱাত কলেজ হলে ছাত্ৰী-নিবাস আৰু যাতায়াতৰ যথেষ্ট সুবিধা কলেজ কৰ্তৃপক্ষই কৰি দিব লাগিব।

২৭৷৭৷৬৪ তাৰিখে কৰ্ণধাৰ সমিতিৰ বৈঠক বহিল সন্ধ্যা ৬-৩০ বজাত স্পৰ্টছ ক্লাব পেভিলিয়নত। সভাপতি চি. আৰ. কৃষ্ণমূৰ্তি। লীলাধৰ



কটকী, হলধৰ ভূঞা, লীলাকান্ত বৰা, এ. এন. এম. ওহিদ, ছামচুল হুদা, জে. কে. কেডিয়া, ৰূপৰাম সুত, চন্দ্ৰকান্ত শৰ্মা, যজ্ঞেশ্বৰ শৰ্মা, নুৰুল আমিন, ডম্বৰু গগৈ আৰু মহেশচন্দ্ৰ দেৱ গোস্বামী এই বৈঠকত উপস্থিত আছিল। বৈঠকত ঠাই বাছনি সম্পৰ্কে আলোচনা হ'ল। আমোলাপট্টিৰ শ্মশানৰ কাষত থকা চৰকাৰী সংৰক্ষিত মাটি এডোখৰৰ কথা আৰু তাত ভৱন নিৰ্মাণৰ সম্ভাব্যতাৰ কথাও নতুনকৈ ওলাল। দূৰত্বটোৱেই শেনচোৱাৰ মাটিডোখৰৰ একমাত্ৰ দোষ।

বৈঠকত এনেতে শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱা আহি ওলালহি। তেখেতে প্ৰথম শ্ৰেণীৰ কলেজ এখনৰ বাবে ভৱিষ্যতে সম্প্ৰসাৰণৰ সুবিধা থকা ঠাই এডোখৰহে বাছি লব লাগে বুলি অভিমত প্ৰকাশ কৰিলে। সভাপতিয়ে জনালে যে ত্ৰৈলোক্যনাথ হাজৰিকা আৰু তেখেতৰ ভায়েকে এই চৰ্তত শেনচোৱাত ১৩ বিঘা মাটি আগবঢ়াব খুজিছে যে সেই মাটিৰ মূল্যৰ বিনিময়ত হলঘৰ এটা তেখেতসকলৰ পিতৃৰ নামত নিৰ্মিত হ'ব লাগিব। (...on condition that out of the value of the land a hall is constructed and named after their father)। মন্ত্ৰী বৰুৱাৰ ইচ্ছা হ'ল কলেজখনৰ মাটি ৫০ বিঘাৰ কম হ'ব নালাগে। সমিতিয়ে সেইবাবে তলত দিয়া দৰে প্ৰস্তাব ললে ঃ

১। শেনচোৱাৰ মাটিডোখৰেই ছোৱালী কলেজৰ বাবে চূড়ান্তভাৱে নিৰ্বাচিত হওক, আৰু স্ত্ৰীশিক্ষাৰ বাবে আগবঢ়োৱা মূল্যবান বৰঙণিৰ বাবে ত্ৰৈলোক্য নাথ হাজৰিকা আৰু তেখেতৰ ভায়েকক ধন্যবাদ জনোৱা হওক।

২। উক্ত ঠাইত অন্ততঃ ৫০ বিঘা হোৱাকৈ মাটি ক্ৰয় কৰাৰ দিহা কৰা হওক।

৩। কলেজৰ অৰ্থে ৫০ বিঘা মাটি কিনিবলৈ প্ৰয়োজনীয় পুঁজিৰ বাবে চৰকাৰক অনুৰোধ জনোৱা হওক।

উচিত দৰত মাটি কিনিবৰ বাবে, ঠাই ডোখৰৰ নক্সা তৈয়াৰ কৰিবৰ বাবে, কলেজ ভৱন আৰু ছাত্ৰী-নিবাসৰ নক্সা আৰু প্ৰাক্কলন (design and estimate) প্ৰস্তুত কৰি কৰ্ণধাৰ সমিতিৰ অনুমোদন লবৰ বাবে এখন উন্নয়ন সমিতিও এই বৈঠকতে গঠন কৰি দিয়া হ'ল। উন্নয়ন সমিতিত আছিল উপায়ুক্ত, ডম্বৰু গগৈ, অধ্যক্ষ, ৰামনাথ শৰ্মা, লালচান্দ টোডি, গোলোক চন্দ্ৰ বৰুৱা, লীলাকান্ত বৰা, মঃ ইদ্ৰিছ, ৰূপৰাম সুত আৰু চন্দ্ৰকান্ত শৰ্মা। কলেজ সমিতি আৰু দাতাৰ মাজত দলিল এখন চুক্তিবদ্ধ কৰাৰ দায়িত্বও এই সমিতিৰ ওপৰতে ন্যস্ত হ'ল। আন এটা প্ৰস্তাবেৰে দাতা লালচান্দ টোডিক প্ৰস্তাৱিত মাটিত প্ৰধান ভৱনটো নিৰ্মাণ কৰিবলৈ সমিতিয়ে অনুৰোধ জনালে (...Sri L.C. Todi, donor, be requested to construct the main building at

the proposed site which should be according to the requirements and specifications of U. G. C. for a first grade College, and as approved by the Steering Committee )

কৰ্ণধাৰ সমিতিৰ পৰবৰ্তী বৈঠক বহিল ৭।৮।৬৪ তাৰিখে আবেলি ৩ বজাত উপায়ুক্তৰ বাস ভৱনত। উপস্থিত আছিল উপায়ুক্তৰ উপৰি ৰূপৰাম সুত, চন্দ্ৰকান্ত শৰ্মা, গোলোক চন্দ্ৰ বৰুৱা আৰু মহেশ চন্দ্ৰদেৱ গোস্বামী। দাতা টোডিকে ধৰি উন্নয়ন সমিতিৰ গৰিষ্ঠ সংখ্যক সদস্য উপস্থিত নথকা বাবে সেই দিনালৈ সভা স্থগিত ৰখা হ'ল, আৰু ৯ আগষ্টৰ সন্ধ্যা স্পৰ্টছ ক্লাব পেভিলিয়নত সমিতি পুনৰ বহিব বুলি সিদ্ধান্ত হ'ল।

পূৰ্বনিৰ্দ্ধাৰিত দিন, ঠাই আৰু সময়ত সভা বহিল। টোডিৰ বাহিৰে সেই সভাত সকলো সদস্য উপস্থিত। সভাত সিদ্ধান্ত লোৱা হ'ল : মাটি কিনিবৰ বাবে কেইটামান বিশেষ দাগ নম্বৰৰ পট্টাদাৰ-সকলৰ লগত ততালিকে বন্দবস্ত কৰা হওক, আৰু নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব পৰাকৈ তিনিটা বিশেষ দাগৰ মাটি ততালিকে কিনা হওক। ত্ৰৈলোক্য নাথ হাজৰিকা, চন্দ্ৰকান্ত শৰ্মা আৰু ৰূপৰাম সুতক লৈ গঠিত এখন উপসমিতিক মাটিৰ মূল্য নিৰ্দ্ধাৰণ কৰি মাটিৰ গৰাকী-সকলৰ লগত বন্দবস্ত কৰিবলৈ কৰ্তৃত্ব দিয়া হওক। প্ৰয়োজনীয় মাটিখিনিৰ মূল্য দিবলৈ চৰকাৰক অনুৰোধ জনোৱা হওক। বাৰাণ্ডা, পায়খানা ইত্যাদি বাদে ষোল্ল হাজাৰ বৰ্গফুটৰ ঘৰ এটা নিৰ্মিত হওক। ঘৰটো কংক্ৰীটৰ, আৰু দুমহলীয়া হোৱা বাঞ্ছনীয়। সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ সম্পাদক আৰু অধ্যক্ষক লৈ গঠিত এখন উপসমিতিয়ে প্ৰধান ভৱনটোৰ কাৰ্য-আঁচনি আৰু প্ৰাক্কলন যুগুত কৰিব, আৰু ভৱনটো নিৰ্মাণ কৰা সম্পৰ্কে দাতা লালচান্দ টোডিৰ লগত বন্দবস্ত কৰিব বুলি সভাই সিদ্ধান্ত কৰিলে।

২৩।৮।৬৪ তাৰিখে সন্ধ্যা ৬.৩০ বজাত কলেজ প্ৰাংগণত বহা কৰ্ণধাৰ সমিতিয়ে উল্লিখিত উপসমিতিৰ বক্তব্য শুনিলে। সমিতিৰ সদস্যসকলে তলত দিয়া দৰে জানিলে যে,

১। টোডিয়ে কেৱল ৪,৫০০ বৰ্গফুটৰ ঘৰ এটাহে নিৰ্মাণ কৰাত থোপনি পুতিছে; কিন্তু সমিতিয়ে ১০,৫০০ বৰ্গফুটৰ ঘৰ এটা নিৰ্মাণ হোৱাটো বিচাৰে ( While Sri Todi was insisting on constructing a building of 4,500 sq. ft. only, the members carried the impression that Sri Todi might be agreeable to construct a two storied R. C. C. building of 10,500 sq. ft..)



২। মাটি কিনাত আৰু মাটিৰ উন্নয়নত খৰচ কৰিবলৈ টোডি সন্মত নহয় ( Todi is not willing to spend on purchase and development of the land )।

৩। নক্সা আৰু প্ৰাক্কলনৰ ব্যয় বহন কৰিবলৈ দাতাজন অনিচ্ছুক (...the donor is not willing to spend on the plans and estimates )

উল্লিখিত কথাখিনিৰ দৃঢ়ীকৰণৰ বাবে টোডিক জনাবলৈ সভা-পতিক ভাৰ দিয়া হ'ল।

২০।৯।৬৪ তাৰিখে পুৰা কৰ্ণধাৰ সমিতি বহিল। সভাপতি আৰু টোডিৰ মাজত হোৱা যোগাযোগৰ বিষয়ে সভা অৱগত হ'ল। ২১।৯।৬৪ তাৰিখে আকৌ সভা বহিল। সভালৈ আহিব নোৱৰাত টোডিয়ে দুখ প্ৰকাশ কৰি চিঠি দিলে।

২১ তাৰিখৰ এই বৈঠকতে সমিতিয়ে আৰম্ভণিৰে পৰা অংশকালীন অধ্যক্ষ হৈ থকা মহেশ চন্দ্ৰ দেৱগোস্বামীক ৬০০-৪০-৮০০ টকা মাহিলি নিৰিখত পূৰ্ণকালীন অধ্যক্ষ নিয়োগ কৰে। অধ্যক্ষ পদৰ বাবে আবেদন-কাৰী আছিল অধ্যাপিকা নীলিমা দত্ত, অধ্যাপক দিনেশ চন্দ্ৰ দত্ত, অধ্যাপক আৰ. আৰ. চৌধুৰী আৰু ড° চি. ৰাও। শেহৰ দুজন সাক্ষাৎকাৰলৈ নাহিল।

৫।২।৬৫ তাৰিখে বহা কৰ্ণধাৰ সমিতিক মঃ ইদ্ৰিছে ১২ বা ১৩ মাৰ্চত ইন্দিৰা গান্ধী নগাঁৱলৈ অহাৰ কথা জনোৱাত সেই সময়ত ইন্দিৰা গান্ধীৰ হতুৱাই কলেজ ভৱনৰ আধাৰ শিলা স্থাপন কৰোৱাৰ দিহা কৰিব লাগে বুলি সদস্যসকলে অভিমত প্ৰকাশ কৰিলে। পিছে, কাৰ্যক্ষেত্ৰত সেই দিশত একো নহ'লগৈ।

ইতিমধ্যে চৰকাৰৰ লগত কৰা যোগাযোগৰ ফলত চৰকাৰে চৌষষ্ঠি চনৰ জুলাইৰ পৰা পয়ষষ্ঠি চনৰ জানুৱাৰীলৈ মাহিলি ১৩৬৫ টকাৰ আৰু পয়ষষ্ঠি চনৰ ফেব্ৰুৱাৰী মাহৰ বাবে ২০৩০ টকাৰ অতিৰিক্ত সহায়ক অনুদান ( grant-in-aid ) এটা মঞ্জুৰ কৰিছে বুলি ১১।৪।৬৫ তাৰিখৰ বৈঠকত কৰ্ণধাৰ সমিতিয়ে জানিবলৈ পালে। তদুপৰি মাটি কিনাৰ বাবে ৫০ হাজাৰ টকাৰ আৰু গ্ৰন্থাগাৰৰ কিতাপ আৰু সা-সৰঞ্জাম কিনাৰ বাবে ১০ হাজাৰ টকাৰ এককালীন অনুদান এটাও চৰকাৰে আগবঢ়োৱা বুলি জানিলে। ডেৰ শ ছাত্ৰীৰ শ্ৰেণী বহুৱাব পৰাকৈ কলেজ চৌহদতে (বে'ডক্ৰছ ভৱনৰ) এহেজাৰ টকাৰ ব্যয়ৰ ভিতৰতে টিঙৰ অস্থায়ী চালি এখন নিৰ্মাণ কৰাৰ সিদ্ধান্ত সমিতিয়ে এই বৈঠকতে কৰিলে। কলেজৰ অংশকালীন অধ্যাপক-অধ্যাপিকাসকলৰ চাকৰিৰ ৩১।৩।৬৫ তাৰিখে অৱসান ঘটাত পূৰ্ণকালীন শিক্ষক-শিক্ষয়িত্ৰী বিচাৰি বিজ্ঞাপন দিয়াৰ সিদ্ধান্তও সমিতিয়ে গ্ৰহণ কৰিলে। বিজ্ঞপ্তিৰে

আৰু টেলিফোনেৰে নিমন্ত্ৰণ জনোৱা সত্ত্বেও লালচান্দ টোডি এই বৈঠকত উপস্থিত নথকা বাবে তেখেতৰ লগত চুক্তিৰ চূড়ান্ত ৰূপ দিয়া বিষয়টো হাতত লব পৰা নহ'ল। পৰবৰ্তী বৈঠকলৈ বিষয়টো মুলতুবী ৰখা হ'ল।

১৮।৫।৬৫ তাৰিখৰ বৈঠকত টোডি উপস্থিত আছিল, আৰু সভা-পতিত্বও কৰিছিল তেখেতেই। তেখেতৰ লগত খচৰা চুক্তি সম্পৰ্কে আলো-চনা কৰা হ'ল। কেইটামান কথাত দাতাগৰাকী সন্মত নোহোৱাত পাছত ৩১ তাৰিখৰ পূৰ্বে নিজৰ জোৰাই-জোখাই হোৱা চুক্তি ( sui-table draft ) এখন পঠিয়াবলৈ সভাই টোডিক অনুৰোধ জনালে।

২।৬।৬৫ তাৰিখে উপায়ুক্তৰ কাৰ্যালয়ত পুৱা ৯ বজাত সমিতিৰ বৈঠক বহিল। এতিয়া উপায়ুক্ত আৰ, ডি: লিংডো। এই বৈঠকৰ সভাপতিও তেখেতেই। মুঠ ১৫ গৰাকী সদস্য বৈঠকত উপস্থিত আছিল। টোডিৰ খচৰা চুক্তিখন সভাত পঠিত আৰু আলোচিত হ'ল, চুক্তিখন পুনৰ প্ৰস্তুত কৰা হ'ল, চূড়ান্ত ৰূপ দিয়া হ'ল, আৰু ৪ জুনৰ সন্ধ্যা ৭'৩০ বজালৈ সভা মূলতুবী থাকিল।

পূৰ্বনিৰ্দ্ধাৰিত দিন, ঠাই আৰু সময়ত মুলতুবী সভাখন বহিল। টোডিয়ে উত্থাপন কৰা বিষয়কেইটা আলোচিত হ'ল। চুক্তিখনৰ ৩ ৰ পৰা ৭ আৰু ৯ ৰ পৰা ১১ সংখ্যক বিষয়কেইটা আলোচনা কৰি চূড়ান্ত ৰূপ দিবলৈ এখন উপসমিতি গঠন কৰি দিয়া হ'ল—উপায়ুক্ত, দাতা টোডি, এজন স্থপতি, এজন প্ৰাক্তন অভিযন্তা বি. বৰুৱা আৰু অধ্যক্ষ গোস্বামীক লৈ।

কৰ্ণধাৰ সমিতিৰ সাধাৰণ সম্পাদক ডম্বৰু গগৈ নগাঁৱৰ পৰা যোৰহাটলৈ বদলি হোৱাত ১০।৭।৬৫ তাৰিখে বহা সভাত তেখেতে সাধা-ৰণ সম্পাদকৰ পদ ত্যাগ কৰে। সভাই ৰূপৰাম সুতক সাধাৰণ সম্পা-দক ৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ কৰ্তৃত্ব দিয়ে। গগৈৰ সেৱাৰ বাবে সমিতিয়ে তেখেতলৈ আন্তৰিক ধন্যবাদ জনায় ( The Committee places on record its deep appreciation of the services of Sri D. Gogoi, whose selfless service towards the establishment and development of the institution has made the institution what it is today. The Committee while accepting the resignation, hopes that Sri Gogoi will continue his sympathy and good will towards the institution however far he may remain. )।

ইতিমধ্যে অংশকালীন কাৰ্যালয় সহকাৰী আৰু গাণনিক নাৰায়ণ শৰ্মাৰো কাৰ্যকাল শেষ হোৱাত ১ জুলাইৰ বৈঠকত সমিতিয়ে তেখেতৰ সেৱাৰ সপ্ৰশংস স্বীকৃতিৰে কলেজখনৰ স্বাৰ্থত আৰু দুমাহলৈ কাৰ্যকাল বঢ়াই দিয়ে ( Sri N. Sarma, part-time O/A and Accountant who has been rendering very valuable service to the College since the inception of it, be allowed to continue in service till the end of August, in the interest of the college. )।



১০ জুলাইৰ পাছত আগষ্টৰ ৬ আৰু ৮ তাৰিখে দুদিন কৰ্ণ-ধাৰ সমিতিৰ বৈঠক আহ্বান কৰা হৈছিল যদিও দুয়োটা বৈঠকেই মুলতুবী আছিল। আগষ্টৰ ২৪ তাৰিখে সমিতিৰ বৈঠক পুনৰ বহিল।

নগাঁৱৰ জখলাবন্ধা সত্ৰৰ নৱহাস গোস্বামী আৰু পুষ্পহাস গোস্বামীয়ে কলেজলৈ পুৰণি পুথি-পত্ৰ অলপমান দানস্বৰূপে আগবঢ়াই-ছিল। ২৪ তাৰিখৰ বৈঠকত সভাই উল্লিখিত ব্যক্তি দুগৰাকীক বদান্য-তাৰ বাবে ধন্যবাদ জনায় ( 'The Steering Committee places on record its deep appreciation of the donation of nearly 150 volumes of old books and manuscripts belonging to Jakhalabandha Satra, and thanks the donor Sri Nabahas Goswami & Sri Puspahas Goswami for the kind gift. The Committee decides to keep the books separately as 'Jakhalabandha Collection' )।

৩০।৯।৬৫ তাৰিখে সন্ধ্যা ৫.৩০ বজাত বহা কৰ্ণধাৰ সমিতিয়ে কলেজ ভৱন নিৰ্মাণ সম্পৰ্কে আলোচনা কৰি উপায়ুক্ত, সাধাৰণ সম্পাদক, অধ্যক্ষ, দুজন দাতা ( লালচান্দ টোডি আৰু ত্ৰৈলোক্যনাথ হাজৰিকা ), চন্দ্ৰকান্ত শৰ্মা আৰু ছামচুল হুদাৰে উপসমিতি গঠন কৰি দিয়ে।

৬।১২।৬৫ তাৰিখে আহূত কৰ্ণধাৰ সমিতিৰ বৈঠকত কলেজ অভিমুখী পথ ( approach road ) নিৰ্মাণ কৰিবৰ বাবে ক্ষীৰোদ-কুমাৰ বৰুৱা আৰু চন্দ্ৰকান্ত শৰ্মাক দায়িত্ব দিয়া হ'ল। পয়ষষ্ঠি চন বছৰটো শেষ হ'ল; কিন্তু কলেজৰ ঘৰ-দুৱাৰৰ নিৰ্মাণ-কাৰ্যৰ একো-ৱেই চকুত নপৰিল। ৰে'ডক্ৰছ ভৱনতে শিক্ষাদান চলি থাকিল। এই চনতে কলেজখনৰ পৰা ১৫ গৰাকী ছাত্ৰীৰ দল এটা প্ৰথম স্নাতক হৈ ওলাল। এই চনত কলেজখনত যি কেইগৰাকী পূৰ্ণকালীন শিক্ষক-শিক্ষয়িত্ৰী নিযুক্ত হৈছিল, সেইসকল হ'ল—

১। যোগেন্দ্ৰনাৰায়ণ ভূঞা ( অসমীয়া )
২। কৃষ্ণৰাম বৰা ,,
৩। ইদ্ৰিছ আলি ,,
৪। তিলকচন্দ্ৰ মজুমদাৰ ,,
৫। মহেশচন্দ্ৰ ভূঞা ( বুৰঞ্জী )
৬। বীৰেন্দ্ৰনাথ ডেকা ( অৰ্থনীতি )
৭। ৰেখা দাশ গুপ্তা ( দৰ্শন )

৮। জ্যোতি নাথ চক্রবর্তী (ৰাজনীতি বিজ্ঞান)
৯। ইন্দিৰা ভট্টাচাৰ্য (বাংলা)
১০। মহেন্দ্ৰনাথ শইকীয়া (সংস্কৃত)

ছয়ষষ্ঠি চনৰ ফেব্ৰুৱাৰী মাহৰ ১৮ তাৰিখৰ সভাত সিদ্ধান্ত হ'ল—মাৰ্চ মাহৰ প্ৰথম সপ্তাহত টোডিয়ে কলেজ ভৱনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব। ২২ ফেব্ৰুৱাৰীত যাবতীয় দলিল আদি প্ৰস্তুত হ'ব, ২৫ ফেব্ৰুৱাৰীত ভৱনৰ নক্সা পোনোৱা [alignment] হ ব।
সভাপতি লিংডো আৰু দাতা টোডি অনুপস্থিত থকা বাবে ১৮।৪।৬৬ তাৰিখে বহা কৰ্ণধাৰ সমিতিয়ে ভৱন নিৰ্মাণ সম্পৰ্কীয় কথা-বতৰা উল্লিখিত দুজনক সুধি-পুচি পৰবৰ্তী বৈঠকত জনাবলৈ সাধাৰণ সম্পাদকক দায়িত্ব দিলে।

২।৬।৬৬ তাৰিখে সমিতি বহিল। উপায়ুক্ত আৰ, ভি. লিংডো সভাপতি। সভাত দেৱকান্ত বৰুৱাও উপস্থিত আছিল। লালচান্দ টোডিও। সভাত টোডিয়ে জনালে যে বিভিন্ন অসুবিধাৰ হেতু তেখেতে কলেজ-ভৱনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব পৰা নাই (...due to various difficulties it was not possible for him to start the construction of the College building)। শিক্ষামন্ত্ৰী বৰুৱাই যথাসম্ভৱ শীঘ্ৰে ঘৰ নিৰ্মাণ কৰাত গুৰুত্ব দিলে, যাতে কলেজখন স্থায়ী সম্বন্ধীকৰণ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ মঞ্জুৰিৰ পৰা বঞ্চিত নহয়। তেখেতে জোৰ দিলে, ভৱন নিৰ্মাণৰ কাৰণে এটা বেলেগ পুঁজি গঠন কৰিব লাগে বুলি। সেই পুঁজিলৈ টোডিয়েও দান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিলে। পৰবৰ্তী ১৫ তাৰিখে নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব বুলিও কথা দিলে (...and agreed to start construction of the building by the 15th June.)।

১।৭।৬৬ তাৰিখে বহা কৰ্ণধাৰ সমিতিয়ে পূৰ্ববৰ্তী বৈঠকৰ প্ৰতিশ্ৰুতিৰ একোকে দেখা নাপালে। (The Committee finds that Sri Todi, donor of the College, has not taken any step towards the construction of the building inspite of his promises in the last meeting held on 2.6.66. Nor has he deposited the amount of Rs. 25,000/- to the building fund inspite of reminders. Further, since the last meeting he has not taken any initiative in the matter, nor has he cared to inform the Committee about the position.)। গতিকে, এখন উপসমিতিক কথাটো শিক্ষামন্ত্ৰীক জনাবলৈ আৰু মন্ত্ৰীগৰাকীৰ পৰামৰ্শ লবলৈ দায়িত্ব দিয়া হ'ল কৰ্ণধাৰ সমিতিৰ এই বৈঠকতে।



১৩।৭।৬৬ তাৰিখে কৰ্ণধাৰ সমিতিৰ বৈঠক আহ্বান কৰা হৈছিল; কিন্তু সভা অনুষ্ঠিত হোৱাৰ কোনো সাক্ষ্য নাই।

৯০।৮।৬৬ তাৰিখে আহুত এখন সভা থুলৰ অভাৱত স্থগিত ৰখা হ'ল। পিছদিনা (১১।৮।৬৬) সভাখন অনুষ্ঠিত হ'ল। কলেজৰ ঘৰ-দুৱাৰ সজা বিষয়ে পিছে কোনো কথা সেই বৈঠকত আলোচিত নহ'ল। সেই বৈঠকতে কেৱল নহয়, পৰবৰ্তী ৩০।৯।৬৬, ৫।১১।৬৬, ৯০।১১।৬৬ আৰু ৯।১২।৬৬ তাৰিখে বহা সভাতো সেই বিষয়ৰ কোনো আলোচনা নচলিল। এই-যায় ছয়ষষ্ঠি চনতো কলেজ-ভৱন নিৰ্মিত নহ'ল। ৰেডক্ৰছ ভৱনতে আৰু তাৰ চৌহদৰ চালিৰ তলতে শিক্ষাদান চলি থাকিল। অংশকালীন-পূৰ্ণকালীন কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী এইটো চনতো নিযুক্ত হ'ল। পূৰ্ণকালীনসকল হ'ল গংগাপদ চৌধুৰী (ইংৰাজী), খগেন্দ্ৰনাথ শৰ্মা ৰাজখোৱা (ৰাজনীতি বিজ্ঞান), আৰু সবিতা ভট্টাচাৰ্য (সংস্কৃত)। এই চনতো ১২ গৰাকী ছাত্ৰী কলেজখনৰ পৰা স্নাতক হ'ল।

ছয়ষষ্ঠি চনৰ ডিচেম্বৰ মাহৰ ২৩ তাৰিখটো কলেজখনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ দিন বুলি চিহ্নিত হ'বৰ যোগ্য। এই তাৰিখে অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ বৈঠকে দুখেৰে সৈতে লালচান্দ টোডিৰ চিঠি এখন পঢ়িব লগীয়া হ'ল। সেই চিঠি মতে টোডিয়ে কলেজৰ লগত থকা তেওঁৰ সমস্ত সংযোগ বিচ্ছিন্ন কৰিলে। টোডি অকস্মাৎ নিজৰ চুক্তিৰ পৰা ফালৰি কাটি যোৱাৰ ফলত কলেজখনৰ প্ৰভূত ক্ষতি হ'ল (Sri Todi's sudden departure form the agreement registered on 25.2.66 is very unfortunate and detrimental to the interests of the College.)। নিজৰ প্ৰতিশ্ৰুত অনুযায়ী কলেজখনৰ ঘৰ-দুৱাৰ সজাত পলম হোৱা বাবে কলেজখন বহুতো প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হ'ল (...his delay in not constructing the building deprived the College of various benefits available from U. G C., University and Government.)।

টোডিৰ কথাৰ বাবেই কলেজখনৰ কৰ্ণধাৰ সমিতিয়ে ৪।৯।৬২ তাৰিখে 'নগাঁও উইমেন্‌ছ কলেজ'ৰ নাম 'এল. চি. টোডি উইমেন্‌ছ কলেজ'লৈ আৰু ১৫।১১।৬২ তাৰিখে 'এল. চি. টোডি গাৰ্লছ কলেজ'লৈ পৰিবৰ্তন কৰিছিল। এতিয়া আকৌ টোডিৰ কথাৰ বাবেই অনুষ্ঠানটোৰ নামৰ পৰিবৰ্তন ঘটিল ২৩।১২।৬৬ তাৰিখে 'নগাঁও গাৰ্লছ কলেজ'লৈ, 'নগাঁও ছোৱালী কলেজ'লৈ (...as Sri Todi has failed to fulfil his promise, the College be renamed as 'Nowgong Girls' College' with immediate effect.)।

তথাপি নগাঁও ছোৱালী কলেজে, নগাঁৱৰ শিক্ষানুৰাগী ৰাইজে

এল. চি. টোডিক, লালচান্দ টোডিক কেতিয়াও নাপাহৰে। ২৩।১২।৬৬ তাৰিখেও নগাঁও ছোৱালী কলেজৰ পৰিচালনা সমিতিয়ে টোডিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছিল। অনিবাৰ্য কাৰণত টোডিয়ে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে যদিও কলেজখনে টোডিৰ পৰা তেতিয়াই প্ৰায় ৪০,০০০ (চল্লিছ হাজাৰ) টকা দান স্বৰূপে পাইছিল। শিক্ষানুষ্ঠানটোৰ নিচেই চালুকীয়া অৱস্থাত এই সংখ্যাটোৰ ওজন নিচেই কম নিশ্চয় নহয়। তেখেতৰ তেতিয়াৰ সেইখিনি উদাৰতাৰ বাবেই অনুষ্ঠানটোৱে এতিয়া এনে এটা ৰূপ পাইছেহি বুলি পৰিচালনা সমিতিয়ে তেতিয়াই (২৩।১২।৬৬) এনেকৈ স্বীকাৰ কৰিছিল "The Governing Body however places on record its deep appreciation of the donations amounting to nearly Rs. 40,000/- made at the initial stage of the College, which helped the growth of the institution to the present stature. Sri Todi is known for his munificence to public institutions and the College Committee." এল. চি. টোডি আজি নাই; কিন্তু তেখেতৰ উত্তৰাধিকাৰী আছে। ৺টোডিৰ সেই পৰিচয়টো তেখেতৰ উত্তৰাধিকাৰী সকলে আকৌ উজ্জ্বল কৰি তুলিব নোৱাৰিবনে? ★★


**ৰুমী-ৰূপক এণ্টাৰপ্ৰাইজ**

নতুন বজাৰ : নগাঁও : অসম

(কিতাপ প্ৰকাশক আৰু বিক্ৰেতা) (ফোন : ৭৯৫)

আমাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থসমূহ :

১। ৰাতিফুলা ফুল : (মহিম বৰা) ২। উল্কাৰ পোহৰ : (কুমুদ গোস্বামী) ৩। মহাফেজখানাৰ খিড়িকীয়েদি : (যোগেন্দ্ৰনাৰায়ণ ভূঞা) ৪। সাহিত্যৰ সাজ : (৺সোণাপতি দেৱশৰ্মা) ৫। কিশোৰৰ শংকৰদেৱ : (যোগেন্দ্ৰনাৰায়ণ ভূঞা) ৬। জীৱন আৰু কীতি : (উপেন্দ্ৰ বৰকটকী; যন্ত্ৰস্থ) ৭। কিশোৰৰ জ্যোতিপ্ৰসাদ : (ইদ্ৰিছ আলি; যন্ত্ৰস্থ)।

মুখ্য পৰিবেশনাত :

দৈনিক জনমভূমি, দি ছেন্টিনেল, আজিৰ অসম, সাদিনীয়া প্ৰহৰী, সাপ্তাহিক জনমভূমি, অগ্ৰদূত, মহাজাতি, গণতন্ত্ৰ, প্ৰান্তিক, প্ৰকাশ, আজিৰ সময়, বিস্ময়, ৰংঘৰ, ৰহস্য, ৰূপকাৰ, ত্ৰিশূল, শিহৰণ, সঁফুৰা, মৌচাক, বিজ্ঞান-জেউতি, চান্দমামা, টিংকল, অমৰ চিত্ৰকথা, ভাস্কৰ চিত্ৰকথা আৰু অন্যান্য ধাৰাবাহিক গ্ৰন্থসমূহ।

স্কুল-কলেজৰ পাঠ্যপুথি, সহায়িকা আৰু যাৱতীয় আচবাব-পত্ৰৰ বাবে চহৰৰ একমাত্ৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান।


শ্ৰীমহেশচন্দ্ৰ ভূঞা

## নগাঁও ছোৱালী কলেজৰ আৱয়ৱিক পৰিচয়

মধ্য অসমৰ স্ত্ৰীৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান নগাঁও ছোৱালী কলেজ। গীতিকাৰ, গায়ক অধ্যাপক বন্ধু শ্ৰীইদ্ৰিছ আলিৰ মানস-পটৰ কলং পাৰৰ "পোহৰৰ কাৰেং" এইটো। এই পোহৰৰ কাৰেং সজাৰ বাস্তৱ অভিজ্ঞতাৰে অনুষ্ঠানটোৰ চমু আভাস দিয়াৰ এক বিনম্ৰ প্ৰচেষ্টাই হৈছে এই প্ৰবন্ধৰ উদ্দেশ্য। প্ৰবন্ধটোত আমি অনুষ্ঠানটোৰ কেৱল আৱয়ৱিক দিশটোহে দাঙি ধৰিম।

নগাঁও গাৰ্লছ কলেজৰ আৱয়ৱিক গাঁথনিটো বৰ্তমান কেইবাটাও খণ্ড বা শাখাত বিভক্ত হৈ আছে। সেই খণ্ডবোৰ হ'ল :—

ক) প্ৰশাসনীয় ভৱন ১ ( Administrative Building )
খ) অস্থায়ী চালি ২ ( Temporary Shades )
গ) কলেজৰ হল ঘৰ ১ ( College Hall )
ঘ) ভূগোল গবেষণাগাৰ ১ ( Geography Laboratory Building )
ঙ) নৱনিৰ্মিত দুই মহলীয়া শ্ৰেণী কোঠা ১ ( U. G. C's Class Room Building )
চ) নটাৰী ভৱন ১ ( Resource Committee Building )
ছ) অধ্যাপক-অধ্যাপিকাসকলৰ জিৰণি ঘৰ ১ (Prof. Common Room)
জ) চকীদাৰৰ আবাস ১ ( Chowkidar's Quarters )
ঝ) নগাঁও ছোৱালী কলেজ ডাকঘৰ ১ ( Nowgong Girls' College Post Office building )

**ছাত্ৰী নিবাস :**

ঞ) দুমহলীয়া পকী ছাত্ৰী-নিবাস ( R. C. C. Hostel Building )
ট) শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰী-নিবাস ( S. B. P. Girls' Hostel )

**ক) প্ৰশাসনীয় ভৱন— ( Administrative Block )**

কলংসুঁতিৰ উত্তৰ পাৰে ই এণ্ড ডি বিভাগৰ মথাউৰিৰ (যাক বৰ্তমান কলেজৰ ৰাস্তা বুলি কোৱা হয়) সমান্তৰাল ভাৱে পুৱা-পশ্চিমাকৈ এই ভৱন অৱস্থিত। ইয়াৰ দৈৰ্ঘ্য ১০০´ ফুট আৰু প্ৰস্থ দুয়োফালে বাৰাণ্ডা সহ ৩৬´ ফুট। এই ভৱনৰ সোঁ মাজতে ১০´ ফুট প্ৰস্থৰ এডোখৰ মুকলি ঠাই। ভৱনৰ মুঠ কোঠাৰ সংখ্যা ৫। বৰ্তমানে ইয়াৰে এটা অংশ অধ্যক্ষৰ কাৰ্যালয়, আৰু আন এটা অংশ গ্ৰন্থাগাৰ আৰু ছাত্ৰীসকলৰ জিৰণি কোঠা ৰূপে ব্যৱহৃত হৈছে। ১৯৬৬ চনৰ শেষৰ ফালে এই ভৱনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। এই ভৱনৰ

নির্মাণ-কাৰ্যত কাৰিকৰী দিশত দিহা-পৰামৰ্শ আগবঢ়াইছিল তেতিয়াৰ নগাঁও জিলাৰ নলী আৰু মথাউৰি বিভাগৰ কাৰ্যবাহী অভিযন্তা শ্ৰীৰত্নকান্ত দত্ত ডাঙৰীয়াই। এইখিনিতে এটা ক্ৰটীৰ কথা বৰ্তমান সকলোৱে উপলব্ধি কৰিছে যে যদি ভৱনটো আৰু অলপ ওখ কৰি দু-মহলীয়া কৰা হ'লহেঁতেন, তেতিয়াহলে কলেজৰ ঘৰৰ বহু সমস্যাৰ সমাধান হ'লহেঁতেন। কিয়নো বৰ্তমানে সেই মাটিতে ৩ মহলীয়া পকীঘৰ নিৰ্মিত হব ধৰিছে। এই ভৱনৰ নিৰ্মাণ ১৯৬৮ চনত সম্পূৰ্ণ হয়, আৰু ইয়াত ব্যয় হয় ৮৪,০০০'০০ (চৌৰাশী হাজাৰ টকা)

খ) অস্থায়ী চালিঘৰ দুটা—(Te.nporary Shades)

প্ৰশাসনীয় ভৱন নিৰ্মিত হোৱাৰ লগেলগে ভাড়া ঘৰৰ পৰা কলেজৰ শ্ৰেণীসমহ নিজা স্থানলৈ অনাৰ এক উৎসাহ-উদ্দীপনা সৃষ্টি হয়। কিন্তু সমস্যাৰ অন্ত নপৰিল। শ্ৰেণীসমূহ বহুৱাবৰ বাবে ঠাইৰ অভাৱ। অধ্যাপক-অধ্যাপিকা, অধ্যক্ষ সকলোৱে সমূহীয়া শ্ৰম আৰু প্ৰচেষ্টাৰে আৰম্ভ কৰা হ'ল অৰ্থ সংগ্ৰহ অভিযান। বহুতো মিঠা আৰু তিতা অভিজ্ঞতাৰে ভৰা এই মুষ্টিভিক্ষা অভিযান। যি হওক, ভ্ৰাম্যমান নটৰাজ আদি থিয়েটাৰসমূহৰ দ্বাৰা অভিনয় কৰাই. আৰু শ্ৰীকৃষ্ণা-টকীজৰ স্বত্বাধিকাৰী শ্ৰীকাশী প্ৰসাদ বিহানী ডাঙৰীয়াৰ অনুগ্ৰহত ৰাম ঔৰ শ্যাম' নামৰ হিন্দী কথা ছবিখনৰ প্ৰদৰ্শনৰ যোগে সৰ্বমুঠ ৩২,০০০'০০ (বত্ৰিছ হাজাৰ) টকা সংগৃহীত হৈছিল। এই পুঁজিৰে ১৩০´ ফুট দৈৰ্ঘ্যৰ আৰু ২১´ ফুট প্ৰস্থৰ, সন্মুখৰ ফালে ৩´ ফুট বাৰাণ্ডাৰ সৈতে দুটা চালিঘৰ নিৰ্মাণ কৰা হয়। প্ৰশাসনীয় ভৱনৰ পুব আৰু পশ্চিম ফালে দুয়োখন চালিত মুঠ ১৫টা কোঠাৰ ব্যৱস্থা কৰি ন্যূনতম সুবিধাৰে ১৯৬৮ চনৰ ১ জুলাই তাৰিখে আমোলাপট্টিৰ দুইমহলীয়া ৰেড্ক্ৰছ ভৱনৰ ভাড়াঘৰৰ পৰা কলেজখন স্থানান্তৰিত কৰা হৈছিল।

দক্ষ প্ৰশাসক, নিৰ্ভীক. কৰ্তব্য পৰায়ণ আৰু সু-গভীৰ ব্যক্তিত্বৰ অধিকাৰী তেতিয়াৰ অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীৰ নেতৃত্বত নগাঁও ছোৱালী কলেজে কিন্তু শৈক্ষিক দিশত চমকপ্ৰদ সাফল্য দেখুৱাই অসমৰ ভিতৰতে এক বিশিষ্ট স্ত্ৰী শিক্ষাৰ অনষ্ঠান হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। শৈক্ষিক দিশৰ তুলনাত আবয়বিক দিশত কলেজখনৰ দৈন্য অদ্যাপি দৃষ্টিকটু। প্ৰশাসনীয় ভৱন আৰু দুই অস্থায়ী চালিঘৰে সাময়িক ভাৱে কলেজখনৰ কিছু অভাৱ দূৰ কৰিলেও ছাত্ৰীৰ বৰ্দ্ধিত সংখ্যাই আকৌ নতুন সমস্যাৰ সৃষ্টি কৰিলে। যিহেতু কলেজখন মধ্য অসমৰ স্ত্ৰীৰ একমাত্ৰ উচ্চ শিক্ষাৰ আকৰ্ষণীয় অনুষ্ঠান, সেইবাবে ছাত্ৰী-বাসৰ চাহিদা যথেষ্ট বৃদ্ধি পোৱাত কতৃপক্ষই স্থায়ী ছাত্ৰীবাস নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছিল। বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগ (U.G.C.) আৰু ৰাজ্যিক চৰকাৰক ছাত্ৰী-নিবাসৰ আঁচান দাখিল কৰা হয়, আৰু



১৯৬৭ চনত অধ্যক্ষ গোস্বামী ডাঙৰীয়াই ছাত্ৰীসকলৰ সৈতে বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ তেতিয়াৰ সভাপতি ড০ ডি. এছ. কোঠাৰীক নতুন দিল্লীত সাক্ষাৎ কৰি এই দাবী উত্থাপন কৰে। ইয়াৰ পৰিণতি স্বৰূপে চতুৰ্থ পৰিকল্পনাৰ সময় ছোৱাত ছাত্ৰী-নিবাসৰ বাবে কলেজখনে ১,৫০,০০০'০০ (এক লাখ পঞ্চাছ হাজাৰ) টকাৰ এটা মঞ্জুৰি লাভ কৰিছিল।

গ) কলেজৰ হল-ঘৰ (College Hall):

প্ৰশাসনীয় ভৱনৰ পশ্চিম ফালে অৱস্থিত ২ নং চালিঘৰৰ পশ্চিম অংশৰ লগতে উত্তৰা-দক্ষিণাকৈ ১৩০´ ফুট দৈৰ্ঘ্যৰ আৰু ৪০´ ফুট প্ৰস্থৰ পুব, উত্তৰ আৰু দক্ষিণ ফালে ৮´ ফুট প্ৰস্থৰ একোখন বাৰাণ্ডাৰে সৈতে কলেজৰ হলঘৰটো। ১৯৭১-৭৩ চনত এই ঘৰ কলেজ কতৃপক্ষই সাজি উলিয়ায়। এই ঘৰৰ নিৰ্মাণ কাৰ্যত তেতিয়াৰ কলেজ পৰিচালনা সমিতিৰ সম্পাদক. অধিবক্তা শ্ৰীদীনেশ বৰা ডাঙৰীয়াৰ বৰঙণি উল্লেখ-যোগ্য। অতিশয় আৰ্থিক সংকটৰ সন্মুখীন হৈও শ্ৰীবৰাদেৱে দৃঢ়তাৰে উক্ত ভৱনৰ কাম সম্পূৰ্ণ কৰে। এই ভৱন সম্পূৰ্ণ হোৱাৰে পৰা কলেজখনৰ সভা-সমিতি আদি পতা কামত যথেষ্ট সুবিধা হয়, আৰু ডাঙৰ শ্ৰেণীসমূহ অস্থায়ী বেৰা দি বহুওৱাৰ ব্যৱস্থা কৰা হয়। অৱশ্যে প্ৰয়োজনীয় নথিৰ অভাৱত এই ভৱন নিৰ্মাণৰ মুঠ ব্যয়ৰ সাংখ্যিক হিচাপ দাঙি ধৰিব পৰা নগল।

ঘ) ভূগোল গৱেষণাগাৰ (Geography Laboratory Building):

সম্পাদক অধিবক্তা শ্ৰীদীনেশ বৰা ডাঙৰীয়াৰ কাৰ্যকালতে ৩০´ ফুট দৈৰ্ঘ্যৰ ২০´ ফুট প্ৰস্থৰ, আৰু চাৰিওফালে ৬´ ফুট প্ৰস্থৰ বাৰাণ্ডাৰে সৈতে (সংলগ্ন শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ) এই ঘৰৰ নিৰ্মাণ সম্পৰ্ণ কৰা হৈছিল। এই দুয়োটা স্থায়ী কামৰ বাবে শ্ৰীবৰা ডাঙৰীয়া কলেজৰ এই ৰূপালী জয়ন্তী উৎসৱৰ সময়ত সঁচাকৈয়ে স্মৰণীয়। বৰ্তমানৰ অধ্যক্ষই প্ৰয়োজন-সাপেক্ষে অস্থায়ী বেৰা দি এই গবেষণাগাৰক সমানে দুটা কোঠাত ভাগ কৰিছে আৰু বিভাগীয় যাৱতীয় সা-সৰঞ্জাম আদি ৰাখিবৰ বাবে উত্তৰ আৰু পশ্চিম ফালৰ বাৰাণ্ডা দুখন পকা দেৱালেৰে আবৰি গুদাম ঘৰৰ ব্যৱস্থা কৰি দিছে।

ঙ) নৱনিৰ্মিত দুমহলীয়া শ্ৰেণী কোঠা (U. G. C's R.C.C. Class-Room Building):

১৯৬৯ চনৰ পৰা ১৯৮৩ চনলৈ এই সুদীৰ্ঘ ১৬ বছৰ সময় নগাঁও ছোৱালী কলেজৰ ইতিহাসৰ এক 'অন্ধকাৰ যুগ' (Dark Period) বুলি কলেও অত্যুক্তি কৰা নহ'ব। প্ৰাণ-চঞ্চল ছোৱালী কলেজৰ এই-ছোৱা অতিশয় দুৰ্যোগৰ সময়। এই সময় ছোৱাত কলেজৰ সকলো আশা-আকাঙ্ক্ষা, কল্পনা-বিলাস আদিৰ অৱসান ঘটি এক স্থবিৰ, নিৰলস আৰু প্ৰাণহীন অৱস্থাৰ সৃষ্টি হয়। ১৯৬৯ চনৰ কলেজ প্ৰতিষ্ঠা দিৱস

উৎসৱ অনুষ্ঠানৰ লগতে স্থায়ী ছাত্ৰী-বাসৰ আধাৰশিলা স্থাপনৰ আয়োজন কৰি কলেজ কর্তৃপক্ষই সেই সময়ৰ অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীব্ৰজ-কুমাৰ নেহৰুক আমন্ত্ৰণ জনাইছিল, আৰু ৰাজ্যপাল মহোদয়ে এই আমন্ত্ৰণ ৰক্ষা কৰি নগাঁও ছোৱালী কলেজত উপস্থিত থাকি ছাত্ৰী-নিবাসৰ আধাৰশিলা স্থাপন অনুষ্ঠান সম্পন্ন কৰিছিল। কলেজ কর্তৃপক্ষই সেই-দিনা ৰাজ্যপাল মহোদয়ৰ সন্মানাৰ্থে এক নৈশ ভোজৰ আয়োজন কৰিছিল। আনহাতে বিয়লি কলেজ প্ৰতিষ্ঠা দিৱস উপলক্ষে এক ৰাজহুৱা সভা আৰু ৰাতি এক সাংস্কৃতিক অনুষ্ঠানবো দিহা কৰা হৈছিল। কিন্তু কলেজৰ দুৰ্ভাগ্য যে উক্ত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হোৱা মুহূৰ্ততে আকস্মিক ভাৱে অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী ডাঙৰীয়া অসুস্থ হৈ পৰে, আৰু তেতিয়াৰে পৰা তেখেতে সকলো কাৰ্যক্ষমতা হেৰুৱায়, যাৰ ফলত কলেজখনৰ প্ৰশাসনীয় দিশত এক শিথিলতাৰ সৃষ্টি হয়। দীৰ্ঘদিন কলেজত অধ্যক্ষ ডাঙৰীয়া অনুপস্থিত থকাত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীমতী তৰু বৰুৱাই কাৰ্যনিৰ্বাহ কৰিব লগা হয়। এনেদৰেই আৰম্ভণিক দিশত যি তৎপৰতা আৰু ক্ষিপ্ৰতাৰ প্ৰয়োজন আছিল, সি সম্পূৰ্ণ ৰূপে ব্যাহত হয়, যাৰ ফলত কলেজৰ ঘৰ-দুৱাৰ আদিৰ নিৰ্মাণৰ অগ্ৰগতিত যতি পৰিছিল। অৱশ্যে অধ্যাপক-অধ্যাপিকাসকলৰ নিষ্ঠা আৰু ঐকান্তি-কতাৰ ফলস্বৰূপে শৈক্ষিক দিশত কলেজখনে একেই অগ্ৰগতি লাভ কৰিছিল। অসুস্থতাৰ মাজতেই ১৯৮০ চনত অধ্যক্ষ শ্ৰীগোস্বামী ডাঙৰীয়াৰ কাৰ্যকালৰ অন্ত পৰে।

১৯৮৩ চনত কলেজ কর্তৃপক্ষই দ্বিতীয়জন অধ্যক্ষ নিয়োগ কৰাত এক দীঘলীয়া জড়তাৰ অৱসান ঘটে, আৰু নৱনিযুক্ত অধ্যক্ষ ড০ ৰত্ন কান্ত বৰুৱা ডাঙৰীয়াৰ কাৰ্যভাৰ গ্ৰহণৰ লগে লগে আৰম্ভণিক দিশত পুনৰ কৰ্ম-চঞ্চলতা আৰম্ভ হয়। অৱশ্যে ভাৰপ্ৰাপ্ত অধ্যক্ষা তৰু বৰুৱাৰ কাৰ্যকালৰ ভিতৰতে ৬ষ্ঠ পৰিকল্পনাৰ বাবে বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ ওচৰত বিধিমতে প্ৰাপ্য মঞ্জুৰিৰ বাবে যাৱতীয় আঁচনি আৰু বাজেট দাখিল কৰা হৈছিল। নতুন অধ্যক্ষ বৰুৱা ডাঙৰীয়াই অতি তৎপৰতাৰে এই দিশত মনোনিবেশ কৰে, আৰু বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ পৰা কলেজৰ শ্ৰেণীকোঠাৰ বাবদ ১,৪০,০০০·০০ (একলাখ চল্লিছ হাজাৰ) টকাৰ মঞ্জুৰি লাভ কৰে। উক্ত পুঁজিৰে এই নতুন দুমহলীয়া শ্ৰেণীকোঠাৰ কাম আৰম্ভ কৰা হয় ১৯৮৩ চনতে। এই ভৱনৰ দৈৰ্ঘ্য ৮৬´ ফুট আৰু প্ৰস্থ ৩৩´ ফুট (সন্মুখৰ ফালে বাৰাণ্ডাৰে সৈতে)। এই দুমহলীয়া ভৱনৰ তলৰ মহলাৰ কাম সম্পূৰ্ণ কৰি বৰ্তমান শ্ৰেণীসমূহ বহুওৱা হৈছে, আৰু এতিয়া ওপৰ মহলাৰ কামো বৰ্তমানৰ অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা ডাঙৰীয়াৰ তৎপৰতাত সম্পূৰ্ণ হোৱাৰ পথত। ওপৰ মহলাৰ লগে লগে দ্বিতীয় মহলাৰ কামো অতি



সোনকালে সম্পূৰ্ণ কৰাৰ এক আঁচনি কৰা হৈছে, আৰু অতি শীঘ্ৰে এই কাম আৰম্ভ কৰা হ'ব। এই ভৱন সম্পূৰ্ণ হোৱাৰ লগে লগে কলেজৰ ২ নং চালিঘৰ (প্ৰশাসনীয় ভৱনৰ পশ্চিম ফালে থকা) ভাঙি দিয়া হ'ব, আৰু বহু পৰিমাণে শ্ৰেণীকোঠাৰ অভাব আঁতৰিব।

**চ) লটাৰী ভৱন (Resource Committee Building):**

দ্বিতীয়জন অধ্যক্ষ ড০ বৰুৱা ডাঙৰীয়াৰ কাৰ্যকালতে কলেজ-খনৰ আৰু এটা স্থায়ী ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছিল। এই ভৱনৰ দৈৰ্ঘ্য ৭০´ ফুট আৰু প্ৰস্থ ২৫´ ফুট। ভৱনৰ উত্তৰ ফালে ৬´ ফুট প্ৰস্থৰ বাৰাণ্ডা। ইয়াৰ কোঠা দুটা। বৰুৱা ডাঙৰীয়াৰ কাৰ্য-কালতে কলেজৰ সাহায্যাৰ্থে এক লটাৰী অনুষ্ঠিত হয়, আৰু এই লটাৰীৰ পৰা এক শকত পৰিমাণৰ ধন ৰাহি হয়। এই পুঁজিৰ ১,৭০,০০০·০০ (একলাখ সত্তৰ হাজাৰ) টকাৰ পৰা ১,২৮,০০০·০০ (একলাখ আঠাইছ হাজাৰ) টকাৰে উক্ত ঘৰ কলেজৰ প্ৰশাসনীয় ভৱনৰ পূব ফালে ৰাস্তাৰ সমান্তৰালকৈ আৰু পূৱা-পশ্চিমাকৈ নিৰ্মাণ কৰা হয়। ইয়াৰ উপৰি বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ অনুদানেৰে নিৰ্মাণ কৰি থকা দুমহলীয়া ভৱনৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত ৬০,০০০·০০ (ষাঠি হাজাৰ) টকা লটাৰী পুঁজিৰ পৰা খৰচ কৰা হয়। এই দুটা ভৱনৰ কাম প্ৰায় একে সময়তে সম্পূৰ্ণ হয়, আৰু তেতিয়াৰে পৰা কলেজৰ শ্ৰেণীসমূহ বহুওৱাৰ ক্ষেত্ৰত থকা অসুবিধাৰ কিছু অৱসান ঘটে।

**ছ) অধ্যাপক-অধ্যাপিকাসকলৰ জিৰণি ঘৰ:**
**(Profs' Common Room):**

কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত প্ৰশাসনীয় ভৱনৰ যিটো কোঠা জিৰণি কোঠা হিচাপে ব্যৱহাৰ কৰা হৈছিল, সেইটো নিচেই সৰু হোৱা কাৰণে একেলগে সকলো অধ্যাপক-অধ্যাপিকা গোট খাই কোনো আলোচনা, সভা-সমিতি আদি পতাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল। এই দিশলৈ লক্ষ্য ৰাখি কলেজ কর্তৃ-পক্ষই এটা আহল-বহল জিৰণি কোঠা নিৰ্মাণৰ আঁচনিত অনুমোদন জনায়, আৰু বৰ্তমানৰ অধ্যক্ষ শ্ৰীবৰা ডাঙৰীয়াৰ তৎপৰতাৰ ফলত প্ৰশা-সনীয় ভৱনৰ সমান্তৰাল ভাৱে মথাউৰিৰ [ৰাস্তাৰ] দক্ষিণ ফালে কলং-সুঁতিৰ নিচেই পাৰতে ৬২´ ফুট দৈৰ্ঘ্যৰ আৰু ১৭´ ফুট প্ৰস্থৰ (নদীৰ ফালে ৩´ ফুট বাৰাণ্ডাৰে সৈতে) এই ঘৰ (জিৰণি কোঠা) নিৰ্মাণ কৰা হয়। ঘৰটো সম্পূৰ্ণ হোৱাত অধ্যাপক-অধ্যাপিকাসকলৰ এটা স্থায়ী অভাব দূৰ হয়।

**জ) চকীদাৰৰ আবাস (Chowkidar's Quarter):**

সুদীৰ্ঘ ২৫ বছৰৰ কাল অতিবাহিত হ'ল, অথচ কলেজখনৰ দিবা আৰু নৈশ চকীদাৰ দুজনৰ বাবে কলেজ-চৌহদত কোনো স্থায়ী বাসগৃহৰ

ব্যৱস্থা নাছিল। টিং পাতৰ অস্থায়ী চালি আৰু খেৰৰ জুপুৰীতে এওঁলোকে এই সুদীৰ্ঘ ২৫ বছৰ কাল অতিবাহিত কৰি কলেজখনৰ প্ৰতি তেওঁলোকৰ সেৱা আগবঢ়াইছিল। চতুৰ্থ শ্ৰেণীৰ এই কৰ্মচাৰীসকলৰ বাসস্থানৰ পুতৌ লগা অৱস্থা দেখা পাই কলেজৰ বৰ্তমানৰ পৰিচালনা সমিতিয়ে তেওঁলোকৰ বাবে স্থায়ী বাসগৃহ নিৰ্মাণ কৰাৰ সিদ্ধান্ত কৰে, আৰু সেই সিদ্ধান্ত অনুযায়ী অধ্যক্ষ বৰা ডাঙৰীয়াই অতি তৎপৰতাৰে চকীদাৰৰ বাসগৃহ নিৰ্মাণ কৰায়। কলেজৰ পূব ফালে লটাৰী ভৱনৰ ওচৰতে ২২´ ফুট দৈৰ্ঘ্যৰ আৰু ১৮´ ফুট প্ৰস্থৰ (দক্ষিণ আৰু উত্তৰ ফালে ৬´ ফুট বাৰাণ্ডাৰে সৈতে) এটা 'আসাম টাইপ' ঘৰ সাজি উলিওৱা হয়। এই ঘৰ নিৰ্মাণৰ সৰ্বমুঠ ব্যয় হয় ৩২,০০০'০০ (বত্ৰিছ হাজাৰ) টকা। ঘৰ সম্পূৰ্ণ হোৱাত দুয়োজন চকীদাৰৰে বসবাস কৰিবলৈ সুবিধা হৈছে।

ঘ) নগাঁও ছোৱালী কলেজ ডাকঘৰ (Nowgong Girls' College Post Office):

১৯৬৮ চনত কলেজ নিজা ঘৰলৈ অহাৰ সময়তে তেতিয়াৰ অধ্যক্ষ শ্ৰীগোস্বামী ডাঙৰীয়াই ডাক-তাঁৰ বিভাগৰ সৈতে যোগাযোগ কৰি এটা শাখা ডাকঘৰ কলেজৰ নামত মঞ্জুৰ কৰায়। কলেজ চৌহদৰ পূব প্ৰান্তত অৱস্থিত এই শাখা ডাকঘৰে কলেজৰ যাৱতীয় লেনদেন কৰাৰ উপৰি সমীপবৰ্তী উত্তৰ হয়বৰগাঁও অঞ্চলৰ ৰাইজৰ বাবেও যথেষ্ট সা-সুবিধা আগবঢ়াইছে। ডাকঘৰ ভৱনটো কলেজৰ সম্পূৰ্ণ নিজা সম্পত্তি। ইয়াৰ বাবদ ডাক-তাঁৰ কৰ্তৃপক্ষই কলেজক মাহিলি ভাৰা বাবদ ১৫০'০০ টকা দিয়ে। প্ৰাক্তন অধ্যক্ষ গোস্বামী ডাঙৰীয়াৰ ই এক দূৰদৰ্শিতাৰ নিদৰ্শন।

ঙ) দুমহলীয়া পকী ছাত্ৰী-নিবাস—(R. C. C. College Hostel):

নগাঁও ছোৱালী কলেজৰ আন এটা জ্বলন্ত সমস্যা হৈছে কলেজৰ ছাত্ৰী-নিবাসৰ। পূৰ্ণ পৰ্যায়ৰ এক স্ত্ৰী শিক্ষাৰ অনুষ্ঠানত ছাত্ৰী-নিবাসত যিমান পৰিমানৰ আসনৰ ব্যৱস্থা থকা উচিত, নগাঁও ছোৱালী কলেজে এই ক্ষেত্ৰত অদ্যাপি সফলতা অৰ্জন কৰিব পৰা নাই। প্ৰতি বছৰে দূৰ-দূৰণিৰ ছাত্ৰীসকলে ছাত্ৰীবাসত আসনৰ অভাৱত এই কলেজত নাম ভৰ্তি কৰাৰ পৰা বিমুখ হ'ব লগাত পৰে। বৰ্তমানে থকা দুটা ছাত্ৰীবাসত মুঠ আসনৰ সংখ্যা ১৭২। কিন্তু প্ৰতি বছৰে নাম ভৰ্তিকৰণৰ সময়ত ছাত্ৰী-নিবাসত আসনৰ বাবে আবেদন কৰা ছাত্ৰীৰ সংখ্যা মুঠ আসনৰ সংখ্যাতকৈ ৩ গুণ বেছি। কলেজ কৰ্তৃপক্ষই এই গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধানৰ বাবে এক বলিষ্ঠ পদক্ষেপ লোৱাৰ প্ৰয়োজন। ছাত্ৰী-নিবাসৰ পৰিবৰ্দ্ধন কৰি হলেও আগ্ৰহী ছাত্ৰীসকলক আসনৰ ব্যৱস্থা কৰি দিয়াটো কলেজ কৰ্তৃপক্ষৰ নৈতিক দায়িত্ব।

১৯৬৯ চনত বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ অনুদানেৰে আৰম্ভ



কৰা দুমহলীয়া ছাত্ৰী-নিবাসৰ এটা অংশহে সম্পূৰ্ণ কৰা হ'ল। এই ভৱনৰ আহি (model) ইংৰাজী বৰ্ণমালাৰ 'E' বৰ্ণৰ দৰে আছিল। অৰ্থৰ অভাৱত এই আঁচনি সম্পূৰ্ণ কৰা সম্ভৱ হৈ নুঠিল। যি হওক, যি অংশ সম্পূৰ্ণ হ'ল, তাৰ দুয়োটা মহলাৰ মুঠ কোঠাৰ সংখ্যা হ'ল ২০। ইয়াত বৰ্তমান ৯০ গৰাকী ছাত্ৰীৰ বাবে আসনৰ ব্যৱস্থা আছে। বহু ঘাত-প্ৰতিঘাতৰ মাজেদি ১৯৭৫ চনত মুঠ ২,৭৮,১০৫'০০ (দুই লাখ আঠসত্তৰ হাজাৰ এশ পাঁচ) টকা ব্যয়েৰে এই ছাত্ৰী-বাস সম্পূৰ্ণ কৰা হ'ল। কিন্তু অদ্যাপি ইয়াৰ এটা স্থায়ী নামকৰণ কৰা হোৱা নাই। সুখৰ বিষয় যে নগাঁও ছোৱালী কলেজৰ শিক্ষক গোটে (Teachers' Unit) যোৱা ৩।৮।৮৭ তাৰিখৰ সভাত গৃহীত এক প্ৰস্তাৱ যোগে কলেজ কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে আনুষ্ঠানিক ভাৱে ৰূপালী জয়ন্তী উৎসৱতে এই দুমহলীয়া ছাত্ৰী-বাসৰ নামকৰণ নগাঁৱৰ স্বনামধন্যা মহিলা ৺পদ্মাৱতী দেৱী ফুকননীৰ নামেৰে কৰিব লাগে বুলি সিদ্ধান্ত কৰিছে।

খ) শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰী-নিবাস—(S.B.P. Girls' Hostel)

১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামৰ অন্যতম বীৰাঙ্গনা, ফিৰিঙী বগা চাহাবৰ গুলীত প্ৰাণ আহুতি দিয়া নগাঁৱৰ বঢ়মপুৰৰ আইতা ৺ভোগেশ্বৰী ফুকননীৰ পুণ্য স্মৃতিত নিৰ্মিত এই ছাত্ৰী-বাসৰ জন্মৰ ইতিহাসত নাটকীয়তা আছে। নগাঁও ছোৱালী কলেজৰ অন্যতম পৃষ্ঠপোষক আৰু হিতাকাংক্ষী, জন্ম-লগ্নৰে পৰা কলেজখনৰ লগত জড়িত ব্যক্তি শ্ৰীদেৱকান্ত বৰুৱা ডাঙৰীয়াই ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি (President, A.I.C.C.) ৰূপে কাৰ্যনিৰ্বাহ কৰা সময়তে কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী ডাঙৰীয়াই অপ্ৰত্যাশিত ভাৱে হঠাৎ মহাৰাষ্ট্ৰ (বোম্বাই) প্ৰদেশ কংগ্ৰেছৰ তেতিয়াৰ সভাপতি ৰজনী পেটেল ডাঙৰীয়াৰ পৰা ১,৭৫,০০০'০০ (এক লাখ পয়সত্তৰ হাজাৰ) টকাৰ এখন চেক্ পালে। অৱশ্যে কেইদিনমান পিছতে এই ৰহস্যৰ অৱসান ঘটালে স্বয়ং কংগ্ৰেছ সভাপতি শ্ৰীবৰুৱা ডাঙৰীয়াৰ চিঠিয়ে। বৰুৱাদেৱে দুখীয়া ছাত্ৰীসকলে নিজে ৰান্ধ-বাঢ়ি খাই পঢ়া-শুনা কৰিব পৰাকৈ আইতা শ্বহীদ ভোগেশ্বৰী ফুকননীৰ স্মৃতিত এই ছাত্ৰী-নিৱাস নিৰ্মাণ কৰিবলৈ পৰামৰ্শ দিয়ে, আৰু এই উদ্দেশ্যে এখন তত্বাৱধায়ক কমিটি গঠন কৰি দিয়ে। ক্ষীৰোদ কুমাৰ বৰুৱা এই কমিটিৰ সম্পাদক আৰু শ্ৰীমতী উষা বৰঠাকুৰ ইয়াৰ সভানেত্ৰী আছিল। ১৯৭৩ চনত শ্ৰীবৰুৱাদেৱে আনুষ্ঠানিক ভাৱে এই ছাত্ৰী-নিবাসৰ আধাৰশিলা স্থাপন কৰে। তত্বাৱধায়ক কমিটিয়ে সেই দানেৰে ছাত্ৰী-বাসৰ এটা অংশ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে আৰু বাকী অংশৰ কাম ভেটিৰ (Plinths) পৰ্যায়তে ৰৈ যায়। কিন্তু বৰ্তমানৰ অধ্যক্ষ ডাঙৰীয়াই এই আধৰুৱা অংশৰ নিৰ্মাণ সম্পূৰ্ণ কৰি দক্ষিণ আৰু পশ্চিম ফালে ৮´ ফুট ওখ পকী দেৱাল তৈয়াৰ

কৰি ছাত্ৰীসকলৰ ৰক্ষণাবেক্ষণৰ সু-ব্যৱস্থা কৰিছে। এই ছাত্ৰী-বাসত মুঠ কোঠাৰ সংখ্যা ১৩। এই ছাত্ৰী-বাসত ৮২ গৰাকী ছাত্ৰী থকাৰ ব্যৱস্থা আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সৌজন্যত এই ছাত্ৰী-বাসলৈ পানী-যোগানৰ ব্যৱস্থাও সম্পূৰ্ণ কৰা হৈছে।

কলেজৰ বৰ্তমান পৰিচালনা সমিতি আৰু অধ্যক্ষ ডাঙৰীয়া কি দৰে ঘৰ-দুৱাৰৰ নিৰ্মাণৰ দিশত অগ্ৰগতি লাভ কৰিব পাৰে, তাৰ প্ৰতি সম্পূৰ্ণ সচেতন। এইটো এটা অনুষ্ঠানৰ বাবে অতি প্ৰয়োজনীয় বিষয়। বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ ওচৰত বিভিন্ন আঁচনি, যেনে, পূৰ্ণ পৰ্যায়ৰ গ্ৰন্থাগাৰ ভৱন, অডিটৰিয়াম আদিৰ বাবে আবেদন কৰা হৈছে। সপ্তম পৰিকল্পনাৰ সময়ছোৱাত কলেজখনে যথেষ্ট অনুদান লাভ কৰিবলৈ সক্ষম হলে বৰ্তমানৰ সকলো অভাৱ দূৰীভূত হ'ব, আৰু অদূৰ ভৱিষ্যতে কলেজত বিজ্ঞান শাখা খুলিবৰ বাবে সুবিধা হ'ব।

বৰ্তমানৰ দুমহলীয়া ভৱনটোৰ দুয়োটা মহলাৰ কাম প্ৰায় সম্পূৰ্ণ। প্ৰথম মহলা সম্পূৰ্ণ হলেই অবিলম্বে দ্বিতীয় মহলাৰ নিৰ্মাণৰ কামো সম্পূৰ্ণ কৰাৰ আঁচনি গ্ৰহণ কৰা হৈছে। অৱশ্যে এই ক্ষেত্ৰত প্ৰধান অন্তৰায় হৈছে পুঁজি। ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ বাহি পুঁজিৰে এই নিৰ্মাণ সম্পূৰ্ণ কৰিব পৰা হ'ব বুলি আমি আশা ৰাখিছোঁ। ডেকা অধ্যক্ষ শ্ৰীবৰা ডাঙৰীয়াৰ চেষ্টাত কলেজৰ ভৱন নিৰ্মাণৰ সকলো আধৰুৱা কাম সম্পূৰ্ণ হৈ উঠিব, আৰু সমগ্ৰ অসম তথা উত্তৰ-পূব ভাৰতৰ ভিতৰতে নগাঁও ছোৱালী কলেজে স্ত্ৰী শিক্ষাৰ প্ৰধান অনুষ্ঠান ৰূপে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হ'ব। ৰূপালী জয়ন্তীৰ আনন্দমুখৰ পৰিবেশত ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাওঁ, কলং পাৰৰ এই 'পোহৰৰ কাৰেঙ'ৰ উজ্জ্বল জ্যোতিৰে স্ত্ৰী শিক্ষাৰ জগতখন জ্যোতিষ্মান হওক।

জয়তু নগাঁও ছোৱালী কলেজ। *

---

* শ্ৰীমহেশ চন্দ্ৰ ভূঞা নগাঁও ছোৱালী কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপক। অনুষ্ঠানটোৰ বিভিন্ন নিৰ্মাণ কাৰ্যৰ লগত ওত-প্ৰোতভাৱে জড়িতসকলৰ এখেত অন্যতম। —সম্পাদক

শ্ৰীকৃষ্ণ বৰা

# আমাৰ কলেজ সংগীত

"আমি এই কলঙৰ পাৰতে
পোহৰৰ কাৰেং সজাওঁ,
ফুলৰ হাঁহিৰে আমি
জ্যোতিৰ শিখাৰে ৰচা
আশাভৰা কাহিনী শুনাওঁ।
আমাৰ সপোনে চুমে বিশাল আকাশ
ইয়াত জীৱনে পালে অসীম আবাস;
সুৰৰ সেনানী সাজি
জীৱন হৰিৰে আমি
সাহসৰ অগণি জ্বলাওঁ।
আমি মহাপুৰুষৰ আশিসেৰে মণ্ডিত
এই পৱিত্ৰ ভূমিতে,
ৰচি যাওঁ জীৱনৰ যুগমীয়া ইতিহাস
ধৰণীৰ প্ৰতিকণা ধূলিতে।
নৱীন প্ৰভাতে আহি
পোহৰাৰ ধৰাখনি
আমি তাৰে আৱাহনী গাঁও।"

আমাৰ এই কলেজ সঙ্গীতটো অসমীয়া বিভাগৰ অন্যতম অধ্যাপক শ্ৰীইদ্ৰিছ আলিয়ে ৰচনা কৰে সুদীৰ্ঘ এঘাৰ বছৰৰ আগতে। গীতটি ৰচনাৰ অনুপ্ৰেৰণা দিছিল তেতিয়াৰ অধ্যক্ষ শ্ৰীযুত মহেশচন্দ্ৰ দেৱগোস্বামীয়ে। নগাঁৱৰ বুকু ভেদি কুলু কুলু প্ৰবাহেৰে বৈ থকা কলঙৰ অতীত ইতিহাস, কলঙৰ পাৰৰ নিৰ্জন প্ৰকৃতি আৰু নগাঁৱা সাহিত্য-সংস্কৃতিলৈ কলঙৰ অৱদানৰ স্মৃতি তেখেতৰ মনোমুকুৰত আগৰ পৰাই সঞ্চিত হৈ আছিল। এতিয়া কলংপৰীয়া শিক্ষানুষ্ঠানৰ অনুকূল পৰিবেশত সেই স্মৃতিৰ অনুভূতি বাঙময় ৰূপ লৈ স্বতঃস্ফুটভাৱে গীত হৈ ওলাইছে, আৰু এই গীতটোৱেই নগাঁও ছোৱালী কলেজৰ 'কলেজ সঙ্গীত' হিচাপে স্বীকৃত হোৱাত সেই বিষয়ে ইয়াত আলোচনাৰ অৱতাৰণা কৰিবলৈ লোৱা হৈছে।

শ্ৰীআলি ডাঙৰীয়াই ইতিমধ্যে আকাশবাণীৰ স্বীকৃত গীতিকাৰ

হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। তদুপৰি নৱাঙ্কৰসকলৰ সৰ্বভাৰতীয় সাহিত্য প্ৰতিযোগিতাত অসমীয়া ভাষাত ৰচিত তেখেতৰ 'মোৰ গাঁৱৰ সাধু', 'বুঢ়া আঁহতৰ হাঁহি' আৰু 'আগ চোতালৰ মেল' গ্ৰন্থৰ জৰিয়তে তেখেত পুৰস্কৃত হৈছে। প্ৰকাশিত গীতৰ পুথি 'নিৰিবিলি' আৰু 'মধুমিতা'ৰ দ্বাৰা অসমীয়া সাহিত্যত গীতিকাৰ আৰু কবিৰূপে তেখেতে খ্যাতি অৰ্জন কৰিছে।

তেখেতৰ ৰচিত এই গীতটো ১৯৬৬ চনৰ ১২ ছেপ্টেম্বৰৰ প্ৰতিষ্ঠা দিবস অৰ্থাৎ কলেজখনৰ প্ৰতিষ্ঠা দিবসৰ চাৰি বছৰৰ পিছত কলেজৰ পতাকা উত্তোলনৰ শুভ লগ্নত উদ্বোধনী গীত হিচাপে প্ৰথম বাৰৰ বাবে পৰিবেশিত হৈছিল। প্ৰতিষ্ঠা দিবসৰ উদ্বোধনী পতাকা উত্তোলন অনুষ্ঠানৰ সৈতে ৰজিতা খোৱাকৈ উক্ত গীতটি ৰচনা কৰা হৈছে। কলেজৰ সেই সময়ৰ কেইবাগৰাকী সুগায়িকা ছাত্ৰী মঞ্জিৰা দেৱী গোস্বামী (পিছত আমাৰ কলেজৰে অধ্যাপিকা, বৰ্তমান লণ্ডনত আছে), ফুনু গোস্বামী (অনাতাঁৰ শিল্পী), বীণু শৰ্মা, বিলি বৰঠাকুৰ, জুনুমী ভট্টাচাৰ্য, চফিয়া বেগম আদিৰ সমবেত কণ্ঠেৰে পৰিবেশিত হোৱা গীতটোৱে সিদিনা পতাকা উত্তোলন অনুষ্ঠানত উপস্থিত থকা সকলোৰে মন বাৰুকৈয়ে চুই গৈছিল। ৰচনা, সুৰ-সংযোজনা আৰু পৰিবেশনে গীতটি অপূৰ্ব কৰি তুলিছিল, আৰু গীতটোৰ মধুৰতা শ্ৰোতাৰ কাণত ঝংকৃত হৈছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ লব্ধপ্ৰতিষ্ঠ সাহিত্যিক তথা শিক্ষাবিদ শ্ৰীযুত মহেশচন্দ্ৰ দেৱগোস্বামী গীতটোৰ মাধুৰ্যত আৰু ভাব-সৌন্দৰ্যত এনেভাৱে অভিভূত হৈ পৰিছিল যে গীতটো গাই সমাপ্ত হোৱাৰ লগে লগে গীতটো কলেজৰ উদ্বোধনী গীত ৰূপে গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে। তেতিয়াৰ পৰা আজিকোপতি উক্ত গীতটো নগাঁও ছোৱালী কলেজৰ 'কলেজ সংগীত' ৰূপে প্ৰতিবছৰে পতাকা উত্তোলন অনুষ্ঠান আৰু কেতিয়াবা কলেজৰ অন্য বিশেষ অনুষ্ঠানতো মৰ্যাদা সহকাৰে ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত হৈ আহিছে।

আৰম্ভণী. উদ্বোধনী, ৰাষ্ট্ৰীয় কিম্বা জাতীয় সঙ্গীত ৰূপে সকলো ৰাষ্ট্ৰ আৰু ৰাজ্যৰ জনসাধাৰণে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিভিন্ন উৎসৱ পালনত একো একোটা গীত ব্যৱহাৰ কৰাৰ ৰীতি সৰ্বজন বিদিত। প্ৰত্যেক দেশ বা ৰাষ্ট্ৰৰ এটা জাতীয় বা ৰাষ্ট্ৰীয় সঙ্গীত থাকে। অসমৰ জাতীয় সঙ্গীত 'অ মোৰ আপোনাৰ দেশ' ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা বিৰচিত। তেখেতেই ৰচনা কৰা 'বাজক দবা, বাজক শংখ…' গীতটি অসম-সঙ্গীত ৰূপে স্বীকৃত। ৺মিত্ৰদেৱ মহন্ত ৰচিত "চিৰ চেনেহী মোৰ ভাষা জননী" গীতটি অসম সাহিত্য সভাৰ উদ্বোধনী গীত ৰূপে গৃহীত। সঙ্গীতজ্ঞ শ্ৰীপুৰুষোত্তম দাসদেৱে ৰচনা কৰা "শ্ৰীময়ী অসমীৰ শীতল বুকুত" গীতটি সদৌ অসমতে বিহু পতাকা উত্তোলনৰ গীত হিচাপে ব্যৱহাৰ কৰা হৈছে। কবি-গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে ৰচনা



কৰা "জনগণ মন অধিনায়ক জয়হে…" গীতটি ভাৰতৰ ৰাষ্ট্ৰীয় সঙ্গীত। কবি মহম্মদ ইকবালে ৰচনা কৰা "ছাৰা জাহাঁচে আচ্ছা হিন্দুস্তাঁ হামাৰা" আৰু বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে ৰচনা কৰা "বন্দে মাতৰম্" গীত দুটিও ৰাষ্ট্ৰীয় পৰ্যায়ত মৰ্যাদা সহকাৰে বিভিন্ন উপলক্ষ্যত পৰিবেশন কৰাৰ নিয়ম চলি আছে।

শিক্ষানুষ্ঠান এটাৰো নিজাৰবীয়া উদ্বোধনী গীত এটা থকাটো প্ৰচলিত ৰীতি। গুৱাহাটী বিশ্ববিদ্যালয়ে ড° ভূপেন হাজৰিকাদেৱে ৰচনা কৰা আৰু সুৰ সংযোজনা কৰা "এন্ধাৰৰ ভেটা ভাঙি প্ৰাগজ্যোতিষত বয় " গীতটি উদ্বোধনী গীতি ৰূপে গ্ৰহণ কৰিছে। সেইদৰে কটন কলেজে উদ্বোধনী গীতি ৰূপে গ্ৰহণ কৰিছে জ্যোতিপ্ৰসাদ আগৰৱালাৰ "মোৰ ভাৰতৰে মোৰ সপোনৰে " গীতটি। "এই প্ৰেম আৰু পুণ্যভূমি…" অধ্যাপক শ্ৰীহীৰেন শইকীয়া ৰচিত এই গীতটি নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ উদ্বোধনী গীত ৰূপে গ্ৰহণ কৰা হৈছে।

এনেদৰে জাতীয় সঙ্গীত, ৰাষ্ট্ৰীয় সঙ্গীত বা কোনো অনষ্ঠানৰ উদ্বোধনী গীত ৰূপে ৰচিত গীতবোৰত সংশ্লিষ্ট জাতি, ৰাষ্ট্ৰ বা অনুষ্ঠানটোৰ আশা-অনভূতিৰ প্ৰকাশ ঘটে। তেনে গীতবোৰৰ একোটাইত ঐতিহাসিক পটভূমি থকাৰ কথাও কেতিয়াবা পোহৰলৈ আহে। ৰবীন্দ্ৰনাথৰ "জনগণ মন ", ইকবালৰ "ছাৰা জাহাঁচে আচ্ছা ", আৰু বঙ্কিমচন্দ্ৰৰ "বন্দে মাতৰম্" গীতকেইটাৰ এনে ঐতিহাসিক পটভূমি আৰু তাৎপৰ্য মন কৰিবলগীয়া। প্ৰসংগতঃ ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতটোক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কও অন্য এক তাৎপৰ্যপূৰ্ণ ঐতিহাসিক ঘটনাই বুলিব পাৰি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্বোধনী সংগীত "এন্ধাৰৰ ভেটা ভাঙি প্ৰাগজ্যোতিষত বয় " গীতটোৰো এক ঐতিহাসিক তাৎপৰ্য আছে। কাৰণ ১৯৪৮ চনৰ ২৬ জানুৱাৰী তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোৰ্টৰ কটন কলেজৰ চুড্‌মাৰ্চন হলত বহা আৰু প্ৰতিষ্ঠা উৎসৱৰ মৰ্যাদা পোৱা সভাখনতে ড° ভূপেন হাজৰিকাই উক্ত গীত পৰিবেশন কৰিছিল।

আমাৰ নগাঁও ছোৱালী কলেজতো শ্ৰীইদ্ৰিছ আলিয়ে ৰচনা কৰা এই গীতটো উদ্বোধনী গীত হিচাপে লোৱাটো বৰ সুখৰ কথা হৈছে। বিগত একুৰি এবছৰে উদ্বোধনী গীত ৰূপে ব্যৱহাৰ হৈ অহা গীতটোৱেও নগাঁও ছোৱালী কলেজৰ ইতিহাসত তাৎপৰ্যপূৰ্ণ স্থান লাভ কৰিছে। এই গীতটো পৰিবেশনৰ মাজেৰে উত্তোলিত পতাকাৰ তলতে যোৱা সুদীৰ্ঘ কাল সমবেত হৈছে এই কলেজত পঢ়িবলৈ অহা অগণন ছাত্ৰী, এই কলেজত কৰ্মৰত সমূহ অধ্যাপক-অধ্যাপিকা, কলেজৰ কৰ্মচাৰীবৃন্দ, কলেজ পৰিচালনা সমিতিৰ সদস্যসকল আৰু আমন্ত্ৰিত বিশিষ্ট গণ্যমান্য ব্যক্তিসকল। এইসকল ব্যক্তিৰ বাবে গীতটো হৈ পৰিছে সু-

পৰিচিত। গীতটোৰ পৰিবেশন অবিহনে কলেজৰ প্ৰতিষ্ঠা দিৱস, নবাগতা আদৰণী উৎসৱ বা কলেজ সপ্তাহ কোনো এটা অনুষ্ঠানৰে শুভাৰম্ভ হোৱা কথাটো মনত ঠাই দিব নোৱাৰি এই উদ্বোধনী গীতটো কলেজৰ সকলোৰে বাবে ইমান প্ৰিয় হৈ পৰিছে যে কেতিয়াবা ইয়াৰ পৰিবেশন যদি মানদণ্ড বিশিষ্ট নহয়, তেতিয়া সকলোৰে অসন্তোষ প্ৰকাশ কৰা পৰিলক্ষিত হয়।

**গীতৰ গাঁথনি আৰু ভাবাৰ্থঃ**—চাৰিটা স্তৱকত গীতটো সম্পূৰ্ণ কৰা হৈছে। চতুৰ্থ স্তৱকত এক চৰণ লুপ্ত কৰি গীতৰ সুৰ সংযোজনাৰ ৰীতি অনুধাৱনৰ পথ প্ৰশস্ত কৰি লোৱা হৈছে। গীতৰ প্ৰাণ-বস্তু হৈছে শব্দ। সেয়েহে গীতৰ সুৰ সংযোজনাৰ সহায়ক হিচাপে উপযুক্ত স্থানত উপযুক্ত কোমল শব্দৰ প্ৰয়োগত গীতটো সুৰীয়া হোৱাৰ উপৰিও সুখপাঠ্য হৈ পৰিছে। তদুপৰি উপমা আৰু অনুপ্ৰাস অলংকাৰৰ প্ৰয়োগো গীতটোত হৈছে। গীতটোৰ প্ৰতিটো স্তৱকৰ নিজা বক্তব্যৰ মাজেদি লক্ষ্য বা উদ্দেশ্য আৰু তাৰ সিদ্ধান্তৰ ইঙ্গিতো স্পষ্ট ভাৱে ব্যক্ত কৰা হৈছে।

কলঙৰ পাৰত প্ৰতিষ্ঠাপিত এই জ্ঞান-মন্দিৰৰ পৰাই আশাভৰা জ্যোতিৰ বাণী উচ্চাৰিত হ'ব। ভৱিষ্যৎ জীৱনৰ আবাস স্বৰূপ ইয়াতেই আকাশচুম্বী সপোনবোৰে ঠন ধৰি জাতিষ্কাৰ হৈ ফুলি উঠিব। এই মন্দিৰৰ পৰা লাভ কৰা জ্ঞান-প্ৰজ্ঞাৰ পোহৰতে জীৱনে আত্মাহুতিৰ মহান আদৰ্শ গ্ৰহণ কৰিব, মহাপুৰুষজনাৰ আশিস-মণ্ডিত এই পূত-পবিত্ৰ ভূমিখণ্ডৰ বুকুতে অতি তুচ্ছ জীৱনেও জীয়াই থকাৰ অনুপ্ৰেৰণা লাভ কৰিব। অনাগত দিনৰ নতুন পুৱাৰ সূৰ্যোদয়ৰ আৱাহনী ইয়াৰ বেদীতে উচ্চাৰিত হ'ব। এই ভাবাৰ্থৰ মাজত ছোৱালী কলেজৰ মৌলিক উদ্দেশ্যটোৱেই যেন পৰিস্ফুট হৈ উঠিছে।

মধ্য অসমত শিক্ষা-সংস্কৃতিৰ এক বিপুল নৱ-জাগৰণৰ সম্ভাৱনা
লৈ ১৯৫৯ চনতে প্ৰতিষ্ঠাপিত নগাঁও উইমেন্‌ছ কলেজ অনুষ্ঠানটিয়ে একা-
ধিক সংঘাতৰ মাজেদি ১৯৬২ চনত 'এন. চি. টোডি গাৰ্লছ কলেজ' ৰূপে
আৰু তাৰো পিছত ১৯৬৬ চনত 'নগাঁও ছোৱালী কলেজ' নামেৰে পূৰ্ণ
প্ৰতিষ্ঠা লাভ কৰে। প্ৰাৰম্ভ কালত কলেজখন আমোলাপট্টিৰ ৰেড্‌ক্ৰছ ভৱ-
নত চলিছিল। ১৯৬৮ চনৰ পাহিলা জুনৰ পৰাহে কলেজখন সম্পূৰ্ণৰূপে
কলঙৰ পাৰৰ বৰ্তমান স্থানলৈ স্থানান্তৰিত কৰা হয়। "আমি এই কলঙৰ
পাৰতে .." গীতটো পোনতে ৰেড্‌ক্ৰছ ভৱনত উদ্‌যাপিত প্ৰতিষ্ঠা দিবসতে
পৰিৱেশিত হৈছিল। ৰেড্‌ক্ৰছ ভৱনো কলঙৰ পাৰত আৰু বৰ্তমান
চলি থকা কলেজৰ স্থায়ী ভৱনো কলঙৰ পাৰতে। সেয়ে একে পটভূমিত
ৰচিত গীতটোৰ প্ৰথম কলিটো কলেজৰ আৱয়ৱিক অৱস্থানৰ লগত ৰজিতা
খাই পৰিছে। চাবলৈ গ'লে, নগাঁও চহৰেই নেলাগে সমগ্ৰ নগাঁও জিলা-



খনেই আৱহমান কালৰ পৰাই কলং আৰু কপিলীৰ সৈতে ওত-প্ৰোত-ভাৱে জড়িত হৈ আছে মধ্য অসমৰ জন-জীৱনৰ লগত কলঙৰ অবিচ্ছেদ্য সম্পৰ্কৰ কথাও গীতটোৰ প্ৰথম কলিটোৱে প্ৰতীত কৰিছে।

"আমি এই কলঙৰ পাৰতে
পোহৰৰ কাৰেং সজাওঁ,
ফুলৰ হাঁহিৰে আমি জ্যোতিৰ শিখাৰে ৰচা
আশাভৰা কাহিনী শুনাওঁ।"

মানৱ ইতিহাসৰ পাত মেলিলে দেখা যায় যে বিভিন্ন সময়ত একোখন নদীক কেন্দ্ৰ কৰিয়েই একোটা বিশাল মানৱ সভ্যতা গঢ় লৈ উঠিছিল। নীল নদীৰ পাৰৰ মিচৰীয় সভ্যতা, সিন্ধুৰ পাৰৰ দ্ৰাবিড় সভ্যতা, গংগা অৱবাহিকাৰ আৰ্য সভ্যতা, হোৱাংহোৰ পাৰৰ চীন সভ্যতা, ইউফ্ৰেটিচ-টাইগ্ৰীচ নদীৰ পাৰৰ মেচোপটেমীয় সভ্যতাই এই উক্তিৰ সত্যতা নিৰূপণ কৰিছে। লুইত বা ব্ৰহ্মপুত্ৰৰ পাৰতো অতি প্ৰাচীন কালৰে পৰা লুইতপৰীয়া বা ব্ৰহ্মপুত্ৰ সভ্যতা নামে এক বিশেষ সভ্যতাই বিকাশ লাভ কৰি অহাৰ কথা আজি পণ্ডিত সমাজত স্বীকৃত হৈছে। সম্প্ৰতি ড° ৰবীন দেৱচৌধুৰী, ড° তৰুণচন্দ্ৰ শৰ্মা আদি কেইবাগৰাকী অসমীয়া প্ৰত্নতত্ত্ববিদে 'ব্ৰহ্মপুত্ৰ সভ্যতা' শীৰ্ষক গৱেষণাৰ নতুন পথ মুকলি কৰিছে (ড° মুকুন্দমাধৱ শৰ্মা, স্মৃতিগ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৮৪)। ব্ৰহ্মপুত্ৰ সভ্যতাৰ কথা চিন্তা কৰাৰ সময়তে বাৰে বাৰে আমাৰ মনলৈ আহে কলং-কপিলীৰ দুয়োপাৰৰ ব্যাপক অঞ্চলৰ নিজা প্ৰাচীন সভ্যতাৰ কথা। লগতে মনত পৰে মধ্যযুগৰ বিৰাট বৈষ্ণৱ অভ্যুত্থানৰ ফলত সৃষ্টি হোৱা আধ্যাত্মিক আৰু সাংস্কৃতিক বিকাশৰ কথা। ইও কলং-কপিলী পৰীয়া সভ্যতা ৰূপে স্বীকৃত হৈ বৃহৎ ব্ৰহ্মপুত্ৰ সভ্যতাৰ অংশ ৰূপে বৃহত্তৰ ভাৰতীয় সভ্যতাৰ অঙ্গীভূত হৈ পৰিছে। এই প্ৰসংগত ড° নবেন কলিতাৰ 'কপিলীপাৰ কছাৰীপাৰ' (গীত-পদ, নগাঁও, ১৯৮৬) গ্ৰন্থ প্ৰণিধানযোগ্য। এই দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে নগাঁও ছোৱালী কলেজৰ 'কলেজ সংগীত'টোৱে কলংপাৰৰ চিৰপ্ৰবহমান সভ্যতা-সংস্কৃতিৰ ঐতিহ্যৰ ইংগিত বহন কৰিছে। কিয়নো গীতটো আৰম্ভ হৈছে কলং নদীৰ গৌৰৱময় উল্লেখনৰ মাজেৰে।

নগাঁও জিলাৰ উত্তৰেদি প্ৰবাহিত হৈছে মহাবাহু ব্ৰহ্মপুত্ৰ। কলং নদীখন জিলাখনৰ পূবত অৱস্থিত শিলঘাটৰ পৰা চৈধ্য কিলোমিটাৰ উত্তৰ-পূবত ব্ৰহ্মপুত্ৰৰ পৰা ফাটি আহি কলিয়াবৰ, নগাঁও, ৰহা আদি স্থানৰ মাজেদি অৰ্থাৎ জিলাখনৰ সোঁ মাজেদি বৈ গৈ পশ্চিমত কপিলীৰে সৈতে মিলি কাজলীমুখত পুনৰ ব্ৰহ্মপুত্ৰতে মিলিছে। কলং-কপিলীৰ সমন্বয়ত গঢ়ি উঠা 'কলং-কপিলী' সংস্কৃতিয়ে মধ্য অসমৰ ৰাজনৈতিক, বাণিজ্যিক, সামাজিক, আধ্যাত্মিক আৰু ভাষা-সংস্কৃতিৰ দিশত এক তাৎপৰ্যপূৰ্ণ প্ৰভাৱ

বিস্তাৰ কৰিছে। পুৰুষানুক্ৰমে প্ৰচলিত প্ৰবাদ, জনবিশ্বাস, কিম্বদন্তি আৰু বুৰঞ্জীৰ পাততো এই প্ৰভাৱৰ কথা পোৱা যায়। কলঙৰ দুয়ো পাৰত আহোম স্বৰ্গদেউসকলৰ কেইবাটাও উল্লেখযোগ্য চকী আছিল। এই চকী বোৰক কেন্দ্ৰ কৰিয়েই সময়ত একোখন গাঁও গঢ়ি উঠিছিল আৰু কালক্ৰমত খাগৰিজান নামে খ্যাত ঠাইখণ্ডই নগাঁও নাম পায়। বৃটিছ শাসনৰ দিনত আজি-কালিৰ নগাঁও জিলাৰ ভৌগোলিক সীমা চিহ্নিত হয়। কলং আৰু কপিলীৰ পাৰত বসবাস কৰা কাৰ্বি, তিৱা (লালুং), কোঁচ, কৈৱৰ্ত, কলিতা, হিন্দু-মুছলমান, শিখ আদি বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষী জনগোষ্ঠীয়েই ৰচনা কৰিছে বৃহৎ অসমীয়া সংস্কৃতিৰ অন্যতম কলং-কপিলী সংস্কৃতি।

এই ঐতিহ্যময় কলং নদীৰ পাৰৰ জন-জীৱনক লৈয়েই ৰচিত হৈছে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়,' 'কলং আজিও বয়,' নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়,' 'কপিলীপৰীয়া সাধু' মহিম বৰাৰ 'এখন নদীৰ মৃত্যু', কথা-শিল্পী লক্ষ্মীনন্দন বৰা, মহিম বৰা, ভবেন্দ্ৰ নাথ শইকীয়া আদিৰ কেবাটাও যুগান্তৰকাৰী গল্প। কলং পৰীয়া কবি দেৱকান্ত বৰুৱাই কলঙক লৈ ৰচনা কৰিছে ৰমণীয় কবিতা। শ্ৰীইদ্ৰিছ আলিয়ে ৰচনা কৰা নগাঁও ছোৱালী কলেজৰ সুৱদি-সুৰীয়া আৰু মনোমোহা 'কলেজ সংগীত'টোও ৰচিত হৈছে এই কলঙকে কেন্দ্ৰ কৰি।

কলেজ সংগীতটোৰ দ্বিতীয় কলি—

"ফুলৰ হাঁহিৰে আমি, জ্যোতিৰ শিখাৰে ৰচা
আশাভৰা কাহিনী শুনাওঁ"— কথাংশই

নাৰী-সুলভ কমনীয়তাৰ লগতে কলং পাৰৰ প্ৰাচীন ঐতিহ্য-অনুপ্ৰেৰণাত আশাভৰা বাণী কঢ়িয়াই অনাৰ মুক্ত প্ৰতিশ্ৰুতিৰ কথা ঘোষণা কৰিছে। আজিৰ সমাজৰ বাৰ্তাবাহক হিচাপে নাৰী সমাজৰ সমভূমিকাৰ স্পষ্ট ইঙ্গিত উক্ত স্তৱকৰ মাজত প্ৰতিধ্বনিত হৈছে আৰু সিয়ে উচ্চ স্ত্ৰী-শিক্ষাৰ প্ৰকৃত সাৰ্থকতাৰ কথা জ্ঞাপন কৰিছে। গীতটি কলেজ এখনৰ 'থিম্ ছং' বা উদ্বোধনী গীত হিচাপে স্বীকৃত হোৱাৰ সাৰ্থকতাও তাতে নিহিত আছে।

কলঙৰ পাৰতে আকাশচুম্বী সপোন ৰচনা কৰি জীৱন মহীয়ান কৰি তোলাৰ অকুণ্ঠ হাবিয়াস, লগতে সংস্কৃতিৰ সেনানী সাজি দুষ্কৃতিৰে যুঁজিবলৈ বজ্ৰৰ দৰে দুৰ্বাৰ হৈ জীৱন আহুতি দিবলৈকো কুণ্ঠাবোধ নকৰা সাহসৰ অঙ্গীকাৰো ফুটি উঠিছে গীতটোৰ মাজৰ কলিটোত।

"আমাৰ সপোনে চুমে বিশাল আকাশ
ইয়াত জীৱনে পালে অসীম আবাস,
সুৰৰ সেনানী সাজি
জীৱন হৰিবে আমি
সাহসৰ অগনি জ্বলাওঁ।"



এয়া যেন দেশৰ হকে, দহৰ হকে জীৱন আহুতি দিবলৈ প্ৰস্তুত হোৱা প্ৰতিগৰাকী শিক্ষিতা নাৰীৰে প্ৰাণৰ উক্তি।

'কলেজ সঙ্গীত'টোৰ অন্তিম ফাকিত অসমৰ সভ্যতা-সংস্কৃতি তথা আধ্যাত্মিক জীৱনলৈ নৱজাগৰণ কঢ়িয়াই আনোতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ কথা শ্ৰদ্ধাৰে সোঁৱৰা হৈছে। নগাঁৱতে অৱস্থিত মহাপুৰুষজনাৰ জন্মস্থান দুতয় বৈকুণ্ঠ বৰদোৱা আজি সৰ্বভাৰতীয় খ্যাতিসম্পন্ন তীৰ্থ-ভূমি। মহাপুৰুষজনাৰ জন্মস্থানৰ প্ৰতিজন ব্যক্তিৰে পৰম কৰ্তব্য হ'ল জীৱন-জিজ্ঞাসাৰ মাজেৰে নতুনৰ সন্ধান কৰা। শিক্ষাৰো মূল উদ্দেশ্য হ'ল সেয়ে। গীতটোৰ অন্তিম কলিটোত ধৰণীৰ ধূলিকণাৰে যুগমীয়া ইতিহাস ৰচাৰ সংকল্পও উক্ত শিক্ষাৰ উদ্দেশ্যৰ লগতে সংযুক্ত। অনাগত দিনৰ নৱ প্ৰভাতৰ উজ্জ্বল সূৰ্যোদয়ৰ আৱাহনী বাণীৰে গীতটোৰ মধুৰ সামৰণি পৰিছে—

"আমি মহাপুৰুষৰ আশিসেৰে মণ্ডিত
এই পবিত্ৰ ভূমিতে,
ৰচি যাওঁ জীৱনৰ যুগমীয়া ইতিহাস
ধৰণীৰ প্ৰতিকণা ধূলিতে।
নতুন প্ৰভাতে আহি
পোহৰাব ধৰাখনি
আমি তাৰে আৱাহনী গাওঁ"।

মুঠতে গীতটোৰ সামগ্ৰিক ৰূপটো অনুধাৱন কৰিলে উপলব্ধি কৰিব পৰা যায় যে ই হৈছে কলেজখনৰ সমূহ ছাত্ৰী তথা ইয়াৰ বিদ্যায়তনিক দিশৰ সৈতে জড়িত প্ৰতিজন লোকৰ ধ্যান-ধাৰণা, আশা-আকাঙ্ক্ষা, সপোন আৰু দিঠকৰ মূৰ্ত প্ৰকাশ।

*

## কলেজ সঙ্গীত

ৰচনা আৰু সুৰ ঃ শ্ৰীইদ্ৰিছ আলি

তাল ঃ কাহাৰবা ( দ্ৰুত )

সুৰ-চানেকি ঃ শ্ৰীজ্যোতি চক্ৰৱৰ্তী

১ ২ ৩ ৪ ৫ ৬ ৭ ৮    ১ ২ ৩ ৪ ৫ ৬ ৭ ৮

পাধা পা গা সা সা ৰে ৰে নি    নি সা গা – – – – –
আ মি এ ই ক ল ঙ ৰ    পা ৰ তে ऽ ऽ ऽ ऽ ऽ
গা মা পা ধা নি ধা – মা    পা – – – মাধা পাধা মাপা মা
পো হ ৰ ৰ কা ৰে ং স    জ্বা ऽ ऽ ऽ ऽऽ ऽऽ ऽऽ ওঁ
গা মা পা ধা নি ধা – মা    পা – – – – – – –
পো হ ৰ ৰ কা ৰে ং স    জ্বা ऽ ऽ ऽ ऽ ऽ ऽ ওঁ
র্সা র্সা র্সা র্সা র্সা র্ৰে র্সা ধা    ধা ধা ধা ধা ধা র্সা ধা পা
ফু ল ৰ হাঁ হি ৰে আ মি    জ্যো তি ৰ শি খা ৰে ৰ চা
পাধা পা গা সা সা ৰে ৰে ৰে    ৰে – – – – – – –
আऽ শা ভ ৰা কা হি নী শু    না ऽ ऽ ऽ ऽ ऽ ऽ ওঁ

পোহৰৰ কাৰেং সজাওঁ

গা গা গা গা ৰে ৰে সা নি    নি সা – গা গা – – –
আ মা ৰ স পো নে চু মে    বি শা ऽ লআ কা ऽ ऽ শ
ধা ধা ধা ধা ধা র্সা ধা পা    মা পা পা মা গা – ৰেগা সাৰে
ই য়া ত জী ৱ নে পা লে    অ সী ম আ কা ऽ ऽऽ ऽশ
র্সা র্সা র্সা র্সা র্সা র্ৰে র্সা ধা    ধা ধা ধা ধা ধা র্সা ধা পা
সু ৰ ৰ সে না নী সা জি    জী ৱ ন হ বি ৰে আ মি
পাধা পা গা সা সাগা ৰেগা ৰে ৰে    ৰে – – গা ৰেগা – – সা
সাऽ হ স ৰ অ গ নি জ্ব    লা ऽ ऽ ऽ ऽऽ ऽऽ ऽ ওঁ

পোহৰৰ কাৰেং সজাওঁ

গা মা ৰে সা নি সা নি পা    – নিপা নি নি সা – সা সা
আ মি ম হা পু ৰু ষ ৰ    ऽ আশি সে ৰে মণ ऽ ডি ত
গা গা মা পা পাধা নিধা পা মা    পা ধা পা ধা মাধা পাধা মাপা গা
এ ই প বি ऽऽ ऽऽ ত্ৰ ऽ    ভূ মি তে ऽ ऽऽ ऽऽ ऽऽ ऽ
গা গা মা পা পাধা নিধা পা মা    পা ধা পা – – – – –
এ ই প বি ऽऽ ऽऽ ত্ৰ ऽ    ভূ মি তে ऽ ऽ ऽ ऽ ऽ
র্সা র্সা নি পা র্সা র্সা নি পা    গা গা মা পা গা মা গা সা
ৰ চি যা ওঁ জী ৱ ন ৰ    যু গ মী য়া ই তি হা স
গা মা পা ধা নি নি ধা মা    পা ধা পা – – – – –
ধ ৰ নী ৰ প্ৰ তি ক ণা    ধূ লি তে ऽ ऽ ऽ ऽ ऽ
র্সা র্সা র্সা র্সা র্সা র্ৰে র্সা ধা    ধা ধা ধা ধা ধা র্সা ধা পা
ন বী ন প্ৰ ভা তে আ হি    পো হ ৰা ব ধ ৰা খ নি
পাধা পা গা সা সা ৰেগা ৰে ৰে    ৰে – – – ৰেগা মাগা ৰেৰে সা
আ মি ভা ৰে আ ৰাऽ হ নী    গা ऽ ऽ ऽ ऽऽ ऽऽ ऽऽ ওঁ

পোহৰৰ কাৰেং সজাওঁ

শ্ৰীমতী তৰু বৰুৱা

# এৰি অহা দিনবোৰলৈ উভতি চাওঁ

নগাঁও ছোৱালী কলেজৰ ৰূপালী জয়ন্তী উৎসৱত মনত পৰিছে সেই দিনটোলৈ যিদিনা কলেজত প্ৰথম সোমাইছিলোঁ। ১৯৬২ চনৰ ১২ ছেপ্টেম্বৰ। সেইদিনা আছিল সোমবাৰ। তেতিয়া কলেজখনৰ নাম আছিল 'নগাঁও উইমেন্‌ছ কলেজ'। প্ৰথমতে কলেজ আৰম্ভ হৈছিল নগাঁও কলেজতে পুৱা ভাগত। নগাঁও কলেজৰ 'কমন ৰুমতে' মই এই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশ গোস্বামী ছাৰৰ হাতত কলেজৰ অধ্যাপিকা হিচাপে চাকৰিত যোগদানৰ চিঠিখন দিছিলোঁ। সেই দিনত সাক্ষাৎকাৰৰ কথা নাছিলেই। আমি, মানে অধ্যাপিকা ওৱাহিদা হুছেইন, জিন্নত আৰা বেগম আৰু মই একেদিনাই কামত সোমাইছিলোঁ। তেওঁলোক দুগৰাকী ক্ৰমে বুৰঞ্জী আৰু অৰ্থনীতিৰ অধ্যাপিকা আছিল, মোৰ বিষয় অসমীয়া। ইংৰাজীৰ বাবে নগাঁও কলেজৰ অধ্যাপক হবিবুৰ ৰহমান আমাৰ কলেজত পুৱা শাখাত আছিল। নগাঁও কলেজৰ কেইবাজনো অধ্যাপকে আমাৰ কলেজত অংশকালীন অধ্যাপক হিচাপে কেইবাটাও বিষয়ত অধ্যাপনা কৰিছিল। তাৰ কেইদিনমান পিছত অধ্যাপিকা ভানু পদ্মপতি আহি আমাৰ লগত যোগ দিলেহি। তাৰ পিছত ইংৰাজী বিষয়ত আহিল পূৰ্ণিমা গুপ্তা। ছমাহৰ পিছত দৰ্শন বিভাগত মৃণালিনী বৰদলৈ আৰু অসমীয়াত অৰ্ঘা বৰুৱাই যোগ দিলেহি। এইখিনি সময়ত ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে তগৰ বৰা আমাৰ কলেজত আছিল।

এই কেইগৰাকী অধ্যাপক-অধ্যাপিকা আৰু ৬৪ জনী ছাত্ৰীক লৈ নগাঁও মহিলা মহাবিদ্যালয় নগাঁও কলেজতে পুৱা ভাগত চলিছিল। আমাৰ ক্লাছবিলাক নগাঁও কলেজৰ বৰদলৈ হল আৰু তাৰ কাষতে থকা ডাক-বঙলাত হৈছিল। দুই-এটা ক্লাছ কমন ৰুমৰ কাষৰ দুই-এটা কোঠাত হৈছিল। তেতিয়া আমাৰ নিজৰ ঘৰো নাই, বা ভাৰা ঘৰো নাছিল। নগাঁও কলেজতেই এবছৰৰ ওপৰ কাল এই বিদ্যালয় চলিছিল। তেতিয়া ছাত্ৰীৰ সংখ্যা বৰ কম, আৰু স্নাতক মহলাত বহুত বছৰ ক্ষতি হোৱা ছাত্ৰীসকলো আহিছিল। পঢ়া-শুনাত চোকা নহলেও সেই ছাত্ৰীসকলৰ ব্যৱহাৰ আৰু আন্তৰিকতাই আমাক মুগ্ধ কৰিছিল। অধ্যক্ষ গোস্বামী ছাৰে আমাক অতি আন্তৰিকতাৰে শিক্ষাদানত থকা আমাৰ দোষবোৰ দেখুৱাই দিছিল। কিছুদিনৰ পাছত আমি কলং-পাৰৰ দুমহলীয়া ঘৰটোলৈ আহিলোঁ— সেইটো তেতিয়া 'ৰেডক্ৰছ'ৰ



ভৱন আছিল। সেই ঘৰটো ভাৰাকৈ লৈ প্ৰথম ৪।৫ বছৰ আমাৰ কলেজ তাতে চলোৱা হৈছিল। ভাৰাঘৰ হলেও নিজাববীয়াকৈ ঘৰটো পাই আমি খুউব সুখী হৈছিলোঁ। ৰেডক্ৰছৰ ঘৰলৈ অহাৰ পৰাই আমাৰ কলেজ দুপৰীয়া হবলৈ ধৰিলে, ছাত্ৰীৰ সংখ্যাও বৃদ্ধি হ'ল। সেই নতুন ঘৰতে আমাৰ লগত যোগ দিলেহি অধ্যাপক বিনয় বৰা আৰু হিমাদ্ৰি দেৱীয়ে। নতুন ঘৰলৈ অহাৰ লগে লগে আমাৰ কলেজত যোগ দিলেহি অফিচৰ সহায়ক হিচাপে পোনা বৰা (বৰ্তমান তেওঁ থাগৰিজান কলেজৰ অফিচ-সহায়ক) আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী বলি হাজৰিকাই। এই গোটেই খনিকে লৈ আমি এটা পৰিয়ালৰ দৰেই আছিলোঁ। এতিয়া এটা আমাৰ নিজৰ কমন ৰুম' হ'ল। নগাঁও কলেজত আমি তেওঁলোকৰ কমন ৰুমত বহি অতি আচহুৱা অনুভৱ কৰিছিলোঁ। এতিয়া একেবাৰে মুকলি হলোঁ। এইখিনি সময়তে ছাত্ৰীৰ সংখ্যাও বাঢ়ি যোৱাত আৰু গাঁৱৰ ছাত্ৰী আহিবলৈ ধৰাত আমাৰ এটা ছাত্ৰী-বাসৰ প্ৰয়োজন হ'ল। কলেজৰ ওচৰতে নাট্য-মন্দিৰৰ কাষত এটা ঘৰত আমাৰ ছাত্ৰী-বাস আৰম্ভ হ'ল। এই ছাত্ৰী-বাসৰ দায়িত্বত থাকিল অধ্যাপিকা হিমাদ্ৰি দেৱী। তেতিয়া তেওঁ ছোৱালী মানুহ আছিল; তথাপি এই গধুৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিছিল। সেই সময়ত হোষ্টেলৰ ছাত্ৰীৰ বিষয়ে একো সমালোচনা কাণত পৰা নাছিল। তেতিয়ালৈকে আমাৰ কলেজে ঘাটি মঞ্জুৰি পোৱা নাই, আৰু কলেজৰ নিজা ঘৰ-বাৰীও নাই; কিন্তু পৰীক্ষাৰ ফলাফল ভাল, খেলা-ধূলাত ছাত্ৰীসকল আগৰণুৱা। খেলৰ বাবে নিজা খেল-পথাৰ নথকাত জুবিলী পথাৰতে আমাৰ বছৰেকীয়া খেল-ধেমালি চলিছিল। এই খেলৰ দায়িত্বত আছিল অধ্যাপিকা ভানু পদ্মপতি। এওঁ নিজেও ভাল খেলুৱৈ আছিল। সেইবাবে ছাত্ৰীসকলক খেলত উৎসাহিত কৰিছিল।

ইতিমধ্যে আমাৰ সেই সৰু পৰিয়ালটোত যোগ দিলেহি আৰু কেইবাজনো অধ্যাপক-অধ্যাপিকাই– মহেশ ভূঞা, যোগেন ভূঞা, কৃষ্ণ বৰা, মহেন্দ্ৰ শইকীয়া, ইদ্ৰিছ আলি, ৰেখা দাশগুপ্তা, খগেন শৰ্মা, জ্যোতি চক্ৰৱৰ্তী আৰু তিলক মজুমদাৰে। অধ্যাপক ইদ্ৰিছ আলি আৰু জ্যোতি চক্ৰবৰ্তীয়ে সাংস্কৃতিক বিভাগৰ দায়িত্ব ললে। কলেজৰ গান-বাজনা সকলোতে তেখেতসকলে ছাত্ৰীসকলক উৎসাহিত কৰিলে।

কিছুদিনৰ পাছত আমাৰ কলেজে ঘাটি মঞ্জুৰি প্ৰাপ্ত কলেজ হিচাপে স্বীকৃতি পালে। সেই দিনটোৰ কথা আজিও মনত পৰে। অধ্যাপক বিনয় বৰাৰ উৎসাহতে আমি কলেজৰ সকলো অধ্যাপক-অধ্যাপিকাই গোস্বামী ছাৰৰ নেতৃত্বত তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাক নগাঁও চাৰ্কিট হাউচত লগ ধৰিলোঁহি। চলিহাই সেই সময়ৰ

ডি. পি. আই. ৰাজখোৱাক টেলিফোনত যোগাযোগ কৰি লগে লগেই ঘাটি মঞ্জুৰিপ্ৰাপ্ত কলেজৰ তালিকাত আমাৰ কলেজক ভৰাই দিলে। এই 'ডেফিচিট' পোৱা সংক্ৰান্তত বিনয় বৰাৰ ভূমিকা পাহৰিব নোৱাৰি। আমি বহুত দিনলৈ তেখেতক 'ডেফিচিট' বৰা বুলি মাতিছিলোঁ। তাৰ পাছত অধ্যক্ষ গোস্বামী ছাৰে ১৯৫৭ চনৰ প্ৰাৰম্ভতে আমাক বৰ্তমানৰ কলেজ থকা ঠাইখন দেখুৱাবলৈ আনে। আমি প্ৰথমতে অকণো উৎসাহিত হোৱা নাছিলোঁ। বৰ এমুৰীয়া যেন লাগিছিল। লাহে লাহে গছ-গছনি কাটি সেই ঠাইতে দুখন চালিৰে সৈতে মূল ঘৰটো সজা হ'ল. ক্লাছবিলাক সদায় চালি ঘৰতে হৈছিল। এই চালিৰ তলৰ পৰাই বিশ্ববিদ্যালয়ত সুকীৰ্তি অৰ্জা ছাত্ৰী ওলাইছিল। ১৯৬৮ চনৰ জুলাই মাহত আমি নতুন ঘৰটোলৈ আহোঁ। ১৯৭০ চনত কলেজ চৌহদতে এটা ছাত্ৰী-বাস নিৰ্মাণ কৰা হয়। এই ছাত্ৰী-বাসৰ আধাৰশিলা প্ৰতিষ্ঠা কৰিবলৈ আহিছিল তেতিয়াৰ অসমৰ ৰাজ্যপাল ব্ৰজকুমাৰ নেহৰু। এই অনুষ্ঠানতে অধ্যক্ষ দেৱ অসুস্থ হৈ পৰে, আৰু বহুদিন পৰি থাকি ভাল হ'ল। যদিও তেতিয়াৰ পৰাই তেখেতৰ আগৰ কৰ্ম শক্তি কমি গ'ল। ১৯৭৪ চনত সেই সময়ৰ ভাৰতৰ কংগ্ৰেছ সভাপতি দেৱকান্ত বৰুৱাদেৱে আমাৰ কলেজলৈ এক লাখ টকাৰ এটা অনুদান আগবঢ়ায় ছাত্ৰী-বাসৰ বাবে, আৰু বিয়াল্লিছৰ শ্বহীদ ভোগেশ্বৰী ফুকননীৰ নামত এই ছাত্ৰী-বাস প্ৰতিষ্ঠা কৰা হয়। ইয়াত প্ৰথমে ছাত্ৰীসকলে নিজে ৰান্ধি খোৱাৰ ব্যৱস্থা আছিল, পিছলৈ ছাত্ৰীৰ সংখ্যা বাঢ়ি অহাত এই ব্যৱস্থা উঠোৱা হ'ল।

১৯৮০ চনৰ ডিচেম্বৰ মাহত অধ্যক্ষ ডাঙৰীয়াই অৱসৰ লয়। মই প্ৰায় দুবছৰ অস্থায়ী হিচাপে এই দায়িত্ব ভাৰ গ্ৰহণ কৰিছিলোঁ। তেতিয়াহে উপলব্ধি কৰিছিলোঁ, কিমান গধুৰ দায়িত্ব। দাঁত সৰাৰ পিছত দাঁতৰ মূল্য বুজাৰ দৰে তেতিয়াহে ছাৰৰ কামবোৰৰ মূল্য বেছিকৈ উপলব্ধি কৰিছিলোঁ। এই সময় ছোৱাতে আমি সহকৰ্মী বিনয় বৰাক হেৰুৱালোঁ। মাত্ৰ কেইদিন মানৰ অসুখতে তেখেত আমাৰ মাজৰ পৰা গুচি গ'ল। আজি কলেজৰ ৰূপালী জয়ন্তী উৎসৱত তেখেতেই আটাইতকৈ আগৰণুৱা হলহেঁতেন। আজি তেখেতৰ স্মৃতিত এটুপি চকুলো টুকিছোঁ— তেখেতলৈ আজি বৰকৈ মনত পৰিছে।

১৯৮২ চনৰ ১৬ ডিচেম্বৰত ড° ৰত্নকান্ত বৰুৱাই আমাৰ কলেজৰ অধ্যক্ষ হিচাপে যোগ দিলেহি। তেখেতৰ উৎসাহতে আমি লটাৰী পাতি টকা সংগ্ৰহ কৰি এটি ডাঙৰ ঘৰ সজালোঁ। এই ঘৰে আমাৰ ক্লাছ ৰুমৰ বহুখিনি অভাৱ পূৰাইছে। ১৯৮৪ চনৰ জুন মাহত বৰ্তমানৰ অধ্যক্ষ শ্ৰীবিমল বৰাই কলেজৰ দায়িত্ব ললেহি। তেখেত অহাৰ পিছত আমাৰ এটি দুমহলীয়া ডাঙৰ ঘৰ হৈছেহি। আমি আশা কৰিছোঁ, তেখেতৰ দিনতেই আমাৰ কলেজৰ বিজ্ঞান শাখা খোলা হ'ব।



চাওঁতে চাওঁতে চাকৰি জীৱনৰ পঁচছটা বছৰ পাৰ হৈ গ'ল। বহু দেখিলোঁ বহু শুনিলোঁ। বহু ছাত্ৰীয়ে কৃতিত্বেৰে উজ্জ্বল হৈ আমাৰ মুখ পোহৰাইছে। আমাৰ ছাত্ৰীৰ বিষয়ে ভাল শুনিলে আমি গৌৰৱ অনুভৱ কৰোঁ। এতিয়া ৰূপালী চুলি আৰু গাত বহু অসুখৰ ভাৰ বৈ সুঁৱৰিছোঁ সেই দিনবোৰৰ কথা, যিবোৰ স্মৃতিৰ গৰ্ভত সোমাই পৰিছে, যিবোৰ দিন আৰু ঘূৰি নাহে। অনাগত দিনত কেৱল স্মৃতি ৰোমন্থন কৰি থাকিব লাগিব, সেই দিনবোৰৰ। ❀

---

*❀ শ্ৰীমতা তৰু বৰুৱা নগাঁও ছোৱালী কলেজৰ উপাধ্যক্ষা আৰু অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা। —সম্পাদক।*

ড° ৰত্নকান্ত বৰুৱা

# স্মৃতিলেখা

বাসস্থানখন সকলোৰে বাবে অতি নিৰ্ভৰশীল শান্তিৰ আশ্ৰয়। প্ৰত্যেকৰে বাসস্থানৰ লগত এক নিবিড় ব্যক্তিগত সম্পৰ্ক থাকে। সেই বাসস্থান নিগাজিয়ে হওক বা অস্থায়ীয়ে হওক, তাৰ লগত আমাৰ যোগ-সূত্ৰ অবিচ্ছেদ্য। দেউতাৰ চাকৰি জীৱনত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আমি বহুতো ঠাইত থাকিব লগীয়া হৈছিল। ডাঙৰ হৈ কেতিয়াবা সেই-বোৰ ঠাইলৈ গলে আমি থকা পুৰণি ঘৰটো চাই অহাৰ আকুল হেপাহ সম্বৰণ কৰিব নোৱাৰোঁ। সেয়ে ডিব্ৰুগড়লৈ গলে শান্তিপাৰালৈ, তেজ-পুৰলৈ গলে কলিবাৰীলৈ আৰু গোলাঘাটলৈ গলে আমাৰ সেই চিৰপৰিচিত বাসস্থানলৈ এভুমুকি মাৰোঁ। কোৱা বাহুল্য, সেইবোৰ আমাৰ নিজা ঘৰ নহয়; আনৰহে। আমি মাত্ৰ সিবোৰত কিছুদিনলৈ ভাৰা লৈ আছিলোঁ। সেই সুযোগতে আদান-প্ৰদানৰ মাজেৰে প্ৰতিবেশী সমাজখনৰ লগত আমাৰ এটা আত্মীয়তা বা আন্তৰিকতা গঢ়ি উঠিছিল। সংস্পৰ্শই পৰকো আপোন কৰে, আৰু তাৰ অভাৱত আপোনো পৰ হয়। অৱসৰ পৰত সেই পুৰণি স্মৃতিৰ ৰোমন্থনে আমাক অনুৰঞ্জিত কৰিছিল। সংযোগহীন মনত আমি তেতিয়া বেতাঁৰৰ প্ৰতিক্ৰিয়া অনুভৱ কৰিছিলোঁ। বাসস্থানৰ প্ৰতি আটা-ইৰে অবুজ মোহ এটা বিৰাট উপলব্ধি। সেই বাসস্থান যদি আকৌ জন্ম-স্থান হয়, তাৰ দুনিবাৰ আকৰ্ষণে আমাক উন্মনা কৰি তোলে।

দেউতাই চাকৰি জীৱনৰ সুদীৰ্ঘ কাল কটাইছিল নগাঁও চহৰত। তাৰেই কোনো এটি ভাৰাঘৰত ১৯৩২ চনত মোৰ জন্ম হৈছিল দীপান্বিতাৰ ৰাতি। এতিয়া সেই ভাৰা ঘৰ ৰূপান্তৰিত হৈছে। তাৰে চালে আজি আৰু মানস-পটত থকা আমাৰ ঘৰখন বিচাৰি পাব নোৱাৰি। তথাপি শৈশৱ-স্মৃতি বিজড়িত নগাঁও আমাৰ আটাইৰে অতি হেপাহৰ।

দেউতাৰ দৰে মই বদলিৰ চাকৰি কৰা নাই। আৰম্ভণিৰে পৰা মই গুৱাহাটী বিশ্ববিদ্যালয়তে চাকৰি কৰিছোঁ বিভিন্ন দায়িত্বত। কিন্তু ২৪ বছৰ ৮ মাহ চাকৰি কৰাৰ পিছত অনুভৱ কৰিলোঁ মই যেন তাত অবাঞ্ছিত। কেতবোৰ অশুভ পৰিস্থিতিৰ উদ্ভৱত কাম কৰাৰ প্ৰেৰণা হেৰুৱাই মই সেই চাকৰিৰ পৰা অব্যাহতি ললোঁ।

বিশ্ববিদ্যালয়ৰ সেৱাত থাকোঁতে মই বিবাহ পাশত সোমাওঁ। কইনাৰ ঘৰ পাঠশালাত। শুভদিনত জনৈক শুভাকাঙ্ক্ষীয়ে প্ৰীতি-উপহাৰত দিয়া এটা শিৰোনামা আছিল– 'বিশ্ববিদ্যালয়ৰ পৰা পাঠশালালৈ।' আমাৰ প্ৰাক্তন উপাচাৰ্য ড° এইচ্. জে. টেইলাৰে স্বদেশলৈ প্ৰত্যাবৰ্তন কৰি মোলৈ



লিখিছিল—"I came to your University from Union Christian College, and on return I am now working here in a Grammar School"। এই চিঠিখনে মোক অনুপ্ৰাণিত কৰিছিল। আমি কি কৰোঁ, সেইটো ডাঙৰ কথা নহয়; কেনেভাৱে তাক কৰোঁ সেইটোহে আচল। এইদৰে কেইমাহমান কৰ্মহীন হৈ থাকোঁতে এখন মহাবিদ্যালয়ৰ অধ্যক্ষ হবলৈ আমন্ত্ৰণ পালোঁ—মোৰ নিগাজি বাসস্থান গোৱালপাৰা চহৰত। এক মিশ্ৰিত অনুভূতিৰে অনুষ্ঠানখনৰ দায়িত্ব গ্ৰহণ কৰিলোঁ আত্মনিয়োগৰ প্ৰত্যাশাৰে। প্ৰায় তিনি বছৰ তাত কটোৱাৰ পিছত হঠাৎ চকুত পৰিল বাতৰি কাকতৰ এখন বিজ্ঞাপন। অধ্যক্ষ লাগে নগাঁও ছোৱালী কলেজত। মই ইতিমধ্যে ৰাজ্যিক বাছনী সমিতিৰ দ্বাৰা অধ্যক্ষ পদৰ বাবে প্ৰথম হৈ নিৰ্বাচিত হৈছোঁ। একে দায়িত্বত এটা অনুষ্ঠানৰ পৰা আন এটালৈ যাবলৈ বিশেষ কোনো প্ৰেৰণা থাকিব নোৱাৰে। তাতে মোৰ পৰিয়ালবৰ্গ থাকে গুৱাহাটীৰ নিজা বাসভৱনত। দূৰত্বৰ বিচাৰত নগাঁও-গোৱালপাৰাৰ তাৰতম্য অতি নগণ্য। তথাপি কিয় কব নোৱাৰোঁ, বিজ্ঞাপনখনে মোৰ মনত বাৰুকৈয়ে প্ৰভাৱ পেলালে। নগাঁও ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষয়ো মোক যথেষ্ট উৎসাহিত কৰিলে। কেইবাগৰাকী অধ্যাপক আৰু নগাঁৱৰ গণ্য-মান্য ব্যক্তিয়েও মোক সাদৰেৰে আহ্বান জনালে কলেজখনৰ দায়িত্ব গ্ৰহণ কৰিবলৈ। বিশ্ববিদ্যালয়ত থকা কালছোৱাত যিকণ অভিজ্ঞতা সঞ্চয় কৰি-ছিলোঁ, তাত হয়তো বহুতৰে মোৰ ওপৰত আস্থা উপজিছিল। সকলো পিনে বিচাৰ কৰি আবেদন কৰিলোঁ, আৰু নিৰ্বাচিতো হলোঁ। অগত্যা এই প্ৰত্যাহ্বান গ্ৰহণ কৰাটো সমীচীন হ'ব বুলি বিবেচনা কৰি নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ পদত যোগদান কৰিলোঁ ১৯৮২ চনৰ ১৬ ডিচেম্বৰত। জন্মস্থানৰ ঋণ পৰিশোধৰ বিনম্ৰ প্ৰচেষ্টাত আত্ম-নিয়োগ কৰিলোঁ। কামত যোগদান কৰাৰ দিনাই আবেলি অকলশৰে কলঙৰ নিজান পাৰত কলেজৰ চৌহদখন নিৰীক্ষণ কৰিছিলোঁ। সকলোৰে অপৰিচিত এই মানুহজনলৈ বহুতেই অনুসন্ধিৎসাৰে চাইছিল। তেওঁলোকৰ মৌন চাৱনি মোৰ বোধগম্য হৈছিল। নীৰৱতাৰো ভাষা আছে।

মধ্য অসমত ছোৱালীৰ উচ্চ শিক্ষাৰ বাবে ১৯৬২ চনতে এইখন মহাবিদ্যালয় স্থাপিত হৈছিল। নগাঁৱৰ বিশিষ্ট আঢ্যৱন্ত ব্যৱসায়ী ৺লালচান্দ টোডিৰ পৃষ্ঠপোষকতাত প্ৰতিষ্ঠিত অনুষ্ঠানখনক 'এল্. চি. টোডি গাৰ্লছ কলেজ' নামেৰে অভিহিত কৰা হৈছিল এটা শকত পুঁজিৰ আশাত। মই তেতিয়া বিশ্ববিদ্যালয়ত। কিন্তু বিভিন্ন কাৰণত সেই প্ৰতিশ্ৰুতি সাধিত নোহোৱাত কলেজখনৰ নতুন নামকৰণ 'নগাঁও গাৰ্লছ কলেজ' হয়। কলেজখনৰ এখন বুৰঞ্জী লিখিব লাগে, য'ত এই সম্পৰ্কে

সবিশেষ গোৱা যাব[1]। যথাৰ্থতে কলেজখন প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত মহেশ চন্দ্ৰ দেৱ গোস্বামীদেৱৰ অক্লান্ত অধ্যৱসায়ৰ ফল। এক কথাত তেখেতৰ লালিতা-পালিতা কন্যা। তেখেতৰ অমূল্য অৱদানৰ স্বাক্ষৰ কলেজখনত পূৰ্ণ প্ৰভাৱে ভাস্বৰ। তেখেতৰ নিৰ্দেশত কলেজখনে সকলো দিশতে যথেষ্ট অগ্ৰগতি লাভ কৰিছিল। তেখেতৰ নিৰ্দেশ মানে হয় নিষেধ, নহয় আদেশ। শিক্ষক-শিক্ষাৰ্থী আটাইয়ে সংঘবদ্ধভাৱে এই নিৰ্দেশ পালন কৰি কলেজখনৰ যথেষ্ট উৎকৰ্ষ সাধন কৰিছিল।

তেখেতে অৱসৰ লোৱাৰ পিছত কিছু কাল (প্ৰায় দুবছৰ) উপাধ্যক্ষা শ্ৰীমতী তৰু বৰুৱা অস্থায়ীভাৱে অধ্যক্ষৰ দায়িত্বত আছিল। সেই দিনৰ পৰা মই কলেজখনৰ দ্বিতীয় স্থায়ী অধ্যক্ষ। অভিজ্ঞতা বা অৰ্হতাৰ বিচাৰত কোনোমতেই অদ্বিতীয় বুলি ভবাৰ অৱকাশ নাই। কলেজখনত সোমায়েই মই অনুভৱ কৰিছিলোঁ-অনুষ্ঠানটোৰ বিৰাট প্ৰতিশ্ৰুতি সাৰ্থক হৈ উঠা নাই উদ্যোগ, তদাৰক আৰু সৌজন্যৰ অভাৱত। মহীৰূহৰ ছায়াতলত তৰু-লতা ঠন ধৰি উঠিব নোৱাৰে। বহু দিন নিৰ্দেশ পালনত অভ্যস্ত হলে স্বপ্ৰণোদিত উদ্যমৰ অভাৱ ঘটে। নতুন অধ্যক্ষক আদৰণি জনোৱা হ'ল। শিক্ষক-ছাত্ৰী আটাইৰে বিনীত আৱেদন হ'ল যে নৱ-নিযুক্ত অধ্যক্ষই কলেজৰ স্থায়ী গৃহ নিৰ্মাণক অগ্ৰাধিকাৰ দিব লাগে। অভিভূত হৈ নভবা-নিচিন্তাকৈ মই এই কামত আত্মনিয়োগ কৰিম বুলি আশ্বাস দি নিজকে নিজে দায়বদ্ধ কৰিলোঁ।

চহৰৰ সোঁ-মাজত কবি-বন্দিত কলঙৰ পাৰত কলেজখনৰ পৰিবেশ নিৰ্জনতাৰে মায়াময়। যেন আশ্ৰম-উদ্যানত এটা জ্ঞান-মন্দিৰ। শিক্ষা প্ৰদান আৰু শিক্ষা গ্ৰহণৰ বাবে ই এক অনুকূল অপূৰ্ব পৰিবেশ। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৰহ ভাগেই শিক্ষাব্ৰতী। জ্ঞানৰ প্ৰতি তেখেতসকলৰ অগাধ সমাদৰ। তাৰে ভিতৰত দুই-চাৰিজন প্ৰতিভাশালীয়ে তেখেতসকলৰ ৰচিত গ্ৰন্থ-প্ৰবন্ধেৰে ইতিমধ্যে সুধী সমাজক মুগ্ধ কৰিছে। ছাত্ৰীসকলৰ আটায়ে উচ্চমান সম্পন্না নহলেও বেছি ভাগেই সহজ, সৰল, সুশীলা আৰু শিক্ষাৰ প্ৰতি আগ্ৰহী। মাথো আৱয়ৱিক দিশত কলেজখনৰ দৈন্য অতি দৃষ্টিকটু। এই অভাৱ দূৰ কৰি তাত সুস্থ শৈক্ষিক বাতাবৰণ ঘূৰাই অনাটোৱেই হ'ব মোৰ প্ৰথম কৰ্তব্য। কিন্তু ইয়াৰ বাবে সময় অতি প্ৰতিকূল আৰু পৰিপন্থী। বিদেশী বহিষ্কাৰৰ আন্দোলনত ৰাজ্যখনত এক উত্তপ্ত আৰু অশান্ত অৱস্থা। প্ৰতিদিনেই হিংসাত্মক ঘটনা আৰু তাৰ প্ৰতিক্ৰিয়াৰ স্পৰ্শকাতৰ বাতৰি। ছাত্ৰ-সমাজেই এই অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰধান হোতা। সেই অবিশ্বাস্য পৰিস্থিতিত শিক্ষাৰ্থী সমাজ বিচলিত। ৰাইজৰ বিপুল সমৰ্থনত আন্দোলন পূৰ্ণোদ্যমে চলিছে, বিপন্ন অস্তিত্বৰ পৰা অসমক উদ্ধাৰ কৰিবলৈ। কলুষিত পৰিস্থিতি জিঘাংসাৰে ভৰা। এই আতংক আৰু সন্ত্ৰাসৰ মঞ্চত নগাঁও কেন্দ্ৰবিন্দুত। নেলীৰ অমানুষিক আৰু ৰোমহৰ্ষক হত্যাকাণ্ডত বিশ্বজগত বিস্মিত। এই প্ৰত্যয়হীন বিভ্ৰাটত শিক্ষা-ব্যৱস্থা প্ৰতিহত, শিক্ষানুষ্ঠানসমূহ প্ৰায় বিকল। নগাঁও ছোৱালী কলেজৰ ছাত্ৰী-আবাসতে বহুদিন ধৰি শৰণাৰ্থীৰ শিবিৰ চলি আছিল।

এনে অশুভ সময়ছোৱাৰ মাজতে আমি আমাৰ প্ৰতিশ্ৰুত কাম হাতত ললোঁ। শিক্ষক-শিক্ষাৰ্থীৰ সহযোগত আমি ৰাইজৰ পৰা দান-বৰঙণি বিচাৰি ওলালোঁ। কাক কওঁ, কলৈ যাওঁ, মন উগুল-থুগুল। মই ব্যক্তিগত ভাৱে প্ৰয়াত অধ্যাপক বিনয় বৰাৰ সুযোগ্যা সহধৰ্মিনী শ্ৰীমতী অঞ্জলি বৰাক লগ ধৰোঁ, আৰু স্বামীৰ স্মৃতিত কলেজৰ গৃহ-নিৰ্মাণ আঁচনিৰ বাবে এটি দান আগবঢ়াবলৈ অনুৰোধ কৰোঁ। মোক মোৰ এই কামত বহুতেই নিৰুৎসাহ কৰিছিল। মই কিন্তু নিশ্চল। শ্ৰীমতী বৰাৰ বদান্যতা লাভ কৰিলে আমাৰ কাম সুচল হ'ব। মোৰ যত্ন অথলে নগ'ল। শ্ৰীমতী বৰাই মোৰ প্ৰস্তাৱ সাদৰেৰে গ্ৰহন কৰি কলেজৰ গৃহ নিৰ্মাণৰ বাবে দহ হাজাৰ টকা বৰঙণি দিবলৈ মান্তি হয়। উল্লেখযোগ্য যে এইটোৱেই আমাৰ প্ৰচেষ্টাৰ প্ৰথম আৰু বৃহত্তম দান। ইয়াৰ বাহিৰেও বহু সদাশয় আৰু শিক্ষানুৰাগী ব্যক্তিয়ে কলেজখনৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে দান-বৰঙণি আগবঢ়াই আমাক সহায় কৰে। অতি কম সময়ৰ ভিতৰতে আমি প্ৰায় এক লাখ টকাৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে ষাঠি হাজাৰ টকা আদায় কৰোঁ। সেইখিনিকে মূলধন হিচাপে লৈ আমি আমাৰ আঁচনি ৰূপায়ণৰ কামত আগবাঢ়োঁ। একে সময়তে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সক্ৰিয় সহযোগিতাত আমি এক 'উপহাৰ পত্ৰ' ভাগ্য পৰীক্ষাৰ আয়োজন কৰিলোঁ। সকলোৰে সম্মিলিত প্ৰচেষ্টাত এই 'উপহাৰ পত্ৰ'ৰ যোগেদি কলেজে প্ৰায় এক লাখ বাষষ্ঠি হাজাৰ টকা সংগ্ৰহ কৰে। 'উপহাৰ পত্ৰ'ৰ প্ৰথম পুৰস্কাৰ এখন এম্বেছেডৰ গাড়ী এগৰাকী অন্ধ ছোৱালীয়ে পায়। (দৃষ্টিহীনাৰ অদৃষ্টত সৌভাগ্য। তমসো মা জ্যোতিৰ্গময়)। সংগৃহীত ধনেৰে কলেজৰ স্থায়ী গৃহ নিৰ্মাণৰ কাম পূৰ্ণ উদ্যমেৰে হাতত লোৱা হয় আৰু চাওঁতে চাওঁতে অনতিপলমে একাংশ শ্ৰেণীকোঠা নিৰ্মিত হ'ল। জহি পৰা অস্থায়ী চালি ঘৰৰ একাংশত স্থায়ী নতুন ঘৰে কলেজখনৰ শোভা বৰ্দ্ধন কৰাৰ উপৰিও ছাত্ৰীসকলক বিশেষভাৱে অনুপ্ৰাণিত কৰিলে। একে সময়তে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰাও ষষ্ঠ পৰিকল্পনাৰ কালছোৱাত গৃহ নিৰ্মাণৰ বাবে এটি শকত অনুদান পোৱা হয়। এই অনুদানেৰে এটি আহল-বহল দুমহলীয়া পকী ঘৰৰ আধাৰশিলা স্থাপনে সকলোৰে মাজত নতুন উদ্যম সঞ্চাৰ কৰে। নগাঁও ছোৱালী কলেজৰ স্থায়ী

---

১. এই স্মৃতিগ্ৰন্থৰ আন এটি লেখাত ('ম হলা কলেজৰ পৰা ছোৱালী কলেজলৈ') এই সম্পৰ্কীয় সংবাদ লিপিবদ্ধ হৈছে। —সম্পাদক।

ভৱনৰ প্ৰতিশ্ৰুতি এইদৰে প্ৰতিকূল পৰিস্থিতিৰ মাজতো কাৰ্যকৰী হোৱাটো অতি আনন্দৰ আৰু সৌভাগ্যৰ কথা। এই প্ৰচেষ্টাত মোক সহযোগ কৰা আটায়ে মোৰ শলাগৰ পাত্ৰ।

নগাঁৱত প্ৰায় ওঠৰ মাহ কাল আছিলোঁ। এই কম দিনৰ ভিতৰতে কলেজখনৰ শৈক্ষিক আৰু আবয়ৱিক দিশত যিখিনি সংশোধন আৰু সংযোজন কৰাৰ সুযোগ পালোঁ, তাৰ মূল্যায়ন নগৰৰ সুধী সমাজে কৰিব। মই মাথো এইখিনিহে কব খোজোঁ যে ভয়ানক পৰিস্থিতিৰ মাজতো যিখিনি কৰিব পৰা গ'ল, সি হয়তো তেনেই নগণ্য নহয়। কিন্তু আমাৰ দৃঢ় আৰু অপৰিমেয় প্ৰচেষ্টাৰ তুলনাত সি অতি সামান্য। নিৰৱচ্ছিন্ন সামূহিক প্ৰচেষ্টাৰ দ্বাৰাইহে শিক্ষানুষ্ঠান এটাই সমাজত দকৈ শিপাই তাৰ সুনাম-সুযশ অৰ্জন কৰিব পাৰে। শিক্ষক-শিক্ষাৰ্থীসকলেই হ'ল শিক্ষানুষ্ঠানৰ একমাত্ৰ নিৰ্ভৰশীল প্ৰতিনিধি। শিক্ষকসকলৰ মাজত এষণা-গৱেষণাৰ প্ৰতি ৰাপ বঢ়াবলৈ মই কম যত্ন কৰা নাছিলোঁ। মোৰ উৎসাহ-উদ্দীপনাত কেইবাগৰাকী শিক্ষকে গভীৰ অধ্যয়ন আৰু গৱেষণাত মনোনিবেশ কৰিবলৈ ধৰিলে। তাৰে এজনে এম. ফিল. লৈ এতিয়া পি. এইচ. ডি. কৰি আছে, আৰু আন এজনৰ পি. এইচ. ডি. থিছিছখন সমাপ্তিৰ পথত। ছাত্ৰীসকলকো মই অধ্যয়নমুখী কৰিবলৈ নানা ব্যৱস্থা লৈছিলোঁ। মাজে মাজে মই ক্লাছো লৈছিলোঁ। বিশেষকৈ কোনো শিক্ষকৰ অনুপস্থিতিত মই নিজে সেই শ্ৰেণীলৈ গৈ পাঠ্যক্ৰম সম্পৰ্কীয় বিষয়ত কথাৰ ছলেৰে অগ্ৰসৰতাৰ বুজ লওঁ, আৰু সেই মৰ্মে যথাবিহিত ব্যৱস্থাৰ দিহা কৰোঁ। মোৰ তত্ত্বাৱধানৰ কালছোৱাত শৈক্ষিক দিশত কিছু উন্নতি হোৱা পৰিলক্ষিত হৈছিল, আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ ফলাফলত সি প্ৰতিফলিত হৈছিল।

নগাঁৱত থকা কালছোৱাত মোৰ পৰিয়ালবৰ্গ গুৱাহাটীতে আছিল। মোৰ অনুপস্থিতিত মোৰ চাৰি কন্যাৰ সম্পূৰ্ণ দায়িত্ব মাকেই বহন কৰিছিল। মই সঘনে অহা-যোৱা কৰি আছিলোঁ। এইদৰে বাটকুৰি বাই থকাটো এই বয়সত বৰ আমনি লগা আৰু কষ্টদায়ক। দুঠাইত দুখন ঘৰ চলোৱা যথেষ্ট ব্যয়-সাপেক্ষ। গুৱাহাটীৰ ঘৰখনত মোৰ উপস্থিতিৰ অতি প্ৰয়োজন। সুযোগ আপোনা-আপুনি ওলাল। গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজৰ অধ্যক্ষৰ পদত মই নিৰ্বাচিত হ'লোঁ। অগত্যা জন্মস্থানৰ মায়া ত্যাগ কৰি গুৱাহাটীৰ বাসস্থানলৈ প্ৰত্যাৱৰ্তন কৰাটো স্থিৰ কৰিলোঁ সতীৰ্থসকলৰ সকলো অনুৰোধ প্ৰত্যাখ্যান কৰি। মই যোগী নহওঁ, কৰ্মযোগী হোৱাৰহে দুৰ্বাসনা আছে। আন দহজনৰ দৰে ময়ো এজন সংসাৰীহে। স্ত্ৰী-কন্যাৰ পৰা প্ৰায় পাঁচ বছৰ আঁতৰত থাকি তেওঁলোকক বহুভাৱে বঞ্চিত কৰিছোঁ। পৰিয়ালবৰ্গৰ দায়িত্ব দূৰৈত থাকি পালন কৰাটো দুৰূহ। চাকৰি জীৱনত এই সুযোগতে



নিজা বাসস্থানত পুনৰ সংস্থাপিত নোহোৱাটো অবিবেচকৰ কাম হ'ব, আৰু এঠাইত বৰ বেছি দিন থাকিলে বোধহয় যোগ্য ব্যক্তিও অবাঞ্ছিত হয়।

তথাপি নগাঁৱৰ সেই দিনবোৰ মোৰ মনৰ ডায়েৰীত মচিব নোৱৰাকৈ লিপিবদ্ধ হৈ থাকিব। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আদৰ-আপ্যায়ন, বাইজৰ মৰম-শ্ৰদ্ধা, ছাত্ৰীসকলৰ ভক্তিপূৰ্ণ আচৰণ, কাৰ্যালয়ৰ কৰ্মীবৃন্দৰ সহযোগিতা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। পৰিচালনা সমিতিৰ সভাপতি প্ৰমুখ্যে সম্মানিত সদস্যসকলে মোক সজ দিহা-পৰামৰ্শ দি সকলো বিষয়তে সহযোগ কৰা বাবে মই তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ। অধ্যক্ষ হিচাপে মই প্ৰশাসনীয় দিশতো যি পৰিবৰ্তন সাধন কৰিবলৈ যত্ন কৰিছিলোঁ দক্ষতা বঢ়াবলৈ, কৰ্মচাৰীবৃন্দই হৰ্ষ মনেৰে সহযোগ কৰি মোক কৃতাৰ্থ কৰিছিল। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ সহযোগিতা-সৌজন্য অবিহনে কোনো শিক্ষানুষ্ঠানৰ সৰ্বাঙ্গীন উন্নতি সম্ভৱপৰ নহয়। এইখিনি পাবলৈ অধ্যক্ষজনৰ বিৰাট ভুমিকাৰ প্ৰয়োজন। সেই ভুমিকাত মোৰ পৰিচয় নগাঁও ছোৱালী কলেজৰ সংশ্লিষ্ট প্ৰতিজন ব্যক্তিয়ে পাইছে। প্ৰশাসনীয় ক্ষেত্ৰত যিবোৰ আলোচনা-সমালোচনা হৈছিল, তাত সচৰাচৰ এটা কথা উত্থাপিত হৈছিল যে কলেজখন গণতান্ত্ৰিক ভিত্তিত পৰিচালিত হ'ব লাগে। এই মত পোষণ কৰা সকলৰ গণতন্ত্ৰত থকা অগাধ বিশ্বাস আৰু আস্থা সমৰ্থন কৰিলেও, এটা কথা নকৈ নোৱাৰোঁ। প্ৰশাসনত বিভাগীয় কৰ্তৃত্বৰ গুৰুত্ব নুই কৰিব নোৱাৰি। অধ্যক্ষজনেই হ'ল কলেজ প্ৰশাসনৰ উৎকৃষ্ট সংযোজক বা অনুঘটক। সাম্যই যদি সকলো ক্ষেত্ৰতে একমাত্ৰ কাম্য হ'লহেঁতেন, শিক্ষা-সংস্কৃতি জগতত সামূহিক প্ৰচেষ্টাতকৈ একক প্ৰচেষ্টা ইমান ফলপ্ৰসূ নহ'লহেঁতেন। আলোকত উত্তাপ থাকিবই, কিন্তু উত্তপ্ত হলেই আলোকিত নহয়। আমি আলোকৰ পূজাৰী, অমানিশা আমাৰ কাম্য নহয়। বুদ্ধিদীপ্ত মনৰ উৎকৰ্ষ সাধনৰ চৰ্চাত যি নিজকে উছৰ্গা কৰে, তেৱেঁই জ্ঞানৰ প্ৰকৃত পূজাৰী।

অভিভাৱক ৰূপে যিটো অনুষ্ঠানৰ চৰম উৎকৰ্ষ কামনা কৰিছিলোঁ আৰু তাৰ বাবে আত্মনিয়োগ কৰাত কোনো ত্ৰুটী ৰখা নাছিলোঁ, সেইখন কলেজৰ ক্ৰমবৰ্দ্ধমান উন্নতিৰ বাবে মোৰ আজীৱন শুভ কামনা ৰ'ব। চাওঁতে চাওঁতে কলেজখনে পঁচিছ বছৰ পূৰ্ণ কৰিলে। এই পঁচিছ বছৰত ইয়াৰ কাৰ্যকাৰিতাৰ আলেখ-লেখ লৈ অনাগত দিনত শিক্ষাজগতত এক বিশিষ্ট ভুমিকা গ্ৰহণ কৰি ই ৰাইজৰ স্মৰণীয়, বৰণীয় হওক। গতিশীলতাই জীৱন, স্থিতিশীলতাই নিৰ্জীৱতা। ৰজত জয়ন্তীৰ পৰা সুখ্যাতিৰে অনুষ্ঠানটোৱে সুৱৰ্ণ জয়ন্তীলৈ গতি কৰক, তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ। কলেজখন জাতিস্কাৰ হৈ কলঙৰ দুয়ো পাৰ আলোকিত কৰক, এই প্ৰাৰ্থনা। □

## শ্ৰীমতী শিখা দত্ত

# "স্মৃতি ফুল বাছি"

কেতিয়াবা ভাব হয়, জীৱন বোধহয় বিভিন্ন স্বৰৰ আশ্ৰয়ত যোৱা সুৰৰ এক গত, ক'ৰবাত কোমল, ক'ৰবাত তীব্ৰ, ক'ৰবাত মন্দ্ৰ-মধুৰ, ক'ৰবাত বৰ্ণ-বিচ্ছুৰিত।

কেতিয়াবা ভাব হয়, জীৱন হয়তো বহুৰঙী, বহুগন্ধী ফুলৰ এডাল মালা। ক'ৰবাত শেৱালিৰ উদাসী শুভ্ৰতা, ক'ৰবাত জবাৰ ৰঙীন উচ্ছ্বাস, ক'ৰবাত গোলাপী গন্ধৰ ঐশ্বৰ্য।

জীৱন যেতিয়া বৈ যায়, বিভিন্ন ব্যক্তি, বিভিন্ন অনুষ্ঠান, বিভিন্ন ঘটনাৰ সৈতে ই সম্বন্ধ কৰি যায়। সেই সম্বন্ধই জীৱনক বৰ্ণ-গন্ধেৰে ঐশ্বৰ্যমণ্ডিত কৰে। কেতিয়াবা কেতিয়াবা কোনো কোনো ব্যক্তিয়ে, কোনো কোনো অনুষ্ঠানে বেছিকৈ দিয়ে, আঁজলি ভৰাই দিয়ে. পূৰ্ণপাত্ৰ আগবঢ়ায়। হয়তো সেই ব্যক্তি বা অনুষ্ঠান সেই জীৱনলৈ এক বিশেষ সময়ত আহে বাবে জীৱনেও লবলৈ বিশেষ আকুলতাৰে হাত আগবঢ়াই দিয়ে।

মোৰ জীৱনলৈ তেনে এক বিশেষ সময়ত আহিছিল নগাঁও ছোৱালী কলেজত মোৰ অধ্যাপিকাৰ চাকৰি, আৰু সেই চাকৰিয়ে গঢ়া সম্বন্ধ।

সেই বিশেষ সময়টো এনে ধৰণৰ আছিল। সৰুৰে পৰা মই সংগীত ভাল পাইছিলোঁ। চৰ্চা কৰিছিলোঁ। কিন্তু পৰিকল্পনাৰ অভাৱতে হওক বা আন কাৰণতে হওক, মোৰ সংগীত চৰ্চা বন্ধ হৈ গৈছিল। সেয়ে জীৱন বাহ্যিক দৃষ্টিত পৰিপূৰ্ণ আছিল যদিও মোৰ নিজা মানসিক জীৱন অসন্তুষ্ট হৈ পৰিছিল। আত্মবিশ্বাসহীনতাই অনা অস্থিৰতাত মনে ভুগিছিল। ঠিক তেনে সময়তে মই নগাঁও ছোৱালী কলেজৰ সৈতে জড়িত হৈ পৰিছিলোঁ। মোৰ বাবে সেই সময়ত যিটো পৰিৱেশৰ প্ৰয়োজন আছিল, কলেজখনৰ পৰা যেন মই ঠিক সেইটো পৰিৱেশকেই পাইছিলোঁ। ই যথেষ্ট ডাঙৰ আছিল য'ত কাম কৰি মই পূৰ্ণাঙ্গ কলেজ এখনত কাম কৰাৰ আনন্দ আৰু গৌৰৱ লাভ কৰিছিলোঁ। কিন্তু ই ইমান বিশাল নাছিল, যি বিশালতাই অপৰিচিতৰ ক্ৰুৰতাৰে ক্ষুদ্ৰ অস্তিত্বক মোহাৰি পেলায়।

সঁচাকৈ মই বহুত কিবাকিবি পাইছিলোঁ। মনত পৰে। উৎফুল্লতা, উত্তেজনা, সংকোচ সকলোবোৰে মনৰ ভিতৰত ঠেলা-ঠেলি কৰি আছিল। তেতিয়াৰ অধ্যক্ষ দেৱগোস্বামী ছাৰক দেখা কৰাৰ পাছত মই অধ্যাপক-অধ্যাপিকাসকলৰ জিৰণি কোঠালৈ গলোঁ।



তাত সম্ভাষণ আদান-প্ৰদানৰ পিছত গলোঁ শ্ৰেণীলৈ বুলি। প্ৰথম দিনাই এটা অনাৰ্ছ ক্লাছ। এজনী নে দুজনী ছাত্ৰী। ভানু বাইদেৱে দূৰৰ পৰা আঙুলিয়াই দিয়া ৰূমটোলৈ বুলি আগুৱাওঁতেহে মই লক্ষ্য কৰিছিলোঁ বাঁহেৰে তৈয়াৰী অস্থায়ী কলেজ ঘৰটো। ঘৰটো দেখি ভাল পাম নে বেয়া পাম, মই যেন ঠিক কৰিব পৰা নাছিলোঁ। ঠিক কৰাৰ আগতেই ক্লাছত সোমাইছিলোঁগৈ।

এতিয়া, কেতিয়াবা আজিৰি পৰত অকলে অকলে বহি যেতিয়া স্মৃতিৰ পাত লুটিয়াওঁ, মোৰ হাঁহি উঠে। আচৰিত লাগে ভাবি যে তেতিয়া, সেই দিনবোৰত স্থিৰ আগ্ৰহী চকুৰে চাই থকা ছোৱালীহঁতৰ আগত শ্যেলী-কীট্‌ছৰ আলোচনা কৰোঁতে এবাৰলৈও মনত পৰিছিলনে চাৰিওকাষৰ জলঙা থকা বেৰৰ কথা? মনত পৰা নাছিল। সেইখন জলঙা থকা বেৰ, ওপৰৰ টিনৰ চাল, ভৰিৰ তলৰ অমসৃণ মজিয়াৰ অস্তিত্ব যেন ছাত্ৰী, শিক্ষয়িত্ৰীৰ অস্তিত্বৰ সৈতে মিলি একাকাৰ হৈ গৈছিল কেতিয়াবা সেই জলঙাৰে শীতৰ কোমল ৰ'দ আহিছিল, কেতিয়াবা জহৰ মধুৰ বা। কেতিয়াবা আহিছিল জিলীৰ মাত, কেতিয়াবা যৌৱনোচ্ছল ছোৱালীজাকৰ কল-কাকলি। সমুখেৰে বৈ যোৱা শীৰ্ণ নদীখনে কোলাহল পূৰ্ণ চহৰৰ পৰা আমাক বিচ্ছিন্ন কৰিছিল। যান্ত্ৰিক কোলাহলৰ পৰা আঁতৰত কলেজখনত আছিল এক সুখময় নিৰিবিলি পৰিৱেশ।

মনত পৰে ওখ খুটাৰ ওপৰত তৈয়াৰী আমাৰ জিৰণী কোঠা, অফিচ ঘৰ, লাইব্ৰেৰী কোঠা, আৰু অধ্যক্ষৰ অফিচ। সৰু জিৰণী কোঠাটোত প্ৰতি মুহূৰ্ততে কিবা নহয় কিবা বিষয় লৈ সৰৱ আলোচনা চলিছিল। কেতিয়াবা জুম পাতি বেলেগে বেলেগে, কেতিয়াবা একেটা বিষয় লৈ সকলোৰে একেলগে। একেটাই সৰু জিৰণী কোঠা; বেলেগ বেলেগ বিভাগৰ বেলেগ বেলেগ কোঠা নাই। সেয়ে চিনাকিত শীতল দূৰত্ব নাছিল; নিবিড় সান্নিধ্যৰ উমহে আছিল।

মনত পৰে কলেজৰ বছৰেকীয়া উৎসৱৰ আনন্দ-মুখৰ পৰিৱেশৰ কথা। খেল-ধেমালি প্ৰতিযোগিতাৰ দায়িত্বত আছিল ইদ্ৰিছ আলি; মোৰ দায়িত্ব আছিল সঙ্গীত প্ৰতিযোগিতাৰ। আমাৰ মাজত অলিখিত চুক্তি সম্পাদন কৰা হৈছিল। মই খেল-ধেমালিৰ প্ৰতিযোগিতাত প্ৰথমৰ পৰা শেষলৈ উপস্থিত থাকিম, আৰু সঙ্গীত প্ৰতিযোগিতাত প্ৰথমৰ পৰা শেষলৈ মোৰ লগত থাকিব ইদ্ৰিছ আলি। প্ৰকৃততেই ইদ্ৰিছ আলি, জ্যোতি চক্ৰৱৰ্তীয়ে মোৰ বিভাগত মোতকৈও বেছিকৈ কাম কৰি সহায় কৰিছিল।

মনত পৰে. শঙ্কৰদেৱৰ তিথিত ছোৱালীহঁতে পুৱাতেই কৰা নাম-প্ৰসঙ্গ, উপস্থিত থকা শিক্ষক-শিক্ষয়িত্ৰী কেইগৰাকীৰ প্ৰতি কৰা সিহঁতৰ বিনম্ৰ অতিথি-সৎকাৰ।

বিশেষকৈ মনত পৰে সদৌ অসম কলেজ শিক্ষক সন্থাৰ নগাঁৱত বহা অধিবেশনৰ কথা। সাংস্কৃতিক সন্ধিয়াৰ দায়িত্বত থাকি আমি প্ৰায় এমাহ জোৰা প্ৰস্তুতি চলাইছিলোঁ। ক'ৰবাত কোৰাচৰ বিহাৰ্চেল, ক'ৰবাত নৃত্য-নাটিকাৰ বিহাৰ্চেল। ছাত্ৰী আৰু শিক্ষকৰ দলবদ্ধ কামৰ আনন্দ-স্মৃতি আজিও সজীৱ হৈ আছে।

মনত পৰে, এবাৰ ছোৱালীহঁতে এখন নাটক কৰিছিল। পৰিচালক আছিল গঙ্গাপদ চৌধুৰী। ইদ্ৰিছ আলি, ব্ৰজেন ৰায় চৌধুৰী আৰু ময়ো জড়িত হৈ পৰিছিলোঁ। ইদ্ৰিছ আলিয়ে নাটকৰ গান লিখিলে, সুৰ দিলে। ব্ৰজেন ৰায় চৌধুৰীয়ে (যাক বৰ্তমান গীতিকাৰ ৰূপে বহু শিল্পীয়ে চিনি পায়) বোধহয় জীৱনৰ প্ৰথম গান লিখিলে। গানটো মনত নাই। মাথোন মনত আছে– নাটকৰ পৰিবেশে দাবী কৰা গান। যন্ত্ৰ, মন্ত্ৰ, তন্ত্ৰ আদি শব্দবোৰে গানৰ কলিবোৰৰ শেষত বহি ছন্দৰ মিল ৰাখিছে। আমি নাটকৰ মাজে মাজে থকা বিবৰণি পঢ়িম, আৰু গান গাম।

নাটক হোৱাৰ সন্ধিয়া গঙ্গাপদ চৌধুৰী ব্যস্ত হৈ ফুৰিছে, তেওঁক অলপ উত্তেজিত আৰু নাৰ্ভাচ দেখা গৈছে। ময়ো অলপ উত্তেজিত; কাৰণ নাটকৰ সৈতে কাম কৰাৰ সেয়ে মোৰ প্ৰথম অভিজ্ঞতা। ষ্টেজৰ তলতে দৰ্শকৰ সন্মুখত আমি বহিছোঁ। কাগজ-পত্ৰ, হাৰমনিয়াম, তবলা লৈ। নাটক আৰম্ভ হবৰ হ'ল। তেনেতে লাইট অফ্ কৰি দিয়া হ'ল। পৰিচালকৰ নিৰ্দেশ তেনেকুৱাই আছিল। অন্ধকাৰ হলত দৰ্শক বহি থাকিব, মাইকত ভাঁহি আহিব নাম-ঘোষণা আৰু বিবৰণি। তাতেই আহি পৰিল বিসঙ্গতি। আমাৰ হাতত পোহৰৰ কোনো আয়োজন নাই। দৰ্শকৰ সৈতে আমিও অন্ধকাৰত। আমাৰ মাজত স্বাভাৱিকতেই খেলি-মেলি আৰম্ভ হ'ল, আনহাতে উইংছৰ কাষৰ পৰা পৰিচালকে আদেশ দিলেঃ "আৰম্ভ কৰক, আৰম্ভ কৰক।" কোনোবা এজনে পকেটৰ পৰা দিয়াচলাই উলিয়াই কাঠি এটা জ্বলালে, তাৰে পোহৰত ঘোষণা আৰম্ভ হ'ল। নাটকৰ নাম আছিল 'এজন ৰজা আৰু এটা গাধ'। উত্তেজনা আৰু বিশৃংখলাত ইদ্ৰিছ আলিৰ মুখেৰে ওলাল 'এজন ৰজা আৰু এটা ঘোঁৰা'। বাইজৰ বহুতে বুজিয়েই নাপালে; কিন্তু আমাৰ ইমান হাঁহি উঠিল যে বিবৰণি কাগজ বিচাৰি নোপোৱা হ'লোঁ। এনেয়ে অন্ধকাৰ, তাৰ ওপৰতে হাঁহি। সি যি হওক, অলপ পাছত মঞ্চ আৰম্ভ হ'ল। ষ্টেজৰ ওপৰতো পোহৰ দিয়া হ'ল। পূৰ্ণ গতিত নাটক আৰম্ভ হ'ল। কিন্তু আমাৰ খেলি-মেলি নুগুচিল। প্ৰথমৰ পৰা শেষলৈ কোনোমতে অভ্যাসৰ বলতহে নাটক চলোৱা হ'ল। আমাৰ মাজত সকলোৱে কিবা নহয় কিবা এটা ভুল কৰিলেই। বিশেষকৈ নতুন কবি ব্ৰজেনৰ নতুন গীতটোৰ মই য'ত যন্ত্ৰ ক'লো, ইদ্ৰিছ আলিয়ে তাত মন্ত্ৰ ক'লে। ব্ৰজেনে নিজে বা কি ক'লে ধৰিবই নোৱাৰিলোঁ। পিছে ৰাইজে নাটকত বেছি মন দিয়াতে হওক বা মাইকৰ আশীবাদতে হওক, আমাৰ ভুল বৰ ডাঙৰকৈ ধৰা নপৰিল। কিন্তু নাটকৰ পাছত আমি চাৰিও, লগতে আমাৰ সহকৰ্মী কেইবাগৰাকীও বহি নিজকে নিজে ইমান হাঁহিলোঁ যে এতিয়াও মনত পৰিলে অন্তৰত সেই হাঁহিৰ সুখ অনুভৱ কৰোঁ। সেইবোৰ বহুত ছবি; কোনোবাখন ম্লান, কোনোবাখন উজ্জ্বল। অচিনাকিৰ বাবে মূল্য নথকা, নিজৰ বাবে অমূল্য আত্মীয়-স্বজনৰ ছবিৰ দৰে। সেইবোৰ ছবিৰে গঠিত নগাঁও ছোৱালী কলেজত কটোৱা মোৰ নাতিদীৰ্ঘ অধ্যায়টোৱে মোৰ জীৱনত এক বিশেষ মূল্য, এক বিশেষ স্থান লৈ বহি আছে। মনৰ মণিকোঠাত সেই স্মৃতি মই সাঁচি থৈছোঁ। কেতিয়াবা মুকলি কৰি চাওঁ, অকলে হাঁহোঁ, সুখ লওঁ, আৰু আকৌ সযতনে থৈ দিওঁ। *

---

*শ্ৰীমতী শিখা দত্ত সম্প্ৰতি অসম সংগীত মহাবিদ্যালয়ৰ শিক্ষয়িত্ৰী। তেখেতে ১.৯.৭৩ ৰ পৰা ৩০.৪.৭৪ লৈ আৰু ১৫.২.৭৭ ৰ পৰা ১৭.৭.৭৯ লৈ এই কলেজৰ ইংৰাজী বিভাগত অধ্যাপনা কৰিছিল। —সম্পাদক*

শ্ৰীব্ৰজেন ৰায় চৌধুৰী

## মই এৰি অহা কলেজখন

মোৰ মানস-পটত মই এৰি অহা কলেজখনৰ স্মৃতিয়ে সদায়েই দোলা দি থাকে। নগাঁও ছোৱালী কলেজখনৰ প্ৰতি মোৰ এটি নিবিড় আন্তৰিকতা আছে, থাকিব। এইখন মহাবিদ্যালয়তে মই শিক্ষা বিভাগৰ অধ্যাপক হিচাপে কৰ্মময় জীৱন আৰম্ভ কৰিছিলোঁ, আৰু কেইবাটাও বছৰ এই কলেজখনতেই অতিবাহিত কৰিছিলোঁ। নগাঁও ছোৱালী কলেজৰ মধুৰ স্মৃতি আৰু প্ৰেৰণাই মোক আজিও অনুপ্ৰাণিত কৰি আছে।

নগাঁও জিলাত বোধ হয় নগাঁও ছোৱালী কলেজতেই অধ্যাপক-অধ্যাপিকাসকলৰ মাজত বেছিকৈ শিল্পী, সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, অভিনেতা, সমাজ-সেৱক, ৰাজনীতিবিদ আছে। সেইসকল সতীৰ্থৰ লগত কাম কৰি মই নিজে ধন্য মানিছিলোঁ, আৰু বহুতো কথা শিকিব পাৰিছিলোঁ। সতীৰ্থসকলৰ সুখত সুখী আৰু দুখত দুখী হৈছিলোঁ।

কলেজখনৰ পৰিবেশ অনন্য। কলঙৰ পাৰে পাৰে কৃষ্ণচূড়া, ৰাধাচূড়াৰ তলে তলে ছাত্ৰীসকলে কলেজলৈ অহা-যোৱা কৰা দৃশ্য অতি মনোৰম। প্ৰতিষ্ঠাতা অধ্যক্ষ শ্ৰীযুত মহেশচন্দ্ৰ দেৱগোস্বামীৰ নেতৃত্বত আৰু অধ্যাপক-অধ্যাপিকাসকলৰ আপ্ৰাণ চেষ্টাত এদিন নগাঁও ছোৱালী কলেজে সকলো দিশতে উন্নতি লাভ কৰিছিল। অধ্যক্ষ শ্ৰীযুত গোস্বামীৰ লগত মণ্ডো কাম কৰাৰ সুযোগ পাইছিলোঁ, আৰু জীৱনত এটা ডাঙৰ কথা অভ্যাসত পৰিণত কৰিছিলোঁ; সেয়া হ'ল 'নিয়মানু-বৰ্তিতা'।

মই কলেজখনৰ সকলো দিশতেই জড়িত হৈ পৰিছিলোঁ। পঢ়া-শুনাৰ উপৰিও ছাত্ৰীসকলক সঙ্গীত, নাটক, খেলা-ধূলা, সমাজ-সেৱা, সকলোতে সহায় কৰিছিলোঁ। আজিও বাটে-ঘাটে লগ পালে পুৰণি ছাত্ৰীসকলে 'ছাৰ' বুলি মাতষাৰ দিয়ে। কিযে আনন্দ লাগে, সেই কথা বুজাব নোৱাৰি।

নগাঁও ছোৱালী কলেজতেই গীতিকাৰ আৰু সুৰকাৰ হিচাপে স্বীকৃতি লাভ কৰিছিলোঁ। এই কলেজত থাকোঁতেই যথেষ্ট গীত, প্ৰবন্ধ লিখা হৈছিল। সেই সকলো সৃষ্টিৰ প্ৰেৰণা আছিল নগাঁও ছোৱালী কলেজ।

কেইবা বছৰো ভ্ৰাম্যমান থিয়েটাৰ নগাঁও ছোৱালী কলেজৰ সাহায্যাৰ্থে নিয়া হৈছিল, আৰু অৰ্থৰ বাবে আমি সকলোৱে খাটিছিলোঁ। প্ৰাক্তন অধ্যক্ষ ড° ৰত্নকান্ত বৰুৱাদেৱৰ নেতৃত্বত আৰু সতীথসকলৰ সহযোগত 'জ্ঞানজ্যোতি উপহাৰ কুপন'ৰ খেল অনুষ্ঠিত কৰি আমি গৃহ নিৰ্মাণৰ বাবে যথেষ্ট অৰ্থ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিলোঁ। সেই দিনবোৰৰ কথা আজিও মনত পৰে।

মই ইং ১৯৮৪ চনৰ ছেপ্টেম্বৰ মাহৰ পৰাই নগাঁও ছোৱালী মহাবিদ্যালয় এৰোঁ, আৰু গোৱালপাৰা জিলাৰ ধূপধৰা 'বিকালী মহা-বিদ্যালয়'ত অধ্যক্ষ হিচাপে যোগদান কৰোঁ। নগাঁও ছোৱালী কলেজৰ আহিৰে, অনুপ্ৰেৰণাৰে এই নতুন মহাবিদ্যালয়খন গঢ় দিয়াৰ চেষ্টা কৰি আছোঁ। *

---

* *অধ্যক্ষ শ্ৰীৰায় চৌধুৰীয়ে ১৯৭৬ চনৰ ডিচেম্বৰ মাহৰ পৰা এই কলেজত অধ্যাপনা কৰিছিল। —সম্পাদক।*

---


### গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্য পুথিসমূহ

( আমাৰ প্ৰকাশিত আৰু এজেন্সিভুক্ত )

১। স্নাতক বুনিয়াদী পাঠ ২০'০০
২। মগৰীবৰ আজান ৮'০০
৩। কালিয় দমন নাট ১২'০০
৪। মুদ্ৰা বেংক ব্যৱস্থা আৰু আন্তৰ্জাতিক বাণিজ্য ২৬'০০
৫। স্নাতক অৰ্থনীতি তত্ত্ব ৩০'০০
৬। Foundation Course ( Vol. 1 ) History of Science ১৫'০০
৭। অসমীয়া গল্প গুচ্ছ ১৫'০০
৮। আধুনিক অসমীয়া সাহিত্য ১৮'০০
৯। অসমীয়া কবিতাৰ ছন্দ ২০'০০
১০। অসমীয়া গীতি সাহিত্য ১২'০০
১১। উপন্যাস ১২'০০
১২। নাটক আৰু নাট্যকাৰ ২৫'০০
১৩। সত্ৰ সংস্কৃতিৰ ৰূপৰেখা ১৬'০০
১৪। অসমীয়া সাহিত্যৰ ৰূপৰেখা ২০'০০
১৫। সাহিত্য : দুটিমান আলোচনা ২৫'০০
১৬। পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি আৰু সত্ৰীয়া নৃত্য আৰু নৃত্যৰ তাল ২০'০০
১৭। অসমীয়া সাহিত্যৰ ৰূপ-ৰস ২০'০০
১৮। মাধৱদেৱ : সাহিত্য কলা আৰু দৰ্শন ২০'০০
১৯। নতুন কবিতা ২০'০০
২০। সাহিত্যত বিৱৰ্তন ২০'০০

**বাণী মন্দিৰ**

**ৰাণী বাৰী : পানবজাৰ**

গুৱাহাটী—৭৮১০০১

শ্ৰীমতী বীণা শৰ্মা

# সোঁৱৰণি ঃ টুকুৰা-টুকুৰ

এখন চিঠিয়ে মোৰ বন্ধা-ধৰা ঘৰুৱা জীৱনৰ ৰুটিনখন কিবা খেলি-মেলি কৰি গ'ল। ঘৰৰ মানুহ আৰু ল'ৰা-ছোৱালীয়ে সুধিলে—"তোমাৰ কি হৈছে? পাগল মানুহৰ দৰে বৈ বৈ, মিচিক মিচিককৈ হাঁহি আছা কিয়?"

"কলেজৰ কথা মনত পৰিছে। আমাৰ কলেজৰ ৰূপালী জয়ন্তী পাতিছে, তাৰেই চিঠি।"

"তুমি কোন কলেজত পঢ়িছিলা?" "গাৰ্লছ কলেজত"। "অ', চালি থকা কলেজখন"। ল'ৰাটোৰ কথা।

আমি কলেজত নাম লগাওঁতে আমাৰ কলেজৰ চালি এখনো নাছিল। কলং পাৰৰ দুমহলীয়া, এতিয়াৰ ৰেড্‌ক্ৰছ হস্পিতালখন থকা, ঘৰটোৰেই আমাৰ নগাঁও ছোৱালী কলেজ আছিল।

'নগাঁও ছোৱালী কলেজ' মোৰ বাবে আটাইতকৈ মোহনীয় নাম। এতিয়ালৈকে পাৰ কৰা জীৱনৰ বছৰবোৰৰ ভিতৰত আটাইত'ক শ্ৰেষ্ঠ আৰু ৰঙীন বছৰকেইটাতেই আমি নগাঁও ছোৱালী কলেজৰ ছাত্ৰী আছিলোঁ। আমাৰ কলেজত পোৱা আনন্দখিনিকে বিচাৰি পিছত নগাঁও বি. টি. কলেজলৈ আৰু নগাঁও ল কলেজলৈ গ'লোঁ কিন্তু ক'তো সেইখিনি আনন্দ বিচাৰি নাপালোঁ। সেই আনন্দ বোধ হয় আমি অধ্যাপক আৰু ছাত্ৰীসকলৰ মাজত থকা মধুৰ সম্পৰ্কটোৰ বাবেই পাইছিলোঁ।

১৯৬৬-৬৭ চনত আমাৰ কলেজত অনাৰ্চ মাথোন দুটা বিষয়তহে আছিল—অসমীয়া আৰু ৰাজনীতি বিজ্ঞান। আমি অসমীয়া অনাৰ্চৰ ছোৱালী কেইজনীয়ে যেন আমাৰ বাবে পঢ়া নাছিলোঁ, শিক্ষকসকলৰ বাবেহে পঢ়িছিলোঁ। থাৰ্ড পেপাৰত কম নম্বৰ পালে ভূঞা ছাৰে বেয়া পাব। বেছিকৈ পঢ়িব লাগিব। ফোৰ্থ পেপাৰত কম নম্বৰ পালে মজুমদাৰ ছাৰে কম বেজাৰ পাব নেকি! আধুনিক নাটক কেইখনৰ বিষয়ে ভালকৈ লিখিব নোৱাৰিলে আলি ছাৰে কি ভাবিব বাৰু? গতিকে অন্য কথা নাই, পঢ়িবই লাগিব।

সেই সময়ৰ হোষ্টেলৰ চুপাৰ হিমাদ্ৰি বাইদেউ। কলেজত অলপ দিন থকাৰ পিছত বিয়া হৈছে চক্ৰবৰ্তী ছাৰৰ লগত। সেই জ্যোতি চক্ৰবৰ্তী ছাৰ হোষ্টেলৰ ছোৱালীখিনিৰ "নিজৰ ভিনদেউ।" পলিটিকেল চায়েঞ্চৰ অনাৰ্চ পঢ়ায় ছাৰে। উমা,[১] নলিনীয়ে বেছিকৈ



অনাৰ্চত জোৰ দিছে। হিমাদ্ৰি বাইদেউ, চক্ৰবৰ্তী ছাৰে বেয়া পাব ভালকৈ নপঢ়িলে। ছাৰৰ ক্লাছত আগৰ বেঞ্চত বহিবলৈ আমাৰ ঠেলা-হেঁচা।

আমাৰ সময়ত অধ্যাপক-অধ্যাপিকাসকলৰ ঐকান্তিক চেষ্টা আৰু ছাত্ৰীসকলৰ প্ৰতি থকা মৰমৰ গুণতেই বিশ্ববিদ্যালয়ৰ প্ৰতিটো পৰীক্ষাতে প্ৰথম-দ্বিতীয় স্থান অধিকাৰ নকৰিলেও উত্তীৰ্ণৰ হাৰ শতকৰা ৮০ ভাগৰ তলত কেতিয়াও হোৱা নাছিল। জীৱনৰ শেষ দিনলৈকে ছাৰ-বাইদেউ-সকলৰ সেই মৰমে আমাক অনুপ্ৰেৰণা যোগাই যাব।

"এই, অনাৰ্চ থাকিলে এন. চি. চি নকৰিলেও হয় বুলি তই নাজান নেকি?" ইন্দ্ৰিয়ে[১] কলে।

"জানো, কিন্তু ভানু বাইদেউক মই এন চি. চি. এৰি দিম বুলি কেনেকৈ কওঁ? বাইদেৱে বেয়া নাপাব নেকি? তাৰ উপৰি, এইবাৰ আমি চাৰিজনী ছোৱালীক ছিলঙত হ'ব লগা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ আটাইবোৰ কলেজৰ ভিতৰত হ'বলগীয়া ৰাইফল ছুটিং কম্পিটিছন কেম্পলৈ বাছিছে নহয়।"

সেইবাৰ ১৯৬৭ চনত ছিলঙত অনুষ্ঠিত সেই প্ৰতিযোগিতাত আমাৰ কলেজৰ হৈ আমি তৃতীয় পুৰস্কাৰ আনিছিলোঁ।

অলপ দিনৰ আগতে আমাৰ ঘৰলৈ এগৰাকী ভদ্ৰ মহিলা এক বিশেষ সকামত আহিছিল। বৰ্তমান ধুপধৰা কলেজৰ অসমীয়া বিভাগৰ অধ্যাপিকা। কথায়-কথায় কলে, তেখেত বোলে যোগেন ভূঞা ছাৰৰ আটাইতকৈ প্ৰিয় ছাত্ৰী। কথাটো শুনিয়েই আমাৰ মনত মাইকী মানুহৰ স্বাভাৱিক 'গুণৰাজি'য়ে প্ৰতিক্ৰিয়া কৰিবলৈ ধৰিলে। ভাবিলোঁ, এওঁ আমাতকৈও প্ৰিয় ছাত্ৰীনে? চুপতি কৰিবলৈ নহ'ল। শালীনতাই বাধা দিলে। তথাপি ছাৰক এবাৰ কথাটো সুধি চোৱাৰ ইচ্ছা হৈছিল। কিন্তু ছাৰে সেই আমাৰ চিৰ পৰিচিত হাঁহিটো মাৰি কি উত্তৰ দিব জানিছিলোঁ বাবেই সেইবাৰলৈ এৰিলোঁ আৰু।

এবাৰ কলেজৰ বন্ধত গাঁৱৰ ঘৰলৈ গৈ দেখিলোঁগৈ প্ৰিন্সিপাল ছাৰে দেউতালৈ দীঘলীয়া চিঠি লিখিছে। চিঠিৰ বিষয়—আমি কোন বিষয়ত কিমান নম্বৰ পালোঁ, কেইটা টিউটৰিয়েল ক্লাছত অনুপস্থিত আছিলোঁ। কলেজলৈ ঘূৰি আহি সাৱধান হলোঁ। তিনিমহীয়া, ছমহীয়া পৰীক্ষা নিয়মীয়াকৈ দিবলৈ ধৰিলোঁ, আৰু ইংৰাজী টিউটৰিয়েল ক্লাছৰ সময়ত আন ছাৰৰ লগত বেড্‌মিণ্টন খেলা বাদ দিলোঁ।

আমাৰ প্ৰিন্সিপাল গোস্বামী ছাৰৰ স্মৃতি-শক্তি দেখি আমি প্ৰায়ে আচৰিত হৈছিলোঁ। ছাৰে প্ৰায় সকলোবোৰ ছোৱালীৰে নাম, আৰু ঘৰ

১. *অসমীয়া অনাৰ্চ বিষয়ৰ দ্বিতীয় দলৰ এগৰাকী ছাত্ৰী শ্ৰীমতী ফৰিদা চুলতানা।* —*সম্পাদক*

ক'ত, জানিছিল। তাৰ উপৰিও কোন ছোৱালী পঢ়া-শুনাত ভাল, ছাৰে তাকো জানিছিল। আমাক অতিকৈ আকৰ্ষিত কৰা ছাৰৰ প্ৰধান গুণটো হৈছে ছাৰৰ সময়ানুবৰ্তিতা। কলেজৰ প্ৰতি অনুষ্ঠানতে ছাৰ এক মিনিটৰো হেৰ-ফেৰ নোহোৱাকৈ সদায় উপস্থিত আছিল। এবাৰ কলেজৰ এখন আলোচনা-চক্ৰ নিৰ্দিষ্ট সময়তকৈ প্ৰায় আধাঘণ্টা দেৰিকৈ আৰম্ভ হোৱা বাবে ছাৰে সেইখন বৰ্জন কৰিছিল। পিছলৈ আমিও সময়ৰ ক্ষেত্ৰত সাৱধান হলোঁ। নহলে প্ৰিন্সিপাল ছাৰৰ উপস্থিতি পোৱা টান।

১৯৬৮ চনত কলেজৰ নিজা ঘৰ হ'ল কলং পাৰত। আমাৰ যেন ৰম্যপুৰী। কলেজৰ কেণ্টিনত চাহ খাই বাকীৰ বহীত কোনোবা ছাৰৰ নামত লিখি থৈ অহা কাম আমি কেতিয়াবা-কাচিৎ নকৰা নহয়। পিছত অৱশ্যে গম পাই সেই ছাৰে আমাক গালি পৰা নাছিল। ১৯৬৫ চনৰ ডিচেম্বৰ মাহৰ ৰাতিপুৱা ৭ বজাৰ ক্লাছত দেৰিকৈ সোমাবলৈ যাওঁতে সোমাবলৈ নিদিয়াৰ বাবে আমাৰ লগৰ দুজনীমানে তগৰ বৰা ছাৰৰ চাইকেলৰ দুয়োটা চকাৰ পাম্প খুলি দিছিল। দুজনীমানে কৈছিল, ছাৰে আজি নগাঁও কলেজলৈকে চাইকেল ঠেলি ঠেলি নিওঁতে বুজি পাব আমাক ৰাতিপুৱা কুঁৱলীয়ে কি অত্যাচাৰ কৰে। সেই দিনাও ছাৰে আমাক গালি পৰা নাছিল। আমি পিছে নিজেই অনুতাপ কৰিছিলোঁ, আৰু পাছলৈ তাৰ পুনৰাবৃত্তি হোৱা নাছিল।

এতিয়াও আমাৰ ছাৰ-বাইদেউসকলে আমাক বাটে-পথে দেখিলে আমি মাতিবলৈ নৌ পাওঁতেই মাত দিয়ে। এতিয়া নিজেও শিক্ষকতা কৰি বুজি পাইছোঁ, শিক্ষক-শিক্ষয়িত্ৰীসকলে যে অকল মেধাবী ছাত্ৰ-ছাত্ৰীকহে মনত ৰাখে এনে নহয়; যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ মৰম-চেনেহ আদায় কৰিব পাৰে, তেওঁলোক আমাৰ দৰে নিম্ন পৰ্যায়ৰ হলেও শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মনত তেওঁলোকো থাকি যায়।

আজি-কালি কাকতে-পত্ৰই বাটে-পথে ছাত্ৰই শিক্ষকক কৰা অপমানবোৰৰ কথা পঢ়ি মনত ভাব হয়, আমাৰ কলেজৰ ছাৰ-বাইদেউসকলে আমাক মৰম কৰাদি আজি-কালিৰ শিক্ষকে বাৰু ছাত্ৰক মৰম নকৰে নে কি ?*

* শ্ৰীমতী বীণা শৰ্মা আমাৰ কলেজৰ অসমীয়া অনাৰ্ছ বিষয়ৰ দ্বিতীয়টো দলৰ (১৯৬৯) স্নাতক। বৰ্তমান শিক্ষয়িত্ৰী হৈ থকা শ্ৰীমতী শৰ্মা আইনৰো এগৰাকী স্নাতক —সম্পাদক।

ড০ লীলাৱতী শইকীয়া বৰা

## স্মৃতিৰ অনুৰণন

১৯৬৬ চনৰ জুলাই মাহ। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ঠিক কেইদিনমান পিছৰ কথা। হঠাৎ এদিন দুপৰীয়া পিয়নটোৱে গুলপীয়া ৰঙৰ খাম এটা দি গ'ল। খুলি চাই দেখোঁ অভিভাৱকলৈ লিখা চিঠি। "আপোনাৰ ছোৱালীক আমাৰ মহাবিদ্যালয়লৈ পঠাওক। কিতাপ-পত্ৰৰ লগতে পঢ়াৰ সকলো সা-সুবিধা দিয়া হ'ব।" চিঠিখন পঢ়ি উৎফুল্ল হৈ উঠিলোঁ। যিখন কলেজে স্ত্ৰী-শিক্ষাক মূল্য দিবলৈ অনুৰোধ কৰি আমালৈ চিঠি পঠাইছিল, সেইখন কলেজতে, সেইখন এল. চি. টোডি গাৰ্লছ কলেজতে ১৯৬৬ চনৰ আগষ্ট মাহৰ কোনোবা এটা শুভ দিনত ভৰ্তি হ'লোঁগৈ।

আৰম্ভ হ'ল মোৰ কলেজীয়া জীৱন—কলং পাৰৰ এল. চি. টোডি নামৰ নগাঁৱৰ একমাত্ৰ ছোৱালী কলেজৰ বাঁহ-টিনৰ দীঘল চালি এখনেৰে সেই অকণমানি দুমহলীয়া ঘৰটোত। মই বৰ অসুখীয়া ছোৱালী। সপ্তাহত চাৰি দিন বিচনাত পৰি থাকি আৰু দুদিন ক্লাছ কৰি আগবাঢ়ি গ'লোঁ এন্ধাৰ-পোহৰৰ মিহলি এক সুদীৰ্ঘ ভৱিষ্যতৰ ফালে। স্কুলীয়া জীৱনত শিক্ষকসকলৰ পৰা যিদৰে অসীম স্নেহ পাইছিলোঁ, কলেজীয়া জীৱনতো শিক্ষকসকলৰ সেই আপুৰুগীয়া স্নেহ-স্পৰ্শৰ পৰা মই বঞ্চিত নহৈছিলোঁ।

১৯৬৭ চনত মই বৰ অসুস্থতাৰ মাজেৰে এবছৰীয়া প্ৰাক্-বিশ্ববিদ্যালয় পৰীক্ষা দি দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'লোঁ। ভাগি নপৰিলোঁ। ইমান কম পঢ়ি দ্বিতীয় বিভাগ পোৱা বাবে উৎসাহিতহে হ'লোঁ। আৰ্থিকভাৱে আমাৰ ঘৰুৱা অৱস্থা বৰ টনকিয়াল নাছিল। পেটে-ভাতে খাই থাকিব পৰা অৱস্থা। ছোৱালী এজনীক কলেজত পঢ়োৱাৰ সামৰ্থ্য আছিল যদিও ছোৱালীক পঢ়াই কি হ'ব, এনে এটা মনোভাবৰ কাৰণে মোক আৰ্থিকভাৱে যেনেদৰে সহায় কৰিব লাগিছিল, তেনেদৰে ঘৰখনে সহায় নকৰিছিল। অৱশেষত ঘৰৰ দুৰ্ঘোৰ আপত্তি সত্ত্বেও মই আকৌ বি. এ শ্ৰেণীত নাম ভৰ্তি কৰিলোঁ। এইখিনিতে এটা সমস্যাৰ সন্মুখীন হ'লোঁ। সাধাৰণভাৱে বি. এ. পঢ়িম নে অনাৰ্ছ সহ? অসমীয়া বিভাগৰ ছাৰ-বাইদেউসকলৰ পৰা আমাক মানে মই, তৃপ্তি, নীলিমা, মাধৱীকে[1] আদি কৰি চাৰি-পাঁচ গৰাকীমান ছাত্ৰীক অসমীয়াত অনাৰ্ছ ল'বলৈ

১. ১৯৭০ চনত অসমীয়া বিষয়ত অনাৰ্ছ-সহ স্নাতক হোৱা ছাত্ৰী তৃপ্তি বৰুৱা, নীলিমা হাজৰিকা, মাধৱী বৰা। —সম্পাদক

কোৱা হ'ল। ইফালে অধ্যক্ষ মহোদয়ে লজিকৰ নম্বৰ চাই মোক দৰ্শনত অনাৰ্ছ ল'বলৈ ক'লে। ৰাজনীতি বিজ্ঞানৰ দুই-এগৰাকী অধ্যাপক-অধ্যাপিকায়ো ৰাজনীতি বিজ্ঞান ল'লে পৰীক্ষাত ভাল ফলাফল দেখুৱাব পাৰিম বুলি ক'লে। ৰাজনীতি বিষয়টো পি. ইউ. শ্ৰেণীত পঢ়িছিলোঁ যদিও বৰ ভাল পোৱা নাছিলোঁ। গতিকে গুৰুত্ব নিদি মই দৰ্শন আৰু অসমীয়া অনাৰ্ছ শ্ৰেণীসমূহ সলনা-সলনিকৈ কৰি চালোঁ কোনটো বেছি ভাল লাগে। দৰ্শন লোৱাৰ একমাত্ৰ আকৰ্ষণ আছিল অধ্যক্ষ শ্ৰীযুত মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ। তেখেতে আমাক লজিকৰ জটিল বিষয়বোৰ সাধাৰণ উপমাৰে ইমান হাঁহি উঠাকৈ বুজাইছিল যে, সঁচাকৈয়ে মই সেই ৰসাল বক্তৃতাৰ মোহ এৰিব নোৱাৰিছিলোঁ। কিন্তু বি. এ. শ্ৰেণীত দৰ্শনৰ কথাবোৰ বেছি জটিল হ'ল। শ্ৰেণীত নিয়ম মতে উপস্থিত থাকিব নোৱাৰিলে আৰু পৰীক্ষালৈ ভালদৰে সাজু নহ'লে নহ'ব যেন লাগিল। ইফালে মইতো আগৰ দৰে সপ্তাহত দুই-তিনি দিন বিচনা ল'ব লগা অৱস্থাটো আছেই। গতিকে দৰ্শন এৰি অসমীয়া অনাৰ্ছকে মৰোঁ-জীওঁকৈ খামুচি ধৰিলোঁ।

মই সঁচাকৈয়ে ভাগ্যৱতী। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা তৰু বৰুৱা বাইদেউ, অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা ছাৰ, ইদ্ৰিছ আলি ছাৰ, কৃষ্ণ বৰা আৰু তিলক মজুমদাৰ ছাৰ - কোনো গৰাকীৰ স্নেহ আৰু সহানুভূতিৰ পৰাই মই বঞ্চিত নহ'লোঁ। তেতিয়া অসমীয়া অনাৰ্ছৰ লগত বঙলা আৰু সংস্কৃতো পঢ়িব লাগিছিল। আমাক বঙলা পঢ়োৱা বাইদেউ হ'ল অধ্যাপিকা ইন্দিৰা ভট্টাচাৰ্য। তেখেতৰ স্নেহ আৰু সহানুভূতিৰ কথাও মই জীৱনত পাহৰিব নোৱাৰোঁ। বি. এ. প্ৰথম খণ্ডৰ পৰীক্ষাৰ খবৰ ওলোৱাৰ পিছত হঠাৎ মই বৰ বেছিকৈ সকলোৰে চকুত পৰিলোঁ। মই বোলে সেইবাৰ অসমীয়া অনাৰ্ছত বিশ্ববিদ্যালয়ৰ ভিতৰতে বেছি নম্বৰ পাইছিলোঁ। অসমীয়া বিভাগৰ ছাৰসকল আৰু অধ্যক্ষ মহোদয় বিশেষভাৱে আনন্দিত হ'ল। কিয়নো, সেই বছৰ আমাৰ কলেজৰ পৰা বি এ ফাইনেল শ্ৰেণীত ৰাজনীতি বিজ্ঞানৰ ছাত্ৰী শ্ৰীবিলি দেৱীয়ে (আমাৰ ঘৰৰ ওচৰৰে) দ্বিতীয় বিভাগৰ প্ৰথম স্থান লাভ কৰিছিল। গতিকে মোৰ নম্বৰ দেখি নিশ্চয় তেখেতসকলে ভাবিছিল, ময়ো তেনেদৰে প্ৰথম হ'ম। ক্ষীণ আশা অকণমান পিছে মোৰোযে নাছিল, এনে নহয়। কিন্তু শাৰীৰিক অসুস্থতাৰ কাৰণে একো উচ্চাকাঙ্ক্ষা মই নকৰিছিলোঁ। শিক্ষকসকলে, বিশেষকৈ যোগেন্দ্ৰনাৰায়ণ ভূঞা ছাৰে কিতাপ-পত্ৰ দি সহায় কৰাৰ উপৰিও মানসিক ভাৱেও বেছ উৎসাহ যোগাইছিল।

বি. এ. দ্বিতীয় খণ্ড পৰীক্ষাৰ বাবে কঁকালত টঙালি বান্ধি সাজু হ'লোঁ। ইতিমধ্যে আমাৰ কলেজখন 'নগাঁও গাৰ্লছ কলেজ'



নাম লৈ কলঙৰ ইপাৰৰ পৰা কিছু দক্ষিণৰ ফালে সিপাৰলৈ গ'ল। নগাঁও পৰিবহন নিগমৰ কাৰ্যালয়ৰ ঠিক বিপৰীত ফালে। কলেজৰ সন্মুখত নাৰিকল গছৰ শাৰী। দুফালে দুখন দীঘল টিনৰ চালি, আৰু মাজতে এখন ডাঙৰ বাৰাণ্ডাৰে চাৰি-পাঁচ কোঠলীয়া কলেজৰ কাৰ্যালয়টো। তাৰে মাজৰ কোঠালী এটাত অধ্যক্ষ মহাশয় থাকে। সেই কোঠাটোৰ কথা ভাবিলেই কাণত বাজে মিচিকিয়া হাঁহিৰে গহীন ভাৱে কোৱা এষাৰি কথা, "আহাঁ, সোমাই আহাঁ।" ওহোঁ, প্ৰথমে কোনো সোমাব নোখোজে। ভয়। সকলোৰে বুকু ধপ্‌ধপায়। কিয়? আমাকতো তেখেতে এটা ধমকিও দিয়া নাই কেতিয়াও। হয়তো শ্ৰদ্ধাৰ কাৰণে হোৱা ভয় – যি ভয় আমি শিক্ষকসকললৈ কৰিছিলোঁ, আৰু এতিয়াও কৰোঁ।

বি. এ. ফাইনেল পৰীক্ষাত ভাল ফল দেখুৱাব পাৰিম বুলি মাজে মাজে ভাব হৈছিল যদিও অসুস্থতাৰ কাৰণে মুঠেই আশা কৰিব নোৱাৰিছিলোঁ। তথাপি পঢ়াত কিছু সুবিধা হ'ব বুলিয়েই এসময়ৰ মোৰ সহপাঠী সবলা বসুমতাৰীৰ লগত তেতিয়াৰ নগাঁও গাৰ্লছ কলেজৰ প্ৰথম ছাত্ৰী-নিবাস, আগৰ এল. চি. টোডি গাৰ্লছ কলেজৰ কাষতে থকা এঘৰৰ কোঠা দুটা ভাৰা কৰি থাকিবলৈ ল'লোঁ। শেষত সেই ঘৰৰ পৰা সবলা আন ঠাইলৈ যাব লগা হোৱাত মোৰ অলপ অসুবিধা হ'ল। অধ্যক্ষ মহোদয়ক আমাৰ কলেজৰ ছাত্ৰী-নিবাসতে, আৰ্থিক ক্ষেত্ৰত কিছু ৰেহাই দি থাকিবলৈ দিবনে সুধিলোঁ। তেখেত একে আষাৰে মান্তি হ'ল। কিন্তু এই ক্ষেত্ৰত মই বিশেষভাৱে ঋণী সেই ছাত্ৰী-নিবাসৰে অধীক্ষিকা বাইদেউ ইন্দিৰা ভট্টাচাৰ্যৰ ওচৰত। সেই ছাত্ৰী-নিবাসতে থকা অধ্যাপিকা সবিতা ভট্টাচাৰ্য আৰু ৰেখা দাশগুপ্তা বাইদেউৰ স্নেহো মই জীৱনত পাহৰিব নোৱাৰোঁ। অসুখত মোৰ মুখলৈ চাই অসহায় হৈ তেওঁলোকে পেলোৱা হুমুনিয়াহ এতিয়াও মোৰ কাণত বাজি আছে।

যি হওক, সেই ছাত্ৰী-নিবাসত থাকিয়েই ১৯৭০ চনৰ মে' মাহৰ কোনোবা এটা তাৰিখত পৰীক্ষা দিবলৈ সাজু হ'লোঁ। কিন্তু পৰীক্ষালৈ এমাহমান থকাৰে পৰা মই শয্যাশায়ী। ছাত্ৰী-নিবাসৰ ডাক্তৰ শ্ৰীগণেশ ফুকনে পৰীক্ষা দিবৰ কাৰণে মই শাৰীৰিকভাৱে সক্ষম নহওঁ বুলি ক'লে। অধ্যক্ষ মহোদয়েও মোৰ স্বাস্থ্যলৈ চাই পৰীক্ষা দিব পাৰিম নে নোৱাৰোঁ সুধিলে। প্ৰথম দিনাৰ পৰীক্ষা দিবৰ বাবে মই মূৰেই তুলিব পৰা নাছিলোঁ। মাত মাতিব পৰা শক্তিও মোৰ নাছিল। অধ্যক্ষ মহোদয়ে জানিব পাৰি সেই কাকতখনৰ পৰীক্ষা দিব নালাগে বুলিলে। বাকী কেইখনৰ পৰীক্ষা দিলেই পাছ কৰি যাম বুলি ক'লে হেনো। মই নাচোৰবান্দা। মোৰ এতিয়াও মনত আছে— মই চকু মুদি শুই আছোঁ, আৰু ৰামপুৰৰ মোতকৈ এক শ্ৰেণী তলত পঢ়া কোনোবা এগৰাকী ছাত্ৰীয়ে

মোৰ বহীখন পড়ি গৈ আছে। তেনেকৈ আধাঘণ্টামান শুনাৰ পাছত তেওঁ মোক বিক্সাৰে পৰীক্ষা-ঘৰলৈ নৈ গ'ল। অধ্যক্ষ মহোদয়ৰ কোঠাত সোমাই চল্‌চলীয়া চকুৰে তেখেতক প্ৰণাম কৰিলোঁ। আশীৰ্বাদ দিলে তেখেতে।

পৰীক্ষা-ঘৰত বহি কেইশাৰীমান লিখাৰ পিছতে মূৰ ঘূৰাই মই পৰি গ'লোঁ। কোনে দাঙি নি পিছ ফালে কৰি থোৱা বিচনাত শুৱাই দিলে, গম নাপালোঁ। কোনোবা এগৰাকী শিক্ষকে অকণমান ৰঙা চাহ খুৱাই দিয়াৰ পিছত মোৰ চেতনা আহিল। আৰু মই শুই শুয়েই পৰীক্ষা দিম বোলাত মোৰ কলম-কাগজ তালৈকে আনি দিয়া হ'ল। মোৰ লিখা শেষ নোহোৱালৈকে অধ্যক্ষ মহোদয় এখন চকীত মোৰ শিতানৰ ফালে বহি আছিল। লিখি শেষ কৰাৰ পিছত কৃতজ্ঞতাত মোৰ মূৰ দোঁ খাই গৈছিল অধ্যক্ষ, শিক্ষকসকল আৰু মোৰ সহপাঠীসকলৰ প্ৰতি। আন্ধাৰ-পোহৰ মিহলি নগাঁও গাৰ্লছ কলেজৰ সেই ৰঙীন ছবিখন মই কাহানিও পাহৰিব নোৱাৰোঁ।

তাৰ পিছত জুলাই নে আগষ্টত এদিন বি. এ. ফাইনেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। মোক অবাক কৰি দিলে বাতৰি কাকতৰ পৰীক্ষাৰ ফলাফলৰ শিতানত প্ৰথমে থকা মোৰ নামটোৱে[২]। নিজৰ চকুকে মই বিশ্বাস কৰিব পৰা নাছিলোঁ। মোতকৈ বোধ হয় বেছি আচৰিত আৰু আনন্দিত হৈছিল মোৰ শিক্ষকসকল।

আৰু এটা দিশৰ কথা নকলে আমাৰ কলেজখনৰ কথা আধৰুৱা হৈ ৰ'ব। প্ৰথম আৰু চালুকীয়া ছোৱালী কলেজ হ'লেও খেলা-ধূলা আদি বিষয়তো আমি পিছ পৰি থকা নাছিলোঁ। এই ক্ষেত্ৰত শিক্ষক-সকলেও সক্ৰিয় সহযোগিতা আগবঢ়াইছিল। এনে উৎসৱ মুখৰ পৰিবেশত এনে লাগে যেন আমি সকলো একেটা পৰিয়ালৰে সন্তান। দুই-এটা প্ৰতিযোগিতাত মই যোগ দিছিলোঁ। এটা প্ৰতিযোগিতাত খোজ কাঢ়ি তেতিয়াৰ জুবিলি ফিল্ডখন দুপাক ঘূৰিব লাগে। সেই প্ৰতিযোগিতাত প্ৰথম নে দ্বিতীয় হোৱাৰ কাৰণে ৰূপৰ পদক এটা পোৱাৰ কথা মোৰ ভালকৈয়ে মনত আছে। কলেজৰ আলোচনীত লিখাৰ উপৰি কলেজৰ বছৰেকীয়া অধিবেশনৰ বিভিন্ন সাহিত্য-প্ৰতিযোগিতাত আৰু শঙ্কৰদেৱৰ তিথি উপলক্ষে আয়োজন কৰা বক্তৃতা প্ৰতিযোগিতাতো অংশ গ্ৰহণ কৰি পুৰস্কাৰ পোৱাৰ কথা মোৰ মনত আছে।

এনেকৈয়ে, এনেকৈয়ে এদিন আশা-নিৰাশা, সুখ-দুখ, হাঁহি-কান্দোনে

২. শ্ৰীলীলাৱতী শইকীয়াই দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল। সেইবাৰ প্ৰথম শ্ৰেণী কোনেও পোৱা নাছিল। —সম্পাদক



ৰামধেনু সৃষ্টি কৰা মোৰ নগাঁও ছোৱালী কলেজৰ বেদনা-মধুৰ দিনবোৰ সোণালী অতীত হৈ গ'ল—যাৰ সোঁৱৰণত আজি মই আত্মমুগ্ধ। *

* *লেখিকাই এম.এ. পৰীক্ষাতো প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল। কিছু দিন নগাঁৱৰ আনন্দৰাম ঢেকিয়ালফুকন কলেজত, আৰু কিছু দিন ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যাপনা কৰাৰ পাছত ড০ লীলাৱতী শইকীয়া বৰাই বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা কৰি আছে। —সম্পাদক*


**নতুন দিনৰ প্ৰতিশ্ৰুতিৰে**

**অসমৰ নতন উদ্যোগ নীতি**

**নবীন উদ্যোগীৰ সুখ সমৃদ্ধিময়**

**ভৱিষ্যতৰ প্ৰতিশ্ৰুতি**

**বৈশিষ্ট্যসমূহ ঃ**

- ☐ ৰাজ্যখনৰ ভাৰসাম্য আৰু ক্ষিপ্ৰ ঔদ্যোগিকৰণ
- ☐ ঔদ্যোগিক ক্ষেত্ৰত স্বনিয়োজনৰ জৰিয়তে সন্তোষজনক ভাৱে নিয়োগ সুবিধা সৃষ্টি
- ☐ নবীন উদ্যোগীৰ বাবে উদ্‌গনিমূলক সাহায্য

**উদ্‌গনিমূলক সাহায্যসমূহ**

0 বুনিয়াদী সুবিধাৰ ক্ষেত্ৰত ৰাজসাহায্য 0 ক্ষুদ্ৰ উদ্যোগৰ বাবে কাৰখানা গৃহৰ আবণ্টন 0 সাহায্য থগুলৈ মূলধন বিনিয়োগৰ অংশ গ্ৰহণ 0 স্থানীয় উদ্যোগীৰ জনশক্তি উন্নয়ন 0 সুতৰ ক্ষেত্ৰত ৰাজসাহায্য 0 টিকট শুল্কৰ ৰেহাই 0 বিক্ৰীকৰ ৰেহাই 0 অসম বিত্তীয়কৰ অবামন 0 বৈদ্যুতিক শক্তিৰ ৰাজসাহায্য 0 বিদ্যুৎ সংযোজনৰ বাবে ৰাজসাহায্য 0 সম্ভাৱনাপূৰ্ণ ৰুগ্ন উদ্যোগ গোট পুনৰ সংস্থাপন 0 সম্ভাৱনীয়তা অধ্যয়নৰ ব্যয় বৰঙণি 0 বিদ্যুৎ শক্তি উৎপাদন যতনৰ বাবে ৰাজসাহায্য 0 আপৎ মূলধন গঠন 0 উদ্যোগবিহীন জিলাত স্থাপিত উদ্যোগ আৰু ইলেকট্ৰনিক উদ্যোগৰ বাবে বিশেষ উদ্‌গনিমূলক সাহায্য।

✠ অসম উদ্যোগ সঞ্চালকালয়ৰ তথ্য আৰু জনসংযোগ শাখাৰ দ্বাৰা প্ৰচাৰিত।

শ্ৰীপদুম শইকীয়া

# নগাঁও ছোৱালী কলেজৰ স্মৃতি

'নগাঁও ছোৱালী কলেজ' অসমৰ শিক্ষা-জগতৰ এক গৌৰৱোজ্জ্বল অনুষ্ঠান। একালত এই মহাবিদ্যালয়ৰ ছাত্ৰী হোৱা বাবে আজিও নিজকে ধন্য মানো। মোৰ মনত এই আদৰ্শ শিক্ষানুষ্ঠাটিৰ স্মৃতি সদায় সেউজীয়া হৈ থাকিব। এই অনুষ্ঠানটিক সুঁৱৰিলেই গোনতে মোৰ দুচকুত উদ্ভাসিত হৈ উঠে ইয়াৰ সামগ্ৰিক ৰূপটো। উদাৰ বোৰতী কলঙৰ পাৰত অৱস্থিত অনুষ্ঠানটিত আছিল জ্ঞান সাধনাৰ এক উদাৰ পৰিবেশ, য'ত ছাত্ৰীসকলে সুদূৰ লক্ষ্য ধিয়াই আগবাঢ়ি যোৱাৰ অসীম প্ৰেৰণা লভিছিল। এই পবিত্ৰ অনুষ্ঠানটিত কৰ্মৰত প্ৰতিজনৰে কাৰ্যা-ৱলীত মই এটি সত্য উপলব্ধি কৰিছিলোঁ, যেন তেওঁলোক প্ৰত্যেকেই দেখাত ভিন্ন সত্তাৰ অধিকাৰী হলেও কৰ্মক্ষেত্ৰত এক সত্তাৰ মূলমন্ত্ৰকে গ্ৰহণ কৰি সমান আন্তৰিকতাৰে নিজৰ দায়িত্ব পালন কৰি অনুষ্ঠানটিৰ সৰ্বতোপ্ৰকাৰ উন্নতি সাধনৰ বাবে যত্ন কৰিছিল। সেই পৰিবেশ আছিল যি কোনো নবাগতজনৰ বাবেই প্ৰেৰণাদায়ক। সেই পৰি-বেশে ছাত্ৰীসকলৰ সুন্দৰ জীৱন গঢ়াৰ পণকে প্ৰকাশ কৰিছিল। তেনে পৰিবেশৰ মাজত ছাত্ৰী হিচাপে সোমাই সঁচাকৈয়ে ছাত্ৰী-জীৱনত এক বিশেষ উৎসাহ অনুভৱ কৰিছিলোঁ, যাৰ ফল মোৰ জীৱনত সুদূৰ প্ৰসাৰী।

মই ছাত্ৰী হৈ এই মহাবিদ্যালয়লৈ যাওঁ ১৯৬৯-৭০ শিক্ষাবৰ্ষত। মহাবিদ্যালয়খন স্থাপিত হয় ১৯৬২ চনত। গতিকে ছাত্ৰীৰ সংখ্যা তেতিয়া আজিৰ দৰে নাছিল। ছাত্ৰী-বাসো মহাবিদ্যালয়ৰ নিচেই কাষতে নাছিল। তথাপি নিয়ম-শৃংখলাৰ মাজত থাকি ছাত্ৰীসকলে শিক্ষা আহৰণ কৰিছিল। মই এই মহাবিদ্যালয়লৈ যোৱাৰ এটি কাৰণো আছিল। নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ঘৰত থাকোঁতেই হঠাৎ এদিন এখন চিঠি পালোঁ নগাঁও ছোৱালী মহা-বিদ্যালয়ৰ পৰা। অভিভাৱকলৈ পঠোৱা চিঠি—ছাত্ৰীৰ নাম ভৰ্তিকৰণৰ বাবে। মনটো বৰকৈ আকৰ্ষিত হ'ল অনুষ্ঠানটিৰ প্ৰতি। নাম ভৰ্তি কৰিলোঁ। মহাবিদ্যালয়খনৰ বাহ্যিক অৱয়ৱ সিমান সৌষ্ঠৱপূৰ্ণ নেদে-খিলোঁ যদিও আভ্যন্তৰীণ সৌষ্ঠৱে মোক মুগ্ধ কৰিলে। অধ্যক্ষ হিচাপে লাভ কৰিলোঁ যশস্বী সাহিত্যিক শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামীদেৱক। তেখেতৰ পাণ্ডিত্যপূৰ্ণ অথচ মৰমিয়াল ব্যক্তিত্ব, কৰ্তব্যনিষ্ঠাৰ আদৰ্শ, নিয়মানুবৰ্তিতা দেখি অভিভূত হ'লোঁ। তেনে ব্যক্তিত্বৰ বাবেই হয়তো তেখেতে অনু-ষ্ঠানটিক সুচাৰু ৰূপে পৰিচালনা কৰি উন্নতিৰ শিখৰলৈ তুলি নিবৰ বাবে



সমৰ্থ হৈছিল। তেখেতৰ নিয়মানুবৰ্তিতাৰ চানেকিয়ে ছাত্ৰী হিচাপে মোৰ অন্তৰতো গভীৰভাৱে ৰেখাপাত কৰিছিল। কোনো সভা বা অনুষ্ঠানৰ যি সময় ছাৰে বান্ধি দিছিল, তাৰ অলপো লৰ-চৰ হবলৈ নিদিছিল। কোনোৱে সেই নিয়ম মানিব নোৱাৰিলে শুভাৰম্ভৰ মুহূৰ্তটো উপভোগ কৰাৰ পৰা বঞ্চিত হব লগা হৈছিল। এনে দুৰ্ভাগ্যজনক পৰিস্থিতিৰ সন্মুখীন দুদিনমান ময়ো হৈছিলোঁ। তেতিয়াৰ পৰাই নিয়মীয়া উপ-স্থিতিৰ বাবে যত্নপৰ হৈছিলোঁ। সেয়েহে আজিও কোনো সভা-সমিতি নিৰ্দিষ্ট সময়ত আৰম্ভ নহ'লে মনত এক বিশেষ অশান্তি অনুভৱ কৰোঁ, আৰু মহাবিদ্যালয়ৰ সেই দিনবোৰৰ কথা সোঁৱৰোঁ। সেই সময়ত ছাৰৰ শাৰীৰিক অসস্থতাও আছিল; কিন্তু তেখেত ক্লান্ত হোৱা আমি নেদেখিছিলোঁ। সদায় দৃঢ় কণ্ঠেৰে, পৰিপাটি বেশ-ভূষাৰে অনুষ্ঠানটি পৰি-পাটিকৈয়ে চলাই গৈছিল। ছাৰৰ বলিষ্ঠ মানসিকতাৰ বাবেই হয়তো সি সম্ভৱ হৈছিল।

মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল মোৰ বাবে প্ৰত্যেকেই চিৰনমস্য ব্যক্তি। আদৰ্শ শিক্ষকৰ ভূমিকাৰে তেখেতসকলে ছাত্ৰীসকলৰ সফলতা আৰু ছাত্ৰীসকলৰ মাজেৰে অনুষ্ঠানটিৰ সফলতা কামনা কৰাটো মই অনুভৱ কৰিছিলোঁ। আমাৰ লগত আছিল তেখেতসকলৰ মধুৰ সম্পৰ্ক। মই এনে এগৰাকী ছাৰ-বাইদেউ পোৱা নাছিলোঁ যি স্নেহপূৰ্বক এষাৰি মাত দিয়া নাছিল। ছাত্ৰী হিচাপে মই কেতিয়াবা তেখেতসকলৰ ওচৰত ইতস্ততঃ বোধ কৰিছিলোঁ; কিন্তু সেইটো বুজি পাই তেখেতসকলে তেখেত-সকলৰ ফালৰ পৰাই সেই ভয়, শংকা দূৰ কৰি নিবিড় সম্বন্ধ স্থাপন কৰি অধ্যয়নত প্ৰতিমুহূৰ্তে অনুপ্ৰেৰণা যোগাইছিল। মোৰ অন্তৰত তেখেত-সকলে এক বিশিষ্ট স্থান সদায় অধিকাৰ কৰি থাকিব।

ছাৰ-বাইদেউসকলৰ ক্ষেত্ৰত মই এটি কথা দেখিবলৈ পাইছিলোঁ যে যেনেদৰে আমি অধ্যয়নৰ বাবে মহাবিদ্যালয়লৈ গৈছিলোঁ, তেনেদৰে তেখেতসকলেও যেন আমাৰ ওপৰত অধ্যয়ন চলাইছিল। সেই অধ্যয়নৰ পৰা কোনো ছাত্ৰীয়েই বাদ পৰা নাছিল। সেয়েহে যি কোনো ছাত্ৰীৰ ওপৰত সম্যক ধাৰণা এটি হওঁতে তেখেতসকলৰ বেছি সময় নালাগিছিল। তেনে ধাৰণাৰে বিভিন্ন ছাত্ৰীক অধ্যয়নৰ উপৰিও সাহিত্য-সংস্কৃতিৰ দিশতো বিশেষভাৱে অনুপ্ৰেৰণা যোগাইছিল। ময়ো এনে অনুপ্ৰেৰণা তেখেতসক-লৰ পৰা পাইছিলোঁ। এই ক্ষেত্ৰত দিয়া অনুপ্ৰেৰণাৰে মোক সাহিত্য বিষয়ক বিভিন্ন সভা, প্ৰতিযোগিতা আদিত যোগ দিবলৈ বাধ্য কৰিছিল মোৰ পৰম শ্ৰদ্ধাৰ গুৰু শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞাছাৰে। সেয়েহে তেনে অনু-ষ্ঠানত যোগ দিছিলোঁ, পুৰস্কাৰো পাইছিলোঁ। সেই অনুপ্ৰেৰণাৰে মই আজিও অনুপ্ৰাণিত। তেনে অনুপ্ৰেৰণাৰে উদযাপিত হোৱা মহাবিদ্যা-লয়ৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানসমূহো বিশেষ আকৰ্ষণীয় হৈছিল।

সেই দিনবোৰৰ কথা সুঁৱৰিলে বৰ ভাল লাগে। সেইবোৰত আমাৰ উপস্থিতি আছিল একপ্ৰকাৰ বাধ্যতামূলক। অনুষ্ঠানটিৰ নিয়মৰ দাবীত প্ৰায় অনুষ্ঠানতে উপস্থিত থাকিবলৈ বাধ্য হৈছিলোঁ, উপভোগো কৰিছিলোঁ। মোৰ ঘৰ মহাবিদ্যালয়ৰ পৰা যথেষ্ট দূৰত। গতিকে মোৰ সহৃদয়া ছাত্ৰী-বাসৰ বান্ধৱীসকলে তেওঁলোকৰ লগত থকাৰ ব্যৱস্থা দি ৰাতিৰ অনুষ্ঠান উপভোগত সহায় কৰিছিল। তেনে আনন্দৰ মাজেৰেই সকলোৰে লগত একতাৰ দোলেৰে বান্ধ খাই নিয়মীয়া অধ্যয়ন চলাইছিলোঁ।

মই অনাৰ্ছ লৈছিলোঁ অসমীয়া বিষয়ত। প্ৰথমতে বৰ ভয় খাইছিলোঁ; কিজানি নোৱাৰোঁ। কাৰণ মই কলেজখনত প্ৰাকবিশ্ববিদ্যালয় শ্ৰেণী পঢ়া নাই। অনাৰ্ছৰ বাছনী পৰীক্ষা দিলোঁ। ভাল নম্বৰেই পালোঁ। আগ্ৰহ বাঢ়িল, মনোবলো বাঢ়িল। ছাৰ-বাইদেউসকলৰ আন্তৰিকতাপূৰ্ণ শিক্ষাদানত মুগ্ধ হলোঁ। এইখিনিতে মোৰ শিক্ষাগুৰুসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তেখেতসকলৰ চেনেহ-ভৰা আশীৰ্বাদ নোপোৱা হলে নিশ্চয় মোৰ বাবে সুফল লাভ কৰাটো সহজ-সাধ্য নহ'লহেঁতেন। প্ৰতি গৰাকীয়েই নিয়মীয়া পাঠদানৰ উপৰিও আন্তৰিকতাৰে আমাৰ অধ্যয়নৰ প্ৰতি নজৰ ৰাখিছিল। মজুমদাৰ ছাৰে গুৱাহাটীৰ পৰা দুৰ্লভ গ্ৰন্থ আনি আমাক সহায় কৰিছিল। ভুঞা ছাৰে অসম সাহিত্য সভাৰ পত্ৰিকা পৰ্যন্ত আমি পোৱাৰ ব্যৱস্থা কৰি দিছিল। আলি ছাৰে যি কোনো অসুবিধাৰ বাবে তেখেতৰ ঘৰলৈ যাবলৈ তেখেত থকা ভাৰা ঘৰটিৰ যি বৰ্ণনা আমাৰ আগত দাঙি ধৰিছিল, সি আজিও মোৰ মনত মচ নেখোৱা হৈ আছে। বৰা ছাৰে প্ৰায়ে আমাৰ ঘৰলৈ গৈ সজ দিহা-পৰামৰ্শ আগ বঢ়াইছিল। বৰুৱা বাইদেৱে যি কোনো কিতাপৰ প্ৰয়োজন হলেই তেখেতৰ ঘৰলৈ মাতিছিল, আৰু মহাবিদ্যালয় পুথি ভঁড়ালৰো প্ৰায় কিতাপ তেখেতৰ নামত লৈ পঢ়াৰ সুবিধা কৰি দিছিল। মুঠতে আমাৰ কৃতকাৰ্যতাৰ বাবে সৰ্বতোভাৱে তেখেতসকলে সহায় আগবঢ়ালে। নিয়মীয়া পাঠদানতো আছেই। সেই নিয়মৰ মাজত আমিও অধ্যয়নত অনিয়মীয়া হোৱাৰ সুবিধা নাপালোঁ। যত্ন সহকাৰে পঢ়িলোঁ। মহাবিদ্যালয়ৰ ভিতৰুৱা পৰীক্ষাসমূহত ভাল নম্বৰেই লাভ কৰিলোঁ। তেখেতসকল অলপ সন্তুষ্ট হোৱা যেন অনুমান হ'ল। ভালকৈ লিখা দুই-এখন বহী তেখেতসকলে উৎসাহেৰে বাকীসকলকো দেখুৱালে। সেই সম্পৰ্কে পিছত মই বিভিন্ন গৰাকী ছাৰ-বাইদেউৰ পৰা গম পাইছিলোঁ। সেই সকলেও মোক উৎসাহিত কৰিলে। এটা কথাত মই বৰ আচৰিত হৈছিলোঁ যে তেনে ছাৰ-বাইদেউ প্ৰায় কেইগৰাকীৰে নিজা বিষয়সমূহৰ ছাত্ৰী মই নাছিলোঁ। তাৰ পৰা মই তেখেতসকলৰ ছাত্ৰী-সকলৰ প্ৰতি সৰ্বাত্মক কল্যাণ কামনাৰ মনোভাবৰ সন্ধানকে লাভ কৰিছিলোঁ।



মই পৰম উৎসাহেৰে অধ্যয়নত মনোনিবেশ কৰিলোঁ। স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষাত অৱশ্যে মই আশানুৰূপ সুফল লাভ কৰিব নোৱাৰিলোঁ। হলেও দ্বিতীয় খণ্ডৰ পৰীক্ষাৰ নম্বৰৰ সহায়ত সুফল লাভৰ আশা পৰিত্যাগ নকৰিলোঁ। শিক্ষাগুৰুসকলে অধিক উৎসাহেৰে আমাক সহায় কৰিলে। যি কোনো আলোচনাৰ বাবে তেখেতসকলৰ ঘৰৰ দুৱাৰো আমাৰ বাবে সদায় খোলা আছিল। মঠতে সৰ্বান্তঃকৰণেৰে তেখেতসকলে আমাৰ কৃতকাৰ্যতা কামনা কৰিলে। সেই পৱিত্ৰ আশা পূৰণৰ বাবে আমিও যত্নপৰ হলোঁ। এনেদৰেই এদিন তৃতীয় বাৰ্ষিকৰ চূড়ান্ত পৰীক্ষাৰ সময় ওচৰ চাপিলহি। পৰীক্ষা ভালদৰে দি আছিলোঁ; কিন্তু অষ্টম প্ৰশ্ন-কাকতৰ দিনা প্ৰশ্ন-কাকতখন অগতানুগতিক হোৱা বাবে বুজোঁতেই বহু সময় গ'ল। উত্তৰ কৰোঁতে সময়ৰ নাটনি যেন অনুভব কৰিলোঁ। সেই কাকতখন পঢ়াইছিল ভুঞাছাৰে। পৰীক্ষা শেষ হোৱাৰ লগে লগে ছাৰে আগ্ৰহেৰে আমাৰ ওচৰত উপস্থিত হৈ কেনে কৰিলোঁ সুধিলে। মই টপৰাই প্ৰশ্ন পাই আমাৰ কেনে অৱস্থা হৈছিল, আৰু সেই বাবেই যে খুব ভাল উত্তৰ কৰা যেন নালাগিল, সেই কথা কলোঁ। ছাৰে বিষণ্ণ মনেৰে আমাক কৈছিল, "এৰা কি কৰিবা ? আমাৰেই কপাল বেয়া।" মনত বৰ আঘাত পাইছিলোঁ। কিন্তু ভগৱানৰ কৃপাত সেইখন কাকতত আটাইতকৈ ভাল নম্বৰেই লাভ কৰিছিলোঁ। পৰীক্ষাৰ ফলাফলো ভালেই হ'ল। অনাৰ্ছ বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ পালোঁ। ইয়াক ছাৰ-বাইদেউসকলৰ পৱিত্ৰ কামনাৰে একান্ত পৰিণতি বুলি বিবেচনা কৰিলোঁ। যি হওক, তেখেতসকলৰ অন্তৰত আনন্দ দিব পাৰি নিজকে ধন্য মানিলোঁ। এই সুফলত তেখেতসকলে কেনে আনন্দ লভিছিল, তাৰ সংবাদ ঘৰত থাকিয়েই অঞ্চলৰ আন ছাত্ৰীৰ মুখৰ পৰা গম পালোঁ। তেখেতসকলক লগ পাবলৈ মহাবিদ্যালয়লৈ গলোঁ। সকলোৰে মুখত প্ৰকাশিত হোৱা আনন্দৰ ছবি দেখি আৰু উৎসাহ-বাণী শুনি পৰম শান্তি লাভ কৰিলোঁ। তেখেতসকলে স্নাতকোত্তৰ শ্ৰেণীত পঢ়াৰ বাবে নানা দিহা-পৰামৰ্শ আগবঢ়ালে। এইখিনিতে অকালতে আমাৰ মাজৰ পৰা আঁতৰি যোৱা আমাৰ গুৰু বিনয় বৰা ছাৰক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তেখেতে মোক ভাষা বিষয়ত পঢ়ি আহিবলৈ বাৰে বাৰে কোৱা কথা কেইষাৰ আজিও কাণত ধ্বনিত হয়। ভগৱানে তেখেতৰ আত্মাক চিৰশান্তিত ৰাখক, এয়ে প্ৰাৰ্থনা।

সেই বছৰৰ পৰা নগাঁও সাহিত্য সভাই অসমীয়া অনাৰ্ছত সৰ্বোচ্চ স্থান লাভ কৰা ছাত্ৰীৰ বাবে পুৰস্কাৰ দিয়াৰ দিহা কৰিছিল। নগাঁও সাহিত্য সভাৰ সভাপতি আছিল আমাৰ অধ্যক্ষ মহোদয় শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামীদেৱ। সেইবাৰ নগাঁও সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনখন আমাৰ মহাবিদ্যালয়তে অনুষ্ঠিত হৈছিল। সেই অধিবেশ-

নৱ মুকলি সভাত বাগ্মীবৰ নীলমণি ফুকনদেৱৰ হাতৰ অমৃত পৰশেৰে সাহিত্য সভাৰ পুৰস্কাৰ গ্ৰহণ কৰিবলৈ পাই নিজকে পুনৰ ধন্য মানিলোঁ। মহাবিদ্যালয়খনৰ সেই কথাবোৰ আজিও মোৰ বাবে সোঁ সিদিনাৰ হৈ আছে। ✲

---

* শ্ৰীপদুম শইকীয়া সম্প্ৰতি নগাঁৱৰ এ. ডি. পি. কলেজৰ অসমীয়া বিভাগৰ অধ্যাপিকা। —সম্পাদক


Wishing the Celebration of Silver Jubilee of
NAGAON GIRLS' COLLEGE

A Grand Success

Hindustan Paper Corporation Limited
( A Government of India Enterprise )
NAGAON PAPER MILL
JAGIROAD - 782 410, Dist. Nagaon, Assam.

In the march of contributing to the Nation's alround development -- producing quality writing and printing papers.


শ্ৰীমতী আল্পনা সৰকাৰ ডেকা

# মই পঢ়ি অহা কলেজখন

ৰূপালী জয়ন্তী উদ্‌যাপন কৰিবলৈ ওলোৱা নগাঁও ছোৱালী কলেজৰ ঐতিহ্য আছে। ইয়াৰ উত্থানৰ ইতিহাসো কম উল্লেখনীয় নহয়। সুদক্ষ অধ্যক্ষৰ তত্ত্বাৱধানত, অধ্যাপক-অধ্যাপিকাসকলৰ চেষ্টা তথা পৰিশ্ৰমৰ ফলত, কৃতী ছাত্ৰীসকলৰ অবিহণাৰে কলেজখনৰ এই গৌৰৱময় ইতিহাসে গঢ় লৈ উঠিছে।

এই কলেজৰে ছাত্ৰী হোৱাৰ সৌভাগ্য ঘটিছিল মোৰ ১৯৭৭-৭৯ চনত। ১৯৭৭ চনত নগাঁও কলেজৰ পৰা বিজ্ঞান শাখাত প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হৈ আহি নগাঁও ছোৱালী কলেজত দুবছৰীয়া স্নাতক শ্ৰেণীৰ (অসমীয়া অনাৰ্ছ) ছাত্ৰী হিচাপে ভৰ্তি হওঁ। ইয়াৰ বিশেষ কাৰণ হিচাপে মই কব পাৰোঁ যে, নগাঁও কলেজত পঢ়ি থকা অৱস্থাতেই নগাঁও ছোৱালী কলেজৰ সুনামৰ বাবে কলেজখনত শিক্ষা গ্ৰহণৰ বাবে মই আগ্ৰহী হৈ উঠিছিলোঁ। সেই কাৰণে যেতিয়াই মই বিজ্ঞান নপঢ়াৰ সিদ্ধান্ত ললোঁ, তেতিয়াই এইখন কলেজত ভৰ্তি হ'বৰ বাবে মন স্থিৰ কৰিলোঁ। অৱশ্যে এই ক্ষেত্ৰত মোৰ অভিভাৱকসকলৰ পৰাও সঁহাৰি ঠিকেই পাইছিলোঁ।

নগাঁও ছোৱালী কলেজত মই পঢ়ি অহা দিনবোৰৰ কথা ভাবিলে প্ৰথমেই মনলৈ আহে মূৰত পাগুৰিৰে সৈতে চুৰিয়া-পঞ্জাৱী পৰিহিত সদা হাস্যময় সৌম্যমূৰ্তি অধ্যক্ষ শ্ৰীযুত মহেশ চন্দ্ৰ দেৱ গোস্বামীদেৱলৈ। ছাৰৰ ব্যক্তিত্বই আমাক মুগ্ধ কৰিছিল। অধ্যক্ষ হিচাপে তেখেতে ছাত্ৰীসকলক মৰম আৰু শাসন সমানে কৰিছিল। কিবা সমস্যা লৈ ছাৰৰ কাষ চাপিলে গভীৰ সহানুভূতিৰে তেখেতে সমস্যাবিলাক বিবেচনা কৰি চাইছিল। কেতিয়াবা আনকি আজৰি সময়ত আমি চানাচুৰৱালাৰ পৰা চানা কিনি খাই থকা অৱস্থাত ছাৰ সেইপিনে যাবলগীয়া হলে আমাক মাতি ইটো-সিটো কথা পাতিছিল। মোৰ এতিয়াও মনত পৰে, আমাৰ বি. এ. পৰীক্ষাৰ ফলাফল ওলোৱাৰ পাছত ছাৰে মোৰ পৰীক্ষাৰ নম্বৰখিনি চাই কৰা মন্তব্যলৈ — "আৰু কেইটামান নম্বৰ পোৱা হলে তুমি ফাৰ্ষ্ট ক্লাছেই পালাহেঁতেন।" লাজ লাজকৈ হাঁহি মই ছাৰক উত্তৰ দিছিলোঁ—"ইংৰাজীত আৰু এটা নম্বৰ কম পালেই মই 'গ্ৰেচ' পালোহেঁতেন ছাৰ।" মোৰ এই উত্তৰ শুনি ছাৰে যেনেকৈ প্ৰাণ খুলি হাঁহিছিল, তাতেই জানিছিলোঁ ছাৰৰ আমাৰ প্ৰতি কিমান মৰম।

নগাঁও ছোৱালী কলেজৰ কথা লিখিবলৈ যাওঁতে এটা কথা

নিলিখিলে মোৰ ভুল হ'ব। সেয়া হ'ল, কলেজখনৰ প্ৰতিটো দিশ স্পৰ্শ কৰি থকা কঠোৰ নিয়মানুবৰ্তিতাৰ অনুশীলন। আমি পঢ়ি থকা দিনবিলাকত দেখিছিলোঁ, প্ৰায় প্ৰত্যেকগৰাকী অধ্যাপক-অধ্যাপিকাই নিজ নিজ কৰ্তব্য সুচাৰুৰূপে পালন কৰিছিল। তেখেতসকলৰ সময়-নিষ্ঠা তথা শিক্ষাদানৰ ঐকান্তিক প্ৰচেষ্টাই ছাত্ৰীসকলকো পঢ়া-শুনাৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিছিল। এই কাৰণেই বোধ হয় চূড়ান্ত পৰীক্ষাসমূহত কলেজখনে সদায় বিশ্ববিদ্যালয়ৰ ভিতৰতে ভাল ফল দেখুৱাই আহিব পাৰিছে। নগাঁও ছোৱালী কলেজত পঢ়ি থকা দিনবোৰে মোক বেছিকৈ মনত পেলাই দিছিল মোৰ গাঁৱৰ স্কুলখনৰ কথা। গাঁৱৰ স্কুলবিলাকত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি লোৱা যত্ন মই নগাঁও ছোৱালী কলেজৰ শিক্ষকসকলৰ ক্ষেত্ৰতো অনুভৱ কৰিছিলোঁ। যি আন্তৰিকতাই শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত থকা দূৰত্ব দূৰ কৰি শিক্ষাৰ্থীসকলক শিক্ষাৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলি নজনা বিষয়টো আয়ত্ত কৰাৰ বাট প্ৰশস্ত কৰি তোলে, সেই আন্তৰিকতা আমাৰ অধ্যাপক-অধ্যাপিকাসকলৰ মাজত দেখি তেখেতসকলৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ পাই গৌৰৱ বোধ কৰিছিলোঁ। একেটা কাৰণতে স্নাতক পৰীক্ষাত মই ভাল ফল দেখুৱাব পাৰিছিলোঁ। তাৰ বাবে শিক্ষা গ্ৰহণৰ ঋণতকৈও বেছি পৰিমাণে মই মোৰ কেইগৰাকীমান অধ্যাপক-অধ্যাপিকাৰ ওচৰত ঋণী। সেয়েহে নগাঁও ছোৱালী কলেজ মোৰ কাৰণে অকল বিদ্যা-নিকেতনেই নহয়, শ্ৰেষ্ঠ শিক্ষাৰ আলয়ো।

নগাঁও ছোৱালী কলেজৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ছাত্ৰীসকলৰ সাজ-পাৰ। এটা সময়ত অসমত প্ৰায় প্ৰত্যেকখন কলেজতে বাধ্যতামূলক হিচাপে ব্যৱহাৰ কৰিবলৈ দিয়া 'ইউনিফৰ্ম' বৰ্তমান কেইখন কলেজত ব্যৱহৃত হৈ আছে, সেইটো আঙুলি মূৰত লেখিব পাৰি। কিন্তু নগাঁও ছোৱালী কলেজে এই 'ইউনিফৰ্ম'ৰ পৰম্পৰা আজিকো পাতি ৰক্ষা কৰি আহিছে। এই ক্ষেত্ৰত অধ্যক্ষদেৱৰ উপৰিও অধ্যাপক-অধ্যাপিকাসকলেও তত্ত্বাৱধান কৰিছিল, আৰু সতৰ্ক দৃষ্টি ৰা'খছিল। 'ইউনিফৰ্ম' পিন্ধি নোযোৱা ছাত্ৰীসকলক ভ'ৎসনা কৰিছিল। 'ইউনিফৰ্ম' আন কি ক'পাৰেটিভ চচাইটিৰ যোগেদি কাপোৰ যোগান ধৰাৰ ব্যৱস্থাও কৰা হৈছিল। এই 'ইউনিফৰ্মে' ছাত্ৰীসকলক একতা আৰু সংহতিৰ মন্ত্ৰ শিকাইছিল। এতিয়াও 'ইউনিফৰ্ম' পিন্ধি কলেজলৈ অহা-যোৱা কৰা ছাত্ৰীসকলক দেখিলে মনটো আনন্দেৰে ভৰি পৰে। নগাঁও ছোৱালী কলেজৰ পৰা পোৱা এই নিয়মানুবৰ্তিতাৰ শিক্ষাই মোক জীৱন-যাত্ৰাত যথেষ্ট অৰিহণা যোগাইছে।

স্মৃতি কেতিয়াবা মধুৰ হয়, কেতিয়াবা আকৌ দুখৰো হয়। একেধৰণেই নগাঁও ছোৱালী কলেজত মই পঢ়ি অহা সেই দিনবোৰৰ স্মৃতি ৰোমন্থন কৰিলেই মোৰ ছাত্ৰী-জীৱনত ঘটা দুটামান অম্ল-মধুৰ ঘটনাৰ কথা মনলৈ আহে। অসমীয়াত অনাৰ্ছ পঢ়িম বুলিয়েই মই বিজ্ঞান এৰি কলালৈ আহোঁ। কিন্তু শ্ৰেণীসমূহ আৰম্ভ হোৱাৰ লগে লগেই মই এটি বিশেষ পৰিস্থিতিৰ সন্মুখীন হলোঁ। আমাৰ লগত অসমীয়া বিষয়ত ৩১ গৰাকী ছাত্ৰীয়ে অনাৰ্ছ পঢ়িবলৈ লৈছিল। তাৰ ভিতৰত ময়েই আছিলোঁ একমাত্ৰ বিজ্ঞান শাখাত পাছ কৰি অহা, আৰু আন হাতেদি তথাকথিত বঙালী সম্প্ৰদায়ৰ ছোৱালী। শ্ৰেণীলৈ আহক ভূঞা ছাৰ। আটাইকেইজনী ছোৱালীৰ পৰিচয়, পৰীক্ষাত পোৱা বিষয়সমূহৰ নম্বৰ এফালৰ পৰা সুধি গৈছে। মোৰ পাল পৰিল। উপাধিটো 'সৰকাৰ', তাতে বিজ্ঞান পঢ়ি আহিছোঁ বুলি জানিব পাৰি তেখেতে মোক অনাৰ্ছ লবলৈ দিব নোখোজে এতিয়া। ছাৰৰ কথা হ'ল, মই বিজ্ঞান পঢ়ি আহিছোঁ, আনহাতে বঙালী ছোৱালী, গতিকে মই অনাৰ্ছ পঢ়িব নোৱাৰিম। তেখেতে মোক অনাৰ্ছ লবলৈ (অসমীয়াত) নিদিবই। আনহাতে, মোৰ কথা হ'ল, মই অসমীয়াতেই অনাৰ্ছ পঢ়িম। এদিনাখন (প্ৰসঙ্গটো পাহৰিলোঁ) ছাৰে মোক কৈছিল—"অসমীয়াত অনাৰ্ছ পঢ়িবলৈ হলে অকল অসমীয়া ভাষা জানিলেই নহ'ব, অসমীয়া জাতিটোকো জানিব লাগিব।" মোৰ বা কি হৈছিল, বোধ কৰোঁ জেদতেই তেখেতক উত্তৰ দিছিলোঁ -"অসমৰ গাঁও এখনত উপজি, অসমতেই ডাঙৰ-দীঘল হোৱাৰ পিছতো অসমীয়া জাতিটোক মই জনা নাই নেকি?" ইয়াৰ পিছতো শ্ৰেণীত ছাৰে মোকেই প্ৰশ্ন সোধে, আৰু হাৰ নামানি ময়ো উত্তৰ দিওঁ। শেষত মোৰ জেদৰ বাবেই বোধ কৰোঁ ছাৰে মোক অনাৰ্ছ ৰাখিবলৈ দি পৰীক্ষা কৰিছিল মোৰ জেদ, সাহস আৰু কষ্ট-সহিষ্ণুতাৰ। এতিয়াও মনত পৰে, ভূঞা ছাৰে স্বনামধন্য কথা সাহিত্যিক অধ্যাপক মহিম বৰা দেৱক কোৱা কথাষাৰ, "ছাৰ, আল্পনাক অনাৰ্ছ পোৱাইহে এৰিম।" ছাৰৰ এই উক্তিৰ সাৰ্থকতা প্ৰমাণ কৰিবলৈকে যেন মোৰ শিক্ষা জীৱনৰ দুটা বছৰ মই যথেষ্ট পৰিশ্ৰম কৰিছিলোঁ। আনহাতে মোৰ সেইগৰাকী শিক্ষাগুৰুৱেই, যি গৰাকীয়ে মোক প্ৰথমে অনাৰ্ছ পঢ়িবলৈকে দিব নুখুজিছিল, তেখেতেই হৈ পৰিল মোৰ জীৱনত শিক্ষক, উপদেষ্টা, আনহাতে মোৰ পৰম হিতাকাঙ্ক্ষী। পিছলৈ তেখেতেই মোক মোৰ প্ৰয়োজনীয় কিতাপ-পত্ৰ দি ভাল ফল দেখুওৱাত মোক সহায় কৰে। তেখেতৰ ওচৰত মই চিৰ ঋণী।

আৰু এটি সৰু ঘটনাৰ কথা মই উল্লেখ কৰিব খুজিছোঁ যিটিয়ে নগাঁও ছোৱালী কলেজৰ শিক্ষকসকলে যে ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা গভীৰভাৱে চিন্তা কৰে, তাৰ প্ৰমাণ বহন কৰে। ইকনমিক্স মোৰ প্ৰিয় বিষয় আছিল। কিন্তু অসমীয়াত অনাৰ্ছ পঢ়াৰ বাবে ইকনমিক্স বিভাগৰ অধ্যাপিকা ভানু পদ্মপতি বাইদেৱে মোক এই বিষয়টো পঢ়িবলৈ

নিদিয়ে—মোৰ পৰিশ্ৰম বেছি হ'ব বুলি ভাবিয়েই। প্ৰথম দুটা দিন শ্ৰেণীলৈ গৈছোঁ; দুয়ো দিনেই বাইদেৱে মোক ইকনমিক্স এৰি অন্য বিষয় লবলৈ কৈছিল। মই মনে মনে আছিলোঁ। তৃতীয় দিনাও। আচলতে বাইদেৱে মোৰ ভালৰ বাবেই, আৰু অনাৰ্ছ বিষয়ত মন পূতি লাগিব পাৰিম বুলিয়েই এনেকুৱা কৰিছিল। মই কিন্তু তেতিয়া বাইদেউক পেটে পেটে বেয়া পাইছিলোঁ। কিন্তু যেতিয়া বি. এ. পৰীক্ষাৰ ফল ওলাল, আৰু মই বাইদেউৰ বিষয়তো পাছ কৰিলোঁ, তেতিয়া বাইদেউৰ মিচিকি আনন্দৰ ভাব দেখিলোঁ, তাতেই বুজিলোঁ, ছাৰ-বাইদেউসকলৰ আমাৰ ছাত্ৰীসকলৰ প্ৰতি থকা আন্তৰিকতা ভৰা মৰমৰ কথা।

নগাঁও ছোৱালী কলেজে মোক কেৱল পুথিগত শিক্ষাকেই দিয়া নাই; দিছে জীৱন-পথৰ পাথেয় বুটলিবলৈ সাহস, শকতি আৰু অনুপ্ৰেৰণা। এতিয়াও নগাঁও ছোৱালী কলেজৰ ভাল ফলৰ কথা শুনিলে, ভাল বতৰা পালে ভাল লাগে, আনন্দ অনুভৱ কৰোঁ, গৌৰৱ বোধ কৰোঁ। নগাঁও ছোৱালী কলেজৰ উন্নতি হওক, আজি ৰূপালী জয়ন্তী উৎসৱত তাকেই সৰ্বান্তঃকৰণে কামনা কৰিছোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।*

* শ্ৰীমতী আল্পনা সৰকাৰে ১৯৭৯ চনত অনুষ্ঠিত বি.এ. পৰীক্ষাত অসমীয়া অনাৰ্ছ বিষয়ত বিশ্ববিদ্যালয়ত প্ৰথম স্থান (দ্বিতীয় শ্ৰেণীৰ) অধিকাৰ কৰিছিল (প্ৰথম শ্ৰেণী কোনেও পোৱা নাছিল)। বৰ্তমান তেওঁ গোৱালপাৰাৰ বিকালী কলেজত অসমীয়া বিষয়ত অধ্যাপনা কৰি আছে। —সম্পাদক

শ্ৰীইদ্ৰিছ আলি

# চৰৈৱেতি চৰৈৱেতি

১৯৬৫ চনৰ কথা।

অসম প্ৰকাশন পৰিষদত সাহিত্যিক-সহায়ক ৰূপে চাকৰি কৰি আছোঁ। এম. এ. পৰীক্ষা দি উঠিছোঁ, ফলাফল তেতিয়াও ওলোৱা নাই। এদিন হঠাৎ আসাম ট্ৰিবিউন কাকতত 'এল. চি. টোডি ছোৱালী কলেজ'ৰ অসমীয়া বিভাগৰ বাবে অধ্যাপক বিচৰা বিজ্ঞাপন প্ৰকাশ হোৱা চকুত পৰিল। কি ভাবি নেজানো, অবিলম্বে আবেদন-পত্ৰ প্ৰেৰণ কৰিলোঁ। তাৰ এসপ্তাহমান পিছত পৰিষদৰ তেতিয়াৰ শিলপুখুৰীস্থ কাৰ্যালয়ৰ সমুখত দেখা পালোঁ এগৰাকী চুটি-চাপৰ বয়োজ্যেষ্ঠ ব্যক্তি। মন টানি ধৰা ব্যক্তিত্ব, মুৰত সত্ৰীয়া পাগ। মানুহজন পোনে পোনে গৈ পৰিষদৰ তেতিয়াৰ সচিব শ্ৰীবিশ্ব নাৰায়ণ শাস্ত্ৰীৰ অফিচ কোঠাত সোমাল। ক্ষন্তেক পিছতে পিয়ন এজনে আহি মোক সচিব মহোদয়ে মতা বুলি কলেহি। মই গৈ কোঠাত উপস্থিত হোৱাৰ লগে লগে অলপ আগেয়ে কাৰ্যালয়ৰ সমুখত দেখা আৰু সেই সময়ত সচিব ডাঙৰীয়াৰ কোঠাত গুৰু-গম্ভীৰ ভঙ্গীত বহি থকা মানুহজনে গলগলীয়া মাতটোৰে কৈ উঠিল, ''তুমিয়েনে ইদ্ৰিছ আলি? তোমাক নিযুক্তি দিছোঁ। সোনকালে কামত যোগদান কৰিবাহি।" উৰহী গছৰ ওৰ বিচাৰি নেপাই মই কিছু পৰ অপ্ৰস্তুত হৈ থিয় দি ৰলোঁ। সচিব ডাঙৰীয়াই মোৰ অৱস্থা বুজিব পাৰিয়েই হ'বলা কলে-''এখেতেই মহেশচন্দ্ৰ দেৱ গোস্বামী। নগাঁৰৰ এল. চি. টোডি গাৰ্লছ কলেজৰ প্ৰিন্সিপাল।'' কৈশোৰতে 'বিহলঙনী' কাকতৰ যোগেদি অতি পৰিচিত নামটোৰ মানুহজনক সন্মুখতে দেখি ৰোমাঞ্চিত হৈ উঠিলোঁ। একেষাৰে এল. চি. টোডি কলেজত যোগদান কৰিম বুলি কথা দিলোঁ। প্ৰকাশন পৰিষদলৈ অধ্যক্ষ দেৱগোস্বামীদেৱ হয়তো ব্যক্তিগত অন্য কামতে গৈছিল; কিন্তু সেই কাৰ্যালয়ত কাম কৰি থকা আৰু তেওঁৰ কলেজত শিক্ষক হিচাপে নিযুক্তি দিয়া প্ৰাৰ্থী গৰাকীক নিজ মুখে কামত যোগদান কৰিবলৈ মাতি অহা কথাত মই বুজাব নোৱৰা অনুপ্ৰেৰণা লাভ কৰিলোঁ। প্ৰতিষ্ঠাপক অধ্যক্ষ ৰূপে তেওঁৰ কলেজখনৰ প্ৰতি আন্তৰিকতা এনেবোৰ সৰু-বৰ কাৰ্যৰ মাজতে নিহিত আছিল।

তেতিয়াৰ অসমৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱা আছিল অসম প্ৰকাশন পৰিষদৰো সভাপতি। মোক পৰিষদৰ চাকৰিৰ পৰা অব্যাহতি দিবলৈ সিদ্ধান্ত লোৱা সভাত সচিব ডাঙৰীয়াই সামান্য আপত্তি তুলিলে। তেতিয়া সভাপতি বৰুৱাদেৱে কলে—''যাবলৈ দিয়ক, সেইখনো আমি

পতা কলেজ। শিক্ষকৰ ল'ৰা শিক্ষকেই হ'ব।'' মই সেই বছৰৰে নবেম্বৰ মাহৰ তিনি তাৰিখে আহি তাহানিৰ 'এল. চি টোডি ছোৱালী কলেজ'ত অসমীয়া বিভাগৰ অধ্যাপক ৰূপে যোগদান কৰিলোঁহি। অকল যোগদান কৰাই নহয়, কলেজখনৰ সৰু পৰিয়ালটোৰ এজন সদস্য হিচাপে জাহ গলোঁ। এৰা, শিক্ষকৰ ল'ৰা শিক্ষকেই হলোঁহি, আৰু আজিকোপতি শিক্ষক হৈয়ে থাকিলোঁ। তেতিয়া কলেজখনৰ বয়স হৈছিল মাত্ৰ তিনিবছৰ। শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা আছিল মাত্ৰ বাৰগৰাকী; তাৰে কেইবাগৰাকীও আছিল মোৰ সহপাঠী অথবা আগেয়ে লগ পোৱা চিনাকি লোক। ছাত্ৰীৰ সংখ্যাও কোনো ৰকমে এশমান হ'ব। ময়ো অতি অলপ দিনৰ ভিতৰতে সৰু পৰিয়ালটোৰ অন্তৰঙ্গ সদস্য হৈ পৰিলোঁ। কলেজখনৰ সুখ-দুখ, হাঁহি-কান্দোনৰ সৈতে ময়ো একাত্মভাৱে সংযুক্ত হৈ পৰিলোঁ। তেতিয়া অধ্যক্ষ, অধ্যাপিকা, ছাত্ৰী আৰু কৰ্মচাৰী বৃন্দৰ মাজত বুজা-পৰা আৰু সহযোগৰ অপূৰ্ব প্ৰকাশ দেখা গৈছিল। তিনিজন কাৰ্যালয় কৰ্মচাৰী, বলি ককাই (বলিৰাম হাজ-ৰিকা) আৰু তগৰ বৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, আমি এক ডজন শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰায় পাঁচ কুৰি ছাত্ৰী আমোলাপট্টিস্থিত ৰেডক্ৰছ ভৱনত 'পঢ়ে পঢ়ুৱায় ৰোৱে পান'ৰ বিপৰীতে খেল-ধেমালি, গান-নাচ, হাঁহি-তামাচাৰ মাজেৰে উচ্চ স্ত্ৰী-শিক্ষাৰ মহান কৰ্তব্যত ৰত হৈছিলোঁ। এনেটোহে দেখা গৈছিল যে শিক্ষায়তনিক তথা সাংস্কৃতিক দিশত আমাৰ কলেজখনৰ তৎপৰতাই সৰ্বসাধাৰণ ৰাইজৰ মনোযোগ আকৰ্ষণ কৰিবলৈ ধৰিলে। বিশেষকৈ অধ্যক্ষ শ্ৰদ্ধেয় মহেশচন্দ্ৰ দেৱগোস্বামীদেৱে পৰিয়ালটোৰ মুৰব্বী হিচাপে স্থিতপ্ৰজ্ঞ ঋষিৰ দৰে নেতৃত্ব আৰু অনু-প্ৰেৰণা যোগালে। পিতৃ-সুলভ স্নেহ-মিশ্ৰিত কঠোৰ নিয়মানুবৰ্তিতাৰ মাজেৰে তেওঁ কলেজ পৰিয়ালৰ প্ৰতিজনৰ মনত দায়িত্ব জ্ঞান আৰু আত্মসন্মান বোধৰ সুন্দৰ পৰম্পৰা সৃষ্টি কৰিলে।

এতিয়াও মনত পৰে। ...এবাৰ কলেজৰ সাংস্কৃতিক অনুষ্ঠানত এজন শিল্পীক মই এটাতকৈ বেছি গীত পৰিবেশন কৰিবলৈ অনুমতি দিলোঁ—ছাত্ৰীসকলৰ দাবীৰ প্ৰতি সঁহাৰি জনাই। সমবেত দৰ্শকৰ মাজৰ পৰা অধ্যক্ষদেৱ তীৰপাট অহাদি উঠি আহি খঙত অগ্নিশৰ্মা হৈ মোক ছাত্ৰীসকলৰ সমুখতে গৰজি থকা-সৰকা কৰিলে। অথচ পিছ দিনাখনেই নিজৰ কোঠালৈ মতাই নি আগ দিনাৰ খং প্ৰদৰ্শনৰ বাবে খেদ প্ৰকাশ কৰিলে। আন এবাৰৰ কথা। আমাৰ কলেজ তেতিয়া বৰ্তমানৰ কলংপাৰত চলিবলৈ আৰম্ভ কৰিছে। তেতিয়া আমাৰ কলেজত প্ৰৱে-শিকা পৰীক্ষাৰ কেন্দ্ৰ আছিল। এদিন পৰীক্ষা কালত নিৰীক্ষকৰ দায়িত্বত থকা আমি কেইজনমানে পৰীক্ষাৰ শেষত হল ঘৰৰ পৰা প্ৰশ্নোত্তৰ কাকত কেইখনমান সংগ্ৰহ নকৰি এৰি থৈ গুচি আহিলোঁ



ভুলক্ৰমে। কথাটো অধ্যক্ষ মহোদয়ৰ দৃষ্টি গোচৰ হ'লত আমাক শিক্ষকৰ জিৰণি কোঠাতে যিটো চেৰচেৰণি শুনাইছিল, মনত পৰিলে আজিও বুকু কঁপি উঠে। কিন্তু আমি সামান্য অসন্তুষ্টি প্ৰকাশ কৰা যেন গম পাই তেওঁ তৎকালেই উক্ত ব্যৱহাৰৰ বাবে অনুশোচনা প্ৰকাশ কৰিছিল। এনে আৰু বহুতো ঘটনা তথা উপ-ঘটনাই হয়তো উল্লেখ কৰিব পৰা যাব যিবোৰে পৰোক্ষ বা প্ৰত্যক্ষভাৱে কলেজখনৰ সুকীয়া ভাবমূৰ্তি গঢ়ি তোলাত বিশেষ ভূমিকা লৈছিল। যি কোনো অনুষ্ঠান বা সভা-সমিতি সময় মতে আৰম্ভ নোহোৱাটো নগাঁও ছোৱালী কলেজৰ ইতিহাসত বিৰল ঘটনা। কেৱল অধ্যক্ষ দেৱগোস্বামীৰ একক প্ৰচেষ্টাৰ ফলতে অকল আমাৰ কলেজতে নহয়, নগাঁৱৰ অন্যান্য স্থানতো সময় মতে ৰাজহুৱা অনুষ্ঠানসমূহ আৰম্ভ হোৱাটো এটা মন কৰিব লগীয়া কথা। এনে অনুষ্ঠান বা সভা-সমিতিলৈ পলমকৈ অহা কলেজ শিক্ষক আৰু ছাত্ৰীসকলৰ বাবে অধ্যক্ষ ডাঙৰীয়াক মুখ দেখুওৱাটো অতি লাজৰ কথা। কলেজৰ পাঠদানৰ ক্ষেত্ৰতো সময়ানুবৰ্তিতা ৰক্ষা কৰাটো আমাৰ কলেজৰ অন্যতম বৈশিষ্ট্য হৈ উঠিছিল অধ্যক্ষ দেৱগোস্বামীৰ ব্যক্তিগত তৎপৰতাৰ ফলতে। সেয়ে আজি সমগ্ৰ অসমতে নিয়মানুবৰ্তিতা আৰু সময়-নিষ্ঠা নগাঁও ছোৱালী কলেজৰ সবাতোকৈ উল্লেখনীয় পৰম্পৰা ৰূপে স্বীকৃত হৈছে।

যোৱা পঁচিছটা বছৰে কলঙৰ বুকুৱেদি বহুত পানী বাগৰি গ'ল। দিন যোৱাৰ লগে লগে নগাঁও ছোৱালী কলেজৰো ক্ৰমশঃ বিকাশ ঘটিল। বিদ্যায়তনিক দিশত ই প্ৰায় পৰিপূৰ্ণতা লাভ কৰিছে। কলা বিষয়ৰ সকলো বিষয়ৰে পাঠ দানৰ ব্যৱস্থা থকাৰ উপৰিও প্ৰায় সকলোটি বিষয়তে 'মেজৰ' পাঠ্যক্ৰম অধ্যয়নৰ সুবাৱস্থা এই কলেজত আছে। পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত কলেজখনৰ উচ্চ হাৰৰ পৰম্পৰাও অব্যাহত আছে। অধ্যাপক-অধ্যাপিকা, ছাত্ৰী আৰু কৰ্মচাৰীৰ সংখ্যাও চাৰি-পাঁচ গুণ বৃদ্ধি পাইছে। অসমৰ এখন লেখত লব লগীয়া কলেজ ৰূপে নগাঁও ছোৱালী কলেজৰ নাম আজি অসমৰ ইমূৰ-সিমূৰ বিয়পি পৰিছে। আৱয়বিক দিশত কলেজখনৰ বিকাশ মন্থৰ হলেও, ইতিমধ্যে উক্ত দিশতো দ্ৰুত উন্নয়ন সাধিত হৈছে। বৰ্তমানৰ অধ্যক্ষ আৰু কলেজৰ কেইবাগৰাকীও উদ্যোগী অধ্যাপক-অধ্যাপিকাৰ আশাশুধীয়া প্ৰচেষ্টাত কলেজৰ আৱয়বিক দিশৰ ক্ষেত্ৰতো পূৰ্ণতাযে অচিৰেই পৰিলক্ষিত হ'ব, তাত সন্দেহ নাই। আমি যিসকল কৈশোৰ অৱস্থাৰে পৰা কলেজখনৰ সৈতে ওত-প্ৰোতভাৱে জড়িত হৈ আছোঁহক, সিকলৰ বাবে কলেজখনক পূৰ্ণ যৌৱনাৰ ৰূপত দেখা পোৱাটো বা ৰূপালী জয়ন্তীৰ পৰলৈকে শিক্ষকতা কৰিবলৈ পোৱাটো কি আহ্লাদৰ কথা হব পাৰে, তাক জানো ভাষাৰে প্ৰকাশ কৰিব পাৰি?

১৯৬৫ চনত এই কলেজলৈ আহিছিলোঁ। ১৯৬৫ ৰ পৰা ১৯৮৭

চনলৈ একুৰি দুবছৰ। জীৱনৰ সুদীৰ্ঘ কাল কটালোঁ এই কলেজখনতে। এই কলেজখনেই আছিল জীৱনৰ ক্ৰীড়াঙ্গন। পাঠদান, সংস্কৃতি চৰ্চা, নানান ব্যক্তিগত, ৰাজহুৱা কামৰ উৎস আছিল এইখনেই। জীৱনৰ ৰণাঙ্গনো আছিল এই ক্ষুদ্ৰ অথচ ঐতিহ্যবাহী কলেজখন। এই ৰণত এদিনলৈও আমি ক্লান্ত হোৱা নাছিলোঁ। কিন্তু মই নিজে যেন ৰূপালী জয়ন্তী উদ্‌যাপনলৈকেহে আহিছিলোঁ। জয়ন্তী উৎসৱৰ পৰতে কলেজখনৰ পৰা বিদায় লবলৈ ওলালোঁ।* মঙ্গলদৈ মহাবিদ্যালয়ত নিযুক্তি পাই ঘৰলৈ যাবলৈ ওলালোঁ। এখন মৰম সনা ঘৰৰ পৰা আন এখন মৰম সনা ঘৰলৈ। দুয়োখন ঘৰেই সমানে আপোন, সমানে সুন্দৰ। কবি হীৰেন ভট্টাচাৰ্যৰ কবিতাফাঁকি মনলৈ আহিছে ঃ

> ...আঁজলি ভৰাই মই দিছোঁ— ভঁৰালৰ
> এমুঠি ধান, পৰাণৰ একোটি গান
> আৰুতো মোৰ একো নাই। (মোৰ দেশ)

নগাঁও ছোৱালী কলেজে মোক যি দিলে, তাৰ ঋণ পৰিশোধ কৰাটো অসম্ভৱ। বিগত বাইছটা বছৰ চকুৰ পলকতে যেন পাৰ হৈ গ'ল। প্ৰতিষ্ঠাপক অধ্যক্ষৰ বাহিৰে আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কোনেও এতিয়াও অৱসৰ লোৱা নাই যদিও বয়সৰ যাদুকৰে অজানিতে হাত বুলাইছে। কেইবাশও ছাত্ৰী এই কলেজৰ দেওনা পাৰ হৈ জীৱনৰ সৰু-বৰ নানান দায়িত্বত বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ আছে। জীৱনৰ আদবাটতে অভিনয় সামৰি আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গৈছে অধ্যাপক বিনয় চন্দ্ৰ বৰা। ইতিমধ্যে আকৌ বহুতো নতুন ডেকা বন্ধু-বান্ধৱীয়ে নগাঁও ছোৱালী কলেজৰ আলোক-পথৰ জয়-যাত্ৰাত যোগ দিছেহি। আমি যেন একেখন নাৱৰে যাত্ৰী। সহযাত্ৰী। অভিযাত্ৰী। চৰৈৱেতি চৰৈৱেতি আমাৰ মূল মন্ত্ৰ। কোনোবা অজানা শিল্পীয়ে অঁকা আমাৰ প্ৰতীক চিহ্নতো অংকিত আছে—চৰৈৱেতি চৰৈৱেতি—এই মাথোঁ মন্ত্ৰ।

---

* অধ্যাপক শ্ৰীইদ্ৰিছ আলি ২৫ আগষ্ট [১৯৮৭] লৈকে এই কলেজৰ শিক্ষক আছিল। —সম্পাদক

শ্ৰীঅদিতি ভূঞা

# নগাঁও ছোৱালী কলেজৰ সাঙ্গীতিক পৰিৱেশ

নগাঁও চহৰখনৰ ছখন কলেজৰ ভিতৰত নগাঁও ছোৱালী কলেজ অন্যতম। বিদ্যায়তনিক দিশত এই কলেজৰ গুৰুত্ব আন কেইখন কলেজতকৈ কোনো গুণেই কম নহয়। কিন্তু শৈক্ষিক দিশৰ উপৰি এই কলেজত গঢ়ি উঠিছে আন এটা বাতাবৰণ,—সঙ্গীতৰ বাতাবৰণ। কলেজখনত সঙ্গীতৰ এই বাতাবৰণটি গঢ় লৈ উঠাৰ মূল কাৰণ ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ আগ্ৰহ আৰু সহযোগ। এই কলেজৰ কেইবাগৰাকীও প্ৰাক্তন আৰু বৰ্তমান অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰী অসমৰ জনপ্ৰিয় গায়ক-গায়িকা। এক কথাত, কলেজখন কণ্ঠত চহকী বুলিব পাৰি। গীতৰ ৰচনা আৰু সুৰ-সংযোজনাৰ ক্ষেত্ৰতো কলেজখন সমৃদ্ধ। লগতে সমৃদ্ধ নৃত্যৰ ক্ষেত্ৰতো।

অসমৰ কেইবাগৰাকীও প্ৰতিষ্ঠিত গীতিকাৰ এইখন কলেজৰ অধ্যাপক-অধ্যাপিকা। এই ক্ষেত্ৰত আমি প্ৰথমেই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত মহেশ চন্দ্ৰ দেৱগোস্বামীৰ নাম ল'ব লাগিব। আকাশ-বাণীৰ স্বীকৃতি প্ৰাপ্ত গীতিকাৰ শ্ৰীযুত দেৱ গোস্বামীদেৱৰ "গধূলি পৰতে তুলসীৰ তলতে" বা "অ' বাই শিপিনী, নগৰতে তৰিলি অ' তাঁত" গীত আজিও ৰসগ্ৰাহীসকলৰ মাজত জনপ্ৰিয়। তেখেতৰ বাহিৰে অধ্যাপক শ্ৰীযুত ইদ্ৰিছ আলি, আৰু প্ৰাক্তন অধ্যাপক আৰু বৰ্তমান বিকালী কলেজ (ধূপধৰা)ৰ অধ্যক্ষ শ্ৰীযুত ব্ৰজেন ৰায় চৌধুৰীও আকাশবাণীৰ স্বীকৃতি প্ৰাপ্ত গীতিকাৰ। একোজন প্ৰতিষ্ঠিত গীতিকাৰ হোৱাৰ উপৰি তেখেতসকলৰ দু'য়োজনেই একোজন সুৰকাৰো। শ্ৰীযুত ইদ্ৰিছ আলিৰ "আজি বহাগ আহিলে বুলি," "এইজাক সোণালী অ' জিলমিল," "দেশৰ মাটি আমাৰ ঘৰ" বা "কৰবীৰে মালা নাগাঁথিবা" অতি জনপ্ৰিয় গীত। তদুপৰি এই কলেজৰ কলেজ-সঙ্গীত "আমি এই কলঙৰ পাৰতে" গীতটিও তেখেতৰ দ্বাৰা ৰচিত আৰু সুৰ-সংযোজিত। শ্ৰীযুত ব্ৰজেন ৰায় চৌধুৰীৰ "বিন্দু বিন্দুকৈ হয় সিন্ধু", "কত নদীৰ জন্ম হয়," 'নতুন জোৱাৰ আহিছে" আদি গীতো জনপ্ৰিয়। আকাশ-বাণীৰ স্বীকৃতি প্ৰাপ্ত নহ'লেও আন এগৰাকী অধ্যাপিকা শ্ৰীমতী হিমাদ্ৰি দেৱীও এগৰাকী সু-গীতিকাৰ।

এই কলেজৰ অধ্যাপক-অধ্যাপিকাসকলৰ ভিতৰত অধ্যাপক শ্ৰীযুত জ্যোতি চক্ৰৱৰ্তী আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত প্ৰথম গায়ক। শ্ৰীযুত চক্ৰৱৰ্তীয়ে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা ভজন আৰু

গোৱালপৰীয়া লোকগীত পৰিবেশন কৰে। এইখিনিতে এটা উল্লেখযোগ্য কথা হ'ল এই যে নগাঁৱত গোৱালপৰীয়া লোকগীত প্ৰথম পৰিবেশন কৰি তাক জনপ্ৰিয় কৰি তোলাৰ গুৰিতে হৈছে শ্ৰীযুত চক্ৰৱৰ্তী। তে'খেত এজন ভাল সুৰকাৰো। ইয়াৰ পাছতে উল্লেখযোগ্য প্ৰাক্তন অধ্যাপিকা শ্ৰীমতী শিখা দত্ত, শ্ৰীমতী মাধবী বেনাৰ্জী আৰু শ্ৰীমতী মঞ্জিৰা গোস্বামীৰ নাম। তিনিও গৰাকীয়েই আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি গীত পৰিবেশন কৰিছিল। শ্ৰীমতী শিখা দত্তই এতিয়াও গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা ভজন পৰিবেশন কৰে। শ্ৰীমতী মাধবী বেনাৰ্জীয়ে ৰবীন্দ্ৰ সঙ্গীতৰ অসমীয়া ৰূপান্তৰ অকলশৰীয়াকৈ আৰু ড° বীৰেন্দ্ৰ নাথ দত্তৰ লগত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা পৰিবেশন কৰিছিল। এই কলেজৰে প্ৰাক্তন ছাত্ৰী আৰু প্ৰাক্তন অধ্যাপিকা শ্ৰীমতী মঞ্জিৰা গোস্বামীয়ে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা পৰিবেশন কৰিছিল বৰগীত। আন এগৰাকী অধ্যাপিকা শ্ৰীমতী ইন্দিৰা ভট্টাচাৰ্যয়ো এটা সময়ত কলেজত ৰবীন্দ্ৰ সঙ্গীত গাইছিল।

অধ্যাপক-অধ্যাপিকাসকলৰ দৰেই এই কলেজৰ ছাত্ৰীসকলৰ মাজতো বহুতো সু-গায়িকা আছিল, আৰু এতিয়াও আছে। শ্ৰীমতী ফুনু গোস্বামী আছিল এই কলেজৰ প্ৰথম ছাত্ৰী, যি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি আধুনিক গীত পৰিবেশন কৰিছিল। ইয়াৰ পাছতে শ্ৰীমতী দুৰ্গাময়ী ভূঞা (বৰা) ই আধুনিক গীত পৰিবেশন কৰে। শ্ৰীমতী ভূঞাই বৰ্তমান আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰাও অনুষ্ঠান পৰিবেশন কৰি আছে। এইসকলৰ উপৰি এই কলেজৰ বৰ্তমান বা প্ৰাক্তন ছাত্ৰী তৃষ্ণাৰাণী শইকীয়া (আধুনিক গীত), অমিয়া মহন্ত (বৰগীত আৰু লোকগীত), ৰুণজুন ফুকন (আধুনিক গীত), অঞ্জলি কটকী (আধুনিক গীত) আৰু নছৰৎ আহমেদ (আধুনিক গীত) অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া শিল্পী। এইখিনিতে উল্লেখযোগ্য যে অঞ্জলি কটকী, ৰুণজুন ফুকন আৰু নছৰৎ আহমেদৰ বাহিৰে বাকী আটাই কেইগৰাকীয়েই আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি গীত পৰিবেশন কৰে। ৰুণজুন ফুকনে 'আজলী নবৌ' কথাছবিৰ নেপথ্য গায়িকা হিচাপে আৰু অঞ্জলি কটকীয়ে 'এণ্টনী মোৰ নাম' আৰু 'বংশধৰ' কথাছবিৰ নেপথ্য গায়িকা হিচাপে জনপ্ৰিয়তা অৰ্জন কৰি'ছে। তদুপৰি দুয়োগৰাকী গায়িকায়েই 'সঙ্গীতা' নামৰ এখন গ্ৰামোফোন ৰেকৰ্ডতো কণ্ঠদান কৰিছে। এ:কখন ৰেকৰ্ডতে কণ্ঠদান কৰা আন এগৰাকী গায়িকা হিমাদ্ৰি শৰ্মাও এই কলেজৰে ছাত্ৰী। শ্ৰীমতী দুৰ্গাময়ী ভূঞা (বৰা) ই অলপতে 'অসম সত্ৰ সংঘ'ই প্ৰকাশ কৰা বৰগীতৰ দুটি কেছেটত কণ্ঠদান কৰিছে।

এইসকলৰ বাহিৰেও আৰু বহুতো ছাত্ৰী এইখন কলেজত আছিল,



যি সকলে সংগীতৰ ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰি গৈছে। শ্ৰীমতী কমলা ভূঞা (বৰুৱা) ই চেতাৰত আৰু গীশেৱালি বৰাই কণ্ঠসঙ্গীতত ভাটখান্দে সঙ্গীত মহাবিদ্যালয়ৰ পৰা বি. মিউজ. উপাধি লাভ কৰিছিল। ৰুমী তামূলী ফুকন, অকন্তি গোস্বামী. সদৰন কৌৰ, অমিতা চৌধুৰী আদিও এসময়ত সু-গায়িকা বুলি পৰিচিত আছিল। বৰ্তমান এই কলেজতে পঢ়ি থকা আন কেইগৰাকীমান প্ৰতিশ্ৰুতি সম্পন্না গায়িকা হ'ল ৰীতা বৰা, কবিতা ভূঞা, বিউটি শইকীয়া, বৰ্ণালী শৰ্মা, অনিন্দিতা গোস্বামী, মিতা মজুমদাৰ আদি। তদুপৰি যন্ত্ৰ সঙ্গীতৰ ক্ষেত্ৰত শিখা বৰকাকতী (চেতাৰ) আৰু মীনু আগৰৱালা (মেণ্ডোলীন) দুগৰাকী প্ৰতিশ্ৰুতি বহন কৰা ছাত্ৰী।

নৃত্যৰ ক্ষেত্ৰতো এই কলেজৰ কেইবাগৰাকী ছাত্ৰীয়ে স্বকীয় প্ৰতিভাৰ বিকাশ সাধন কৰিব'ল সক্ষম হৈছে। সেই সকলৰ ভিতৰত আমি প্ৰথমেই শ্ৰীমতী ভাগ্যলক্ষ্মী মহন্তৰ নাম ল'ব পাৰোঁ। শ্ৰীমতী মহন্তই কুঞ্জীডাঁত 'ৰংঘৰ কলা পৰিষদ'ৰ হৈ দিল্লীত সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি প্ৰশংসা অৰ্জন কৰিছিল। সত্ৰীয়া নৃত্যৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি বহন কৰা আন দুগৰাকী শিল্পী আছিল শ্ৰীনিৰ্মলা বৰা আৰু শ্ৰীঅনিমা মহন্ত। বিহু নৃত্যৰ ক্ষেত্ৰতো বৰ্তমান তিনিগৰাকী প্ৰতিশ্ৰুতি সম্পন্না ছাত্ৰী এই কলেজত আছে। তেওঁলোক হ'ল শৰ্মিলা বৰা, বীণা শইকীয়া আৰু বন্দনা দাস। ৰীণা শইকীয়াই নেহৰু যুৱ-কেন্দ্ৰৰ সৌজন্যত কাশ্মীৰতো বিহুনৃত্য প্ৰদৰ্শন কৰি খ্যাতি লাভ কৰিছে। শৰ্মিলা বৰা আৰু বন্দনা দাসেও বিভিন্ন ঠাইৰ বিহুতলীত বিহু নৃত্যৰ যোগেদি খ্যাতি লাভ কৰিছে। তদুপৰি শাস্ত্ৰীয় নৃত্যত হনি বৰা (কথক) আৰু লখিমী বৰুৱায়ো প্ৰতিশ্ৰুতি বহন কৰি আনিছে। সত্ৰীয়া আৰু বিহু দুয়োবিধ নৃত্যৰ ক্ষেত্ৰতে উল্লেখযোগ্য আন এটা নাম হ'ল ত্ৰিবেণী বৰা। প্ৰসঙ্গক্ৰমে ক'ব পাৰি যে এই কলেজৰে প্ৰাক্তন ছাত্ৰী শ্ৰীবৰাই অলপতে মস্কোত অনুষ্ঠিত ভাৰত মহোৎসৱত অসম সাংস্কৃতিক দলৰ অন্যতম শিল্পী হিচাপে বিহুনৃত্য প্ৰদৰ্শন কৰি আহিছে।

গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱতো এই কলেজে এক সন্মানৰ স্থান অধিকাৰ কৰি আহিছে। এই কলেজৰ পৰা পোন প্ৰথমে শ্ৰীৰুমা তামুলী ফুকন আৰু তেওঁৰ দলে সমবেত সঙ্গীত প্ৰতিযোগিতাত তৃতীয় স্থান, আৰু ৰুমী তামুলী ফুকনে নিজে আইনামত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পাছত শ্ৰীমতী দুৰ্গাময়ী ভূঞা (বৰা) ই জ্যোতিসঙ্গীতত দ্বিতীয় স্থান অধিকাৰ কৰিছিল। ১৯৮২-৮৩ চনত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱত ৰুণজুন ফুকনে খেয়াল আৰু জ্যোতিসঙ্গীতত দ্বিতীয় স্থান আৰু ৰাগিণী ভট্টাচাৰ্যই ভজনত তৃতীয় স্থান অধিকাৰ কৰিছিল। ১৯৮৩ চনত অঞ্জলি কটকীয়ে আধুনিক গীতত

দ্বিতীয় স্থান অধিকাৰ কৰে, আৰু সমবেত সঙ্গীত প্ৰতিযোগিতাত তেওঁৰ দলে তৃতীয় স্থান অৰ্জন কৰিবলৈ সক্ষম হয়। ১৯৮৫ চনত হোৱা যুৱ-মহোৎসৱত এই লেখিকায়ো শাস্ত্ৰীয় কণ্ঠসংগীত (খেয়াল)ত প্ৰথম স্থান অধিকাৰ কৰিছিল।

দেখাত কলেজখনৰ এই সাফল্য অতি ক্ষুদ্ৰ যেন লাগিলেও প্ৰকৃততে তেনে নহয়। কিয়নো অসমৰ আন বহুতো আগশাৰীৰ কলেজৰ তুলনাত এই কলেজৰ ছাত্ৰীয়ে পোৱা সুবিধা তেনেই নগণ্য। কলেজখনত সঙ্গীতৰ বাবে প্ৰয়োজনীয় নূন্যতম বাদ্য-যন্ত্ৰৰ অভাৱ এতিয়াও আছে। কলেজখনৰ পাঁচছ বছৰ পূৰ্ণ হ'বৰ সময়তো এই অভাৱসমূহ দূৰ নোহোৱাটো দুখৰ কথা। তদুপৰি বহু সংখ্যক ছাত্ৰীৰ মাজত সাহস আৰু উদ্যমৰ অভাৱো পৰিলক্ষিত হয়। সেয়ে হ'লেও কলেজখনৰ সাঙ্গীতিক সুস্থ বাতাবৰণৰ সম্পৰ্কত কাৰো দ্বিমত নাই। কলেজৰ বিভিন্ন অনুষ্ঠান সমূহলৈ প্ৰায় প্ৰত্যেক বছৰেই একোজন প্ৰখ্যাত শিল্পীক আমন্ত্ৰণ কৰি অহা হৈছে। তেখেতসকলেও ইয়াত গীত পৰিবেশন কৰি যোৱাৰ পাছত ইয়াত এটা সাঙ্গীতিক সুস্থ পৰিবেশ বিৰাজমান বুলি ক'বলৈ প্ৰয়াস পাইছে। কিন্তু ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা সকলৰ পাৰস্পৰিক সহযোগতহে যে এনে পৰিবেশ সম্ভৱপৰ হৈছে, সি অনস্বীকাৰ্য।

নগাঁও ছোৱালী কলেজৰ সাঙ্গীতিক পৰিবেশৰ উত্তৰোত্তৰ উন্নতি সাধিত হওক। *

---

*শ্ৰীঅৰ্দিতি ভূঞা এই কলেজৰ স্নাতক তৃতীয় বাৰ্ষিক (অৰ্থনীতি মেজৰ) শ্ৰেণীৰ ছাত্ৰী। —সম্পাদক*

শ্ৰীকবিতা ৰাণী দাস

# 'নগাঁও ছোৱালী কলেজ আলোচনী'ত এভুমুকি

সভ্য আৰু সংস্কৃতিৱান সমাজত আলোচনীৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। একোখন ভাল আলোচনী এটা ভাষা আৰু সেই ভাষা-গোষ্ঠীৰ মানুহখিনিৰ গৌৰৱৰ বিষয়। এখন ভাল আলোচনীয়ে আলোচনীখনৰ প্ৰচলন-কালৰ সংশ্লিষ্ট লেখক-পাঠক উভয়ৰে সংস্কৃত মনটোৰ প্ৰতিচ্ছবি ধৰি ৰাখিব পাৰে সুদূৰ ভৱিষ্যতলৈকে। এখন ভাল আলোচনী ন-লেখকৰ প্ৰসুতি-গৃহ, সৃষ্টিশীল সমালোচনা, সমাজ-সংস্কাৰ আৰু বৌদ্ধিক বিকাশৰ মঞ্চ হিচাপে পাঠকৰ সমুখত থিয় হয়।

কম-বেছি পৰিমাণে সকলো মানুহৰ মনতে সুকুমাৰ প্ৰবৃত্তি লুকাই থাকে। অনুভূতিশীল মন আৰু হৃদয়ৰ সংযোগত এই প্ৰবৃত্তি-বোৰ বাংময় হৈ উঠে গল্প, উপন্যাস, কবিতা, নাটক, সংগীত, চিত্ৰকলা আদিৰ ৰূপত। ব্যক্তি আৰু সমাজ এইবোৰৰ আধাৰ। স্কুল-কলেজৰ শ্ৰেণী-কোঠাত থকা ছাত্ৰ-ছাত্ৰীৰ মনতো লাগি থাকে এই সুকুমাৰ প্ৰবৃত্তি, আৰু তাৰ আত্মপ্ৰকাশৰ প্ৰবল ধাউতি। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বছৰেকীয়া মুখপত্ৰখনেই এনেক্ষেত্ৰত আত্মপ্ৰকাশৰ উমৈহতীয়া মঞ্চ হৈ পৰে।

নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলৰো এখন বছৰেকীয়া মুখপত্ৰ আছে। এই মুখপত্ৰখন 'নগাঁও ছোৱালী কলেজ আলোচনী' নামেৰে প্ৰকাশ হয়। ১৯৭০ চনতে কলেজ আলোচনীখন পোন প্ৰথম প্ৰকাশ হৈছিল। এই প্ৰথম সংখ্যাটি সংগ্ৰহ কৰিবলৈ আমি যত্নৰ ত্ৰুটী কৰা নাছিলোঁ যদিও এই ক্ষেত্ৰত আমি সফল নহলোঁ। প্ৰথম সংখ্যা আলোচনীৰ তত্ত্বাবধায়ক আছিল অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা ডাঙৰীয়া। সম্পাদিকা আছিল পুণ্যপ্ৰভা বৰদলৈ।

১৯৭০ চনতে আত্মপ্ৰকাশ কৰা আলোচনীখনিয়ে পিছৰ কাল-ছোৱাত তিনি-চাৰি বছৰৰ মূৰে মূৰেহে প্ৰকাশ লাভ কৰা আমি দেখিবলৈ পাইছোঁ। অৰ্থৰ অভাৱৰ বাবেই প্ৰকাশ বন্ধ আছিল বুলি আমি এই মুহূৰ্তত ভাবিবলৈ টান পাইছোঁ। ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ প্ৰতি থকা অনীহা ইয়াৰ কাৰণ হ'ব পাৰে।

আলোচনীখনৰ দ্বিতীয় সংখ্যা ৰীণা শৰ্মাৰ সম্পাদনাত ১৯৭৩-৭৪ চনত প্ৰকাশ হয়। এই সংখ্যাৰ তত্ত্বাৱধায়িকা আছিল অধ্যাপিকা তৰু বৰুৱা। আলোচনীখনৰ সূচীপত্ৰত পৃষ্ঠা-সংখ্যাৰ উল্লেখ নাই। কবিতা শিতানটোৰ বাহিৰে বাকীবোৰ শিতানৰ পৃষ্ঠা-সংখ্যা চিহ্নিত

কৰা হৈছে। আমি হিচাপ কৰি পৃষ্ঠা-সংখ্যা প্ৰায় ১৪০ পালোঁ। এই সংখ্যাৰ বেটুপাতৰ শিল্পী অঞ্জু ডেকা।

এই সংখ্যা আলোচনীৰ অসমীয়া বিভাগৰ প্ৰবন্ধ লেখক-লেখিকা সকল হ'ল—অধ্যাপক অপূৰ্ব পৰ্মা, তৰাজ্যোতি হাজৰিকা, দীপালী বৰা, উষা গগৈ, প্ৰনতি কলিতা, পুণ্যপ্ৰভা বৰদলৈ, অধ্যাপক সুৰেন ভূঞা আৰু অধ্যাপক কৃষ্ণ বৰা। দুটি সাক্ষাৎ-প্ৰসংগত ড° মহেশ্বৰ নেওগ আৰু শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ সাক্ষাৎ লোৱা হৈছে। কবিতা কেইটাৰ লেখিকা সকল হ'ল—অধ্যাপিকা হিমাদ্ৰি দেৱী, বীণা শৰ্মা, বিনু মজিন্দাৰ, জুনু কাকতী, অনু গোস্বামী, মামণি গোস্বামী, জীনা বৰুৱা, স্বৰূপা বৈদ্য আৰু অঞ্জু ডেকা। গল্পকেইটাৰ লেখিকাসকল যথাক্ৰমে—অনুপমা শইকীয়া, মায়ামণি গগৈ, চিত্ৰা কাকতী, লিখনী আইদেউ, গীতিকা দাস, মামণি গোস্বামী আৰু দেৱ মহন্ত। একাংকিকা নাটখনৰ ৰচয়িত্ৰী বীণা শৰ্মা। তদুপৰি অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰ অভিভাষণ এখনি অসমীয়া বিভাগতে প্ৰকাশ হয়।

ইংৰাজী বিভাগৰ লেখক-লেখিকাসকল হ'ল—অধ্যাপক খগেন শৰ্মা ৰাজখোৱা, গৰিমা বৰা মনোৰমা গোহাঁই, চন্দ্ৰপ্ৰভা হাজৰিকা, পূৰ্ণিমা বৰা, তপতী দেৱ আৰু দীপ্তি দেৱী।

অধ্যাপক অপূৰ্ব শৰ্মাৰ 'আধুনিক অসমীয়া গল্পত আধুনিকতা' শীৰ্ষক প্ৰবন্ধটোত যাঠিৰ দশকৰ শেষলৈকে প্ৰকাশ হোৱা আধুনিক অসমীয়া গল্পত প্ৰকৃতাৰ্থত আধুনিক ধ্যান-ধাৰণা, বিষয়-বস্তু আৰু আংগিকৰ প্ৰয়োগ বা প্ৰতিফলন সম্পৰ্কীয় কথা সমালোচনামূলক দৃষ্টি-ভংগীৰে উত্থাপন কৰা হৈছে। দীপালী বৰাৰ 'সমাজ আৰু সাহিত্য' প্ৰবন্ধত সমাজ আৰু সাহিত্যৰ সম্পৰ্ক, সাহিত্যত সামাজিক ধৰ্ম কি হোৱা উচিত, সাহিত্যৰ স্বৰূপ কি এই সম্বন্ধে অধ্যয়নপুষ্ট আলোচনা কৰিছে। তৰাজ্যোতি হাজৰিকাৰ প্ৰবন্ধত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ বহুমুখী প্ৰতিভাৰ মূল্যায়ন কৰিবৰ যত্ন কৰিছে। পুণ্যপ্ৰভা বৰদলৈৰ 'বিশ্ব বৈপ্লৱিক আন্দোলন আৰু ভাৰতৰ যুৱ-সমাজ' প্ৰবন্ধত পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে তীব্ৰ বাক্যবাণ আৰু সমাজতান্ত্ৰিক শাসন-ব্যৱস্থাৰ পত্তনৰ বাবে যুৱসমাজক জনোৱা আহ্বানত বাওঁপন্থী চিন্তাধাৰাৰ স্বাক্ষৰ আছে।

সাক্ষাৎ-প্ৰসংগ দুটিত সম্পাদিকাৰ মতে "জাতীয় ভৱিষ্যত উন্নতিৰ ইংগিত বিচাৰি" ড° মহেশ্বৰ নেওগদেৱ আৰু শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱৰ ওচৰত তিনটাকৈ প্ৰশ্ন উত্থাপন কৰা হৈছিল। উত্থাপিত প্ৰশ্ন কেইটাত পিছে সম্পাদিকাই প্ৰকাশ কৰা উদ্দেশ্যক চুবগৈ পৰা নাই; আৰু প্ৰশ্নকেইটাও অস্পষ্ট। উত্তৰ দিওঁতে ড° নেওগদেৱ আৰু শ্ৰীযুত শৰ্মাদেৱে সেয়েহে খোকোজা অনুভৱ কৰিছিল যেন লাগে।



নিজৰ ঘৰখন, আত্মীয়-স্বজন, বন্ধু-বান্ধৱীৰ সীমিত আৱেষ্টনীত থকা ছাত্ৰীসকলৰ গতানুগতিক জীৱন-ধাৰাত চকুৰ আগত পৰা পাৰিবাৰিক কিছুমান সমস্যা, বিশেষকৈ প্ৰেম-ঘটিত সমস্যা আৰু তাৰ কৰুণ বা বিফল পৰিণতিয়েই গল্পকেইটাৰ উপজীৱ্য। কবিতাকেইটাৰ আটাইবোৰকে এটে আখ্যাৰে কবিতা বুলি ক'ব নোৱাৰি যদিও অধ্যাপিকা হিমাদ্ৰি দেৱীৰ 'উৰ্ম্মিলা', অনু গোস্বামীৰ 'ছোৱালী এজনীৰ কুমাৰী প্ৰেম', মামণি গোস্বামীৰ 'হাঁহি-কান্দোন-ধ্যান আৰু সিহঁত', জীনা বৰুৱাৰ 'জীৱন এটি সংগ্ৰাম' কবিতা ভাল হৈছে। বীণা শৰ্মাৰ দ্বাৰা ৰচিত একাংকিকা নাট 'কাৰ দোষ' খনৰ কাহিনী, চৰিত্ৰ চিত্ৰণ, সংলাপ দুৰ্বল, আৰু নাট্যকাৰৰ অপৰিপক্ক হাতৰ পৰশ ইয়াত স্পষ্ট।

ইংৰাজী প্ৰবন্ধ কেইটাৰ ভিতৰত গৰিমা বৰাৰ 'গান্ধীজীজ আইডিয়াজ অন এডুকেশ্যন', চন্দ্ৰপ্ৰভা হাজৰিকাৰ 'উইমেন এজ উই চি ডেম', পূৰ্ণিমা বৰাৰ 'এডুকেশ্যন এজ চায়েন্স, আৰ্ট এণ্ড ফিলচ'ফী' আৰু দীপ্তি দেৱীৰ 'এডুকেশ্যন এণ্ড চ'চাইটি' ভাল হৈছে।

অধ্যাপিকা তৰু বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু নগাঁৱৰ আদৰ্শ প্ৰেছত মুদ্ৰিত আলোচনীখনৰ ছপা-বন্ধা সুন্দৰ।

প্ৰায় তিনি বছৰৰ বিৰতিৰ পাছত স্বপ্না নেওগ আৰু দুৰ্গাময়ী ভূঞাৰ যুটীয়া সম্পাদনাত আলোচনীখনিৰ তৃতীয় সংখ্যা প্ৰকাশ হয় (১৯৭৭-৭৮ ইং)। এই সংখ্যাৰ তত্ত্বাৱধায়ক আছিল অধ্যাপক ইদ্ৰিছ আলি, আৰু বেটুপাতৰ শিল্পীগৰাকী হ'ল মামণি গোহাঁই বৰুৱা।

এই সংখ্যাত প্ৰকাশিত অধ্যাপক ব্ৰজেন ৰায়চৌধুৰীৰ 'সৌন্দৰ্য্য শিক্ষা' আৰু সন্ধ্যা শৰ্মাৰ 'অনুতাপৰ পূৰে' প্ৰবন্ধ দুটি ছাত্ৰীসকলৰ অৱশ্য পালনীয় দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি দৃষ্টি ৰাখি ৰচনা কৰা হৈছে, আৰু দু:য়োটি প্ৰবন্ধ শিক্ষাপ্ৰদ হৈছে। আন এটা প্ৰবন্ধ প্ৰিয়ম্বদা শইকীয়াৰ 'গাঁৱলীয়া সমাজৰ জিলিঙণি'ত অসমৰ গাঁৱলীয়া জীৱনৰ ক্ৰমনিম্নমুখী অৱস্থা আৰু তাৰ পৰা পৰিত্ৰাণৰ উপায় বিশ্লেষণাত্মক গঠনমূলক দৃষ্টি-ভংগীৰে আলোচনা কৰা হৈছে। দীপালী ৰাজখোৱাৰ 'নাট্যকাৰ জ্যোতিপ্ৰসাদ' আৰু চন্দনা আইদেউৰ 'স্বাধীনতা সংগ্ৰামত জ্যোতিপ্ৰসাদ' শীৰ্ষক প্ৰবন্ধ দুটিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ নাট্যকাৰ আৰু বিপ্লৱী সত্তাৰ প্ৰকাশ ঘটিছে। অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী ডাঙৰীয়াৰ 'আমাৰ কলেজৰ ইতিহাস' শীৰ্ষক প্ৰতিবেদনখনে আলোচনীখনিৰ গুৰুত্ব বঢ়াইছে। বাংলাদেশ ভ্ৰমণৰ অভিজ্ঞতাৰে লিখা মহম্মদ আলৰ ভ্ৰমণ-কাহিনী 'বাংলাদেশলৈ গৈ ছলোঁ'ত বাংলাদেশৰ কোনো ভৌগোলিক, সাংস্কৃতিক, বা অৰ্থনৈতিক ছাবৰ প্ৰতফলন দেখা নাপালোঁ। বাংলাদেশৰ স্বাধীনতা আন্দোলনৰ ছবিখনো স্পষ্ট নহ'ল।

গল্পকেইটাত নাৰীৰ মৌন-মূক বেদনা, প্ৰিয়জনৰ মংগলৰ কাৰণে

আত্মত্যাগত পোৱা স্বাভাৱিক তৃপ্তি আৰু প্ৰিয়জনৰ প্ৰবঞ্চনাত সাৱটি লোৱা কৰুণ জীৱনৰ প্ৰতিচ্ছবি ফুটি উঠিছে। ভাৰতী গগৈৰ 'কীট, ৰীভাৰাণী ফুকনৰ 'ৰজনীগন্ধা' আৰু মালা ৰজকৰ 'আত্মত্যাগে' মন চুই যাব পাৰিছে।

সমাজ-জীৱনৰ অৱনমিত দিশৰ প্ৰতি দৃষ্টি ৰাখি লিখা কবিতা-অধ্যাপিকা হিমাদ্ৰি দেৱীৰ 'হে মহানগৰ'; শেৱালি কাকতীৰ 'প্ৰতীতি', ধৃতি ৰায়ৰ 'আৰ্তনাদ'ত কবিৰ প্ৰতিবাদী কণ্ঠ আৰু ব্যংগৰ মনোভাৱ প্ৰকাশ পাইছে।

অধ্যক্ষৰ দ্বাৰা প্ৰকাশিত আৰু নগাঁৱৰ সুছন্দা প্ৰেছত মুদ্ৰিত এই সংখ্যাটোৰ ছপা-বন্ধা বেয়া হোৱা নাই। পৃষ্ঠা-সংখ্যা নব্বৈ।

গীতা শইকীয়াৰ সম্পাদনাত আৰু অধ্যাপিকা হিমাদ্ৰি দেৱীৰ তত্ত্বাৱধানত ১৯৭৮-৭৯ চনত আলোচনীখনৰ চতুৰ্থ সংখ্যাটি পোহৰলৈ আহে।

এই সংখ্যাত প্ৰকাশ পোৱা আল্পনা সৰকাৰৰ 'ৰহস্যবাদী কবি ৰায়চৌধুৰী আৰু ৰবীন্দ্ৰনাথ' প্ৰবন্ধত এই দুজনা নমস্য কবিৰ ৰহস্য-বাদী ধাৰাৰ কবিতাসমূহৰ ওপৰত কৰা তুলনামূলক আলোচনাটি ভাল হৈছে। মাল্লাশ্ৰী লস্কৰৰ 'গীতি সাহিত্যিক জ্যোতিপ্ৰসাদ আগৰৱালা', চেলিমা আহমেদৰ 'জিকিৰৰ তাৎপৰ্য আৰু আজান পীৰৰ জিকিৰ', দীপিকা বেজবৰুৱাৰ 'কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ অঙ্কিত ছবি' প্ৰবন্ধ-কেইটা ভাল হৈছে। সন্ধ্যা শৰ্মাৰ 'প্ৰকৃত মিত্ৰতা'ৰ কথা-বস্তুত গভীৰ চিন্তা আৰু উপলব্ধিৰ স্বাক্ষৰ আছে। উল্লিখিত প্ৰবন্ধকেইটাই ছাত্ৰী-সকলৰ অধ্যয়ন পিয়াসী মনৰ পাৰমগুল নিজৰ ভাষাতে সীমাৱদ্ধ যে নহয়, তাৰ প্ৰমাণ দাঙি ধৰিব পাৰিছে।

হেনা সৰকাৰৰ ৰূপক গল্পটি 'পাপৰিক মই ভাল পাওঁ কিয়' গণেশ গগৈৰ কবিতা পুথি 'পাপৰি'ক লৈ লিখা। গল্পটিৰ উপস্থাপন কৌশল, বৰ্ণনা আৰু ঠায়ে ঠায়ে 'মেঘদূত' আৰু 'পাপৰি'ৰ পৰা উদ্ধৃত কৰা কিছুমান পংক্তিয়ে গল্পটো সুখপাঠ্য কৰি তুলিছে। অনিলা ডেকাৰ 'আওপকীয়া আমাৰ বাট' নামৰ গল্পটিত সমাজৰ বাস্তৱ সমস্যা আৰু দ্বন্দ্বৰ চিত্ৰ এখনৰ আভাস আছে। ৰাণী বৰাৰ ডিটেক্টিভ জাতীয় গল্প 'হত্যাকাৰী কোন'ত ডিটেক্টিভ গল্পৰ ধৰ্ম অনুপস্থিত। অন্যান্য গল্পকেইটা গতানুগতিক বিষয়-বস্তুৰে ৰঞ্জিত।

এই সংখ্যাত প্ৰকাশিত কবিতা লানিত নিবনুৱা সমস্যা, তথা-কথিত সভ্য সমাজৰ প্ৰতি ব্যংগবাণ আৰু প্ৰেমৰ কাব্যময় প্ৰকাশ ঘটিছে। গীতা শইকীয়াৰ 'ভগ্ন আশা', ৰূপা বৰাৰ 'আক্ষেপ', মীৰা শৰ্মা বৰুৱাৰ 'মৰণোত্তৰ পৰীক্ষা', স্বপ্না খাটনিয়াৰৰ 'উপেক্ষিতা বহাগ' আৰু ৰত্না চমুৱাৰ 'সূৰ্য্যমুখীৰ স্বপ্ন'ও উল্লেখযোগ্য।



ইংৰাজী প্ৰবন্ধকেইটাৰ বিষয়-বস্তু ভাল হৈছে। ব্ৰজেন ৰায়-চৌধুৰীৰ 'চাইল্ড গাইডেন্স ক্লিনিক,' তপতী শৰ্মাৰ 'কম্পিউটাৰ' প্ৰবন্ধ দুটিৰ বিষয়-বস্তুৱে ছাত্ৰীক উপকৃত কৰিব। এই সংখ্যাৰ বেটুপাতৰ শিল্পী দেৱযানী হাজৰিকা। অধ্যক্ষৰ দ্বাৰা প্ৰকাশিত সংখ্যাটি সুছন্দা প্ৰেছত মুদ্ৰিত হৈছিল। ছপা বেয়া হোৱা নাই।

কেইবাটাও বছৰৰ বিৰতিৰ মূৰত ১৯৮৩ চনত আলোচনীখনিৰ এটা সংখ্যা প্ৰকাশ হয় দীপিকা দাসৰ সম্পাদনাত। এই সংখ্যাৰ তত্ত্বাৱধায়ক আছিল অধ্যাপক কৃষ্ণৰাম বৰাদেৱ। এই সংখ্যাৰ আলোচনীখনৰ দুটা চকুত লগা ভুল হৈছে—প্ৰথমতে, আলোচনীৰ নামটো 'নগাঁও ছোৱালী কলেজ আলোচনী' নহৈ 'নগাঁও ছোৱালী মহাবিদ্যালয় আলোচনী' দিয়াটো। অন্যহাতে, এই সংখ্যাটি পঞ্চম সংখ্যাহে হ'ব লাগে—আলোচনীখনিত ছপা হোৱাৰ দৰে "চতুৰ্থ সংখ্যা" নহয়। কাৰণ এইখনৰ পূৰ্বে চাৰিটা সংখ্যা প্ৰকাশ হৈ গৈছে। যি হওক, আমাৰ কলেজৰ প্ৰয়াত অধ্যাপক বিনয় চন্দ্ৰ বৰাদেৱৰ স্মৃতিত এই সংখ্যা আলোচনী উৎসৰ্গিত হৈছে। বেটুপাতৰ শিল্পী চয়নিকা শৰ্মা।

এই সংখ্যাৰ প্ৰবন্ধকেইটাৰ দুটা জীৱন-ভিত্তিক সোঁৱৰণ। কৃষ্ণ বৰাৰ 'প্ৰয়াত অধ্যাপক বিনয় বৰা' প্ৰবন্ধত বৰাদেৱৰ জীৱনৰ ওপৰত, আৰু উৎপলা অধিকাৰীৰ 'পণ্ডিত-প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ'ত প্ৰাচ্যবিদ কৃষ্ণকান্ত সন্দিকৈদেৱৰ জীৱনৰ ওপৰত আলোকপাত কৰি শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰা হৈছে। তদুপৰি অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞাদেৱৰ 'আধুনিক অসমীয়া ভাষা-সাহিত্য আৰু আমেৰিকা মিশন্যনেৰী সকল', অধ্যাপক ইদ্ৰিছ আলিৰ 'জ্যোতিপ্ৰসাদৰ নিমাতী কইনা', চয়নিকা শৰ্মাৰ 'শিক্ষাত শিল্পৰ প্ৰয়োজনীয়তা', অধ্যাপিকা পাঞ্চালী কোঁৱৰৰ পৰিবৰ্তন আমি, কেনেদৰে গ্ৰহণ কৰা উচিত' শীৰ্ষক প্ৰবন্ধই ছাত্ৰী সকলক চিন্তাৰ খোৰাক যোগাব পাৰিছে।

এজনী বধিৰ ছোৱালীৰ মূক বেদনাক লৈ লিখা দীপামণি বৰাৰ গল্প 'মৌন-বেদনা'ক গল্পৰ ওচৰলৈ নিব পাৰি যদিও বাকী তিনিটা গল্পক একোটা দুৰ্বল কাহিনী বুলিহে ক'ব পৰা যায়।

কবিতা-মালঞ্চৰ কবিতালানিত শ্ৰমজীৱীৰ ঘাম আৰু কেঁচা তেজৰ প্ৰাপ্য দাবী, শোষকৰ বিৰুদ্ধে শোষিতৰ সঁকীয়নি, সম-সাময়িক ঘটনা-প্ৰৱাহ, উপেক্ষিত হৃদয়ৰ মৰ্মবেদনাৰ সহৃদয় প্ৰকাশ আৰু পাৰস্পৰিক হিংসা-ঘৃণাৰ কদৰ্যতাত অহিংসাৰ আহ্বান শুনা গৈছে।

প্ৰাক্তন অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰ 'ছাত্ৰীসকললৈ একাষাৰ' লেখাটিয়ে ছাত্ৰীসকলক সৎপথেদি আগুৱাবলৈ উৎসাহিত কৰিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যজ্ঞেশ্বৰ শৰ্মা, নৱনিযুক্ত অধ্যক্ষ ৰত্নকান্ত বৰুৱা আৰু নগাঁও ছোৱালী কলেজ পৰিচালনা সমিতিৰ সভাপতি

লক্ষেশ্বৰ হাজৰিকাৰ শুভেচ্ছা বাণীয়ে ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিছে।

অধ্যক্ষৰ দ্বাৰা প্ৰকাশিত আৰু সুছন্দা প্ৰেছত মুদ্ৰিত এই সংখ্যাৰ পৃষ্ঠা-সংখ্যা এসত্তৰ। আলোচনীখনৰ ছপা-বন্ধা ভাল হোৱা নাই। তদুপৰি আলোচনীখনৰ অংগ-সজ্জাৰ প্ৰতি সম্পাদিকাৰ উদাসীনতাৰ স্বাক্ষৰ বিৰাজমান।

প্ৰণয়া ভূঞাৰ দ্বাৰা সম্পাদিত ষষ্ঠ সংখ্যা আলোচনী ১৯৮৪ চনত প্ৰকাশ হয়। এই সংখ্যাৰ তত্বাবধায়ক অধ্যাপক কৃষ্ণ বৰা, আৰু বেটুপাতৰ শিল্পী স্মিতা আগৰৱালা।

আলোচ্য সংখ্যাত প্ৰকাশিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাৰ 'বিনয় দিচিপ্লিন' নিবন্ধটি সৰু হলেও শিক্ষাপ্ৰদ। শ্ৰীযুত শৰ্মাৰ কবিতাত আলোকপাত কৰি লিখা অধ্যাপক ইদ্ৰিছ আলিৰ 'যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাঃ ব্ৰাত্যৰ ব্ৰত' ছাত্ৰীসকলৰ উপযোগী হৈছে। অন্যান্য প্ৰবন্ধকেইটা আৰু ভাল হোৱাৰ থল থাকি গ'ল।

গল্পগুচ্ছৰ কবিতাৰাণী দাসৰ গল্প 'মাটিৰ মানুহ'ত শ্ৰমজীৱী সৰল মানুহৰ সততা আৰু সাহস, দীপামণি বৰাৰ 'এজনী ছোৱালীৰ ছবি'ত অৱহেলিত জনৰ বেদনা, আৰু অধ্যাপক ভূপেন তালুকদাৰৰ 'ধুমুহা'ত ধনীৰ হাতত দুখীয়াৰ লাঞ্ছনা-বঞ্চনাৰ চিত্ৰ ফুটি উঠিছে।

অৰূপা সিন্হাৰ প্ৰতীকবাদী একাংকিকা নাট 'যুগৰ সমাধি'ত পল্লৱ চৰিত্ৰটো অভিজাত বংশৰ শিক্ষিত আত্মাভিমানী যুৱ-সমাজৰ প্ৰতিনিধি। পুৰোহিতৰ বাণীত পল্লৱৰ অহংকাৰ লুপ্ত হৈ জীৱনৰ প্ৰকৃত গোহৰৰ সন্ধান পোৱাৰ লগতে জীৱনলৈ অনাবিল আনন্দ আৰু শান্তি নামি আহিছে।

কবিতাপুঞ্জত ৰূঢ় বাস্তৱৰ লগত সাহসেৰে সন্মুখীন হৈ বাস্তৱক জয় কৰাৰ দুৰ্বাৰ বাসনা আৰু আশাবাদী স্বপ্ন, দেহাতীত প্ৰেমৰ উপলব্ধি, বাস্তৱৰ শোষণ-বঞ্চনাৰ দাবাগ্নিত দগ্ধ অপৰাজেয় হৃদয়ৰ প্ৰকাশ ঘটিছে।

ইংৰাজী প্ৰবন্ধকেইটা ছাত্ৰীসকলৰ উপকাৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই লিখা হৈছে।

অধ্যক্ষ বিমল কুমাৰ বৰাৰ শুভেচ্ছা বাণীৰে ধন্য এশ ন পৃষ্ঠা-যুক্ত আলোচনীখন সুছন্দা প্ৰেছত মুদ্ৰিত। ছপা-বন্ধা ভাল হৈছে।

অধ্যাপিকা স্বপ্না নেওগৰ তত্ত্বাৱধানত আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ সম্পাদনাত আলোচনীখনৰ সপ্তম সংখ্যা প্ৰকাশ হয় ১৯৮৭ চনৰ আগষ্ট মাহত। উল্লেখযোগ্য যে এই সংখ্যা আলোচনী ১৯৮৫-৮৬ চনৰ শিক্ষা-বৰ্ষতে প্ৰকাশ হ'ব লাগিছিল যদিও অনিবাৰ্য কাৰণবশতঃ যথেষ্ট পলম-কৈহে প্ৰকাশ হয়। এই সংখ্যাটো দুটা ভুল হৈ গ'ল। সেয়া হ'ল—আলোচনীখনৰ নামকৰণ 'নগাঁও ছোৱালী মহাবিদ্যালয় আলোচনী' নহৈ



'নগাঁও ছোৱালী কলেজ আলোচনী'হে হ'ব লাগিছিল। অন্যহাতে এই সংখ্যাটো সপ্তম সংখ্যাহে, ষষ্ঠ সংখ্যা নহয়।

দহটা প্ৰবন্ধ, দহটা কবিতা, চাৰিটা গল্প, দুটা মিনি গল্পেৰে এই সংখ্যাৰ অসমীয়া বিভাগটো সজোৱা হৈছে। ইংৰাজী বিভাগটো অধ্যাপক টংকেশ্বৰ বৰা, ড$^{0}$ ৰিয়াজ উদ্দিন আহমেদ আৰু সুজাতা বৰে সজাইছে।

প্ৰাক্তন অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী ডাঙৰীয়াই লিখা 'নগাঁও ছোৱালী কলেজৰ সংক্ষিপ্ত ইতিবৃত্ত' শীৰ্ষক নিবন্ধটিয়ে আলোচনীখনিৰ গুৰুত্ব বঢ়াইছে। হিমাদ্ৰি দেৱীৰ 'অগ্নিকাগিৰী ৰায়চৌধুৰীলৈ', অদিতি ভূঞাৰ 'শাস্ত্ৰীয় সংগীত সাধনা, ভাটখাণ্ডে আৰু উত্তৰ ভাৰতীয় ৰাগ-সংগীত', ঝৰ্ণা গোস্বামীৰ 'কৃষ্ণকান্ত সন্দিকৈৰ শিক্ষা আৰু সাহিত্যিক জীৱনত এভুমুকি' প্ৰবন্ধ তিনিটাত আলোচিত কথা-বস্তুক ছাত্ৰীৰ ওচৰলৈ চপাই নিবলৈ সক্ষম হৈছে।

ৰেখা বৰাৰ 'অসমীয়া জাতিলৈ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান' প্ৰবন্ধটো সুন্দৰ হৈছে। লেখিকাৰ ৰূপকোঁৱৰৰ সম্পৰ্কে অধ্যয়নপুষ্ট মনৰ স্পষ্ট ধাৰণা আৰু সেই ধাৰণাৰ সুন্দৰ ভাষাত সাবলীল প্ৰকাশ প্ৰশংসনীয়। আন এটা উন্নত মানৰ প্ৰবন্ধ হ'ল প্ৰণতি কাকতীৰ 'সমাজ আৰু সংস্কৃতি'। এই প্ৰবন্ধটিত লেখিকাৰ গভীৰ চিন্তা শক্তিৰ স্ফুৰণ ঘটিছে। কবিতাৰাণী দাসৰ 'মহাপুৰুষ শংকৰদেৱৰ অংকীয়া নাট' প্ৰবন্ধত মহাপুৰুষজনাৰ অংকীয়া নাটৰ সম্বন্ধে আলোচনা কৰিবৰ প্ৰয়াস প্ৰকাশ হৈছে। বনজ্যোতি গায়নৰ 'বিষ্ণুপ্ৰসাদ ৰাভা'ত সৈনিক শিল্পীজনাৰ মূল্যায়ন কৰা হৈছে।

কবিতালানিৰ ইদ্ৰিছ আলিৰ 'দুটা স্বৰবৰ্ণৰ দাম' কবিতাটোত কোনেও কোনো কালে যাৰ দাম মূল্যেৰে দিব পৰা নাই, সেই মহীয়সী 'আই'ৰ মূল্য কবিয়ে দিব খুজিছে জন্মেৰে আৰু মৃত্যুৰে আৰু জীৱনৰ দুঃসহ যন্ত্ৰণাৰ অৰুন্ময় হাঁহিৰে।

এই সংখ্যাৰ উল্লেখযোগ্য কেইটামান কবিতা হ'ল মণিকুন্তলা ভট্টাচাৰ্যৰ 'বসন্তৰ প্ৰতিলিপি', অঞ্জলি বৰুৱাৰ 'কবিতা', কবিতাৰাণী দাসৰ 'জোনাকৰ পিছত' আৰু সৌজন্যময়ী ভট্টাচাৰ্যৰ 'এটি কবিতা'।

মণিকুন্তলা ভট্টাচাৰ্যৰ 'ব্যতিক্ৰম' গল্পটোত নিঃসংগতাপ্ৰিয়, অপত্য স্নেহৰ পৰা বঞ্চিত এগৰাকী পংগু ছোৱালীৰ মানসিক অন্তৰ্দ্বন্দ্ব ফুটি উঠিছে। কবিতাৰাণী দাসৰ গল্প 'পদক্ষেপ' এটি উদ্দেশ্যধৰ্মী গল্প। মিনি গল্প বিশেষণ দিয়া হৈছে যদিও অৱন্তী বৰাৰ 'ট্ৰেইনৰ লগৰীয়া' আৰু প্ৰণতি কাকতীৰ 'সিহঁতবোৰো (?) মানুহ' গল্প দুটিত মিনি গল্পৰ ধৰ্ম নাই। অৱশ্যে গল্প দুটাৰ মানৱীয় আবেদন আছে।

ড$^{0}$ ৰিয়াজ উদ্দিন আহমেদে বাৰ্ণাড শ্বৰ 'কেণ্ডিডা' নাটৰ ওপৰত লিখা প্ৰবন্ধটি শিক্ষাপ্ৰদ হৈছে।

অধ্যক্ষৰ দ্বাৰা প্ৰকাশিত আৰু সুছন্দা প্ৰেছত মুদ্ৰিত এই সংখ্যা আলোচনীৰ পৃষ্ঠা-সংখ্যা পঁচানব্বৈ। ছপা-বন্ধা ভাল হৈছে।

উল্লিখিত সংখ্যাকেইটাৰ সম্পাদিকা, লেখিকা (ছাত্ৰী) সকলৰ সামৰ্থ্যৰ ছবিখন সততে মনশ্চক্ষুৰ সন্মুখত ৰাখিহে আমি এই লেখাটি যুগুত কৰিবৰ যত্ন কৰিছোঁ। কাৰণ, বয়স আৰু অভিজ্ঞতাৰ ফালৰ পৰা সংশ্লিষ্টসকল নিচেই চালুকীয়া বুলি কলেও অত্যুক্তি কৰা নহ'ব। তদুপৰি নাৰীৰ সীমাবদ্ধ জগতখনত বৈচিত্ৰ্যহীনভাৱে অতিবাহিত কৰা যোৱাৰ পৰা বিছ-এবৈছ বছৰ বয়সৰ লেখিকাসকলৰ চিন্তা-চৰ্চাত নতুন পোহৰ পৰিবলৈ খিড়িকী খুলি দিয়াৰ অনুকূল পৰিৱেশ সকলোৱে সমানে লাভ নকৰেও। যোৱা দশকটোৰ তুলনাত এই দশকত বহুতো পৰিবৰ্তন ঘটি গ'ল সমাজ-জীৱনত। নাৰীৰ নিজা দৃষ্টি-ভংগীৰ প্ৰসাৰ হোৱাৰ লগে লগে সাহিত্যৰ ক্ষেত্ৰতো ইয়াৰ প্ৰতিফলন দেখিবলৈ পাম বুলি আমি আশাবাদী। 'নগাঁও ছোৱালী কলেজ আলোচনী' পৰৱৰ্তী কালছোৱাত নিয়মীয়াকৈ প্ৰকাশ হলে সুখৰ কথা হ'ব। এই ক্ষেত্ৰত নতুন ছাত্ৰীসকল সজাগ হ'ব বুলি আমি ভাবোঁ। 'নগাঁও ছোৱালী কলেজ আলোচনী' ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ উৰ্বৰ ভূমি হওক।*

* শ্ৰীকবিতা ৰাণী দাস এই কলেজৰ অসমীয়া 'মেজৰ' বিষয়ৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰী। —সম্পাদক।

With best complements from :—

Assam Industrial Development Corporation Ltd.
R. G. Baruah Road,
Guwahati– 781024.

**Sri J. Chakravarty.**

# Academic Performance of our College : a retrospect.

The examination-result of an educational institution is the yard-stick of measuring the quality of the institution. This result depends upon many factors. (1) The quality of the students that come to the institution, their academic background, their capability of grasping the materials they are supposed to learn, their mental make-up; (2) the quantity of students in a class, (3) the facilities the students get both in the institution and at home; (4) the academic environment of the locality; (5) quantity, quality and zeal to teach of the teachers and lastly (6) authority's vigilence.

Now let me discuss the performance of our students in the different University Examinations. Tables I, II, III and IV will throw clear light on this matter. Let me first take up the Pre-University results. Quantitatively these results were not upto the mark. Upto 1974 somehow the results were tolerable. But after that year the results further deteriorated. However, excepting in 1984 and 1985 the pass percentages of our College were almost always above the University percentage level. One point to be noted here is that from the year 1972 the Gauhati University switched over to Assamese as medium of instruction and answer in the College.

Now let me consider the reasons for deterioration of the results. First, the majority students that come to this institution are not of good quality. Excepting 3 or 4 first divisioners and about 15 to 20 second divisioners, all are either third divisioners or passed in compartmental examinations. Secondly, gradually

the number of students increased ( Table I ) without much change in the infrastructure of the College. The total area of class-room in 1967-68 was 4780 sqr. ft. when the number of students was about 360, and this area increased to 9620 sqr. ft. in 1985-86 when the number of students increased to about 1070. Moreover, some new subjects were started by 1985 along with the increase in subjects offering honours. Naturally it became simply impossible for the teachers to give individual or special attention to students in the form of taking extra classes, tutorial classes etc. The library facilities also became inadequate. There is no Library Hall as such. Number of books are too inadequate. There is no reading room. On the whole this part of the institution is in a completely neglected stage. No restriction was put or no criteria were fixed to check the entry of the undeserving students. Because of huge number of students the question of discipline also arose. Thirdly, since 1972 the administration of this College also probably deteriorated because of sudden illness of the first Principal. Then after his retirement there was a big gap till a next permanent Principal joined. The Second regular Principal also did not stay for a long time. Then there was again a gap. The present Principal has joined only about 3 and half years back. From Governing Body's side also no significant sign was shown to provide required adequate facilities for the improvement of the results in general. Apart from these, some problems of general nature like non-availability of prescribed books in time, too many cancellation of classes, frequent changes in the system and syllabus etc. are there.

In case of B. A. the results were not as gloomy as those of P. U. section, at least upto 1976. Till 1976 in cases of both Part I and Part II final examinations, the percentages of pass were quite upto the mark excepting in the years 1975 and 1976 in case of Part I and in 1975



in case of Part II ( Table II and III ). Moreover they could show good results qualitatively by securing good positions in honours and in distinction lists. But since 1976 in B.A. two years course examinations, our students could not show any good results. Excepting in 1976 in all other years till 1986, the results were rather below the mark ( Table IV ). In our College, students showed better results under the system of Three Years Degree Course. Moreover, the switching over to Assamese as medium of instruction and answer could not yield any better result, at least in our College.

Now let me take an overall stock of the result issue. We see that our students failed mostly in English. Even showing good performances in other subjects like Economics, History, Political Science or Education, they showed very poor performance in English excepting in the year 1970 in B. A. Part II examination when the general pass percentage was 47.56%, and in English it was 55.84, but in Economics, Political Science, Education and History they were 28.55%, 20.83%, 26.19% and 14.28% respectively, which remained a mystery, and no adequate explanation could be given to this peculiar performance. Inadequately equipped in English in school level itself is the main reason for such a miserable failure in the College level in English. Of course frequent changes of teachers in English department might also be another reason. If more coachings could be given to the students somehow or other, the results of this College would have been probably a little better. For this the authority must think of reorientation of the present infrastructure of the College, and take immediates teps to construct more and more class rooms, so that the teachers can take extra classes, tutorial classes, hold seminars and group discussions etc. By the bye, I cannot check the temptation of mentioning here that the strictness in invigilation in the examination hall is one of the special features

of our College. The teacher-student relation in this College is quite cordial. The teachers take special care if and when the students come forward seeking for help. The Honours results prove it. Most of the students who secured good positions in Honours were second divisioners in Pre-University level and many of them were second divisioners in H.S.L.C. Examination also. For example, Kajal Doss and Tapati Dev who secured First Class First positions in Political Science were second divisioners in both P. U. and H.S.L.C. levels. Alpana Sarkar, who secured Second Class First position in Assamese ( No First Class ) was a science student in P. U. level, and a second divisioner in both P. U. and H.S.L.C. level. Moreover, she was a student of Bengali origin.

Probably the students could not be provided with adequate facilities – facilities that are necessary for a student to show better results – either by the College authority at College or by the guardians at home at least guardians of the rural areas. There are no sufficient rooms to take regular classes, not to speak of extra classes or tutorial classes. A concerted effort of all concerned might result in improvement of results. Regarding the subject English, something must be done to improve performance. If the results of our College are any indications, then it is high time for the University authority, Higher Secondary Council, Secondary Board, the Government and lastly the academicians of the State to probe into the matter and find out ways and means to improve the standard of English of the students and probably it will have to be done right from the school level itself. And unless this is done the University results can never improve and consequently a great chunk of our manpower will have to rot in darkness. Another thing can be done. It has now been the policy of the Government to switch

## TABLE— I

### Pre-Univesity Examination.

| Year | Total No. Appeared | Total No. passed | Percentage of pass | English TNA. | English TNP. | English P/C of pass | Economics TNA. | Economics TNP. | Economics P/C of pass | Political Science TNA. | Political Science TNP. | Political Science P/C of pass | Education TNA. | Education TNP. | Education P/C of pass | History TNA. | History TNP. | History P/C of pass | Mathematics TNA. | Mathematics TNP. | Mathematics P/C of pass |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 1964 | 60 | 18 | 30·00 | 60 | 21 | 35 00 | 31 | 15 | 48·38 | 52 | 21 | 40·38 | 30 | 19 | 63·33 | Nil | Nil | Nil | Nsl | Nil | Nil |
| 1965 | 93 | 46 | 49·46 | 91 | 62 | 68·13 | 35 | 21 | 60·00 | 81 | 60 | 74·07 | 62 | 38 | 61·29 | 27 | 19 | 70·37 | Nil | Nil | Nil |
| 1966 | 122 | 41 | 33·60 | 120 | 44 | 36·66 | 47 | 32 | 68·08 | 118 | 93 | 78·81 | 81 | 59 | 72·83 | 30 | 14 | 46·66 | Nil | Nil | Nil |
| 1967 | 149 | 63 | 42·28 | 145 | 68 | 46·89 | 52 | 25 | 48·07 | 133 | 85 | 63·90 | 105 | 78 | 74·28 | 30 | 17 | 56·66 | Nil | Nil | Nil |
| 1968 | 105 | 43 | 40·95 | 101 | 49 | 48·51 | 32 | 16 | 50·00 | 92 | 45 | 48·91 | 70 | 54 | 77·14 | 24 | 18 | 75·00 | Nil | Nil | Nil |
| 1969 | 119 | 40 | 33·61 | 116 | 30 | 25·86 | 18 | 11 | 61·11 | 108 | 68 | 62·96 | 105 | 71 | 67·61 | 18 | 9 | 50·00 | Nil | Nil | Nil |
| 1970 | 152 | 56 | 36·84 | 152 | 56 | 36·84 | NA | NA | NA | 138 | 93 | 67·39 | 142 | 79 | 55·63 | NA | | | | | |
| 1971 | 131 | 53 | 40·45 | 131 | 56 | 42·74 | 21 | 13 | 61·90 | 112 | 65 | 58·03 | 122 | 89 | 72·95 | 38 | 26 | 68·42 | Nil | Nil | Nil |
| 1972 | 182 | 54 | 29·67 | 182 | 54 | 29·67 | 25 | 16 | 64·00 | 141 | 93 | 65·95 | 167 | 125 | 74·84 | 45 | 22 | 48·88 | 2 | 1 | 50·00 |
| 1973 | NA | | | | | | | | | | | | | | | | | | | | |
| 1974 | 174 | 57 | 32·75 | 174 | 55 | 31·60 | 39 | 32 | 82·05 | 111 | 89 | 80·18 | 162 | 97 | 59·87 | 57 | 38 | 66·66 | 5 | 2 | 40·00 |
| 1975 | 243 | 62 | 25·51 | 243 | 69 | 28·39 | 65 | 48 | 73·84 | 181 | 100 | 55·24 | 217 | 127 | 58·52 | 113 | 87 | 76·99 | 6 | 2 | 33-33 |
| 1976 | 358 | 90 | 25·13 | 353 | 94 | 26·12 | 145 | 91 | 62·75 | 260 | 181 | 69·61 | 287 | 201 | 70·03 | 156 | 114 | 73·07 | 8 | 2 | 25·00 |
| 1977 | 399 | 126 | 31·57 | 396 | 124 | 31·31 | 177 | 96 | 54·23 | 291 | 145 | 49·82 | 298 | 162 | 54·36 | 158 | 106 | 67·08 | 8 | 8 | 100·00 |
| 1978 | 357 | 105 | 29·41 | 333 | 104 | 31·23 | 179 | 155 | 86·59 | 274 | 202 | 73·72 | 279 | 219 | 78·49 | 125 | 75 | 60·00 | 8 | 8 | 100·00 |
| 1979 | NA | | | | | | | | | | | | | | | | | | | | |
| 1980 | NA | | | | | | | | | | | | | | | | | | | | |
| 1981 | 521 | 130 | 24·95 | 499 | 133 | 26·65 | 380 | 257 | 67·63 | 444 | 275 | 61·93 | 434 | 250 | 57·60 | 137 | 61 | 44·52 | 11 | 3 | 27·27 |
| 1982 | NA | | | | | | | | | | | | | | | | | | | | |
| 1983 | 574 | 172 | 29·96 | 544 | 180 | 33·08 | 462 | 334 | 72·29 | 500 | 285 | 57·00 | 512 | 383 | 74·80 | 167 | 70 | 51·91 | 15 | 7 | 46·66 |
| 1984 | 542 | 103 | 19·00 | 505 | 112 | 22·17 | 430 | 224 | 52·09 | 461 | 227 | 49·24 | 459 | 304 | 66·23 | 148 | 28 | 18·91 | 9 | 0 | 00·00 |
| 1985 | 708 | 120 | 16·94 | 670 | 135 | 20·14 | 602 | 345 | 57·30 | 614 | 260 | 42·34 | 616 | 366 | 59·41 | 200 | 56 | 28·00 | 19 | 7 | 36·84 |
| 1986 | 460 | 114 | 24·78 | 445 | 116 | 26·06 | 426 | 157 | 36·85 | 409 | 189 | 46·21 | 399 | 208 | 52·13 | 133 | 71 | 53·38 | 37 | 6 | 16·21 |

## TABLE— II

### B.A. Examination. Part-I.

| Year | Total No. Appeared | Total No. passed | P/C of pass | English TNA. | English TNP. | English P/C of pass | Economics TNA. | Economics TNP. | Economics P/C of pass | Political Science TNA. | Political Science TNP. | Political Science P/C of pass | Education TNA. | Education TNP. | Education P/C of pass | History TNA. | History TNP. | History P/C of pass | Mathematics TNA. | Mathematics TNP. | Mathematics P/C of pass |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 1964 | 28 | 23 | 82·14 | 28 | 24 | 85·71 | 4 | 4 | 100·00 | 20 | 18 | 90·00 | 15 | 15 | 100·00 | 6 | 5 | 83·33 | | | |
| 1965 | 26 | 19 | 73·07 | 24 | 21 | 87·50 | 0 | 0 | | 16 | 16 | 100·00 | 12 | 9 | 75·00 | 6 | 3 | 50·00 | | | |
| 1966 | 30 | 17 | 56·66 | 27 | 17 | 62·96 | 3 | 1 | 33·33 | 16 | 12 | 75·00 | 15 | 13 | 86·66 | 3 | 3 | 100·00 | | | |
| 1967 | 44 | 22 | 50·00 | 44 | 27 | 61·36 | 7 | 3 | 42·85 | 21 | 16 | 76·19 | 22 | 17 | 77·27 | 4 | 4 | 100·00 | | | |
| 1968 | 59 | 39 | 66·10 | 52 | 40 | 76·92 | 7 | 5 | 71·42 | 26 | 21 | 80·76 | 26 | 24 | 92·30 | 3 | 2 | 66·66 | | | |
| 1969 | 82 | 33 | 40·24 | 68 | 46 | 67·64 | 7 | 2 | 28·57 | 48 | 27 | 56·25 | 40 | 30 | 75·00 | 6 | 5 | 83·33 | | | |
| 1970 | 69 | 40 | 57·97 | 64 | 50 | 78·12 | 10 | 5 | 50·00 | 39 | 28 | 71·97 | 38 | 21 | 55·26 | 6 | 4 | 66·66 | | | |
| 1971 | 44 | 27 | 61·37 | 42 | 33 | 78·57 | 2 | 1 | 50·00 | 26 | 19 | 73·07 | 35 | 27 | 77·14 | 2 | 2 | 100·00 | | | |
| 1972 | 39 | 30 | 76·92 | 39 | 33 | 84·61 | 3 | 2 | 66·66 | 27 | 25 | 92·59 | 26 | 23 | 88·46 | 5 | 4 | 80·00 | | | |
| 1973 | 79 | 42 | 53·16 | 66 | 53 | 80·30 | 5 | 2 | 40·00 | 22 | 18 | 81·81 | 51 | 41 | 80·39 | 5 | 3 | 60·00 | | | |
| 1974 | 139 | 54 | 38·84 | 116 | 97 | 83·62 | 7 | 4 | 57·14 | 20 | 14 | 70·00 | 98 | 55 | 56·12 | 7 | 5 | 71·42 | | | |
| 1975 | 36 | 6 | 16·66 | 8 | 5 | 62·50 | 2 | 0 | 0·00 | 5 | 0 | 0·00 | 22 | 3 | 13·63 | 3 | 0 | 0·00 | | | |
| 1976 | 26 | 9 | 34·61 | 4 | 2 | 50·00 | 2 | 1 | 50·00 | 2 | 0 | 0·00 | 17 | 8 | 47·05 | 3 | 0 | 0·00 | | | |

## TABLE— III

### B.A. Examination. Part-II

| Year | Total No. Appeared | Total No. passed | P/C of pass | English TNA. | English TNP. | English P/C of pass | Economics TNA. | Economics TNP. | Economics P/C of pass | Political Science TNA. | Political Science TNP. | Political Science P/C of pass | Education TNA. | Education TNP. | Education P/C of pass | History TNA. | History TNP. | History P/C of pass | Ma[...] TNA. |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 1965 | 26 | 13 | 50·00 | 26 | 18 | 69·23 | 5 | 4 | 80·00 | 17 | 15 | 88·23 | 16 | 15 | 93·75 | 5 | 5 | 100·00 | |
| 1966 | 30 | 14 | 46·66 | 30 | 14 | 46·66 | 4 | 4 | 100·00 | 20 | 19 | 95·00 | 14 | 14 | 100·00 | 6 | 6 | 100·00 | |
| 1967 | 50 | 17 | 34·00 | 47 | 24 | 51·06 | 6 | 1 | 10·66 | 30 | 16 | 53·33 | 17 | 12 | 70·58 | 11 | 6 | 54·54 | |
| 1968 | 48 | 19 | 39·58 | 44 | 24 | 54·54 | 5 | 2 | 40·00 | 25 | 11 | 44·00 | 18 | 10 | 55·55 | 7 | 5 | 71·42 | |
| 1969 | 71 | 32 | 45·07 | 68 | 38 | 55·88 | 9 | 4 | 44·44 | 39 | 32 | 82·05 | 25 | 15 | 60·00 | 7 | 3 | 42·85 | |
| 1970 | 82 | 39 | 47·56 | 77 | 43 | 55·84 | 7 | 2 | 28·55 | 48 | 10 | 20·83 | 42 | 11 | 26·19 | 7 | 1 | 14·28 | |
| 1971 | 42 | 22 | 52·38 | 42 | 27 | 64·28 | 6 | 4 | 66·66 | 28 | 23 | 82·14 | 23 | 22 | 95·65 | 3 | 3 | 100·00 | |
| 1972 | 39 | 20 | 51·28 | 39 | 23 | 58·97 | 1 | 1 | 100·00 | 26 | 16 | 61·53 | 28 | 24 | 85·71 | 3 | 2 | 66·66 | |
| 1973 | 87 | 30 | 34·48 | 81 | 37 | 45·67 | 4 | 2 | 50·00 | 49 | 32 | 65·30 | 61 | 45 | 73·77 | 9 | 7 | 77·77 | |
| 1974 | 113 | 53 | 46·90 | 111 | 56 | 50·35 | 10 | 9 | 90·00 | 49 | 39 | 79·59 | 71 | 60 | 84·50 | 11 | 8 | 72·72 | |
| 1975 | 162 | 51 | 31·48 | 153 | 65 | 42·48 | 7 | 3 | 42·85 | 42 | 25 | 59·52 | 125 | 77 | 61·60 | 11 | 6 | 54·54 | |
| 1976 | 91 | 56 | 62·53 | 85 | 67 | 76·47 | 2 | 2 | 100·00 | 18 | 10 | 55·55 | 72 | 53 | 73·61 | 5 | 4 | 80·00 | |

**TABLE— IV**

B.A. Examination. ( Two Years )

| Year | Total No. Appeared | Total No. passed | P/C of pass | English TNA. | English TNP. | English P/C of pass | Economics TNA. | Economics TNP. | Economics P/C of pass | Political Science TNA. | Political Science TNP. | Political Science P/C of pass | Education TNA. | Education TNP. | Education P/C of pass | History TNA. | History TNP. | History P/C of pass | Mathematics TNA. | Mathematics TNP. | Mathematics P/C of pass |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 1976 | 67 | 27 | 40·29 | 65 | 30 | 46·15 | 15 | 8 | 53·53 | 31 | 27 | 87·09 | 40 | 35 | 87·50 | 11 | 3 | 27·27 | 1 | 0 | 0·00 |
| 1977 | 90 | 25 | 27.77 | 86 | 26 | 30·23 | 24 | 15 | 62·50 | 32 | 24 | 75·00 | 80 | 29 | 50·00 | 23 | 15 | 65·21 | 1 | 1 | 100·00 |
| 1978 | 115 | 36 | 31·30 | 98 | 39 | 39·79 | 27 | 17 | 62·96 | 48 | 42 | 87·50 | 52 | 33 | 63·46 | 28 | 20 | 71·42 | 0 | 0 | 0·00 |
| 1981 | 176 | 38 | 21·59 | 156 | 39 | 25·00 | 66 | 35 | 53·03 | 84 | 35 | 41·66 | 82 | 67 | 81·70 | 32 | 17 | 53·12 | 2 | 1 | 50·00 |
| 1983 | 279 | 26 | 9·31 | 254 | 36 | 14·17 | 134 | 50 | 37·31 | 142 | 75 | 52·81 | 121 | 85 | 70·24 | 25 | 18 | 72·00 | 1 | 0 | 0·00 |
| 1984 | 259 | 35 | 13·51 | 226 | 42 | 18·58 | 121 | 49 | 40·49 | 135 | 62 | 45·92 | 103 | 73 | 70·87 | 27 | 12 | | | | |
| 1985 | 292 | 90 | 30·82 | 242 | 100 | 41·32 | 195 | 84 | 43·07 | 198 | 79 | 39·89 | 146 | 100 | 68·49 | 31 | 10 | 32·25 | 4 | 0 | 0·00 |
| 1986 | 192 | 57 | 29·68 | 178 | 59 | 33·14 | 99 | 46 | 46·46 | 94 | 55 | 58·51 | 73 | 39 | 53·42 | 18 | 12 | 66·66 | 2 | 1 | 50·00 |
| T. D. C. Examination Part—I | | | | | | | | | | | | | | | | | | | | | |
| 1986 | 131 | 22 | 16·79 | 110 | 29 | 26·36 | 76 | 17 | 22·36 | 61 | 13 | 21·31 | 61 | 22 | 36·06 | 5 | 3 | 60·00 | 0 | 0 | 0·00 |

* N. A.— Not Available.
Source— Record Books of the College.



over to regional languages in all spheres. In that case, those who do not have any high ambition, why should they waste time and energy in learning (?) English ? Only those who have zeal for higher education and higher knowledge and also have capability, shall take up English. Therefore, English can be made an optional subject in College level which will ultimately stop wastages in human resources. □

নগাঁও ছোৱালী কলেজৰ ৰূপালী
জয়ন্তী উৎসৱৰ প্ৰতি আমাৰ আন্তৰিক
শুভেচ্ছাৰে —

পূৰ্বাঞ্চল বেংক লিমিটেড

—উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ তপশীল
ভুক্ত বানিজ্যিক বেংক।
—উত্তৰ পূৰ্বাঞ্চলৰ আৰ্থিক উন্নয়নত
আমি প্ৰতিজ্ঞাবদ্ধ।

# First Meeting of the Steering Committee

Proceedings of the First Meeting of the Steering Committee of the proposed Nowgong Women's College held in the Deputy Commissioners' Bungalow at 7 P.M. on 11.7.62 with the president[1] of the committee in the chair.

Members present :—

1. H. D. Bhuyan.
2. Mrs. U. Barthakur.
3. Begum Afia Ahmed.
4. Shri M. C. Dev Goswami.
5. Shri Sarat Chandra Goswami, President, D. C. C.
6. Shri G. C. Barua, Chairman, Municipal Board.
7. Shri L. D. Kataki, M. P.
8. Shri L. P. Goswami, M. L. A.
9. Shri S. D. Sarma[2], D. D. S., Nowgong.
10. Shri Chandra Kanta Sarma.
11. Md. Samsul Huda.
12. Md. N. Amin.
13. Shri D. Gogoi, Inspector of Schools.

Special invitee :—

1. Shri C. C. Barman, A. D. C., Nowgong.
2. Shri K. C. Majumdar, S. D. O., Nowgong.

At the very outset, the General Secretary of the Steering Committee informed the members that on the last 8th. July, a deputation on behalf of the Steering Committee of the Nowgong Women's College waited upon Education Minister, Shri D. K. Barua, in the Nowgong Circuit House, and a thorough discussion was held

1. S. J. Das, Deputy Commissioner, Nowgong. —Editor.
2. (?) Shri S. N. Sharma. —Ed,



about the proposed Nowgong Women's College. The Minister advised the members of the deputation to start the College from the next session, and he assured a donation of Rs. 10,000/- to be collected by him. He also requested the Deputy Commissioner, Nowgong, to help in raising necessary funds for the College.

The meeting welcomed the kind advice and offer of the Education Minister of Assam, and through discussion, found it wise and proper to start both the Pre-University class and the Ist year class of the Three Years Degree Course from the next session.

The following resolutions were adopted :—

**Resolution No. 1**

It is resolved that the proposed Nowgong Women's College be started by opening both the Pre-University class and the 1st. year class of the Three Years Degree Course in the following subjects.

Subjects of teaching in the Pre University class :

| | |
|---|---|
| English. | Civics. |
| Assamese/Alt. As. | Logic. |
| Assamese Second Language. | History. |
| Bengali. | Education. |
| Political Science. | |

Subjects of teaching in the 1st year class of the Degree Course :

| | |
|---|---|
| English. | Economics. |
| Assamese / Alt. As. | Philosophy. |
| Assamese Second Language. | History. |
| Bengali. | Education. |
| Political Science. | |

Next the meeting felt it necessary to have a small committee for prompt and proper execution of the decissions of the Steering Committee of the College and to do all other needful works for rapid welfare of the institution; and so it arrived at the decission as follows :

**Resolution No. 2**

Resolved that a small Committee be formed with the following members :

1. Deputy Commissioner, Nowgong, President.
2. Shri D. Gogoi, Inspector of Schools, Gen. Secretary.
3. Shri M. C. Dev Goswami, Joint Secretary.
4. Shri N. Amin, Do
5. Shri Samsul Huda, Asstt. Secretary.
6. Mrs. U. Borthakur.
7. Mrs. Afia Ahmed.
8. Shri Ramnath Sharma.
9. Shri K. K. Barua.

(6–9: Members.)

It is further resolved that the small Committee will contact the local professors and appoint them on full-time and part-time basis, it will try to have honorary services from agreeing professors. The Committee will make arrangements for obtaining permission from the University for starting the classes.

The meeting then discussed about floor arrangement of the College and resolved as follows :

**Resolution No. 3**

It is resolved that for the time being, the premises of the Nowgong Girls' High School be utilised as the venue of the College, and the Managing Committee of the said school be requested to lend its premises to the proposed Nowgong Women's College to hold its office and classes till the latter has its own buildings.

It is further resolved that, after obtaining necessary permission from the Managing Committee of the Nowgong Girls' High School, the small Committee of the proposed College will make necessary accommodation for the institution according to sugestions from Shri K. K. Barua.

Next, question of fund for the College was discussed, and it was agreed that a sum of Rs. 50,000/- would be necessary to start the College, and to materialise this decision, the meeting adopted the following resolution :



**Resolution No. 4**

Resolved that a Finance Sub-Committee be formed as follows, and it be requested to raise an estimated fund of Rs. 50,000/- to start with the proposed Nowgong Women's College.

Finance Sub-Committee :

1. Deputy Commissioner, Nowgong.
2. Addl. Deputy Commissioner, Nowgong.
3. Superintendent of Police, Nowgong.
4. Executive Engineer, P.W.D. (West), Nowgong.
5. Executive Engineer, P.W.D. (East), Nowgong.
6. Superintendent of Sales Tax, Nowgong.
7. Shri S. N. Sarma, D.D.S., Nowgong, Convener.
8. Shri Kamal Chandra Majumdar, S.D. O., Nowgong.
9. Chairman, Nowgong Municipal Board.
10. D. F. O., Nowgong.
11. Shri Liladhar Kataki, M. P.
12. Shri Ram Nath Sharma.
13. Begam Afia Ahmed.
14. Mrs. U. Barthakur.
15. Mr. N. Amin.
16. Mvi. Md. Idris, M. L. A.
17. Shri L. P. Goswami, M. L. A.
18. Shri S. C. Goswami, President, D. C.C., Nowgong.

**Resolution No 5.**

Resolved that an S. B. Account be opened in the Nowgong branch of the United Bank of India in the name of the Women's College.

It is further resolved that the S. B. Account of the Nowgong Women's College will be jointly operated by the Deputy Commissioner, Nowgong. and the Inspec-

tor of Schools, C. A. C., respectively as the President and the General Secretary of the Steering Committee of the institution.

The meeting felt the necessity of a printed appeal ; so it authorised the Small Committee to prepare and print an appeal to the public for students, funds and all other co-operation for the success of the proposed Women's College at Nowgong.

This Committee was further authorised to print necessary receipt books for raising funds of the College and to advertise in State papers for a qualified Principal ( who should preferably be a lady ) and professors for the College.

The meeting then authorised the General Secretary of the Steering Committee to appoint an Office Assistant at a remuneration of Rs. 25/- a month, and a Peon on a remuneration of Rs. 10/- a month.

In the matter of having an office, the meeting requested the General Secretary of the Steering Committee to lend a room of his office for the purpose at present.

The meeting lastly felt the necessity of services from Shri Ramnath Sharma for all round welfare of the College, and so it adopted the resolution as follows :

**Resolution No. 6**


Resolved that Shri Ramnath Sharma be co-opted to the Steering Committee of the Nowgong Women's College. □

দ্বিতীয়জন অধ্যক্ষ



ড° হৰকান্ত বৰুৱা

প্ৰতিষ্ঠাপক অধ্যক্ষ



শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী

বৰ্তমানৰ অধ্যক্ষ




শ্ৰীবিমল কুমাৰ বৰা

বৰ্তমানৰ অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ




## বৰ্তমানৰ নগাঁও ছোৱালী কলেজ পৰিচালনা সমিতি



বাওঁফালৰ পৰা ঃ ( বহি থকা ) শ্ৰীচন্দ্ৰকান্ত শৰ্মা, শ্ৰীশৰত চন্দ্ৰ খাওন্দ, মঃ আবু ছামা ( সভাপতি ), শ্ৰীবিমল কুমাৰ বৰা ( অধ্যক্ষ ), শ্ৰীমতী সৌজন্যময়ী ভট্টাচাৰ্য, শ্ৰীমতী তৰু বৰুৱা ( উপাধ্যক্ষা )।
( থিয় হৈ থকা ) ঃ শ্ৰীবীৰেন গায়ন, শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা ( শিক্ষক প্ৰতিনিধি ), শ্ৰীমহেন্দ্ৰনাথ শইকীয়া ( শিঃ প্ৰঃ ), শ্ৰীপ্ৰহ্লাদ ৰায় চৌধুৰী, শ্ৰীতগৰ চন্দ্ৰ বৰা, শ্ৰীসুৰেন্দ্ৰনাথ বৰা ।

*PRESENT STUDENTS' UNION ( 1986-87 )*



Sitting L — R. Rita Bara ( Music ), Adity Bhuyan ( Vice-President ), B. K. Bara ( President ), Priti Devi ( Gen. Secy.), Kabita Rani Das ( Magazine ) :: **Standing L— R.** Baijayanti Saikia ( Asstt. Secy. Sports ), Kabita Bhuyan ( Social Service ), Bobita Barua ( Class Rep. ), Swarnalipi Gogoi ( Asstt. Gen. Secy ), Pranati Bara ( Common Room ), Padmawati Das ( Cultural ), Jutika Kakoti ( Poor Fund ), Indrani Das ( Debate & Drama ), Mukta Bhattacharjya ( Asstt. Cul. Secy. ).

PRESENT NON-TEACHING STAFF :



L. to R. ( Sitting) :— K. C. Muktiar, S. N. Saikia, T. Barua (Vice-Principal), B. K. Bara (Principal), Md. Ali, T. Khataniar. ( Standing ) :— M. Rabha, P. Bara, H. K. Saikia, M. R. Bara, K. Saikia, M. Saikia, R. Saikia, T. C. Bara, B. R. Hazarika, Smt. B. Bara, G. Hazarika, T. Saikia, M. M. Rabha, D. Saikia.

প্ৰতিষ্ঠা-কালৰ দাতাজন



৺ লালচান্দ টোডি

আমি যাক হেৰুৱালোঁ



অধ্যাপক বিনয় চন্দ্ৰ বৰা

# Some firsts of Nowgong Girls' College.

(A)

First name of the College : Nowgong Women's College.

First day of the College : 12-9-1962.

Inauguration of the College : On 20-9-1962 by B. P. Chaliha ( Chief Minister of Assam ).

First meeting of the Steering Committee : On 11-7-1962 ( at 7 P.M. in the D. C. 's Bungalow ).

First President of the Steering Committee : S. J. Das, I. A. S. ( D. C. Nowgong ).

First General Secretary of the College : D. Gogoi, M. Sc., M. S. ( I/S., C. A. C., Nowgong ).

First Treasurer of the College : L. C. Todi.

First Principal of the College : M. C. Dev Goswami.

First Full-time Office Assistant of the College : Pona Ram Bora.

First Peon of the College : Tagar Chandra Bora.

First Chowkidar of the College : Bali Ram Hazarika.

First Librarian of the College : Mahammad Ali.

(B)

Members of the first Steering Committee :
(1962)

1. S. J. Das : President,
2. D. Gogoi : General Secretary.
3. L. C. Todi : Treasurer.
4. S. Huda : Asstt. Secretary.
5. N. Amin : Joint Secretary.
6. H. D. Bhuyan : Member.
7. Mrs. U. Barthakur : ,,
8. Begum Afia Ahmed, M.L.A. : ,,
9. S. C. Goswami ( President, D. C. C. ) : ,,
10. L. D. Kotoki, M. P. : ,,

| | | |
|---|---|---|
| 11. | L. P. Goswami M. L. A. | : Member |
| 12. | S. N. Sarma, D. D. S. | : ,, |
| 13. | C. K. Sarma | : ,, |
| 14. | L. K. Bora, M. L. A. | : ,, |
| 15. | A. N. Md. Ohid, M. L. A. | : ,, |
| 16. | Md. Idris | : ,, |
| 17. | J. K. Kedia | : ,, |
| 18. | B. N. Kedia | : ,, |
| 19. | R. N. Sarma | : ,, |
| 20. | K. K. Barua | : ,, |
| 21. | R. Sut | : ,, |
| 22. | T. N. Hazarika | : ,, |
| 23. | M. C. Dev Goswami | : ,, |
| 24. | Chairman, Municipal Board | : ,, |

(C)

First batch of teachers of the College :

(Whose selections and appointments made by a Sub-Committee were approved by the Steering Committee held on 4-9-62):

| | | | |
|---|---|---|---|
| English | : 1. | Prof. S. Chakravarty | : P. T. |
| | : 2. | ,, H. Rahman | : P. T. |
| | : 3. | ,, R. Bora | : P. T. |
| Assamese | : 4. | ,, Mahim Bora | : P. T. |
| | : 5. | ,, T. P. Sarma | : P. T. |
| | : 6. | ,, M. C. Bora | : P. T. |
| | : 7. | Smt. Taru Barua | : W. T. |
| History | : 8. | ,, Waheda Hussain | : W. T. |
| Logic & Phil. | : 9. | ,, Mrinalini Bordoloi | : W. T. |
| Education | : 10. | Prof. H Goswami | : P. T. |
| Political Sc. | : 11. | ,, A. C. Nath | : P. T. |
| | : 12. | ,, T. C. Bora | : P. T. |
| Economics | : 13. | ,, Z. A. Begum | : W. T. |
| | : 14. | ,, B. Padmapati | : W. T. |
| Bengali | : 15. | ,, P. L. Dutta | : P. T. |
| | : 16. | ,, M. K. Roy | : W. T. |



(D)

First batch of graduates (1965)

1. Anima Majumdar.
2. Amba Devi.
3. Debikana Roy.
4. Gita Dev.
5. Helida Edib Hanum.
6. Indira Sarma.
7. Meena Sarma.
8. Meena Tamuly Phukan.
9. Monu Rajak.
10. Maya Roy.
11. Neeti Bordoloi.
12. Niru Sarma.
13. Renu Mahanta.
14. Swapna Bora.
15. Taru Devi.

## Present Teaching Staff.

(With dates of joining)

| | | |
|---|---|---|
| Principal : | | |
| Mr. Bimal Kumar Bora | : | 16.7.84 |
| Deptt. of Assamese : | | |
| 1. Mrs. Taru Barua | : | 12.9.62 |
| 2. Mr. Jogendra Narayan Bhuyan | : | 2.7.65 |
| 3. Mr. Krishna Ram Bora | : | 20.7.65 |
| 4. Mr. Idrish Ali | : | 3.11.65 |
| 5. Mr. Tilak Chandra Majumdar | : | 1.8.66 |
| Deptt. of Bengali : | | |
| 7. Mrs. Indira Bhattacharjee | : | 5.8.65 |
| 8. Mrs. Deepalee Mukharjee | : | 7.7.69 |
| 9. Mr. Badal Chandra Ghosh | : | 8.9.74 |
| Deptt. of Economics : | | |
| 10. Mrs. Bhanu Padmapati | : | 20.9.62 |
| 11. Mr. Apurba Sarma | : | 1.9.67 |
| 12. Mr. Birendra Chandra Deka | : | 19.1.73 |
| 13. Mrs. Jayanti Dutta | : | 1.2 84 |

Deptt. of Education :

| | | |
|---|---|---|
| 14. Mrs. Maloti Bora | : | 8.7.68 |
| 15. Mrs. Rupa Rani Saikia | : | 19.1.70 |
| 16. Mrs. Ajanta Dutta Bordoloi | : | 1.12.83 |
| 17. Miss. Swapna Neog | : | 28.12.84 |

Deptt. of English :

| | | |
|---|---|---|
| 18. Mrs. Rita Bora | : | 1.12.72 |
| 19. Mrs. Muni Bala Kakoti | : | 29.8.79 |
| 20. Mr. Jyotirmay Jana | : | 8.9.81 |
| 21. Mr. Prabhat Bora | ; | 12.9.81 |
| 22. Mrs. Rita Talukdar | : | 24.11.86 |

Deptt. of Geography :

| | | |
|---|---|---|
| 23. Mr. Faizur Rahman | : | 29.8.73 |
| 24. Mr. Tankeswar Bora ( on leave ) | : | 16.11.82 |
| 25. Mr. Bhupendra Talukdar | : | 1.12.83 |

Deptt. of Hindi :

| | | |
|---|---|---|
| 26. Mr. Bijay Prakash Singh | : | 7.11.83 |
| 27. Mr. Dilip Kumar Medhi | : | 9.12.86 |

Deptt. of History :

| | | |
|---|---|---|
| 28. Mrs. Waheda Hussain | : | 12.9.62 |
| 29. Mr. Mahesh Chandra Bhuyan | : | 5.7.65 |
| 30. Mr. Rajendra Nath Saikia ( on leave ) | : | 1.1.73 |
| 31. Mr. Pradip Mohan Duwara | : | 19.9.85 |

Deptt. of Mathematics :

| | | |
|---|---|---|
| 32. Mr. Jaydhan Das | : | 12.7.72 |
| 33. Mr. Megh Nath Paul | : | 1.9.78 |
| 34. Mr. Rajen Deb Nath | : | 2.12.86 |

Deptt. of Philosophy :

| | | |
|---|---|---|
| 35. Mrs. Rekha Dasgupta | : | 6.7.65 |
| 36. Mr. Gunadhar Gogoi | : | 15.9.70 |
| 37. Mr. Gautom Goswami | : | 1.9.82 |
| 38. Mrs. Gayatri Devi | : | 6.12.83 |

Deptt. of Political Science :

| | | |
|---|---|---|
| 39. Mrs. Himadri Devi | : | 17.8.64 |
| 40. Mrs. Jyoti Nath Chakravarty | : | 16.7.65 |
| 41. Mr. Khagendra Nath Sarma Rajkhowa | : | 17.8.66 |
| 42. Mr. Ganesh Chandra Sarma | : | 23.9.67 |



Deptt. of Sanskrit :

| | |
|---|---|
| 43. Mr. Mahendra Nath Saikia | 1.11.65 |
| 44. Mrs. Sabita Bhattacharjee | 1.8.66 |
| 45 Mrs. Manju Jaiswal | 1.9.81 |

Deptt. of Statistics :

| | |
|---|---|
| 46. Miss Rita Kalita | 16.9.85 |

# Present Non-teaching Staff of the College.

| Names of the Employees | Designations | Dates of Joining |
|---|---|---|
| 1. Sri Md. Ali | Librarian | 15-7-65 |
| 2. Sri Tosheswar Khataniar | Supervisory Assistant | 12-2-68 |
| 3. Sri Surendra Nath Saikia | Accountant | 18-2-69 |
| 4. Sri Kamal Chandra Muktiar | U. D. A. | 8-2-77 |
| 5. Sri Monomohan Rabha | Library Asstt. | 1-8-67 |
| 6. Sri Prafulla Bara | L. D. A. | 2-5-80 |
| 7. Sri Mohi Ram Bara | L. D. A. | 6-11-82 |
| 8. Sri Munindra Saikia | L. D. A. | 24-11-86 |
| 9. Sri Rabin Saikia | L. D. A. | 24-11-86 |
| 10. Sri Kulen Saikia | L. D. A. | 25-11-86 |
| 11. Sri Tagar Chandra Bara | Peon | 20-1-62 |
| 12. Sri Bali Ram Hazarika | Chowkidar | 12-8-64 |
| 13. Sri Maneswar Rabha | Peon | 1-3-66 |
| 14. Sri Hara Kanta Saikia | Library Bearer | 1-12-73 |
| 15. Sri Giridhar Hazarika | Library Bearer | 1-7-80 |
| 16. Sri Deben Saikia | Laboratory Bearer | 7-5-82 |
| 17. Sri Ramdew Singh | Night Chowkidar | 8-5-84 |
| 18. Sri Tankeswar Saikia | Laboratory Bearer | 2-8-86 |
| 19. Smt. Bharati Bara | Girls' Common Room Bearer | 1-12-86 |

# Members of the present Governing Body.

| | |
|---|---|
| 1. Md. Abu Shama | President |
| 2. Sri Bimal Kumar Bara | Principal & Secretary |

| | | | |
|---|---|---|---|
| 3 | Smti. Taru Barua, Vice-Principal. | Member | |
| 4. | Sri Sarat Khound, Advocate. | Member | |
| 5. | Sri Chandra Kanta Sarmah. | Member | |
| 6. | Sri Biren Gayan. | Member | |
| 7. | Smti. Satyawati Saikia. | Member | |
| 8. | Sri Tagar Barah. | Member | University Nominee |
| 9. | Sri Ananda Chandra Pegu. I. S., Nagaon. | Member | University Nominee |
| 10. | Sri Jogendra Narayan Bhuyan. | Member | Teachers' Representatives |
| 11. | Sri Mahendra Nath Saikia | Member | Teachers' Representatives |
| 12. | Sri Surendra Nath Barah | Member | Co-opted Members |
| 13. | Smti. Soujanyamayee Bhattacherjee | Member | Co-opted Members |
| 14. | Sri Prahlad Rai Todi, Doner | Member | |

## General Secretaries of Nowgong Girls' College Students' Union.

| | Name | Year |
|---|---|---|
| 1. | Nitee Bordoloi | 1962 |
| 2. | Nargis Jahan | 1963 |
| 3. | Mamtaj Begum | 1964 |
| 4. | Chandrawati Baruah | 1965 |
| 5. | Rani Bhattacharjee | 1966 |
| 6. | Luku Khound | 1967 |
| 7. | Runuma Bhattacharjee | 1969 |
| 8. | Dulu Sarmah | 1970 |
| 9. | Minati Bhagawati | 1971 |
| 10. | Dipti Devi | 1972 |
| 11. | Swarupa Baidya | 1973 |
| 12. | Moni Gayan | 1974 |
| 13. | Anima Chakravarty | 1975 |
| 14. | Priyambada Saikia | 1976 |
| 15. | Malasri Laskar | 1977 |
| 16. | Charu Borah | 1978 |
| 17. | Saraswati Sinha | 1979 |
| 18. | Dipika Laskar | 1980 |
| 19. | Bhagya Hindique | 1982 |
| 20. | Bharati Das | 1983 |
| 21. | Anurupa Sarmah | 1984 |
| 22. | Bina Devi | 1985 |
| 23. | Priti Devi | 1986 |
| 24. | Priti Devi | 1987 |



## Present Students' Union— 1986-87.

| | | |
|---|---|---|
| 1. | President | Sri Bimal Kr. Bara |
| 2. | Working President | Smti. Taru Barua |
| 3. | Vice President | Sri Adity Bhuyan |
| 4. | General Secretary | Sri Priti Devi |
| 5. | Asstt. General Secretary | Sri Swarnalipi Gogoi |
| 6. | Cultural Secretary | Sri Padmawati Das |
| 7. | Asstt. Cultural Secretary | Sri Mukta Bhattacharjee |
| 8. | Game Secretary | Sri Abanti Bara |
| 9. | Asstt. Game Secretary | Sri Baijayanti Saikia |
| 10. | Magazine Editor | Sri Kabita Rani Das |
| 11. | Music Secretary | Sri Rita Bara |
| 12. | Social Service Secretary | Sri Kabita Bhuyan |
| 13. | Poor Fund Secretary | Sri Jutika Kakoti |
| 14. | Debate & Drama Secretary | Sri Indrani Das |
| 15. | Girls' Common Room Secretary | Sri Pranoti Bara |
| 16. | Class Representative | Sri Bobita Baruah |

## Our Brilliant Students.

1. Bilibala Devi : 2nd Class 1st. ( No 1st class in the University ) in Honours : Political Science (1969)
2. Lilawati Saikia : 2nd class 1st. ( No 1st class in the University ) in Honours : Assamese ( 1970 )
3. Padum Saikia : 2nd Class 1st. ( No 1st class in the University ) in Honours : Assamese ( 1972 )

| | | |
|---|---|---|
| 4. Kajal Doss | ; | 1st class 1st. in Honours : Political Science ( 1973 ) |
| 5. Tapati Dev | : | 1st class 1st. in Honours : Political Science ( 1974 ) |
| 6. Alpana Sarkar | : | 2nd class 1st. ( No 1st. class in the University ) in Honours : Assamese ( 1979 ) |
| 7. Lakshmi More | : | 4th position in P. U. ( 1975 ) |
| 8. Maina More | ; | 6th position in P. U. ( 1977 ) |

## Awards to meritorious students sponsored by the College.

With the idea of infusing a sense of competition in the minds of the students as also to extend due recognition to the meritorious students of the college, the Teaching Staff and the Governing Body of Nowgong Girls' College have sponsored a few awards to be awarded annually to the students with proven merit. Two such awards are offered by Nowgong Girls' College Teachers' Benefit cum Students' Scholarship Fund. These are :

(1) Nowgong Girls' College Teachers' Unit Award :

This award is offered to the student securing the highest aggregate marks in the First Year Annual Examination at the Pre-University level ( at present Higher Secondary class ). The Award is in the form of books worth Rs. 100·00 ( Rupees one hundred ) only at the minimum.

(2) Late Binoy Chandra Bara Memorial Award :

This award offered in memory of late Binoy Chandra Bara, former Head of the Department of Philosophy, is given to the student securing highest aggregate marks in the Annual Examination at the Degree level. This award is also in the form of books worth Rs. 100·00 ( Rupees one hundred ) only at the minimum.

Apart from these, one more Award is offered to the students of our College by a distinguished citizen of Nagaon town.

(3) Kuntala Hazarika Memorial Award :

Sri Laksheswer Hazarika, a distinguished citizen and advocate of Nagaon town donated an amount of Rs. 3000·00 ( Rupees



three thousand ) only to commemorate the name of his beloved wife late Kuntala Hazarika. The amount was kept under a fixed deposit scheme. An annual award of a minimum of Rs. 300·00 ( Rupees three hundred ) only from the accumulated interest of the fixed deposit amount is given to the student securing the highest aggregate marks among the first division securing students of the College in the final Pre-University ( present Higher Secondary ) Examination. The following students have till now been offered this award :

(1) Miss Ira Gohain ( 1984 )
(2) Miss Adity Bhuyan ( 1985 )
(3) Miss Barnali Sarma ( 1986 )

আন্তৰিক শুভেচ্ছাৰে,

হাঁতে শুকুৱা মুঠিতে লুকুৱা নানাবিধ মনোমোহা বস্ত্ৰ আৰু বাচক বনীয়া হস্তশিল্পজাত সামগ্ৰীৰ বাবে অসম চৰকাৰ বেচা-কিনা নিগমৰ নিম্নোল্লিখিত বিক্ৰীকেন্দ্ৰ সমূহত খবৰ কৰক

অসম এম্প'ৰিয়াম ( প্ৰাগজ্যোতিকা ) নতুন দিল্লী

অসম এম্প'ৰিয়াম, কলিকতা

চেলচ্ এম্প'ৰিয়াম গুৱাহাটী, নগাঁও আৰু অসমৰ সকলো প্ৰধান চহৰত অৱস্থিত বিক্ৰীকেন্দ্ৰ ( চেলচ্ এম্প'ৰিয়াম ) সমূহত।

**অসম চৰকাৰ বেচা-কিনা নিগম লিঃ**

ৰেজি: অফিচ ঃ বামুণীমৈদান

গুৱাহাটী ঃ— ৭৮১০২১

ফোন নং— ২৪৫২৬, ২৬৮৪৮ গ্ৰাম AGMACO

নিম্ন হাৰৰ সুদত ট্ৰেক্টৰ, পাৱাৰটিলাৰ, জলসিঞ্চন, মীন মহল আদি শিতানত দীৰ্ঘম্যাদী ঋণৰ বাবে নগাঁও সমবায় ভূমি বন্ধকী বেঙ্কৰ লগত যোগাযোগ কৰক।

যোগাযোগৰ বাবে ঃ—

**নগাঁও সমবায় ভূমি বন্ধকী বেঙ্ক লি:**

বিমলা বৰা পথ ঃ নগাঁও ঃ অসম।

মঃ আবু ছামা
সভাপতি।

মঃ আব্দুছ ছালাম,
সম্পাদক।

## Nowgong Girls' College

# Graduates with Honours.

| Names | Position in the University |
|---|---|
| **1968** | |
| *Political Science* | |
| Devi Rani Saha | 2nd class 61st. |
| Uma Gupta | do 24th |
| Nalini Adhikari | do 10th |
| *Assamese* | |
| Nilima Baruah | do 9th |
| **1969** | |
| *Political Science* | |
| Bilibala Devi | do 1st |
| Sunanda Chakravarty | do 4th |
| *Assamese* | |
| Sulekha Bujarbarua | do 14th |
| Maitara Deka | do 7th |
| Forida Sultana | do 18th |
| Binapani Sarma | do 9th |
| *Philosophy* | |
| Banti Barua | do 9th |
| Manjira Goswami | do 16th |
| Uma Rani Ghosh | do 15th |
| **1970** | |
| *Political Science* | |
| Aparna Bara | do 32nd |
| Thunu Saikia | do 72nd |
| *Assamese* | |
| Lilawati Saikia | do 1st |
| Makhani Bara | do 7th |
| Nilima Hazarika | do 26th |
| Nirupama Saikia | do 8th |
| Rinu Sarma | do 17th |
| Tripty Barua | do 18th |
| *Philosophy* | |
| Benu Goswami | do 5th |



| Names | Position in the University |
|---|---|
| **1971** | |
| *Philosophy* | |
| Rupali Mahanta | do 11th |
| Sanu Banerjee | do 6th |
| Dibyajyoti Sarma | do 12th |
| *Assamese* | |
| Rimibala Bara | do 27th |
| Shasiprava Goswami | do 31st |
| Suruj Kour | do 44th |
| **1972** | |
| *Political Science* | |
| Rama Ghosh | do 18th |
| Sunity Barua | do 2nd |
| *Assamese* | |
| Padum Saikia | do 1st |
| Anupama Mahanta | do 30th |
| Geetanjali Das | do 39th |
| *Education* | |
| Anupama Saikia | do 27th |
| Premoda Bara | do 31st |
| Amiya Goswami | do 40th |
| Runuma Bhattacharjee | do 17th |
| Chenimai Hazarika | do 12th |
| **1972** | |
| *Political Science* | |
| Kajal Doss | 1st class 1st. |
| *English* | |
| Nilam Agarwala | 2nd class 24th |
| *Philosophy* | |
| Bandana Chakravarty | do 5th |
| *Education* | |
| Kshira Bara | do 14th |
| Basanti Hazarika | do 21st |
| *Assamese* | |
| Lakshmima Bhattacharjee | do 51st |
| Hussainara Begum | do 45th |
| Labanya Hazarika | do 19th |

| Names | Position in the University |
|---|---|
| **1974** | |
| **English** | |
| Nirmala More | do 14th |
| Aradhana Devi | do 29th |
| **Political Science** | |
| Tapati Dev | 1st class 1st |
| Chenimai Medhi | 2nd class 4th |
| **Philosophy** | |
| Jharna Rani Dutta | do 21st |
| Hiran Sarma | do 12th |
| Saraswati Das | do 9th |
| Indira Barooah | do 21st |
| **Assamese** | |
| Dipali Bara | do 27th |
| **1975** | |
| **Assamese** | |
| Akanti Goswami | do 3rd |
| Jogamaya Bora | do 30th |
| **Political Science** | |
| Nirala Laskar | do 9th |
| **Economics** | |
| Jayanti Dutta | do 29th |
| **Philosophy** | |
| Gayatri Devi | do 16th |
| Dipti Sarma | do 29th |
| Subhra Sarkar | do 30th |
| **Education** | |
| Dipti Devi | do 5th |
| Gorima Bara | do 15th |
| Rupali Choudhury | do 27th |
| Mamani Saikia | do 30th |
| **1976** | |
| **Economics** | |
| Bharati Bara | do 122nd |
| **Political Science** | |
| Sandhyarani Goswami | do 26th |
| **Philosophy** | |
| Nirmali Mahanta | do 22nd |



| Names | Position in the University |
|---|---|
| **Assamese** | |
| Junu Goswami | 2nd class 22nd |
| Nibedita Goswami | do 25th |
| **English** | |
| Muni Bala Kakoti | do 16th |
| **1977** | |
| **Assamese** | |
| Usha Bara | do 8th |
| Purabi Bhuyan | do 9th |
| Kiran Bara | do 14th |
| **Economics** | |
| Jyotirmoyee Phukan | do 71st |
| Romi Kotoki | do 103rd |
| **Education** | |
| Sandhya Goswami | do 16th |
| **English** | |
| Kumari Lakshmi More | do 6th |
| **1978** | |
| **Assamese** | |
| Anima Mahanta | do 33rd |
| Minakshi Moral | do 41st |
| Kalpana Devi | do 46th |
| Kalpana Kalita | do 62nd |
| Binuma Bara | do 80th |
| **English** | |
| Nirupa Saikia | do 20th |
| Nazma Sultana | do 49th |
| **Economics** | |
| Noureen Kousar | do 51st |
| Kuwali Mahanta | do 74th |
| Sewali Kakoti | do 78th |
| Nirmala Bara | do 88th |
| Hemalata Kakoti | do 105th |
| Amita Choudhury | do 132nd |
| **Education** | |
| Swapna Nila Das | do 21st |
| Anjali Neog | do 29th |
| Manju Kumari Laskar | do 36th |

| Name | Positiou in the University | |
|---|---|---|
| **Political Science** | | |
| Anjali Gogoi | 2nd Class | 57th |
| **1979** | | |
| **Assamese** | | |
| Alpana Sarkar | do | 1st |
| **Education** | | |
| Rupa Bara | do | 51st |
| Swapna Neog | do | 21st |
| Manju Phukan | do | 52nd |
| **English** | | |
| Usha Agarwala | do | 29th |
| Mitali Ghosh | do | 25th |
| **Philosophy** | | |
| Aparna Tamuli | do | 20th |
| Malobika Goswami | do | 35th |
| Dipali Sarma | do | 14th |
| **Economics** | | |
| Maina More | do | 6th |
| Tapati Das | do | 209th |
| **1981** | | |
| **English** | | |
| Mamuda Yasmin Laskar | do | 35th |
| Mina Prova Laskar | do | 51st |
| Gayatri Gope | do | 65th |
| **Assamese** | | |
| Manju Laskar | do | 4th |
| Rupali Saikia | do | 105th |
| **Education** | | |
| Geeta Saikia | do | 45th |
| Bakul Rani Deb Medhi | do | 43rd |
| Neena Devi Misra | do | 41st |
| **Political Science** | | |
| Rupa Laskar | do | 72nd |
| **Philosophy** | | |
| Rupa Baruah | do | 22nd |
| Madhu Chanda Banerjee | do | 16th |
| **Economics** | | |
| Dipika Laskar | do | 235th |



| Names | Position in the University | |
|---|---|---|
| **1983** | | |
| **English** | | |
| Barnali Gogoi | 2nd class | 55th |
| Gayatri Devi | do | 75th |
| **Assamese** | | |
| Kusum Saikia | do | 83rd |
| Bina Devi | do | (Compt) |
| Gita Tamuly Phukan | do | ( do ) |
| Kaberi Goswami | do | ( do ) |
| Priyambada Saikia | do | ( do ) |
| **Education** | | |
| Reena Das | do | 33rd |
| Gauri Mahanta | do | 5th |
| Sikha Phukan | do | 41st |
| **History** | | |
| Arunima Phukan | do | 3rd |
| **Sanskrit** | | |
| Padumi Sarmah | do | ( Compt ) |
| **1984** | | |
| **Assamese** | | |
| Aparajita Laskar | do | ( Compt ) |
| Nibedita Bhuyan | do | ( do ) |
| **Education** | | |
| Sushmita Das | do | 23rd |
| Pranati Kumari Borah | do | 60th |
| Jonmani Kotoky | do | ( Compt ) |
| Rijumani Saikia | do | [ do ] |
| Rulu Muktiar | do | [ do ] |
| Rekhashree Laskar | do | [ do ] |
| **Economics** | | |
| Nisha Kumari Agarwal | do | 15th |
| Anjali Kotoki | do | 143rd |
| **Philosophy** | | |
| Chayanika Sarmah | do | 14th |
| Jaya Dutta | do | 31st |
| **1985** | | |
| **Education** | | |
| Bharati Devi | do | 7th |
| Niva Rani Barah | do | 9th |

| Names | | Position in the University |
|---|---|---|
| Biju Bara | | 2nd class 14th |
| Swarnalata Devi | | do 35th |
| Dipamani Hazarika | | do 55th |
| Rita Basumatary | | do 57th |
| Swapna Khatoniar | | do 57th |
| Phula Bara | | do 66th |
| Nilima Kalita | | do 70th |
| | Assamese | |
| Sebika Bara | | do 75th |
| Rupali Kalita | | do 120th |
| Dipali Bara | | do 197th |
| Purabi Bara | | do (Compt) |
| Ranju Mani Bhuyan | | do ( do ) |
| | Philosophy | |
| Junu Majumdar | | do 2nd |
| Rekha Bara | | do 22nd |
| Bina Devi | | do 26th |
| | Economics | |
| Ranjana Devi | | do 3rd |
| Mala Mahanta | | do 31st |
| Dipali Sarma | | do 93rd |
| | Sanskrit | |
| Aparna Goswami | | do 15th |
| | 1986<br>Assamese | |
| Binu Kalita | | do 48th |
| | Education | |
| Bandana Bara | | do 9th |

## Graduates with Distinction.

| Years | Names |
|---|---|
| 1969 | Suprava Nath, Khela Rani Chakravarty |
| 1971 | Kumari Krishna More |
| 1972 | Renu Prava Mahanta |
| 1974 | Dimbeswari Bara |
| 1975 | Bhabani Lodh |
| 1976 | Sanghamitra Barua |
| 1977 | Meghamala Bhattacharjee |
| 1978 | Asha Agarwala, Usha Agarwala |
| 1983 | Goutami Hazarika |
| 1985 | Sunita Khetawat, Elora Sengupta, Seema Khetawat |
| 1986 | Depali Barman |

# দ্বিতীয় অংশ

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা
(প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা)

# কলেজীয়া শিক্ষা ঃ তেতিয়াৰ আৰু এতিয়াৰ

কুৰি শতিকাই অসমলৈ লগত লৈ অহা সৰ্বোৎকৃষ্ট উপহাৰ হ'ল গুৱাহাটীৰ কটন কলেজ। সেই সময়ৰ অসমৰ দুৰলীয়া শাসনকৰ্তা, উদাৰ আৰু দূৰদৃষ্টি সম্পন্ন হেনৰি কটন চাহাবৰ নামত অসমত প্ৰথম কলেজ স্থাপিত হয়। অসমত ইংৰাজৰ শাসন আৰম্ভ হোৱাৰ পৰা আৰু কলিকতাত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পৰা কমকৈ হলেও অসমীয়া ডেকা উচ্চ শিক্ষা লাভৰ কাৰণে অসমৰ বাহিৰলৈ যাব লগীয়া হৈছিল। তেতিয়া অসমৰ পৰা বাহিৰলৈ যোৱা অসুবিধাৰ কথা আৰু কলিকতাত থাকি শিক্ষা লোৱাৰ অসুবিধাৰ কথা সকলোৱেই জানে। নাৱে-তৰে কেইবা দিনো গলেহে কলিকতা পাইছিলগৈ। এনে অৱস্থাতো উচ্চ শিক্ষাৰ কাৰণে যিসকল গৈছিল, তেওঁবিলাক এলা-পেচা লোক নাছিল। এতিয়াৰ তুলনাত তেতিয়া, অহা-যোৱাৰ বিদেশত চোং পাতি থকাৰ কথা কলে আমাৰ বৰ্তমান কালৰ ছাত্ৰ-সকলে বিশ্বাস কৰিবলৈকে টান পাব। এনে অসুবিধাৰ কথা উপলব্ধি কৰিয়েই অসমৰ সচেতন শিক্ষা-প্ৰেমী লোক জনচেৰেকে গুৱাহাটীত মহাবিদ্যালয় এটি প্ৰতিষ্ঠা কৰিবলৈ উঠি-পৰি লাগিল। তাৰ ভিতৰৰে জনচেৰেকে অসমত পূৰ্ণাংগ কলেজ প্ৰতিষ্ঠা কৰা সম্ভৱ নহয় বুলি কলিকতাতে অসমীয়া ছাত্ৰ সুবিধা মতে থাকি পঢ়িবৰ কাৰণে সেই সময়ৰ চৰকাৰক কলিকতাতে অসমীয়া ছাত্ৰৰ কাৰণে ছাত্ৰাবাস সাজি দিয়াটোৱেই ভাল হ'ব বুলি মত প্ৰকাশ কৰিছিল। তেখেত-সকলে অসমত কলেজ হোৱাটো তেতিয়া সম্ভৱ বুলিয়েই নাভাবিছিল। যেই হওক, শেহত কলেজ পতাই স্থিৰ হ'ল। সেই কলেজ কি ধৰণে, কেনেকৈ আৰম্ভ কৰা হৈছিল, সেই বিষয়ে প্ৰথম প্ৰতিষ্ঠাপক অধ্যক্ষ চুড্‌মাৰ্চন চাহাবৰ টোকা পঢ়িলেই জানিবলৈ পাব; আৰু বৰ্তমানৰ তুলনাত কলেজ পতা কিমান ডাঙৰ কথা আছিল, তাক জানিবলৈ ইচ্ছা কৰাসকলে 'কটনিয়ান' আলোচনীৰ ৪২শ সংখ্যা কাকতত পঢ়িবলৈ পাব।

১৯০১ চনৰ ২৮ মে' তাৰিখে কটন কলেজৰ শুভাৰম্ভ হয়। নিৰ্বাচিত অধ্যক্ষ চুড্‌মাৰ্চন উত্তৰ ভাৰতৰ গোলচা (?) নামে ঠাইৰ পৰা কলেজ মুকলি কৰিবলৈ সেই সময়ৰ চিফ কমিছনাৰ হেনৰি কটন চাহাবো গুৱাহাটীলৈ আহিছিল। মানিকচন্দ্ৰ বৰুৱা আদিয়ে কলেজৰ গুৰি ধৰিছিল। যেই হওক, তেতিয়াৰ পৰা

অসমীয়া ছাত্ৰই উচ্চ শিক্ষা লবলৈ সুবিধা হ'ল। বছৰে বছৰে শিক্ষাৰ্থী বাঢ়িবলৈ ধৰিলে। গুৱাহাটীত কলেজ প্ৰতিষ্ঠা হোৱাৰ আগতে অকল কলিকতালৈ নহয়, ভাৰতৰ বাহিৰলৈকো দুই-চাৰিজন গৈছিল। সেইসকল অসমৰ জাতীয় বুৰঞ্জীৰ সম্বল স্বৰূপ হৈয়ে থাকিব। উনৈছ শতিকাৰ প্ৰায় মাজ ভাগৰ পৰাই যিসকল অসমীয়া ডেকা কলিকতাত ছাত্ৰ হিচাপে আছিল, তেওঁবিলাকেই নতুন যুগৰ লগত খাপ খাব পৰাকৈ অসমীয়া জাতি গঢ়াতো লাগি গৈছিল। অসমীয়া সাহিত্যৰ নৱন্যাস যুগ আৰম্ভ কৰোঁতা এইসকলৰ নাম উল্লেখ কৰাৰ আৱশ্যক নাই। অসমৰ শিক্ষিত সমাজ, ছাত্ৰ-ছাত্ৰী আদি সকলোৱেই তেখেতসকলৰ নামত গৌৰৱৰ ভাগী হ'ব পাৰিছে। তেখেতসকলৰ প্ৰায় সকলোৱেই একোজন স্বনামধন্য পুৰুষ। অসমীয়া জাতিয়ে তেখেতসকলক পাহৰিলে জাতিটোকে পাহৰা হ'ব। সেই সময়ত সেইসকলৰ আটায়েই ছাত্ৰ আছিল। পঢ়ি-শুনি জ্ঞান আহৰণ কৰা আৰু ক্ৰমান্বয়ে আধুনিকতাৰ ফালে অহা উন্নত জাতিৰ সমকক্ষ হবলৈ তেখেতসকলৰ যত্ন অসাধাৰণ আছিল। সেইহে আগতে কৈ অহা হৈছে, তেখেতসকল এলাপেচা লোক নাছিল।

গুৱাহাটীত কলেজ প্ৰতিষ্ঠা হোৱাৰ পিছত যিসকল তাত পঢ়িবলৈ গৈছিল, সেই সকলেও আগৰ ছাত্ৰসকলৰ দৰেই সকলো ৰকমে উন্নত হোৱাৰ মানসেৰে গুৱাহাটীলৈ গৈছিল। অহা-যোৱা, থকা, সকলো ৰকমে সুবিধা হোৱাত গুৱাহাটীত উচ্চ শিক্ষা লাভ কৰিবলৈ যোৱা ছাত্ৰৰ সংখ্যা ক্ৰমে বাঢ়িবলৈ ধৰিলে। ইয়াৰ ভিতৰতে, বেছি আশাৰে, আৰু গুৱাহাটীত নথকা বিষয় অধ্যয়ন কৰিবলৈ কলিকতা আদি ঠাইলৈও গৈছিল। কটন কলেজত প্ৰথমতে ছাত্ৰৰ সংখ্যা যথেষ্ট কম আছিল। কিন্তু সেইসকলেই জ্ঞানী-মানী হোৱাৰ মানসেৰে অভাব-অভিযোগৰ মাজেদিও উচ্চ শিক্ষা লাভৰ কাৰণে গৈছিল। অৱশ্যে পঢ়ি-শুনি উপযুক্ত হৈ বিষয়-বাব লোৱাৰো যে আশা নাছিল, এনে নহয়। গোটেই ৰাজ্যখনৰ সকলোটি একে ঠাইতে লগ হৈ উচ্চ শিক্ষাৰ সুবিধা পোৱাৰ কাৰণে সকলোৰে ভিতৰত আপোন ভাব এটা গঢ়ি উঠিছিল। কটন কলেজ স্থাপিত হোৱাৰ কুৰি বছৰৰ পিছত আমি গুৱাহাটীত পঢ়িবলৈ যাওঁ। তেতিয়াও অসমত আন কলেজ প্ৰতিষ্ঠা হোৱা নাছিল। গতিকে সেইসকলৰ যোগেদি জাতীয় সমন্বয় গঢ়ি উঠাত সুবিধা হৈছিল। ক্ৰমে কলেজৰ সংখ্যা দিনে দিনে বাঢ়ি আহিবলৈ ধৰাত সাধাৰণ ভাৱে শিক্ষিত ৰাইজ গোট খাই নিজৰ ভাব ব্যক্ত কৰি সমন্বয় ঘটাবলৈ অসুবিধা হ'ল। শিক্ষা-বিস্তাৰত যথেষ্ট ৰূপে আগবাঢ়িবলৈ শিক্ষানুষ্ঠান বাঢ়িবই লাগিব।

আমি কটন কলেজত পঢ়িবলৈ যাওঁতে, কলেজত চুড. মাৰ্চন



চাহাবেই অধ্যক্ষ আছিল। গতিকে কলেজৰ পুৰণি টিপাটো বৰ সোলোক-ঢোলোক হোৱা নাছিল। নিজৰ কৰ্তব্য আৰু দায়িত্ব বুজা ছাত্ৰই বেছি আছিল। কলেজত তথাকথিত সুখ-সম্ভোগ, বিলাস-ব্যসন আদিয়ে তেতিয়াও বেছিকৈ ঠাই পোৱা নাছিল। ছাত্ৰসকলৰ পঢ়িবলৈ যোৱাটোৱেই একমাত্ৰ উদ্দেশ্য আছিল, আৰু কলেজত তথাকথিত বেছি কৰ্তব্যই (!) তেওঁলোকক বেঢ়ি ধৰা নাছিল। ছাত্ৰসকলৰ ভিতৰত সাধাৰণ ভাবৰ দুষ্ট ছাত্ৰ দুই-চাৰিযে নাছিল, সেইটো নহয়; কিন্তু তেওঁবিলাকৰ দুষ্টালিয়ে আনক অসুবিধাত নেপেলাইছিল। আজি শুনিলেই গা শিয়ৰি উঠা কিবা 'ৰেগিং' ওলাইছে; ৰেগিঙৰ কোবত ছাত্ৰাবাসত থাকিবলৈ যোৱা ছাত্ৰ ঘূৰি আহিবলৈ বাধ্য হোৱাও দেখা গৈছে। এই ঘৃণনীয় আৰু জঘন্য কথাটো আমাৰ চেনেহৰ ছাত্ৰসকলৰ ভিতৰত কেনেকৈ সোমাল, তাক ভাবি উলিয়াব পৰা নাই। আমি কলেজলৈ একেলগে যোৰহাটৰ পৰা কেইবাজনো ছাত্ৰ গৈছিলোঁ। আমাৰ লগত আছিল ৺ফনীধৰ দত্ত, শ্ৰীশশী চন্দ্ৰ বৰবৰুৱা, শ্ৰীৰাম প্ৰসাদ বেজবৰুৱা, ৺মাধৱ চন্দ্ৰ চট্টাচাৰ্য আদি কেইবাজনো। আমি চুচুক-চামাককৈ কলেজৰ ২ নং ছাত্ৰাবাসৰ ওচৰত নামিলোঁ। আমাক দেখি বাৰাণ্ডাত বহি খবৰ কাগজ পঢ়ি থকা ৺শুকদেৱ গোস্বামী (নগাঁৱৰ), ৺ডিম্বেশ্বৰ নেওগ, ৺ৰাধা নাথ হাজৰিকা আগবাঢ়ি আহি আমাক লৈ গৈ যিমান মৰমেৰে আমাক থাকিব-মেলিবলৈ সুবিধা কৰি দিলে, আৰু ক'ত কেনেকৈ কি কৰিব লাগে তাক বুজাই দিলে, সেই কথা আমি পাহৰিব নোৱাৰোঁ। ভাল কোঠা বিচাৰি তাত থাকিবলৈ দিলে, চাহ-জলপান খাবলৈ আৰু ভাত-পানী খাবলৈ আমাক লগত লৈ গ'ল। সেইসকল পিছত অসমৰ নামজ্বলা লোক হৈছিল। ৺শুকদেৱ গোস্বামী, ৺ডিম্বেশ্বৰ নেওগ. যোৰহাটৰ প্ৰধান উকীল আৰু পিছলৈ জজ ৺ৰাধা নাথ হাজৰিকা, এইসকলক চিনি নোপোৱা লোক খুব কম। অকল আমিয়েই এইদৰে মৰম পোৱা লোক নহয়, নতুনকৈ যিসকল গৈছিল, সেই সকলোকে পুৰণি ছাত্ৰসকলে যথেষ্ট সহায় কৰি দিছিল।

সেই সময়ত কলেজৰ অধ্যাপকসকলেই সকলোতকৈ মান্যৱন্ত লোক আছিল। তেখেতসকলে নিজেও সকলো সজ গুণৰ অধিকাৰী হোৱাৰ উপযুক্ততা লাভ কৰিছিল। আমি ছাত্ৰসকলে তেখেতসকলক দেখিলেই সন্তোষ পাইছিলোঁ। তেখেতসকলেও ছাত্ৰক মৰম-প্ৰীতি আদিৰে ওচৰ চপাই লব পাৰিছিল। তেতিয়াৰ কলেজৰ শৃংখলাৰ কথা ভাবিলে আজি-কালি আমি আচৰিত হওঁ। শ্ৰেণীত উপস্থিত থকা আৰু অধ্যাপকসকলে নিষ্ঠাৰে শ্ৰেণীত পঢ়োৱাৰ কথা মনত পৰিলে সেই গুৰুসকললৈ এতিয়াও ভক্তিত শিৰ দোঁ খাই আহে। ১৯২১ চনৰ পৰা ১৯২৫ চনলৈ কটন কলেজত যিসকল অধ্যাপকক লগ পাইছিলোঁ, সেইসকলৰ ভিতৰত

অধ্যক্ষ চুড্‌মাৰ্চন, অধ্যাপক গফিন, অধ্যাপক ৰবাৰ্টছ, অধ্যাপক ব্ৰাউন, আৰু অধ্যাপক টম্‌চন চাহাব আছিল। সবহখিনি অধ্যাপকেই বঙালী আছিল, অসমীয়া চাৰি-পাঁচজন মানহে আছিল। আমি সকলো অধ্যাপকক সমানভাৱে ভক্তি কৰিছিলোঁ আৰু ভাল পাইছিলোঁ। কোনো ছাত্ৰই অসন্তোষ দিয়াৰ কথা নুশুনিলোঁ। পৰীক্ষাত নকল কৰাৰ কথাও তেতিয়া নাছিল। সেই কালত 'ষ্ট্ৰাইক', 'ঘেৰাও' আদিৰ নামেই নুশুনিছিলোঁ। শ্ৰেণী বৰ্জনবো আৱশ্যক নাছিল। আজি-কালি অৱশ্যে আন্দোলন কৰিবলৈ বাধ্য হোৱাত মাজে মাজে স্কুল-কলেজত শ্ৰেণী বৰ্জন কৰা দেখা যায়। আজি-কালি পৰীক্ষাত ওপৰৰ পৰা তললৈকে অসৎ উপায় অৱলম্বন কৰাত পৰীক্ষা ঘৰৰ পৰা বহিষ্কাৰ কৰাৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। নিৰীক্ষকক আক্ৰমণ কৰা কথাও সদায় শুনিবলৈ পাওঁ। এনেবিলাক কথাই আমাক বৰ অসন্তোষ দিয়ে। সংশ্লিষ্ট কৰ্মচাৰী, অধ্যাপক আদিয়ে পৰীক্ষাৰ বিষয়ত অন্যায় কৰে বুলি শুনিও আচৰিত হওঁ। ইমান জ্ঞানী, মানী, ধনী লোকসকলেও এনে কাম কৰিব পাৰেনে ?

আমি কলেজলৈ যাওঁতে কটন কলেজত প্ৰায় পাঁচ শৰো কম ছাত্ৰহে আছিল। এতিয়া দেশৰ শতাধিক কলেজৰ ভিতৰত অন্ততঃ এহেজাৰৰ কম ছাত্ৰ থকা কলেজ নাই বুলিলেই হয়। কলেজবোৰত বন্ধ যথেষ্ট হয়। তাৰ উপৰিও বিভিন্ন পৰীক্ষাৰ কাৰণে বা আজি-কালি অন্য কাৰণত কলেজৰ শ্ৰেণী বহুদিন নোহোৱাকৈয়ে থাকে। সেই কাৰণেই ছাত্ৰসকলে যেনে-তেনে ঘৰুৱা অধ্যাপক-শিক্ষকৰ ওচৰত পঢ়িব লগা হৈছে। আচৰিত কথা, প্ৰাথমিক স্কুলৰ ছাত্ৰকো আজি-কালি ঘৰুৱা শিক্ষক লগা হ'ল। যিসকলৰ ঘৰুৱাকৈ অধ্যাপকৰ ওচৰত পঢ়াৰ সুবিধা নাই, তেওঁবিলাক পৰীক্ষাত অকৃতকাৰ্য হয়। আমি কলেজত পঢ়াৰ সময়লৈকে ৰালিকাসকলৰ কাৰণে অসমত বালিকা কলেজ হোৱাৰ কথা মনত নপৰে। এতিয়া বালিকাসকলৰ কাৰণে বহুত কলেজ প্ৰতিষ্ঠা হৈছে। বালিকাসকলৰ কলেজৰ ৰীতি-নীতি আন কলেজতকৈ অলপ বেছি শৃংখলিত যেন লাগে। এই কলেজবিলাকৰ ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ অলপ বেছি বুলি শুনো।

আগৰ স্কুল-কলেজৰ পৰিৱেশ আজি-কালিৰ স্কুল-কলেজত নোহোৱা হৈছে। হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰী কলেজলৈ আহে। আজি-কালি স্কুলৰ শিক্ষান্ত পৰীক্ষাত পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম নহয়। পৰীক্ষাত যেনে-তেনে উত্তীৰ্ণৰ হাৰ বেছি দেখুৱাবৰ কাৰণে পাবলগীয়া আৱশ্যকীয় নম্বৰ বহুত বঢ়াই দিয়া বুলি জানিবলৈ পাইছোঁ। এই বিষয়ে সংশ্লিষ্ট উচ্চ পৰ্যায়ৰ শিক্ষা বিভাগৰ বিষয়াই লিখা প্ৰবন্ধ পঢ়িবলৈ পোৱা হৈছে। মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে যেনে-তেনেই ভাল ফল দেখুৱাব পাৰে।



আজি-কালি 'মাছ-এডুকেচন'ৰ নামত ছাত্ৰৰ ৰুচি নুবুজাকৈয়ে জধে-মধে স্কুল-কলেজত হেজাৰ হেজাৰ ছাত্ৰ সুমাই দিলে সকলোৱেই পৰীক্ষাত ভাল ফল কেতিয়াও দেখুৱাব নোৱাৰে। সেইদেখি পৰীক্ষা, পঢ়া আদিৰ মানদণ্ড আগতকৈও বহুত কমাই দিয়াতো, পৰীক্ষাবিলাকত উত্তীৰ্ণৰ সংখ্যা যথেষ্ট কম হলেও বিশেষ কৰলৈ নাই। শিক্ষক-অধ্যাপকসকলেও ছাত্ৰৰ ৰুচিৰ বিপৰীতে পঢ়াই বিশেষ ফল দেখুৱাব নোৱাৰে। অকৃতকাৰ্য হোৱা ছাত্ৰৰ সংখ্যা এতিয়া বহুতো বাঢ়িছে; তথাপি তাৰ মাজতে বিশেষ নাম কৰি উত্তীৰ্ণ হোৱা ছাত্ৰৰ সংখ্যা আগতকৈ কম হোৱা নাই। বিশ্ববিদ্যালয়বিলাকত আগতে কোনো কোনো ঠাইত যেনে-তেনে পাছ হোৱাৰ সংখ্যা বঢ়াবলৈ যত্ন কৰা কথা শুনিবলৈ পাইছিলোঁ। কোনো কোনো ঠাইত সংখ্যাতকৈ গুণতহে বেছি মন দিব লাগে বুলিও কয়। সঁচা কথা কবলৈ গলে, বৰ্তমান আমাৰ অসমত তথাকথিত বহুত শিক্ষিত লোকেই সাধাৰণ ৰাইজক সন্তোষ দিব পৰা নাই। এজন স্বনামধন্য কলেজ অধ্যক্ষই কৈছিল, আজি-কালি কলেজলৈ অহা ছাত্ৰৰ ভিতৰত শত-কৰা পঞ্চাছজনহে পঢ়িবলৈ আহে। মাননীয় অধ্যক্ষজনে বৰ আক্ষেপ কৰি কোৱা কথাষাৰ একেবাৰে উলাই কৰিবলগীয়া কথা নহয়। এই বিষয়ে বহলাই কোৱাৰ প্ৰয়োজন নাই।

আজি-কালি কলেজৰ খৰচ-পাতি আগতকৈ বহুত বাঢ়িছে। ছাত্ৰৰ অভিভাবকসকলৰ বহুতেই বৰ কষ্ট কৰি ল'ৰাক কলেজলৈ পঠায়। বহুতক দেখা যায়, অভিভাবকৰ কষ্ট নুবুজে। আমি কলেজত পঢ়া সময়ত, প্ৰায় তিনি কুৰি বছৰৰ আগতে, এনে কাঠচিতীয়া ল'ৰা কলেজত পঢ়িবলৈ যোৱা বৰ কম আছিল। পঢ়াৰ হেপাহত যিসকল অৱস্থাহীন ছাত্ৰ কলেজত পঢ়িবলৈ গৈছিল, তেওঁবিলাকে অতি কষ্টেৰে থাকিও যেনে-তেনে পঢ়িছিল। এনে ছাত্ৰক আন যোত্ৰ থকা ছাত্ৰই পৰাপক্ষত সামান্য সহায় কৰিও ভাল পাইছিল। আমি কটন কলেজত পঢ়োঁতে আমালৈ ঘৰৰ পৰা একুৰি পাঁচ টকা মাহে মাহে পঠায়। আজি-কালিৰ দৰে ছাত্ৰৰ পিন্ধা-উৰা, খোৱা-বোৱা আৰু অন্য বিষয়ত মানদণ্ড বাঢ়ি যোৱা নাছিল। প্ৰায় সকল ছাত্ৰ সাধাৰণভাৱে চলিছিল। বন্ধত ঘৰলৈ যোৱা সময়ত যোৱা-খৰচ আৰু পৰীক্ষাৰ ফীজ আদি দিয়াৰ সময়তহে পঁচিছ টকাৰ ওপৰঞ্চি দহ-পোন্ধৰ টকা পঠাইছিল। তেতিয়া খোৱা-বোৱাৰ খৰচ, কাপোৰ-কানিৰ খৰচ বৰ কম আছিল। আজি-কালি ছাত্ৰসকলে বা ছাত্ৰীসকলে আগৰ তুলনাত বহুত কিবা-কিবিত খৰচ কৰে। আগৰ ছাত্ৰই এইবোৰ নাজানিছিল। অৱশ্যে সময়ৰ লগত সকলোপিনে খৰচ বাঢ়ি যোৱাৰ কাৰণে কিছুমান ক্ষেত্ৰত ছাত্ৰৰো অসুবিধা নোহোৱাকৈ থকা নাই।

যেই হওক, বৰ্তমান হৈ যোৱা অভূতপূৰ্ব আন্দোলনটোত সবহ

ভাগ ছাত্ৰৰ যি বৰঙণি আৰু ত্যাগ, তালৈ চাই সাধাৰণভাৱে ছাত্ৰসকলক নশলাগি নোৱাৰি। আমাৰ দিনত এনে এটা আন্দোলন হোৱা হলে আমি কি কৰিলোহেঁতেন, তাকো ভাবিবৰ মন যায়। বৰ্তমান ছাত্ৰসকলৰ নামত কিছুমান অসৎ প্ৰকৃতিৰ লোকে নিজৰ আৰু দেশৰ স্বাৰ্থৰ বিপৰীতে যোৱা কাম কৰাৰ কথা সদৰি হৈছে, আৰু দেশৰ শত্ৰুসকলে এইবোৰকে বেছি বেয়াকৈ প্ৰচাৰ কৰিবলৈ সুবিধা পাইছে। এনে অৱস্থাত ছাত্ৰসকল বেয়া অৱস্থাত পৰিলেও, তেওঁবিলাক নিজৰ কৰ্তব্যত স্থিৰ থাকিলে তেওঁবিলাকৰ সুনাম নষ্ট হ'ব নোৱাৰে। আমি মধে-মধে ছাত্ৰসকলকো দোষ দিয়া উচিত নহয়। ভালৰ মাজত কিছু বেয়া থকাও স্বাভাৱিক। এতিয়া অভাৱনীয় আন্দোলন কৰি ছাত্ৰসকলে যি সুনাম অৰ্জন কৰিলে, আৰু দেশৰ উন্নতিৰ কাৰণে চেষ্টা কৰিলে, তাৰ সুফল পাবৰ কাৰণে পঢ়িশুনি সকলো বিষয়তে তেওঁবিলাক আগবাঢ়িলেহে উপযুক্ত কাম কৰা হ'ব। ছাত্ৰসকলে দেশখনক এটা সুবাটলৈ আনিছে। এতিয়া এই সুবাটটো আৰু উন্নত কৰিবলৈ আৰু সুস্থভাৱে ৰক্ষা কৰিবলৈ তেওঁবিলাক উপযুক্ত হ'ব লগা হৈছে। আমাৰ আগৰ দিনৰ ছাত্ৰই এটা সুস্থিৰ পৰিবেশত থাকি যেনে দৰে চলিছিল, এতিয়াৰ ছাত্ৰ সেইদৰে চলিব নোৱাৰে। বহুত অসুবিধাই তেওঁবিলাকক চাৰিও পিনৰ পৰা হেঁচি ধৰিছে। ইয়াৰ মাজতো তেওঁবিলাকে দেশ আৰু জাতিৰ সেৱাত আত্মনিয়োগ কৰিলে, আৰু ভৱিষ্যতে দেশৰ উন্নতি সাধন কৰিব পৰাকৈ উপযুক্ত হোৱাতো চেষ্টা কৰিলে অসমৰ বুৰঞ্জীতহে নালাগে, পৃথিৱীৰ বুৰঞ্জীত তেওঁবিলাকৰ নাম স্মৰণীয় হৈ থাকিব। তেওঁবিলাকে সদায় মনত ৰাখিব লাগিব, সম্পদ আহৰণ কৰিলে তাক পালি-পাঁচি ৰাখিবলৈও উপযুক্ত হ'ব লাগিব। □

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
(প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা)

# কবিতাৰ অধ্যাপনা

মদাৰ গছৰ পাণ পৰাটো টান কাম নহয়। কবিতাৰ অধ্যাপনা তাতকৈ বহু গুণে কঠিন। অধ্যাপনাৰ কাৰণে বিস্তীৰ্ণ আৰু গভীৰ অধ্যয়ন লাগেই, কবিজনৰ অনুভূতি আৰু চিন্তা-পথত প্ৰবেশ কৰি কবিৰ সমানে যাব পৰা হ'ব লাগে। কথাটো অলপো সহজ নহয়। কাব্য অধ্যাপনা কৰা লোক নিজেযে সহৃদয় হব লাগিবই, আনকো তেওঁৰ লগলৈ টানি আনিব পৰা হ'ব লাগিব। সহৃদয় হবলৈকো সুদীৰ্ঘ আৰু একনিষ্ঠ সাধনাৰ আৱশ্যক।

নগাঁৱত উমানাথ গোহাঞি নামৰ এজন চব্‌ডেপুটী কলেক্টৰ আছিল। তেওঁ ই এ চি লৈ প্ৰমোচন পাই যোৰহাটত কেই বছৰমান আছিল। তেতিয়া মই যোৰহাট জে. বি. কলেজত। গোহাঞিদেও মোৰ তালৈ মাজে-সময়ে যায়, আৰু তেওঁ গল্ডেন ট্ৰেজাৰীৰ পৰা কবিতা আবৃত্তি কৰে। ৱাৰ্ড ছৱাৰ্থ, কীট্‌ছ, শ্যেলী প্ৰভৃতিৰ কবিতাৰ আলোচনাও মোৰ লগত কৰে। এনে কবিতা প্ৰিয় হাকিম বিৰল। মোৰ বৰ ভাল লাগিল। আদবয়সতো, চাকৰিয়াল জীৱনৰ শেষ অৱস্থাতো তেওঁ কলেজত পঢ়োৱা কবিতাৰ কথা পাহৰা নাই। বৰ্তমান শতিকাৰ প্ৰথম দশকত তেওঁ কলিকতাৰ স্কটিছ চাৰ্চ কলেজত বি এ, পঢ়িছিল। তেওঁক পঢ়োৱা অধ্যাপকসকলৰ সৰহ ভাগেই মিছনাৰী মানুহ। এই অধ্যাপকসকলে পঢ়োৱা কবিতাৰ কথা তেওঁ জীৱনত পাহৰা নাই। কবিতাৰ আনন্দ উপভোগ কৰিব পৰা ক্ষমতা অধ্যাপকসকলে তেওঁৰ মনত ৰোপণ কৰি দিছিল। সেই কালত কলিকতাৰ কলেজবিলাকত তেনে শিক্ষক আছিল; আমাৰো দুই-এজনক পাবৰ সৌভাগ্য হৈছিল।

ৰবীন্দ্ৰনাথে তেওঁৰ আত্মজীৱনীৰ এঠাইত অধ্যাপক হেন্‌ৰী মৰ্লিৰ কথা কৈছে। কবিয়ে লণ্ডন বিশ্ববিদ্যালয়ত ভৰ্তি হৈ অলপ দিন অধ্যাপক মৰ্লিৰ ছাত্ৰ হবলৈ পাইছিল। অধ্যাপকে ইংৰাজী সাহিত্যৰ অধ্যাপনা কৰে। এওঁৰ অধ্যাপনাক ৰবীন্দ্ৰনাথে সৃষ্টিশীল অধ্যাপনা (Creative teaching) বুলি কৈছে। এনে শিক্ষক আদৰ্শ শিক্ষক। সকলোৱে এই সন্মান লব নোৱাৰে। কিন্তু আমাৰ শিক্ষকসকলৰ মনতো এনে এটা আদৰ্শ থকা উচিত। আদৰ্শ অৱশ্যে সদায় কৰায়ত্ত নহয়।

কবিতাত সাধাৰণতে তিনিটা উপাদানৰ সমন্বয় ঘটে—চিত্ৰ, সঙ্গীত আৰু মনন। শব্দ, অৰ্থ আৰু ব্যঞ্জনা—এই তিনিটাৰ ৰাসায়নিক সংমিশ্ৰণ

বুলিও কাব্যৰ কথা কোৱা হয়। কবিতাৰ প্ৰধান গুণ সঙ্গীতধৰ্মিতা—এই গুণে মানুহক প্ৰধানকৈ আকৰ্ষণ কৰে। নুবুজা কবিতাও বুজা যেন লাগে কাব্যৰ এই সঙ্গীতধৰ্মিতাৰ গুণত। আধুনিক কবিতাৰ পৰা সঙ্গীতৰ পৰিমাণ কমি গলেও কবিতাৰ লয় এটা থাকে,—Rhythm এটা থাকে।

কবিতাৰ বিষয়-বস্তু সাধাৰণ পাঠকৰ কাৰণে বেছি প্ৰয়োজনীয় উপাদান। কবিয়ে যি কৈছে, তেওঁবিলাক তাতে সন্তুষ্ট। কবিৰ ভঙ্গী, ইঙ্গিত, গূঢ় অৰ্থ আদি তেওঁলোকে নিবিচাৰে। কবিয়ে কি কব খুজিছে, এই বিষয়ে আমি বেছি আগ্ৰহী। তেওঁৰ কোৱাৰ ভঙ্গী আৰু গূঢ় অৰ্থ আমি নিবিচাৰোঁ। বৰ্তমান অধ্যাপনাত বিষয়-বস্তুৰ প্ৰতি বেছি মনোযোগ দিয়া হয়। এইটো সত্য কথা যে আমি আজি-কালি পৰীক্ষাৰ সম্ভাব্য প্ৰশ্নৰ উত্তৰ স্বৰূপেহে পাঠ দান কৰোঁ, কবিতাৰ সৌন্দৰ্য বা নান্দনিক মূল্যলৈ চকু দিয়াৰ সময় আৰু পৰিবেশ নাই। পৰীক্ষা সেই গুণে কাব্যৰ অধিষ্ঠাত্ৰীৰ গুৰিত অপৰাধী। প্ৰকাশ-ভঙ্গী আৰু ৰস-ব্যঞ্জনাৰ কথা পৰীক্ষাত নাহে; গতিকে এইবিলাক বিষয়ত অধ্যাপনাও নহয়।

কবিতাৰ জাত নাই, কবিৰহে জাত আছে। কবিতাৰ শ্ৰেণী বিভাগ অহঙ্কাৰী পণ্ডিতৰ এটা উদ্ভগুলি বুলিও কব পাৰি। কবিয়ে ৰমাণ্টিক বা ক্লাছিক নিলিখে, কবিতাহে লিখে। প্ৰত্যেক কবিতা কবিৰ অধ্যয়ন, চৰিত্ৰ আৰু জীৱন-দৰ্শনৰ পৰিচায়ক। মিল্টনৰ কবিতা তেওঁৰ বিস্তৃত অধ্যয়ন, খ্ৰীষ্টান আদৰ্শ আৰু স্বাধীন মনৰ পৰিচায়ক। জীৱনৰ দুখ-দুৰ্গতি আৰু ব্যৰ্থতাৰ কৰুণ স্ৰোত এটি তেওঁৰ কবিতাৰ মাজেদি বৈ গৈছে। শ্যেলীৰ জীৱনটো শ্যেলীৰ কবিতাৰ মাজেদি প্ৰকাশ পাইছে, লগতে সমসাময়িক য়ুৰোপৰ ঘটনাপূৰ্ণ বুৰঞ্জী। ভাৰতীয় সংস্কৃতিৰ মূল কথা ৰবীন্দ্ৰনাথৰ কবিতাৰ ঘাই বস্তু। তেওঁৰ কবিতাত পূব আৰু পশ্চিমৰ দুটা ধাৰা সংযোগ কৰিব পাৰি। কবিৰ চৰিত্ৰ অধ্যয়ন প্ৰকৃত কাব্যৰ অধ্যয়ন। কবিৰ একোটা শব্দ বা একোটা শব্দ-গুচ্ছৰ ব্যৱহাৰে তেওঁৰ জীৱনৰ এটুকুৰা পাঠকৰ আগত দাঙি ধৰে। আনহাতে জীৱনৰ বিভিন্ন অৱস্থাৰ প্ৰতিকৃতিও কাব্যত ওলাই পৰে। কবিতাৰ পাঠকজন কবিৰ স্থানত বহি লব পাৰিলেহে কবিতাৰ মাজত সোমোৱা সম্ভৱ হয়। স্কুলত পঢ়োঁতে কোনোবা এখন কিতাপত পঢ়া এটা কথা মনত আছে, "When I want to read a book, I write it myself". ইয়াৰ অৰ্থ এইটোৱেই যে গ্ৰন্থকাৰে কিতাপখন ৰচনা কৰোঁতে যি অভিজ্ঞতা আৰু বিদ্যা-বুদ্ধিৰ ব্যৱহাৰ কৰিছিল, পাঠকৰো সিমানখিনি অভিজ্ঞতা আৰু জ্ঞান হলেহে সেই গ্ৰন্থৰ প্ৰকৃত জ্ঞান লাভ কৰিব পাৰে। আজি-কালি কিতাপৰ সংখ্যা বাঢ়িছে, পাঠকৰ সংখ্যা বাঢ়িছে। কিন্তু পাঠক গ্ৰন্থকাৰৰ ঠাইত বহিব পৰা হৈছেনে নাই, সন্দেহৰ কথা।

ভালেখিনি উচ্চ সাহিত্য দেশ আৰু কালৰ পৰা চালে আমাৰ



বহু দূৰত। ৰামায়ণ, মহাভাৰত, কালিদাস আমাৰ পৰা দূৰ; হ'মাৰ, ডাণ্টে, ছেক্সপীয়েৰো দূৰ। দূৰৰ গ্ৰহ-নক্ষত্ৰ দূৰবীণ যন্ত্ৰৰ সহায়েৰে চোৱাৰ দৰে এই দূৰণিৰ গ্ৰন্থবোৰ দেশ-কালৰ পটভূমিত চাব লাগে। সেই উদ্দেশ্যে কিছু জ্ঞান আহৰণো কৰিব লাগে; তেতিয়াহে কাব্য স্পষ্ট হয়। কালিদাসৰ কাৰণে গুপ্ত যুগৰ ইতিহাস জনা আৱশ্যক। লগে লগে ভাৰতীয় উপনিষদ, দৰ্শন, ধৰ্ম আৰু জ্যোতিষ আদিৰ কিছু জ্ঞান আৱশ্যক। কালিদাসৰ কাব্যত জ্যোতিষৰ কথা প্ৰায় পোৱা যায়—"চিত্ৰাচন্দ্ৰমসৌৰিব" (ৰঘুবংশ ১ম সৰ্গ)। মিল্টনৰ কাব্য উপলব্ধিৰ কাৰণেও প্ৰাচীন গ্ৰীক-ৰ'মান সাহিত্যৰ অলপ জ্ঞান, খ্ৰীষ্টান ধৰ্মৰ বিষয়ে কিছু ধাৰণা আৰু সমসাময়িক ইংলণ্ডৰ ৰাজনীতিৰ কথা অতি আৱশ্যক। ৰবীন্দ্ৰনাথৰ কাব্য উপলব্ধিৰ কাৰণে ভাৰতীয় সাহিত্য, দৰ্শনৰ উপৰিও বাৰ্গছঁৰ (Bergsons) দৰ্শন, আধুনিক বিজ্ঞানৰ কথা জনা আৱশ্যক। পুৰণি অসমীয়া সাহিত্যৰ কাৰণে ভাগৱত পুৰাণৰ বিশেষ জ্ঞান, ভাৰতীয় দৰ্শনৰো জ্ঞান প্ৰয়োজনীয়। আধুনিক অসমীয়া কাব্যত প্ৰবেশ কৰিবলৈ ভাৰতীয় আৰু পাশ্চাত্য দুয়োবিধ সাহিত্যৰ লগত পৰিচয় অপৰিহাৰ্য।

বৰ্তমান কালত দৰ্শন, বিজ্ঞান আৰু কাব্যৰ সম্বন্ধ ঘনিষ্ঠ হৈ আহিছে। বিজ্ঞান-দৰ্শনৰ আধুনিকতম বিষয়বোৰো কাব্যই আত্মসাৎ কৰিছে।

সাহিত্য বস্তুটোৰ অধ্যয়নেই তুলনামূলক অধ্যয়ন। মানুহ জাতি মাজুলীয়াল হৈ থাকিব নোৱাৰে; গোটেই জগতৰ লগত মানুহৰ সম্পৰ্ক। এই সম্পৰ্ক সাহিত্যৰ মাধ্যমত যিমান সম্ভৱ, আন কোনো প্ৰকাৰেই নহয়। সাহিত্য তথা কাব্যই দেশখন একে কৰি বান্ধি থয়। ইংৰাজী বা বঙলা বা অসমীয়া সাহিত্য বুলি একো বস্তু নাই; ইংৰাজী ভাষাত লিখা সাহিত্য, বঙলা ভাষাত লিখা সাহিত্য, অসমীয়া ভাষাত লিখা সাহিত্য। সাহিত্য সকলো মানুহকে স্পৰ্শ কৰিব পৰা শক্তি; এই শক্তি থাকিলেই সাহিত্য হয়,— সি যি ভাষাৰেই নহওক।

এতিয়া আকৌ কাব্যৰ কথালৈ আহোঁ। কাব্য অধ্যয়ন-অধ্যাপনাৰ ক্ষেত্ৰত দীঘলীয়া অনুশীলনৰ প্ৰয়োজন। আমাৰ পণ্ডিতসকলে কয়—"আবৃত্তিঃ সৰ্বশাস্ত্ৰানাং বোধাদপি গৰীয়সী"—ঘনে ঘনে আবৃত্তি কৰি থকাটো শাস্ত্ৰ বুজি পোৱাতকৈও গুৰুত্বপূৰ্ণ। কাব্য শাস্ত্ৰত এই কথা বিশেষকৈ খাটে। আজি-কালি কাব্যত ছন্দ নাথাকিলেও লয় থাকে। এই লয় ৰাখি আবৃত্তি কৰিলেহে কাব্যৰ মৰ্মত প্ৰৱেশ কৰিব পাৰি। শ্ৰেণীত অধ্যাপনা কৰোঁতেও অধ্যাপকে যথাসম্ভৱ একাধিকবাৰ কাব্যৰ আবৃত্তি কৰিব লাগে, যাতে শুনি শুনি শ্ৰোতাবিলাক আকৃষ্ট হ'ব পাৰে। এই কাৰ্য সাধনত অধ্যাপকৰ নিজৰ আবৃত্তি-শক্তি, উচ্চাৰণ, মাত আদিয়ে সহায় কৰে। ঠৰঙা আবৃত্তিয়ে ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ নকৰে, বৰং কাব্যৰ

প্ৰতি নিস্পৃহাহে বঢ়ায়। কবিৰ প্ৰত্যেক শব্দৰ ব্যৱহাৰ, সেইবিলাকৰ ব্যঞ্জনা, কবিৰ অধ্যয়ন, কবিৰ চৰিত্ৰ আৰু পৃথিৱীৰ প্ৰতি তেওঁৰ দৃষ্টি-ভঙ্গী—এই সকলোবোৰ বুজিলেহে কবিতা আৰু কবিক বুজিব পাৰি। মই আগতে কৈছোঁ যে আমাৰ বিদ্যায়তনিক কাব্য-পাঠ পৰীক্ষাৰ ভয়ৰ দ্বাৰাই আক্ৰান্ত আৰু সংকুচিত। সেই কাৰণে অধ্যাপকে কেৱল কবিতা-টোৰ বিষয়-বস্তুৰ প্ৰতিহে মন দিব পাৰে। পাঠ্যক্ৰম যথাসময়ত শেষ কৰিবও লাগিব। জাত গলেও পেট ভৰিব লাগিব। অৰ্থাৎ কবিতাৰ প্ৰতি আমাৰ ধৰ্ম লঙ্ঘন কৰিলেও পৰীক্ষাত ছাত্ৰ-ছাত্ৰীক উত্তীৰ্ণ কৰাব লাগিব। মানস সৰোবৰলৈ উৰিব খোজা হাঁহ টোমত ভৰাই বজাৰত বেচিবলৈ নিয়ে; অথবা হাকিমক দিবলৈ। ইয়াৰ মাজতে হাঁহে মাতে। ইয়াৰ মাজতেই যথাসম্ভৱ কাব্য চৰ্চা হ'ব পাৰে। অধ্যাপকৰ ব্যক্তিগত চৰিত্ৰৰ ওপৰতো নিৰ্ভৰ কৰে।

"পণ্ডিতে পঢ়ে শাস্ত্ৰ মাত্ৰ, সাৰ ভকতে নিয়ে"—মহাপুৰুষে কৈছে। অধ্যাপকজন পণ্ডিত আৰু ভকত দুয়োটা হ'ব পাৰিলে ভাল। □

শ্ৰীঅজিত কুমাৰ শৰ্মা
(প্ৰাক্তন সভাপতি, অসম কলেজ শিক্ষক সংস্থা)

# অসমীয়া মাধ্যমত শিক্ষা কেতিয়া সাৰ্থক হ'ব?

(ক)

স্বাধীন ভাৰতৰ শিক্ষা পৰিস্থিতিৰ সকলো দিশ বিচাৰ কৰি ১৯৫০ চনতে ৰাধাকৃষ্ণণ শিক্ষা আয়োগে দেশৰ উচ্চ শিক্ষা স্তৰত ইংৰাজী ভাষাৰ ঠাইত আঞ্চলিক ভাষাসমূহক শিক্ষাৰ মাধ্যম কৰিবলৈ পৰামৰ্শ দিছিল। আয়োগৰ প্ৰতিবেদনত এই সম্পৰ্কত কোৱা হৈছিল যে ইংৰাজী ভাষাৰ মাধ্যমে দেশৰ মানুহখিনিক দুটা সুকীয়া জাতিত বিভক্ত কৰি পেলাইছে;—এটা হ'ল নিচেই তাকৰীয়া সংখ্যক ইংৰাজী জনা শাসক জাতি, আৰু আনটো হ'ল ইংৰাজী নজনা সৰহীয়া সংখ্যকৰ শাসিত জাতি। এই দুটা জাতিৰ ইটোৱে সিটোৰ ভাষা বুজি নাপায়। পৰিণতিত সৃষ্টি হৈছে এক গণতন্ত্ৰ-পৰিপন্থী পৰিস্থিতি; এক ঔপনিবেশিক কুলীন সংস্কৃতিৰ আধিপত্য।

আঞ্চলিক ভাষাক শিক্ষা দানৰ মাধ্যম কৰাৰ পৰামৰ্শ দিওঁতে অৱশ্যে আয়োগে কৈছে যে আঞ্চলিক ভাষাত পঢ়োঁতে ছাত্ৰ-ছাত্ৰীয়ে ফেডাৰেল ভাষা হিন্দী আৰু আন্তৰ্জাতিক সংযোগ তথা লাইব্ৰেৰী ভাষা ইংৰাজীৰ জ্ঞানো লাভ কৰা দৰ্কাৰ। আয়োগৰ মতে শিক্ষিত ভাৰতীয়-মাত্ৰই কমেও দুটা ভাষা জানিব লাগে। উচ্চতৰ মাধ্যমিক আৰু বিশ্ববিদ্যালয় পৰ্যায়ত ছাত্ৰ-ছাত্ৰীয়ে তিনিটা ভাষা আয়ত্ত কৰাটো নিতান্ত প্ৰয়োজনীয়। তদুপৰি ৰাজ্য এখনৰ ভিতৰত যেতিয়া ভাষিক সংখ্যা-লঘু ছাত্ৰ-ছাত্ৰী থাকে, যাৰ মাতৃভাষা আঞ্চলিক ভাষাৰ পৰা পৃথক হয়, তেতিয়া সেইখিনি ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক স্তৰত মাতৃভাষাৰ মাধ্যমত শিক্ষা লাভ কৰি, উচ্চ মাধ্যমিক স্তৰত আঞ্চলিক ভাষা শিকি লৈ বিশ্ববিদ্যালয় স্তৰত আঞ্চলিক ভাষা গ্ৰহণ কৰিব লাগে বুলি উক্ত আয়োগে কৈছিল।

সোতৰ বছৰৰ পাছত ১৯৬৭ চনৰ কোঠাৰী শিক্ষা আয়োগৰ প্ৰতিবেদনতো আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ পৰামৰ্শ দিয়া হৈছিল। সমগ্ৰ দেশতে দহ বছৰৰ ভিতৰতে অৰ্থাৎ ১৯৭৭ চনৰ ভিতৰত আঞ্চলিক ভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰাৰ প্ৰয়োজনীয়তালৈ আঙুলিয়াই দি আয়োগে এই বুলি কৈছিল—"আঞ্চলিক ভাষাৰ মাধ্যমত শিক্ষা দানৰ পৰা যে আমাৰ সকলো পিনে উপকাৰ হ'ব, সেই বিষয়ে আমি নিঃসন্দেহ।

শিক্ষাৰ গুণগত উন্নতি সাধন আৰু দেশৰ সামূহিক বিকাশৰ অৰ্থে যে ভাষাৰ বিকাশ অতি প্ৰয়োজনীয়, তাক দোহাৰিবৰ আৱশ্যক নকৰে। গতিকে আমি এই ক্ষেত্ৰত সংকল্পবদ্ধ হৈ কামত ধৰিব লাগে''। আয়োগৰ মতে আঞ্চলিক ভাষাৰ মাধ্যমেহে ৰাষ্ট্ৰীয় সংহতিৰ পথ মুকলি কৰিব। স্বাধীনভাৱে চিন্তা কৰাত, বিষয়-জ্ঞান লাভ কৰাত আৰু নিজৰ ভাব প্ৰকাশত আঞ্চলিক ভাষাই যেনেকৈ ছাত্ৰ-ছাত্ৰীক সহায় কৰিব, ইংৰাজীয়ে কেতিয়াও নোৱাৰে।

( খ )

১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষা-নীতিতেই স্পষ্টভাৱে আঞ্চলিক ভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰিবলৈ কোৱা হৈছিল হয়; কিন্তু ১৯৭২ চনলৈকে এই উদ্দেশ্যে অসমত চৰকাৰ আৰু বিশ্ববিদ্যালয় দৃঢ়তাৰে আগবঢ়া নাছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলে ১৯৬১ চনতে যদিও অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰিবলৈ (স্নাতক মহলালৈকে) সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰিছিল, সেই প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ কোনো চেষ্টা কৰা নহ'ল। শেহত ১৯৭২ চনত অসমৰ ছাত্ৰ-সমাজ আৰু ৰাইজে অসমীয়া মাধ্যমৰ দাবীত প্ৰবল জন-আন্দোলন কৰাত সেই বছৰৰে জুন মাহত গুৱাহাটী বিশ্ববিদ্যালয়ে অসমীয়া মাধ্যম প্ৰৱৰ্তনৰ সিদ্ধান্ত লয়। ইতিমধ্যে ভাৰত চৰকাৰেও আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰণয়নৰ বাবে প্ৰতি ৰাজ্যলৈ এক কোটিকৈ টকাৰ অনুদান আগবঢ়ালে। এই অনুদানৰ সহায়ত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰাক-বিশ্ববিদ্যালয় আৰু স্নাতক শ্ৰেণীৰ বাবে পাঠ্যপুথি প্ৰণয়ন কৰিবলৈ লয়। বিশ্ববিদ্যালয়ৰ সিদ্ধান্ত অনুসৰি অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰা হ'ল যদিও ইংৰাজী ভাষাক বিকল্প মাধ্যম কৰিও ৰখা হ'ল। মহাবিদ্যালয়সমূহত ইংৰাজীত পাঠ-দান আৰু পৰীক্ষাৰ প্ৰশ্নোত্তৰ লিখাৰ বাট মুকলি হৈ থাকিল। সংখ্যালঘু ভাষা-ভাষী, ঘাইকৈ কাছাৰৰ বঙলা ভাষীসকলৰ ফালৰ পৰা অসমীয়া মাধ্যমৰ বিৰুদ্ধে দুৰ্ঘোৰ আপত্তি উঠোৱা হ'ল। আনকি তেওঁবিলাকৰ আপত্তি উচ্চতম ন্যায়ালয়ো পালেগৈ। এই প্ৰসঙ্গত অৱশ্যে এইটোও উল্লেখ কৰি থোৱা ভাল যে অসমীয়া ভাষী একাংশয়ো অসমীয়া মাধ্যমত অনাস্থা প্ৰকাশ কৰি ইংৰাজী মাধ্যমৰ পোষকতা নকৰাকৈ থকা নাছিল। সি যি হওক, ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো মহাবিদ্যালয়তে অসমীয়া মাধ্যম আৰম্ভ কৰা হ'ল, আৰু পোন্ধৰ বছৰে চলি আহিছে।

বিশ্ববিদ্যালয়ৰ শিক্ষাত অসমীয়া মাধ্যম প্ৰৱৰ্তন অসমীয়া ভাষাৰ বুৰঞ্জীত তাপৰ্যমূলক ঘটনা। ইয়াৰ দ্বাৰা অসমীয়া ভাষাৰ অধিকাৰ সাব্যস্ত হ'ল আৰু মৰ্যাদা বৃদ্ধি পালে। অতীতত ১৮৭৩ চনত বঙলা ভাষাৰ আধিপত্য গুচাই অসমীয়া ভাষাক প্ৰাথমিক শিক্ষা স্তৰত প্ৰতিষ্ঠা



কৰা হৈছিল। ১৯৩৭ চনত মাধ্যমিক স্তৰত অসমীয়া মাধ্যম আৰম্ভ হ'ল। বিশ্ববিদ্যালয় স্তৰত ইংৰাজী মাধ্যমৰ ঠাইত ১৯৭২ চনত প্ৰৱৰ্তন কৰা হ'ল অসমীয়া মাধ্যম। অৰ্থাৎ অসমীয়া ভাষাই প্ৰাথমিক স্তৰত নিজ অধিকাৰ লাভৰ এশ বছৰৰ মূৰত মহাবিদ্যালয় পৰ্যায়ত ন্যায্য স্থান লাভ কৰিলেগৈ।

অসমীয়া মানুহৰ আত্মপ্ৰতিষ্ঠা সংগ্ৰামৰ ইতিহাসত এই তিনিওটা বছৰৰ—১৮৭৩, ১৯৩৭ আৰু১৯৭২ খ্ৰীঃৰ বিশেষ গুৰুত্ব আছে।

( গ )

বিশ্ববিদ্যালয় পৰ্যায়ত অসমীয়া মাধ্যম আৰম্ভ হোৱাৰ পিছত এই পোন্ধৰ বছৰত আমাৰ অভিজ্ঞতা কি হ'ল? আমি কি শিকিলোঁ, কি পালোঁ? অসমীয়া মাধ্যমে উচ্চ শিক্ষাৰ স্তৰত ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত কিমান সহায় কৰিছে? ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন প্ৰবৃত্তি কিমান চোকা কৰিলে, বিষয়-জ্ঞান কিমান পুৰঠ কৰিলে? অসমীয়া ভাষা-সাহিত্যৰ সম্পদ বৃদ্ধি কৰাত কিমান সহায় কৰিলে? আধুনিক যুগৰ দাবী পূৰণৰ বাবে অসমীয়া ভাষাৰ শক্তি আৰু ঐশ্বৰ্য বৰ্দ্ধন কিমান হ'ল? অসমীয়া ভাষাত মূল্যবান গ্ৰন্থ কিমান প্ৰকাশ হ'ল? অসম আৰু দাঁতিকাষৰীয়া পৰ্বতীয়া অঞ্চলৰ সংযোগী ভাষা হিচাপে অসমীয়া ভাষাক কিমান চহকী কৰা হ'ল? অসমীয়া মাধ্যমৰ উদ্দেশ্য সফল কৰিবলৈ সংশ্লিষ্ট বিভিন্ন পক্ষই—যথা, বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় কৰ্তৃপক্ষ, চৰকাৰ, শিক্ষক-শিক্ষয়িত্ৰীৰ সমাজ, ছাত্ৰ-সমাজ আৰু অভিভাবকে নিজ নিজ ভূমিকা পালন কৰিছেনে?

বিশ্ববিদ্যালয়ৰ ভূমিকালৈ যদি চোৱা যায়, কি দেখোঁ? বিশ্ববিদ্যা-লয় কৰ্তৃপক্ষই অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰিলে হয়; কিন্তু বিশ্ববিদ্যালয়ৰ ভিতৰ-চ'ৰাত অসমীয়া মাধ্যমৰ প্ৰতি অনাস্থা, আৰু ইংৰাজী মাধ্যমৰ বাবে গোপন মৰম অব্যাহত থকাত অসমীয়া মাধ্যমৰ শিক্ষাই যি গতিত আগবাঢ়িব লাগিছিল আৰু যি ধৰণৰ শক্তি আহৰণ কৰিব লাগিছিল, সেয়া সম্ভৱপৰ হোৱা নাই। ভাৰত চৰকাৰে দিয়া অনুদানেৰে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে যথেষ্ট সংখ্যক পাঠ্যপুথি প্ৰকাশ কৰি আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীক সহায় কৰিলে। কিন্তু পাঠ্যপুথিৰ আৱশ্যকীয় সংশোধন, পৰিবৰ্দ্ধনৰ বাবে যি যত্ন লব লাগিছিল, সেইয়া দেখা নগ'ল। প্ৰকৃততে পোন্ধৰ বছৰেও অসমীয়া মাধ্যম তথা আঞ্চলিক ভাষাত পাঠদান আৰু পৰীক্ষা গ্ৰহণৰ কোনো প্ৰকাৰৰ সমীক্ষা এটাও বিশ্ববিদ্যালয়ে নকৰিলে। একোটা বিষয়ৰ একোখন পেপাৰৰ বাবে এখন মাত্ৰ পাঠ্যপুথি ছাত্ৰ-ছাত্ৰীৰ হাতত দিয়েই বিশ্ববিদ্যালয় ক্ষান্ত থাকিল। অসমীয়া মাধ্যমত উন্নত পদ্ধতিত শিক্ষাদানৰ অৰ্থে লাগতিয়াল শিক্ষক-প্ৰশিক্ষণৰ ব্যৱস্থা কৰা নহ'ল। এনে

ধৰণৰ অৱহেলাৰ পৰিস্থিতিত অসমীয়া মাধ্যমৰ পৰীক্ষাত ছাত্ৰ-ছাত্ৰীয়ে ভাল ফলাফল দেখুৱাব নোৱৰাটো অস্বাভাৱিক নহয়। তিনি বছৰীয়া ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে পাঠ্যপুথি আজিলৈকে প্ৰণয়ন নোহোৱাটো এনে অৱহেলাৰে নিদৰ্শন। অগ্ৰগামী চিন্তাধাৰাৰ অভাৱত বিশ্ববিদ্যালয়ৰ নেতৃত্ব নিৰুৎসাহজনক হৈ পৰাটো লক্ষ্য কৰিবলগীয়া কথা। যি সময়ত বিশ্ব-বিদ্যালয়ে স্নাতকোত্তৰ শ্ৰেণী আৰু গৱেষণা পৰ্যায়ত অসমীয়া মাধ্যম প্ৰৱৰ্তনৰ কথা চিন্তা কৰিব লাগিছিল, সেই সময়ত ডিগ্ৰী অনাৰ্ছ শ্ৰেণীতো মাধ্যম পৰিবৰ্তন কাৰ্যকৰী কৰাৰ ব্যৱস্থা দেখা নগ'ল।

ভাষা-নীতিৰ অস্পষ্টতা আৰু দুৰ্বলতা শেহতীয়া ৰাষ্ট্ৰীয় শিক্ষা-নীতিতো (১৯৮৬) প্ৰতিফলিত হৈছে। আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হ'ব লাগে বুলি বাৰম্বাৰ কোৱা হৈছে। কিন্তু কাৰ্যক্ষেত্ৰত সেই মতে কাম কৰা হোৱা নাই। জনসাধাৰণৰ ভাষাত শিক্ষা আৰু জন-সাধাৰণৰ ভাষাত প্ৰশাসন—এই দুয়োটা একেলগে হ'ব লাগিব। চৰকাৰী প্ৰশাসন যদি আঞ্চলিক ভাষাত চলোৱা নহয়, তেতিয়া হ'লে সেই ভাষা শিক্ষাক্ষেত্ৰতো আগবঢ়াটো টান হৈ পৰে। এতেকে অসমত যেতিয়ালৈকে প্ৰশাসনীয় ক্ষেত্ৰত অসমীয়া ভাষা প্ৰয়োগ অনিবাৰ্য নহয়, তেতিয়ালৈকে অসমীয়া মাধ্যমত শিক্ষাও বাধাপ্ৰাপ্ত হৈ থাকিব।

(ঘ)

অসমীয়া ভাষাক উচ্চ শিক্ষাৰ সফল মাধ্যম ৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বিশেষ কৰ্তব্য আছে। সমাজৰ ঋণ পৰিশোধ কৰিবলৈ হ'লে এই সকলে অসমীয়া ভাষা চৰ্চা কৰি, অসমীয়া ভাষাত উচ্চ মানৰ পাঠ্য-পুথি আৰু আধুনিক যুগৰ বাবে প্ৰয়োজনীয় বিবিধ বিষয়ক গ্ৰন্থ প্ৰণয়ন আৰু অনুবাদ কৰি অসমীয়া ভাষাৰ সম্পদ নবঢ়ালে আন কোনে এই কাম কৰিব? শিক্ষক শ্ৰেণীৰ পৰা সমাজে সাহসী সৃষ্টিশীল ভূমিকা আশা কৰাটো স্বাভাৱিক। এই ক্ষেত্ৰত অসমত থকা চাৰি হাজাৰ মহাবিদ্যালয় শিক্ষকে ইচ্ছা কৰিলে মহৎ কাম সম্পাদন কৰিব পাৰে। মহাবিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰীৰ একমাত্ৰ সংগঠন অসম কলেজ শিক্ষক সংস্থাইও অসমীয়া মাধ্যমৰ শিক্ষাক গতিশীল ৰূপ দিবৰ বাবে বিশেষ চিন্তা কৰা দেখা নাই। এনে ধৰণে সংস্থাই নিষ্ক্ৰিয় ভূমিকা লোৱাটো যে পৰিতাপৰ কথা হৈছে, তাক নকলেও হ'ব।

অসমীয়া মাধ্যমৰ শিক্ষাক এক নৱজাগৰণৰ ৰূপ দিয়াত ছাত্ৰ-সমাজৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। যি অসমীয়া ছাত্ৰ-সমাজ অসমীয়াৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ নেতৃত্ব দিবলৈ ওলাই আহিছিল, এতিয়া সেই ছাত্ৰ-সমাজেই অসমীয়া মাধ্যমৰ শিক্ষাৰ ব্যাপক উদ্দেশ্য সফল কৰাতো



আগ ভাগ লব লাগিব। প্ৰকৃততে এই কামো হ'ল অস্তিত্ব ৰক্ষা আন্দো-লনৰে ইতিবাচক কৰ্তব্য। অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমক পৰীক্ষা পাছ কৰাৰ সহজ মাধ্যম কৰিবলৈ বিচাৰিলেই, নাইবা এখন মাত্ৰ পাঠ্যপুথি পঢ়িয়েই সন্তুষ্ট থাকিলেই আঞ্চলিক ভাষাৰ মাধ্যম সাৰ্থক হ'ব নোৱাৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত অনুসন্ধিৎসা, অধ্যয়ন-প্ৰবৃত্তি চিন্তা-চৰ্চা, বৌদ্ধিক বিকাশ আৰু বহল দৃষ্টিভঙ্গীৰ পৰিবেশ সৃষ্টি নহ'লে অসমীয়া মাধ্যম সংকীৰ্ণতাৰ বাহক হৈ পৰিব। অসমীয়া মানুহ সংখ্যাত তাকৰীয়া। এতেকে গুণৰ বলেৰে অসমীয়াই শক্তি আহৰণ কৰিব লাগিব। পৰাধীন যুগত তেতিয়াৰ আসাম ছাত্ৰ সম্মিলনীয়ে অসমীয়া মানুহক গঠনমূলক সাংস্কৃতিক নেতৃত্ব দি ঐতিহাসিক কৰ্তব্য সম্পাদন কৰিছিল। এতিয়াও অসম ছাত্ৰ সন্থাই সেই কামকে পৰিকল্পিত ভাৱে কৰাৰ সময়। অসমীয়া মাধ্যমে ছাত্ৰ-ছাত্ৰীক অধ্যয়নমুখী কৰিব নোৱাৰিলে সাংস্কৃতিক চেতনাও আহিব নোৱাৰে, আৰু মহাবিদ্যালয় একোখনো সাৰ্থক সাংস্কৃতিক কেন্দ্ৰ নহয়গৈ।

প্ৰবন্ধৰ সামৰণিত এতিয়া ওপৰঞ্চিকৈ দুষাৰ কথা উল্লেখ কৰোঁ।

স্বৰ্গীয় পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে ১৯৮২ চনৰ জানুৱাৰী মাহত এই লেখকক এইবুলি কৈছিল: "অসমৰ চাৰিওকাষে পৰ্বতীয়া অঞ্চলত অসমীয়া ভাষাৰ সাংস্কৃতিক প্ৰভাব থাকিব লাগিব। অৱশ্যে প্ৰভাৱহে, সাংস্কৃতিক আধিপত্য নহয়।"

তাহানিতে চীন দেশৰ জ্ঞানী পুৰুষ কন্‌ফুচিয়াচক তেওঁৰ এজন শিষ্যই সুধিছিল—"আপোনাক যদি চীন দেশৰ একছত্ৰী সম্ৰাট পতা যায়, আপুনি কি কি কাম কৰিব?" 'তেতিয়া জ্ঞানী পুৰুষে এইবুলি উত্তৰ দিছিল, "মই মাত্ৰ এটা কামহে কৰিম। চীনা ভাষাটো সকলোকে শুদ্ধকৈ শিকাম।" অকল এই কামেই কেনেকৈ দেশৰ উন্নতি সাধিব বুলি শিষ্যজনে দুনাই সোধাত কনফুচিয়াচে কলে, "ভাষাটো শুদ্ধকৈ শিকালে শুদ্ধকৈ চিন্তা কৰিব; শুদ্ধকৈ চিন্তা কৰিলে শুদ্ধকৈ কাম কৰিব, শুদ্ধকৈ কাম কৰিলে দেশৰ উন্নতি হ'ব।"

এই কথা দুষাৰ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ভাবি চাব। ✶

শ্ৰীকমলেশ্বৰ বৰা
( উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয় )

# জাতীয় শিক্ষা-নীতি আৰু ছোৱালী কলেজৰ সমস্যা

১৯৫১ চনত ভাৰতবৰ্ষত শিক্ষিতৰ হাৰ আছিল শতকৰা ১৬.৬৭ ভাগ । ১৯৮১ চনত এই হাৰ বাঢ়ি শতকৰা ৩৬.২৭ ভাগ হৈছেগৈ । কিন্তু জনসংখ্যা বৃদ্ধিৰ লগে লগে অশিক্ষিতৰ মুঠ সংখ্যা ৩০ কোটিৰ পৰা ৪৩ কোটি হ'লগৈ । তাৰে ভিতৰত তিৰোতা মানুহৰ সমানুপাতিক নিৰক্ষৰতাৰ হাৰ শতকৰা ৫৭ ভাগ ।

এই পটভূমিত সংসদে ১৯৮৬ চনত জাতীয় শিক্ষা-নীতি গ্ৰহণ কৰে, আৰু নীতিসমূহ কাৰ্যকৰী কৰি তুলিবলৈ বিস্তৃত কাৰ্যক্ৰমণিকাও গ্ৰহণ কৰে । এইটো ঠিক যে জাতীয় শিক্ষা-নীতিত সংহত শিশু-বিকাশ আৰু শিক্ষা-আঁচনিত, আৰু ১৪ বছৰ বয়সলৈকে সকলোকে প্ৰাথমিক শিক্ষা দিয়াটোৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে । আমাৰ গাঁও অঞ্চলত শিশুৰ মৃত্যুৰ হাৰ হেজাৰত ১০৪ টা হোৱালৈ, আৰু ১১ ৰ পৰা ১৪ বছৰৰ ল'ৰা-ছোৱালীৰ স্কুলত ভৰ্তিকৰণ মাত্ৰ শতকৰা ৫০ ভাগলৈহে হোৱালৈ লক্ষ্য ৰাখি এই নীতি নিৰ্দ্ধাৰণ সঠিক হোৱা বুলিয়েই কব লাগিব ।

কিন্তু শিক্ষাৰ ক্ষেত্ৰত দেখা যায় যে সামাজিক আৰু অন্যান্য অসুবিধাসমূহৰ কাৰণে স্ত্ৰী-শিক্ষাত গোটেই দেশখনেই তুলনামূলক ভাৱে পিছ পৰি আছে । শিক্ষা সম্পৰ্কীয় সমীক্ষাৰ পৰা মন কৰিব পাৰি যে ১৯৫১-৮১ চনৰ ভিতৰত তিৰোতা মানুহৰ শিক্ষাৰ হাৰ শতকৰা ৮ ৰ পৰা ২৪.৮২ শতাংশলৈ বৃদ্ধি হৈছে যদিও মুঠ সংখ্যাৰ ভেটিত ধৰিলে অশিক্ষিত তিৰোতাৰ সংখ্যা ১৬ কোটিৰ পৰা বাঢ়ি ১৯৮১ চনত ২৫ কোটি পালেগৈ ।

এতিয়া প্ৰশ্ন হৈছে, কেনেকৈ তিৰোতা মানুহৰ ভিতৰত অশিক্ষিতৰ হাৰ কমাব পাৰি ?

জাতীয় শিক্ষা-নীতিত সমস্যাটো চাৰিটাকৈ খণ্ডত ভাগ কৰি লক্ষ্য বান্ধি দিছে । এইকেইটা হ'ল ঃ—

(১) ১৯৯০ চনৰ ভিতৰত নিম্ন প্ৰাথমিক পৰ্যায়লৈ আৰু ১৯৯৫ চনৰ ভিতৰত উচ্চ প্ৰাথমিক পৰ্যায়লৈকে সকলোবোৰ ছোৱালীকে বাধ্যতামূলকভাৱে শিক্ষা দিব লাগিব ।

(২) ১৫-৩৫ বছৰৰ ভিতৰত পৰা ৭ কোটি নিৰক্ষৰ মহিলাক প্ৰাপ্তবয়স্ক আঁচনিৰ যোগেদি শিক্ষিতা কৰি তুলিব লাগিব ।



(৩) উচ্চ পৰ্যায়ত কাৰিকৰী সমন্বিতে বৃত্তিমূলক বা সাধাৰণ শিক্ষা ছোৱালীসকলৰ কাৰণে সহজ লভ্য কৰিব লাগিব ।

(৪) উচ্চ পৰ্যায়ত স্ত্ৰী-শিক্ষা প্ৰসাৰৰ কাৰণে বৰ্তমানৰ ব্যৱস্থা পুনৰ্গঠন কৰি আসোঁৱাহসমূহ দূৰ কৰিবলৈ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে পৰ্যালোচনাৰ ব্যৱস্থা ।

এই শিক্ষা-নীতিৰ আৰু এটা মূল লক্ষ্য হৈছে আমাৰ সমাজত থকা নাৰীৰ স্থিতিৰ পৰিবৰ্তন সাধন । আগৰ দৰে নাৰীক অবলা আৰু কেৱল পুৰুষৰ ওপৰত নিৰ্ভৰশীল কৰি ৰখাৰ সময় উকলি গ'ল । নাৰীসকলৰ প্ৰতিভা বিকাশৰ যোগেদি সমাজত তেওঁলোকক ন্যায্য স্থান দিব লাগিব । তাৰ কাৰণে বৃত্তিমূলক কাৰিকৰী বা সাধাৰণ উচ্চ শিক্ষা তেওঁলোকক দিব লাগিব । উচ্চ মনীষা সম্পন্নাসকলে সংগতি থাকিলে আইনৰ শিক্ষা লোৱাটোও আৱশ্যকীয় ।

সংশোধিত হিন্দু আইনে নাৰীৰ পিতৃ-উপাৰ্জিত সম্পত্তিত অধিকাৰ সাব্যস্ত কৰিছে । সেই ফালৰ পৰা শিক্ষা-নীতিৰ লগত সংগতি ৰাখি নাৰীসকলে পুৰুষ-প্ৰধান সমাজখনত সমানে শিক্ষা লাভ কৰি পুৰুষৰ অংশীদাৰ হৈ পৰিয়ালৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনত সহায় কৰিব পাৰে ।

যদিও মহিলাক বৃত্তিমূলক শিক্ষা লবলৈ জাতীয় শিক্ষা-নীতিয়ে উদগনি দিছে, বাস্তৱ ক্ষেত্ৰত কিন্তু আপেক্ষিকভাৱে কম মহিলাইহে এই সুবিধা ল'ব পাৰিছে । বেছি ভাগ ছোৱালীয়েই উচ্চতৰ মাধ্যমিকৰ পিছত স্নাতক বা স্নাতকোত্তৰ শ্ৰেণীত শিক্ষা ল'ব লগাত পৰে । শিক্ষাৰ উদ্দেশ্য যদি সুস্থিৰ জীৱনৰ কাৰণে প্ৰস্তুতি হয়, তেনেহলে উচ্চ শিক্ষাই আমাৰ উঠি অহা ছোৱালীবিলাকক বিদূষী কৰাৰ উপৰিও মনৰ প্ৰসাৰতাৰ যোগেদি নতুন সমাজ এখন গঠনত অৰিহণা যোগাব পাৰিব । শিক্ষা শেষ কৰাৰ পিছত সুখী পৰিয়াল গঢ়িবলৈ স্ত্ৰী-পুৰুষ দুয়োৰে মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ থাকিব লাগিব । সেই কাৰণেই ছোৱালীসকলৰ বাবে স্নাতক ছোৱালী কলেজবিলাকৰ প্ৰসাৰৰ প্ৰয়োজনীয়তা আছে, আৰু এই বিদ্যালয়বিলাকত ধন আদিৰ মঞ্জুৰি বঢ়াই স্বয়ং সম্পূৰ্ণ কৰাৰ প্ৰয়োজনীয়তা এই শতিকাৰ শেষলৈকে অব্যাহত থাকিব ।

কিন্তু দুখৰ বিষয় যে যদিও শিক্ষা-নীতিত উচ্চ শিক্ষাৰ পুনৰ বিন্যাস কৰি নতুন নতুন বিভাগ খুলি মানদণ্ড আৰু ওখ খাপলৈ নিয়াৰ দিহা দিছে, সেই পৰিমাণে কিন্তু সপ্তম পৰিকল্পনাত ধন বিনিয়োগৰ সুবিধা দিয়া নাই । সপ্তম পৰিকল্পনাৰ এইটোৱেই হৈছে ডাঙৰ ত্ৰুটী । দুবছৰীয়া পাঠ্যক্ৰম তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰমলৈ পৰিবৰ্তন কৰাৰ কাৰণে প্ৰবক্তা, অধ্যাপক আৰু গবেষণাগাৰৰ সা-সঁজুলি, ঘৰ আদিৰ প্ৰয়োজনীয়তা তৎকালীনভাৱে বাঢ়িছে । সপ্তম পৰিকল্পনাত এইবিলাক ওপৰঞ্চি জোৰা মৰাৰ ব্যৱস্থা নাই । আমাৰ ইয়াত অন্যান্য ৰাজ্যৰ

দৰে উদ্যোগ আদিৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি মহাবিদ্যালয়ৰ উন্নতি সধাৰ উপায়ো নাই। পৰিকল্পনা বহিৰ্ভূত শিতানৰ পৰা টকা দিবলৈও চৰকাৰৰ সম্পদৰ অভাৱ। গতিকে সকলো কথা বিবেচনা কৰি ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে বিশেষ অনুদান আগ নবঢ়ালে ছোৱালী কলেজ-বিলাকৰ উন্নতি সধাত বিলম্ব ঘটিব, আৰু ইয়েই জাতীয় শিক্ষা-নীতিত স্ত্ৰী-শিক্ষাৰ উন্নতিৰ অন্তৰায় স্বৰূপ হবগৈ পাৰে।

**শ্ৰীমতী তিলোত্তমা বৰুৱা**
( উচ্চ শিক্ষাৰ যুটীয়া সঞ্চালক, অসম )

# স্ত্ৰী-শিক্ষা আৰু নাৰী

জাতি গঠনৰ ক্ষেত্ৰত এজন সুশিক্ষিত পিতৃতকৈ এগৰাকী সুশিক্ষিতা মাতৃৰ অধিক প্ৰয়োজন। কেৱল জাতি বা সমাজ সংগঠনৰ ক্ষেত্ৰতে নহয়, সমাজৰ অগ্ৰগতিৰ লগতো নাৰী-শিক্ষাৰ বিষয়টো ওত-প্ৰোতভাৱে জড়িত। গান্ধীজীৰ জীৱনৰ সাধনা আছিল মানুহৰ আত্মিক শক্তিৰ ৰূপ প্ৰকাশ আৰু এই কল্পনাৰ প্ৰতীক আছিল নাৰী। স্বাধীনতা আন্দোলনৰ সময়ত গান্ধীজীয়ে কৈছিল, "মোক মোৰ অহিংস সংগ্ৰামত পুৰুষ শক্তিতকৈয়ো নাৰী শক্তিৰ সহায়ৰ অধিক আৱশ্যক"।

মানুহৰ উপলব্ধিৰ পৱিত্ৰতা আনিব পৰাটোৱেই শিক্ষাৰ ফল। নৈতিক আৰু আধ্যাত্মিক প্ৰেৰণাৰ উন্নতি সাধন কৰি সমন্বয় বিধান কৰা আৰু সৎ চৰিত্ৰ নিশ্চিত কৰাই শিক্ষাৰ কাম। আলোকদায়ক শিক্ষাই মানুহৰ অদৃষ্ট সিদ্ধ কৰা বাহ্যিক আৰু আভ্যন্তৰীণ সংসাৰৰ যথাৰ্থতাৰ প্ৰতি সচেতন কৰি দিয়ে। আগৰ কালত মহিলাই কেৱল মাতৃ ৰূপে বা গৃহিণী ৰূপেহে নিজৰ কৃতিত্ব দেখুৱাব পাৰিছিল। আধুনিক কালত মহিলাৰ কৰ্ম-ক্ষেত্ৰৰ বিস্তৃতি ঘটিছে। পুৰুষ আৰু মহিলাৰ কৰ্ম-ক্ষেত্ৰৰ ভিতৰত পাৰ্থক্য বৰ্তমান নাই বুলিবই পাৰি। বহু সংখ্যক মহিলাই চাকৰিজীৱী হিচাপে কৰ্ম-ক্ষেত্ৰত অৱতৰণ কৰিছে। এগৰাকী আদৰ্শ চাকৰিজীৱী মহিলাই সংসাৰৰ দায়িত্ব পালন কৰি পুৰুষৰ সমকক্ষ হিচাপে কামৰ দায়িত্ব লৈ সেই দায়িত্ব সমান দক্ষতাৰে সমাধা কৰে। মহিলা বুলি ওজৰ দেখুৱাই বোজা লাঘৱ কৰিবলৈ কেতিয়াও চেষ্টা নকৰে। আন হাতে কৰ্ম-ক্ষেত্ৰতো নিজৰ নাৰী-সত্তা জীয়াই ৰাখি সকলোৰে লগত আচাৰ-ব্যৱহাৰ বা আদান-প্ৰদানত নাৰী-সুলভ ব্যক্তিত্বৰ প্ৰভাৱ বিস্তাৰ কৰে। তেখেত পুৰুষৰ তুলনাত বেছি সহানুভূতিশীলা আৰু ধৈৰ্য্যশীলা। মানুহে তেখেতৰ পৰিচয় পায় প্ৰথমে নাৰী ৰূপে, আৰু দ্বিতীয়তেহে সুদক্ষ কৰ্মী ৰূপে। প্ৰাচীন ভাৰতৰ সকলো ছোৱালীয়ে পঢ়া-শুনা কৰিব নোৱাৰিছিল। ইয়াৰ কাৰণ এটা আৰ্থিক, আৰু আনটো সামাজিক। কোনো কোনো শাস্ত্ৰত নাৰীসমাজক বেদ আদি অধ্যয়নৰ পৰা বঞ্চিত কৰা কথাৰ উল্লেখ আছে। কিন্তু বৈদিক আৰু পৌৰাণিক যুগৰ নাৰীক ব্ৰহ্মবাদিনী বুলিও স্বীকাৰ কৰা হৈছে। আনহাতে আৰ্থিক কাৰণত কেৱল এটা সচ্ছল সম্প্ৰদায়ৰ ছোৱালীয়েহে পঢ়া-শুনা কৰিব পাৰিছিল ঘৰুৱা শিক্ষকৰ সহায়ত।

আজি-কালি লিখা-পঢ়া কৰাটো ঠিক জীয়াই থকাৰ অধিকাৰৰ নিচিনা বিষয়। জাতি একোটাৰ মানৱীয় মূল্যমান শিক্ষা-দীক্ষাৰ শতকৰা হিচাপৰ দ্বাৰা নিৰ্ণয় কৰা হয়। ছোৱালীবোৰৰ আটাইকে শিক্ষিত কৰিব নোৱাৰিলে সমাজৰ আধাভাগ অশিক্ষিত হৈ থাকে। সামাজিক আৰু সাংসাৰিক কেতবোৰ বিষয় ছোৱালীবোৰে অলপ বিশেষ ধৰণে আয়ত্ত কৰিব লাগে; কাৰণ তেওঁলোকেই ডাঙৰ হৈ সেই বিষয়বোৰ সমাজখনত সুৰক্ষিত কৰিব লগীয়া হয়। জাতীয় চৰিত্ৰ উচ্চ মানৰ কৰিবলৈ কেত-বোৰ নিৰ্দিষ্ট বিষয় ছোৱালীবোৰৰ শিক্ষণীয় কৰিব লাগিব। ভাৰতীয় ঐতিহ্যৰ পৰম্পৰা ৰক্ষা কৰিব পৰা ছোৱালী এজনী কেৱল চৰিত্ৰৱতী হলেই নহয়; তেওঁ হ'ব লাগিব ৰুচিসম্পন্না, মিঠামুখীয়া আৰু সত্যাশ্ৰয়ী। তেওঁ যে গৃহিণীয়ে হ'ব লাগিব, তাৰ কোনো বাধ্য-বাধকতা নাই; কিন্তু তেওঁ যে সমাজ-গাঁথনিৰ এটা অপৰিহাৰ্য অংশ, এই জ্ঞান তেওঁক দিব লাগিব। তেওঁৰ ভাল-বেয়াৰ ওপৰত গোটেইখন সমাজৰ ভাল-বেয়া নিৰ্ভৰ কৰে, এই উপলব্ধিৰে তেওঁক পৰিপুষ্ট কৰিব লাগিব। এই কথা ছোৱালীৰ বেলিকা অধিক প্ৰয়োজনীয়।

আমাৰ নাৰীসমাজৰ বৈশিষ্ট্য সম্বন্ধে অতীজৰে পৰা সকলো মনীষী অত্যন্ত সজাগ। হিমালয়ৰ পৰা বিন্দু সৰোবৰলৈ বিস্তৃত হৈ থকা আৰু সহস্ৰ তীৰ্থক্ষেত্ৰৰ দ্বাৰা পবিত্ৰ হোৱা ভাৰত ভূমিৰ জনগণৰ বাবে সাবিত্ৰী হৈছে আদৰ্শ কন্যা আৰু উত্তম বোৱাৰী, গান্ধাৰী আৰু দময়ন্তী হৈছে শ্ৰেষ্ঠ জায়া, আৰু কুন্তী হৈছে সৰ্বজন পূজ্যা মাতৃ।

নাৰীৰ শিক্ষা বোলোঁতে অকল লিখা-পঢ়াৰ কথাটোৱেই নহয়, স্বাস্থ্য ৰক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ শিক্ষা, ঘৰুৱা আৰু সামাজিক দায়িত্ব ল'ব পৰা শিক্ষা, কাম-কাজৰ শৃংখলাবদ্ধতা আদিৰ কথাও আহি পৰে। শিক্ষাৰে আৰ্জিত জ্ঞান প্ৰয়োগ কৰাৰ সুবিধা কম হোৱাত আমাৰ দেশত শিক্ষাই দেশৰ উন্নতি সাধনত বিশেষভাৱে সহায় কৰিব পৰা নাই। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বৈজ্ঞানিক জ্ঞান, কাম-কাজৰ শৃংখলাবদ্ধতা প্ৰকৃত-ভাৱে ছাত্ৰ-ছাত্ৰীয়ে হৃদয়ঙ্গম কৰিব পৰাকৈ শিক্ষাৰ অন্তৰ্গত নকৰাত বহু শিক্ষিত ল'ৰা-ছোৱালীয়ে এইবোৰ সৰু কথা বুলি ভাবিবলৈ শিকে। সেয়ে সামাজিক সুস্থতাত আঘাত পৰিছে।

পৰিয়াল এটাৰ আয় উচ্চ হওক বা নিম্ন হওক, পৰিয়াল এটা নগৰ অঞ্চলৰে হওক বা গ্ৰাম্য অঞ্চলৰে হওক, ইয়াৰ সুপৰিচালনাৰ বাবে তিনিটা বস্তুৰ অতি প্ৰয়োজন। এইবোৰ হ'ল— (১) মিতব্যয়িতা, (২) শৃংখলা আৰু (৩) সহযোগিতা। এই আটাইকেইটা বস্তুৰ বাবে প্ৰয়োজন শিক্ষাৰ। এগৰাকী শিক্ষিতা মহিলা সাধাৰণতে বেছি মিতব্যয়ী; শৃংখলাবদ্ধ আৰু সুচিন্তিতা। এনে মহিলাৰ জ্ঞান, বুদ্ধি সাধাৰণতে বেছি। পৰিয়ালৰ মহিলাগৰাকী শিক্ষিতা হলে পৰিয়াল সুচাৰুৰূপে চলা



সহজ হয়। সু-গৃহিণীৰ দায়িত্ব হ'ল—সীমিত আয়েৰে পৰিয়াল সুচাৰুৰূপে চলাই ভৱিষ্যত বিপদ-আপদৰ বাবে কিছু সঞ্চয় কৰা। অতি দুখীয়া পৰিয়ালৰ ক্ষেত্ৰত অৱশ্যে পৰিয়ালৰ বাবে সঞ্চয় কৰাটো সম্ভৱ নহ'ব পাৰে। কিন্তু এনে পৰিয়ালৰ মহিলাগৰাকীয়ে মিতব্যয়িতাৰে ঘৰখন চলাই অন্ততঃ ঋণমুক্ত হৈ থাকিব পাৰে।

এইখিনিতে এটা গুৰুত্বপূৰ্ণ কথা হ'ল—চাকৰি নকৰি পূৰাকৈ গৃহ পৰিচালনা কৰা মহিলাৰ গৃহ-অৰ্থনীতিত গুৰুত্ব কোনো গুণে কম নহয়। মিতব্যয়িতাৰে ঘৰখন চলাব পৰাটো কেৱল এটা ডাঙৰ গুণেই নহয়; ইয়াৰ দ্বাৰা পৰিয়ালৰ অপচয় কম হয়, যাৰ ফলত পৰিয়ালৰ আয় বৃদ্ধি হোৱাত সুবিধা হয়। ভৱিষ্যতৰ নাগৰিক ল'ৰা-ছোৱালীক ভালদৰে মানুহ কৰি তোলাটোও কম দায়িত্বপূৰ্ণ কাম নহয়। মাকৰ সুশিক্ষাই ল'ৰা-ছোৱালীক সৎ মানুহ কৰে।

শাস্ত্ৰত কোৱা হৈছে, ''জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী''। মাতৃগৰাকীয়েই এনে সন্মানৰ যথাৰ্থ পৰিচয় তেওঁৰ কামৰ মাজেৰে প্ৰমাণ কৰিব লাগিব। একোগৰাকী সুমাতৃৰ ওপৰতে নিৰ্ভৰ কৰে সন্তানসক-লৰ ভৱিষ্যত। ঘৰখনেই শিশুৰ শিক্ষাৰ প্ৰথম চাপ। সুমাতৃগৰাকীৰ পৰা পোৱা সজ শিক্ষাই শিশুৰ কোমল মনক প্ৰভাৱান্বিত কৰি স্বাভাৱিক মানসিক বিকাশত সহায় কৰে। শাৰীৰিক, মানসিক আৰু বৌদ্ধিক দিশত সুস্থ, সবল এটি শিশুৰ সাৰ্থক জীৱনৰ মূলতে আছে সুমাতৃগৰাকী, এগৰাকী সুশিক্ষিতা নাৰী।

এগৰাকী ভাল পত্নীতকৈ ভাল মাতৃৰ আৱশ্যকতা বেছি। কাৰণ, সুপত্নী তেওঁৰ স্বামীৰ কাৰণেহে মূল্যৱান। কিন্তু সুমাতৃ জাতীয় সম্পদ। অতি প্ৰাচীন কালৰে পৰা ভাৰতৰ ধৰ্মশাস্ত্ৰবিলাকত মৈত্ৰেয়ী, সীতা, সাবিত্ৰী আদি মহতী নাৰীসকলৰ নাম মহিমামণ্ডিত হৈ আছে। তেওঁলোকৰ জীৱনৰ চানেকীয়েই আজিও আমাৰ প্ৰেৰণাৰ উৎস হৈ আছে। পাহৰণিৰ অতল গৰ্ভত তেওঁলোকৰ নাম কেতিয়াও লুপ্ত হৈ যাব নোৱাৰে।

স্ত্ৰী-শিক্ষাৰ বিকাশত আধ্যাত্মিক দিশৰ প্ৰতি আমাৰ শিক্ষা-ব্যৱ-স্থাত বিশেষ চকু দিয়া হোৱা নাই। আধ্যাত্মিক শিক্ষাৰ মূল কথাই হৈছে আত্মোপলব্ধি। যি আচৰণ বা অনুশীলনৰ দ্বাৰা মানুহৰ পশুত্ব নিয়ন্ত্ৰিত হয় আৰু ঈশ্বৰত্ব বৃদ্ধি পায়, সেয়েই আধ্যাত্মিকতা, নৈতিকতা আৰু ধৰ্ম। আমাৰ ঐতিহ্য, পৰম্পৰা, ঋষি-মনীষীসকলৰ মনন আৰু চিন্তাৰ পৰা উদ্ভূত শাস্ত্ৰাদিৰ অধ্যয়নেহে, ধৰ্মানুশীলন আদিয়েহে আমাৰ অন্তৰত প্ৰকৃত নৈতিকতা-আধ্যাত্মিকতাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিব পাৰে। আমাৰ বৰ্তমান শিক্ষা-ব্যৱস্থাত এই অধ্যয়ন-অধ্যাপনাৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব। □

শ্ৰীইন্দ্ৰেশ্বৰ গোস্বামী
( অধিবক্তা, নগাঁও )

# আইন বৃত্তি আৰু মহিলা

উচ্চতম ন্যায়ালয়ৰ যশস্বী মহিলা আইনজীৱী আৰু সমাজ সেৱিকা লিলি থমাচক তেওঁ আইন বৃত্তি কিয় গ্ৰহণ কৰিলে বুলি সোধা সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল, "যুগ যুগ ধৰি মহিলাই মৌলিক অধিকাৰ-সমূহ আদায়ৰ বাবেই আন্দোলন, সংগ্ৰামৰ মুখামুখি হ'ব লগাত পৰিছে। মহিলাৰ উন্নতি, প্ৰগতি, সম অধিকাৰ আদিৰ চিন্তা কৰা সকলৰ আইন বৃত্তিয়েই যথাৰ্থ বৃত্তি, যাৰ দ্বাৰা সমাজে মহিলাৰ বাবে আগবঢ়োৱা অধিকাৰ, সুবিধাসমূহ পুঙ্খানুপুঙ্খ ৰূপে চালি-জাৰি চাব পাৰিব। এই অধিকাৰ, সুবিধাসমূহনো কি, আজিৰ জগতত এইবোৰ মহিলাৰ উন্নয়নৰ বাবে যথেষ্ট হয়নে নহয়; যদি নহয়, আৰু কি কৰিব লাগিব তাৰ উত্তৰাদিহ পাব। ভাৰতীয় সংবিধান আইনেনো মহিলাক কিমান দূৰ অধিকাৰৰ সুবিধা দিছে, আৰু কিমান দূৰলৈ দিবলৈ প্ৰস্তুত, তাক খুচৰি চাই নাৰী হিচাপে হোৱা সমমৰ্মিতাৰে এইবোৰ প্ৰতিবন্ধক আঁতৰাবৰ ব্যৱস্থা ল'ব পাৰিব, বস্তুনিষ্ঠ অনুসন্ধান কৰিব পাৰিব। আমি মহিলাৰ সামাজিক আৰু অৰ্থনৈতিক শৃঙ্খলাৰ বাবে যুঁজিছোঁ। এই যুঁজবোৰ চলাবলৈকে এনানি অধিকাৰ আদায়ৰ প্ৰয়োজন। মই ভাবোঁ, উকীল হিচাপে এই যুঁজ যুঁজাটো সহজ। সেয়ে মই অন্তৰেৰে এই বৃত্তি গ্ৰহণ কৰিছোঁ, আৰু মহিলাৰ উন্নতিৰ বাবে অহৰহ শক্তি ক্ষয় কৰিছোঁ।"
( ভাবানুবাদ )

অষ্টাদশ শতিকাত ভোটাধিকাৰৰ দাবীত, আইন সভাত প্ৰবে-শাধিকাৰ পোৱাৰ দাবীত মহিলাই আন্দোলন কৰিছিল। ১৮৫৭ চনৰ মাৰ্চ মাহত নিউয়ৰ্কৰ সূতা-কলৰ শ্ৰমিক নাৰীয়ে বেতন বৃদ্ধি আৰু কামৰ নিৰ্দিষ্ট সময় নিৰ্দ্ধাৰণৰ দাবীত কৰা আন্দোলনেই মহিলাৰ অধিকাৰ প্ৰতিষ্ঠাৰ আধাৰত হোৱা প্ৰথম আন্দোলন। ১৯০৮ চনত এওঁলোকেই ভোটাধিকাৰ বিচাৰি আন্দোলন কৰে। বিভিন্ন সময়ত মহিলাই মৌলিক অধিকাৰসমূহ আদায়ৰ বাবে আন্দোলনৰ মুখামুখি হ'ব লগাত পৰিছে। অৱশ্যে অন্য বহু দেশৰ আগতেই ভাৰতীয় সংবিধানে ভাৰতীয় মহিলাক অনেক অধিকাৰ প্ৰদান কৰিছে। ভাৰতীয় সংবিধানৰ ১৪ অনুচ্ছেদে মহিলাৰ সমান অধিকাৰ ( পুৰুষৰ সৈতে ) ঘোষিত কৰিছে। ১৫ অনু-চ্ছেদে মহিলাৰ কাৰণে বিশেষ ব্যৱস্থাৰ নীতি গ্ৰহণ কৰিছে। সাংবিধা-নিক অধিকাৰ যিয়েই থাকক, এইটো ঐতিহাসিক সত্য যে আমাৰ দেশৰ



মহিলা অৰ্থনৈতিক ভাৱে স্বাধীন আৰু সামাজিক ভাৱে মুক্ত নহয়। ফলত অৰ্থনৈতিক আৰু সামাজিক দিশত মহিলা তুলনামূলক ভাৱে পুৰুষতকৈ পিছ পৰা। ই হ'ল ঘূণে ধৰা সমাজ-ব্যৱস্থাৰ অৱধাৰিত ফচল। মানুহৰ নিম্নতম প্ৰয়োজনীয় বস্তুকেইটা হ'ল অন্ন, আবৰণ আৰু আবাস। এইকেইটা নিম্নতম প্ৰয়োজনীয় বস্তু আয়ত্ত কৰাৰ ক্ষমতা পুৰুষৰ সমানে নিজৰ হাতলৈ আনি সমাজত প্ৰতিষ্ঠিত হবলৈকে মহিলাসকলে যুঁজিব লাগিছে। অৰ্থাৎ মহিলাৰ সম অধি-কাৰৰ বাবে কৰা যুঁজ আচলতে সামাজিক আৰু অৰ্থনৈতিক মুক্তিৰ যুঁজ। অৱশ্যে অৰ্থনৈতিক-সামাজিক বৈষম্যেৰে বিভক্ত আমাৰ সমা-জত সকলো মহিলাই যে সামগ্ৰিক ভাৱে অৱহেলিত, সেই কথাও মনত ৰাখিব লাগিব। সেয়ে, ভাৰতীয় নাৰীৰ মৰ্ম-বেদনা পুৰুষ সমাজে উপলব্ধি কৰিব পাৰিলে ভাল।

মহিলাৰ সমাজত স্থান নিৰ্ণয়ৰ বেলিকা স্ত্ৰী আৰু পুৰুষৰ দেহ-গঠনৰ মৌলিক পাৰ্থক্য আৰু তাৰ বাবে হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ কথা আমি সততে মনত ৰাখিব লাগিব। শ্ৰীমদ্ভাগৱত গীতাৰ দশম অধ্যায়ত কৃষ্ণই অৰ্জুনক কৈছে যে শ্ৰী, কীৰ্তি, সৰস্বতী, ধৃতি, মেধা, স্মৃতি, ক্ষমা ৰূপ এই সপ্তদেৱতা স্ত্ৰী-শক্তিৰ মাজত বিদ্যমান। এই গুণাৱলীৰ গৰাকী স্ত্ৰীসকলহে। সুখ-দুখ, বেজাৰ-অনুভূতি, মৰ্যাদাবোধ স্ত্ৰী-পুৰুষৰ সমান। এইবোৰ সজ গুণেৰে পৰিপূৰ্ণ হোৱা মহিলাই সেয়েহে ভাৰতীয় সমাজত নিজৰ স্থান, মৰ্যাদা আদায় কৰি লবলৈ সমৰ্থ হৈছিল। প্ৰাচীন কালৰে পৰা ভাৰতীয় মহিলাই সমাজ উন্নয়নত দি অহা নেতৃত্ব, সমাজ সংস্কাৰৰ হকে কৰা আত্মোৎসৰ্গ আৰু ত্যাগৰ দৃষ্টান্ত বেদ-স্মৃতি শাস্ত্ৰত অলেখ আছে। বৈদিক যুগৰ ব্ৰহ্মবাদিনীৰ পৰা বিশ্ববাৰা, অপালা, ৰোমশা আদি বেদৰ মন্ত্ৰদ্ৰষ্টা মহিলাসকলৰ কাহিনী সৰ্বজন বিদিত। তুলনা-মূলক ভাৱে শাৰীৰিক শক্তি, মানসিক প্ৰস্তুতি পুৰুষতকৈ কম বুলি কোনো কোনোৱে ভাবিলেও মহিলা আজি অবলা নহয়। দেশ শাসনত, পৰিচালনাত, যুদ্ধত, শান্তিৰ হকে, মুক্তি সংগ্ৰামত মহিলা কেতিয়াও পিছলৈ উভতি লবা নাই। পৰম্পৰাগতভাৱে সমাজ বিৱৰ্তনৰ বিভিন্ন সংগ্ৰামত মহিলা সমাজ সহযোদ্ধা হৈ আছে। মুক্তি যুঁজত অংশ লৈ ইংৰাজৰ বিৰুদ্ধে যুঁজা ভাৰতীয় মহিলা, বিশেষকৈ অসমীয়া মহিলাৰ বীৰত্ব, সাহস, ত্যাগৰ কথা কাৰনো মনত নাই? সৌ সিদিনাৰ আন্দো-লনৰ কথা নকলোঁৱেইবা। ৰাজনৈতিক, আৰ্থ-সামাজিক, সাংস্কৃতিক, বৈজ্ঞানিক, বৌদ্ধিক সকলো দিশতে আজিৰ মহিলাই পুৰুষৰ সৈতে সমানে খোজ পেলাবৰ যত্ন কৰিছে, আৰু বহু ক্ষেত্ৰতে কৃতিত্ব অৰ্জনো কৰিছে। আজিৰ সমাজত যি বৃত্তিতে পুৰুষ আছে, মহিলাও সেই বৃত্তিত নামি পৰিছে। দেশত আজি মহিলা উকীল, হাকিম, মুন্সিফ, ডাক্তৰ,

ইঞ্জিনিয়াৰ, পুলিচ, বিজ্ঞানী, শিক্ষক সকলো আছে। সময়ৰ লগত
খোজ মিলাই আগবাঢ়ি যোৱাত আমাৰ মহিলাসকল ক'তো ৰৈ যোৱা
নাই। শাৰীৰিক বাধা অতিক্ৰম কৰি মহিলাই সামৰিক বাহিনীত
ভৰ্তি হৈ বিদেশী শক্তিৰ বিৰুদ্ধে হয়তো বন্দুক-বাৰুদ-কামান এতিয়ালৈকে
চলোৱা নাই; কিন্তু কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ বাহিনীত ভৰ্তি হৈ ৰাইফল
চলোৱা মহিলা যে শীঘ্ৰে সামৰিক বাহিনীতো অন্তৰ্ভুক্ত হ'ব, সি একেবাৰে
নিশ্চিত কথা।

ভাৰত তথা অসমত বহু মহিলাই আইনক পেছাৰূপে গ্ৰহণ কৰিছে।
ইতিমধ্যে কেইবাগৰাকী যোগ্যা মেধাসম্পন্না মহিলাই উচ্চতম ন্যায়া-
লয়ত আৰু ভাৰতৰ বিভিন্ন উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰিছে।
কেইবাগৰাকীয়ে উচ্চ ন্যায়ালয়ৰ বিচাৰকৰ আসনো শুৱনী কৰিছে।
শীঘ্ৰে উচ্চতম ন্যায়ালয়ৰ বিচাৰপতিৰ আসনো যে অধিকাৰ কৰিব, তাত
বিন্দুমাত্ৰও সন্দেহ নাই। কলিকতা উচ্চ ন্যায়ালয়ৰ বিচাৰপতি পদ্মা
খাষ্টিগিৰ, প্ৰতিভা বানাৰ্জী, মঞ্জুলা বসুৱে ইতিমধ্যে সুযোগ্যা বিচাৰ-
পতিৰূপে নিজৰ প্ৰতিভাৰ পৰিচয় দি মহিলাসমাজৰ সন্মান বৃদ্ধি কৰিছে,
আৰু সমাজত বিশ্বাসযোগ্যতা অৰ্জন কৰাত সমৰ্থ হৈছে। উচ্চতম
ন্যায়ালয়ৰ উকীল লিলি থমাচ উচ্চতম ন্যায়ালয়ত ওকালতি কৰা প্ৰথম
মহিলা। তেওঁৰ বাক-পটুতাই, তেওঁৰ জ্ঞান-গভীৰতাই সমাজত আদৰণি
পাইছে। ৰাণী জেঠমালানি, গ্ৰোভাৰে ইন্দিৰা গান্ধী হত্যা-গোচৰত
পদকীয়া পক্ষত থাকি জ্যেষ্ঠ উকীলসকলৰ সহযোগত বিশেষকৈ সাক্ষী-
বাদীক জেৰা কৰাৰ ধৰণ, ভঙ্গি-কলাৰে নিজৰ ব্যক্তিত্বৰ পৰিচয় দিছে।
জেৰা কৰাৰ দৰে এটা জটিল কামতো পুৰুষ-সুলভ নিজৰ বুদ্ধিমত্তা
আৰু প্ৰত্যুৎপন্নমতিৰ বাবে শ্ৰীমতী জেঠমালানিয়ে সকলোৰে ভূয়সী
প্ৰশংসা অৰ্জন কৰিছে। আমাৰ গুৱাহাটী উচ্চ ন্যায়ালয়তো বহু কেই-
গৰাকী মহিলাই ওকালতি ব্যৱসায় আৰম্ভ কৰিছে। ইয়াৰ মাজেদি
অৰ্থনৈতিক স্বাধীনতাৰ সোৱাদ লোৱাৰ লগতে নিজৰ বুদ্ধিমত্তা, প্ৰতিভা.
মেধাৰ পৰিচয় দি মোক্কেলকে নহয়, ন্যায় প্ৰতিষ্ঠাৰ হকে বিচাৰ পতি-
সকলকো উচিত সিদ্ধান্তত উপনীত হোৱাত সহায়ক হৈছে।

আজি আইন বৃত্তিত প্ৰবৃত্ত হোৱা মহিলাসকলে ৰেজিনা গুহ
নামৰ মহিলাগৰাকীৰ ত্যাগৰ কথা শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব। যুগ যুগ
ধৰি মহিলাসকলে বিভিন্ন অধিকাৰ আদায়ৰ বাবে সংগ্ৰামত নামিব
লগা হোৱাৰ দৰে আইনৰ জগততো মহিলাৰ অন্তভুক্তি এক যুগান্তৰকাৰী
ঘটনা।

পোন প্ৰথমতে মহিলা আইনজীৱীৰ ওকালতি কৰাৰ প্ৰশ্নটো
উঠিছিল ১৯১৬ চনত। সেই বছৰতে ৰেজিনা গুহ নামৰ মহিলাগৰাকীয়ে
কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বি. এল. পৰীক্ষা পাছ কৰে। তাৰ



পাছতে আলিপুৰৰ জিলা ন্যায়াধীশলৈ মহিলা অধিবক্তাৰূপে নাম ভৰ্তি
কৰিবলৈ দৰ্খাস্ত যোগে প্ৰাৰ্থনা কৰে। এই আবেদনখনে পুৰুষ-সমাজত
তল-ওপৰ লগালে। জজ চাহাবে ৰেজিনা গুহৰ দৰ্খাস্তত আইনৰ প্ৰশ্ন
তুলি কলিকতা উচ্চ ন্যায়ালয়ৰ প্ৰধান বিচাৰপতিলৈ অনুমতিৰ বাবে
প্ৰেৰণ কৰে। ১৮৭৯ চনৰ 'The Legal Practioners Act' য়ে
পুৰুষসকলকহে ওকালতি কৰাৰ অধিকাৰ দিছে। গতিকে উক্ত আইনৰ
৬ নং ধাৰাৰ আইনগত ব্যাখ্যাৰ প্ৰয়োজন আছে বুলি ৰাজ্যৰ এড্‌ভোকেট
জেনেৰেলৰ আইনগত মতামতৰ বাবে দৰ্খাস্তখন প্ৰধান বিচাৰপতিয়ে
পঠাই দিলে। আলিপুৰৰ জিলা ন্যায়াধীশক জনোৱা হ'ল যে যেতিয়া-
লৈকে আইনগত পূৰ্ণ ব্যাখ্যা দাঙি ধৰা নহ'ব, তেতিয়ালৈকে ৰেজিনা গুহৰ
দৰ্খাস্তত মতামত দিব পৰা নাযাব। ৰেজিনা গুহ অধৈৰ্য, বিব্ৰত হ'ল।
তিৰোতা বুলিয়েই বৃত্তি উপভোগৰ ক্ষেত্ৰতো প্ৰভেদ আনিবৰ সম্ভাৱনা
দেখি তেওঁ কলিকতা উচ্চ ন্যায়ালয়ত ওকালতি কৰাৰ অধিকাৰ সাব্যস্ত
কৰিবলৈ পোনে পোনে উচ্চ ন্যায়ালয়ত পুনৰ দৰ্খাস্ত দাখিল কৰিলে।
এই প্ৰশ্ন বিবেচনাৰ বাবে উচ্চ ন্যায়ালয়ে প্ৰধান বিচাৰপতি ছাৰ লেঞ্চলট
চেম্বাৰচন, বিচাৰপতি আশুতোষ মুখাৰ্জী, চাৰ্লচ উইলিয়াম চিষ্টি, উই-
লিয়াম টিউনন আৰু আশুতোষ চৌধুৰীক লৈ পাঁচজনীয়া বিশেষ আদালত
গঠন কৰিলে। ৰেজিনাৰ পক্ষৰ হৈ অভিজ্ঞ আইনজীৱী ইয়াৰ্ডলি নৰ্টন,
পি. কে. মজুমদাৰ, এম. এন. কাঞ্জিলাল আৰু সমৰ্থ নাথ মুখাৰ্জী থিয়
হ'ল। তুমুল আইনগত বাক-বিতণ্ডা হ'ল। আইনৰ ব্যাখ্যা বিচাৰি
চলাথ লগালে। প্ৰধান বিচাৰপতিয়ে উক্ত আইনৰ ২৭ নং ধাৰাটোত
থকা 'Person' শব্দটোতে লাগি থাকিল। ধাৰাটোত আছিল "Any
Person who has passed the B.L. Examination may be
admitted as a pleader". প্ৰধান বিচাৰপতিৰ মতে Person শব্দ-
টোৱে কেৱল পুৰুষক বুজাইছে। ৰেজিনাৰ উকীলসকলে, আনকি
চৰকাৰ পক্ষৰ এডভোকেট জেনেৰেলেও 'Person' মানে মতা-তিৰোতা
দুয়োকে বুজাইছে বুলি প্ৰচণ্ড যুক্তিৰ অৱতাৰণা কৰিলে। বিভিন্ন
আইনৰ পৰা ব্যাখ্যা কৰা হ'ল। প্ৰধান বিচাৰপতিৰ মতে ১৮৭৯ চনৰ
আইনখন ১৭৯৩ চনৰ আইনৰ ওপৰত নিৰ্ভৰ কৰি প্ৰণয়ন কৰা। তাত
'Men' শব্দটো স্পষ্টকৈ উল্লেখ আছে। আনসকল বিচাৰপতিয়েও
প্ৰধান বিচাৰপতিক সমৰ্থন জনালে। হুকুম হ'ল, আইনেহে আইন
ব্যৱসায়ৰ প্ৰবেশ-দুৱাৰ তিৰোতাৰ কাৰণে বন্ধ কৰি থৈছে। গতিকে
ৰেজিনা গুহৰ দৰ্খাস্ত নামঞ্জুৰ হ'ল। ৰেজিনা গুহ চকু পানী টুকি
টুকি আপোন ঘৰলৈ উভতি গ'ল। এটা প্ৰতিভা বিনষ্ট হ'ল।

চিন্তাশীল লোকসকল এই অবিচাৰত জাঙুৰ খাই উঠিল। সমাজ
সংস্কাৰকসকলৰ চেষ্টাত আন্দোলনৰ ধুম উঠিল। বাতৰি কাকতে এটা

উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিলে। বিক্ষোভকাৰী মহিলাসকলে সভা পাতিলে, শোভাযাত্ৰা উলিয়ালে! বুদ্ধিজীৱী আৰু আন্দোলনৰ ন্যায্য-দাবীৰ ওচৰত চৰকাৰে শিৰ নত কৰিলে। ১৯২৩ চনৰ ২ এপ্ৰিল তাৰিখে ১৮৭৯ চনৰ 'Legal Practitioners Act' সংশোধন কৰি 'Legal Practitioners ( Womam ) Act 1923' প্ৰৱৰ্তন কৰিলে।

ৰেজিনা গুহৰ চৰম ত্যাগে বিক্ষোভৰ অগনি জ্বলালে। সমাজক সচেতন কৰিলে। ফল স্বৰূপে আদালতৰ বন্ধ দুৱাৰ মহিলাৰ কাৰণে মেল খাই গ'ল। মহিলাসকলে আইনক বৃত্তি ৰূপে লোৱাত সুযোগ ওলাল।

আইন বৃত্তিত জড়িত অভিজ্ঞসকলৰ মত—আইন বৃত্তি এটা জটিল অথচ অৰ্থকৰী আনন্দ দায়ক বৃত্তি। বৃত্তিটো পালনত পোৱা স্বাধীনতা, কাৰো ওচৰত শিৰ নত নকৰা অৱস্থাটো হ'ল প্ৰথম স্বত্ব। আইনে দিয়া অধিকাৰ সাব্যস্ত কৰা, আইন বহিৰ্ভূত বিষয়ৰ পৰা আঁতৰত থকাটো আনটো স্বত্ব। এডভোকেট্‌ছ এক্ট আৰু ৰুলৰ ভিতৰত থাকি আইন সাহায্য আগবঢ়োৱাটোৱেই উকীলৰ ধৰ্ম। আইনে দিয়া বাট খুজি আইনৰ সাহায্য মোক্কেলক দিয়াটো উকীলৰ কৰ্ম। আইন স্বাধীন বৃত্তি, অথচ স্বাধীনতাৰো সীমা নিৰ্ণয় কৰা আছে। আইন বৃত্তিত উত্তৰোত্তৰ উন্নতিৰ বাবে প্ৰয়োজন হয় সাহস, ধৈৰ্য, নিষ্ঠা, একাগ্ৰতা আৰু সহন-শীলতাৰ। নানা ধৰণৰ, নানা বৰণৰ, নানা চৰিত্ৰৰ মোক্কেলৰ লগত উকীল মুখামুখি হ'ব। কোনোবাজনে সেই মুহূৰ্ততে ফলাফল বিচাৰি হাবাথুৰি খাই উকীলক অতিষ্ঠ কৰিব। বিভিন্ন প্ৰকৃতিৰ মানুহক তেওঁলোকৰ সন্তুষ্টিৰে অথচ আইনৰ মাধ্যমেৰে সাহায্য দিয়াটো সঁচাকৈয়ে দুৰূহ কাম। পঠন, গোচৰৰ বিষয়-বস্তুৰ লগত পৰিচয়, প্ৰতিদিনে পৰিৱৰ্তিত আইনৰ লগত জনা-জনি, উচ্চ আদালতসমূহে দিয়া আইনৰ ব্যাখ্যাৰ লগত চিনাকি হৈ নিজকে সদায় সাজু ৰাখিব লাগে। সাক্ষী-বাদীক জেৰা কৰি তেওঁলোকৰ মুখৰ পৰা সত্য উদ্ঘাটন কৰা কৌশল এটা কলা বুলিয়েই জনাজাত। এই কলা আয়ত্ত কৰা, গোচৰ ৰচনা কৰা, আইন-গত যুক্তি-তৰ্কৰ অৱতাৰণা কৰা গুণ আয়ত্ত কৰাৰ বাবে জ্যেষ্ঠ উকীলৰ সাহায্যত অনুশীলনৰ প্ৰয়োজন হয়। আদালতৰ নিয়ম-নীতি, শৃংখলা ৰক্ষা কৰি বিচাৰকক ন্যায় প্ৰতিষ্ঠাৰ সিদ্ধান্তত উপনীত কৰোৱাটোৱেই উভয় পক্ষ উকীলৰ কাম।

আইনমতে উকীলনো কোন?

"A lawyer is a wise man who helps the functionaries in due discharge of their duties by imparting his knowledge. Lawyers are to aid and advice the functionaries. A lawyer must be radiant in his legal knowledge, or wisdom accomodating and soothing with warmth who can arrest the functionaries in the shackles of his wisdom."



গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৯৬৮ চনৰ দেৱানী আইন আৰু ৰুলৰ সংশোধন কৰি মহিলা উকীলৰ সাজ-পাৰ পুৰুষতকৈ বেলেগ কৰি দিছে। মহিলা বিচাৰপতিসকলৰ সাজ-পাৰো পুৰুষতকৈ বেলেগ। মহিলা উকীলৰ সাজ-পাৰ হ'ল সম্পূৰ্ণ বা আধা হাতৰ ক'লা 'জেকেট' বা ব্লাউজ, টান বা কোমল বগা 'কলাৰ', লগত বগা 'বেণ্ড', 'এডভোকেট গাউন' সহ শাৰী বা দীঘল 'স্কাৰ্ট' ( বগা বা ক'লা ) বা ঘুৰি। এই জেকেট, ব্লাউজ, শাৰী, ঘুৰি পাতল ৰঙৰ, প্ৰিন্ট কিম্বা 'ডিজাইন' নথকা হ'ব লাগিব।

অন্য ৰাজ্যৰ তুলনাত অসমত মহিলাই আইন বৃত্তিক পেছা ৰূপে গ্ৰহণ কৰা বৰ বেছি দিন হোৱা নাই। শ্ৰীমতী মীৰা শৰ্মা ষষ্ঠ দশকত গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি কৰা প্ৰথম মহিলা অধিবক্তা। দ্বিতীয় গৰাকী হ'ল শ্ৰীমতী লীলাৱতী দত্ত। বৰ্তমান ৩৭ গৰাকী মহিলা অধিবক্তাৰ নাম উচ্চ ন্যায়ালয়ৰ উকীল সন্থাত পঞ্জীয়ন হৈছে। বিচাৰক ৰূপে শ্ৰীমতী শুচিব্ৰতা ৰায় চৌধুৰী প্ৰথম মহিলা হাকিম, যদিওবা তেওঁৰ আইনৰ উপাধি নাই। আইন উপাধিধাৰী প্ৰথম গৰাকী মহিলা ন্যায়িক দণ্ডাধীশ হ'ল বৰ্তমান চাকৰি ইস্তফা দি উচ্চ ন্যায়ালয়ত ওকালতি কৰা আৰু সামাজিক কাম-কাজত জড়িত থকা শ্ৰীমতী কুন্তলা ডেকা। অসমৰ বিভিন্ন উকীল সন্থাত উকীলৰূপে ওকালতনামাত নাম ভৰ্তি কৰোৱা মহিলাৰ সংখ্যা ১২৩ গৰাকী। শতকৰা তিনি শতাংশতকৈয়ো কম। আইনৰ উপাধিধাৰী অথচ আইনজীৱী নোহোৱা মহিলাক এই পৰিসংখ্যাত ধৰা হোৱা নাই। সৰ্বমুঠ ১৫ গৰাকী মহিলাই ন্যায়িক দণ্ডাধীশ ৰূপে কাৰ্যভাৰ চলাই আছে। আইনৰ উপাধি থকা ৪২ গৰাকী মহিলা আইন সংক্ৰান্ত বিভিন্ন পদবীত মকৰল হৈছে। ৰেলবিভাগ, বেঙ্ক, বিধান সভাৰ আইন শাখা, আইনৰ ভাঙনি বিভাগত কাম কৰা মহিলাকো ধৰা হৈছে। আইনৰ পৰামৰ্শ দিব লগা ব্যক্তিগত অনুষ্ঠানত কাম কৰা মহিলাৰ সংখ্যাও যথেষ্ট হ'ব। আইন কলেজ সমূহত শিক্ষকতা কৰা মহিলাৰ সংখ্যা পাঁচগৰাকী। ওকালতি ব্যৱসায় কৰি পাৰ্টটাইম আইনৰ শিক্ষকতা কৰা মহিলা তিনিগৰাকী।

নগাঁও আদালতত ওকালতি কৰা প্ৰথমগৰাকী মহিলা শ্ৰীমতী লীলা ফুকন। ১৯৭৬ চনত তেখেতে ওকালতি ব্যৱসায় আৰম্ভ কৰে। বৰ্তমান এই পেছাত লাগি থকা মহিলা অধিবক্তা ( হোজাই, মৰিগাঁও, নগাঁও মহকুমা ধৰি ) মুঠতে ৯ গৰাকী। মাজে-সময়ে আদালতলৈ অহা, আইনক বৃত্তিৰূপে নোলোৱা মহিলাক এই হিচাপত ধৰা হোৱা নাই। নগাঁও উকীল সন্থাৰ পৰা দণ্ডাধীশ হোৱা মহিলাগৰাকী হ'ল শ্ৰীমতী সনেকা

ৰবা। এইসকল মহিলা উকীলে সময়ৰ লগত নিজকে আগুৱাই নি জীৱনত প্ৰতিষ্ঠা হোৱাৰ খোপনি পুতিছে। বিভিন্ন আইন কলেজত যিমানবোৰ মহিলাই নাম ভৰ্তি কৰিছে, সেই দিশলৈ চাই কব পাৰি শীঘ্ৰে মহিলাই উকীলৰ বৃত্তি দখল কৰিব। অকল নগাঁও আইন মহাবিদ্যালয়তে ৫০ গৰাকী ছাত্ৰীয়ে শিক্ষা লৈ আছে। সমগ্ৰ অসমত ৫০০ ৰ কম নহ'ব। বহুতো মহিলা শিক্ষক, উকীল, হাকিম, মুন্সিফ, বিষয়া, বিজ্ঞানী হ'ব। কেইগৰাকীমান মহিলাই ক্ষমতাৰ উচ্চ আসন অধিকাৰ কৰিছে। হলেও সকলো মহিলাই সমাজত প্ৰাপ্য আসন, সন্মান আৰু মৰ্যাদা পোৱা নাই। লিঙ্গ প্ৰভেদৰ বাবেই মহিলা-পুৰুষৰ মাজত থকা বৈষম্য আঁতৰা নাই। যৌতুক, পণ, পৰ্দা প্ৰথাই মহিলাক পূৰ্ণমাত্ৰায় বিপৰ্যস্ত, শঙ্কিত কৰিয়েই আছে। বলাৎকাৰ, ধৰ্ষণ, অপহৰণ, জীয়াৰী-বোৱাৰী হত্যা আদি নাৰী-নিৰ্যাতনো অহৰহ ঘটিয়েই আছে। আইনৰ বিধিয়ে মহিলাৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা নাই। মহিলা উকীলে এই সমস্যাবোৰ সমাধান কৰাত কিঞ্চিৎ সাহায্য আগবঢ়াব পাৰে।

১৯৫৮ চনৰ ভাৰতৰ আইন আয়োগৰ ১৪ শ প্ৰতিবেদনত কোৱা হৈছে যে বিবাদীয় বিষয়টোৰ সকলো পক্ষই ন্যায়ালয়ৰ ওচৰ চাপিবলৈ আৰু বিবাদীয় বিষয় দাঙি ধৰিবলৈ সমান সুযোগ-সুবিধা পোৱাটোকহে আইনৰ চকুত সমান হোৱাটো বুজাব। আমি দেখিছোঁ, ন্যায়-বিচাৰৰ পৰা দুখীয়া শ্ৰেণী সদায় বঞ্চিত হৈ আহিছে। আইন-আদালতৰ কাষ চপাৰ পূৰ্বেই ডাঙৰ প্ৰতিবন্ধকটো হ'ল আদালতত দিব লগা মাচুল আৰু অধিবক্তাৰ মাননি, আৰু অন্যান্য যাবতীয় খৰচ। এইবোৰ খৰচ যদি ৰাষ্ট্ৰৰ দ্বাৰা বহন কৰা নহয়, ন্যায়-বিচাৰৰ ক্ষেত্ৰত দুখীয়া শ্ৰেণীবো সংবিধান-প্ৰদত্ত সুযোগৰ সমতাক অস্বীকাৰ কৰা হ'ব। ভাৰতবৰ্ষৰ আদালতৰ মাচুল পৃথিৱীৰ ভিতৰতে বেছি। দেৱানী গোচৰত অধিক পৰিমাণৰ মাচুল দিব নোৱাৰি দুখীয়া শ্ৰেণী প্ৰায়েই ন্যায় বিচাৰ নিবিচাৰি আঁতৰি থাকিবলৈ বাধ্য হয়। সঁচা অৰ্থত চৰকাৰে দুখীয়া মানুহক সাহায্য নিদিয়া পৰ্যন্ত মহিলা অধিবক্তাসকলে অন্ততঃ তুলনামূলক ভাৱে কম খৰচত, আৱশ্যক হলে মাননি নোলোৱাকৈয়ে, দুৰ্ঘটনাৰ বলি হোৱা অসহায় মহিলা, চাকৰিৰ পৰা খাৰিজ হোৱা দুখীয়া মহিলা, উত্তৰাধিকাৰৰ পৰা বঞ্চিত হোৱা দৰিদ্ৰ তিৰোতা, স্বামীৰ দ্বাৰা বিতাড়িত নিৰাশ্ৰয়া পত্নী. পোহ-পাল নিদিয়া বঞ্চিতা মাকসকলক সাহায্য কৰি সুনাম অৰ্জন আৰু সামাজিক দায়বদ্ধতা পালন কৰিছে। মহিলাৰ স্বাৰ্থ ৰক্ষাৰ বাবে প্ৰণয়ন কৰা আইনসমূহ, যৌতুক বিৰোধী আইন, বিজ্ঞাপন বিৰোধী আইন, ধৰ্ষণ, বলাৎকাৰ, নিৰ্যাতন বিৰোধী আইনসমূহৰ কাৰ্যকৰী কৰণত, আৰু তাত থকা আইনৰ সুৰুঙা বন্ধ কৰাত মহিলা অধিবক্তাসকলে সংগঠিত



ভাৱে বা সুকীয়া ভাৱেও বৰঙণি যোগাব পাৰে। নিৰাশ্ৰয়া বিধবা পেঞ্চন, বৃদ্ধ কালৰ পেঞ্চন আদি পোৱাৰ ক্ষেত্ৰতো সাহায্য কৰিব পাৰে। সুখৰ বিষয়, অসমৰ কেইবাগৰাকী মহিলাই নাৰী হিচাপে থকা সমমমিতাৰে সামাজিক দায়বদ্ধতা পালন কৰি যোৱাৰ মানসেৰে নিজ বৃত্তিক পৰিচালনা কৰিছে। স্বামী-পৰিত্যক্তা নিৰাশ্ৰয়া মহিলাক, পুতেকহঁতে এলাই-এথানি কৰা মাকহঁতক আইনে দিয়া ব্যৱস্থাৰে ভৰণ-পোষণ আদায় কৰি সাহায্য কৰিছে। যৌতুকৰ বিৰুদ্ধে, ধৰ্ষণ, বলাৎকাৰ, নাৰী নিৰ্যাতন আদি সামাজিক অন্যায়ৰ বিৰুদ্ধে, নাৰীক অবমাননা কৰা বিজ্ঞাপনসমূহৰ বিৰুদ্ধে আদালতত যুঁজাৰ বাহিৰেও প্ৰতিৰোধ-সংগঠন সংগঠিত কৰিছে, অন্য সংগঠন কৰাত সহায়ক হৈছে। যৌতুকৰ বলি হোৱা পক্ষক, ধৰ্ষিতা নাৰীক, নিৰ্যাতিতা মহিলাক আইনৰ বিধি-ব্যৱস্থা দিয়াৰ উপৰিও আৱশ্যক ক্ষেত্ৰত বিনা-পাৰিশ্ৰমিকেৰে ওকালতি কৰি সত্য উদ্ঘাটনত সহায় কৰিছে। একে বৰ্ণৰ উকীল হোৱা হেতুকে ধৰ্ষিতা নিৰ্যাতিতা মহিলাই, আনকি অনাখৰীসকলেও ঘটনাৰ সকলো কথা আঁৰ-বেৰ নোহোৱাকৈ প্ৰকাশ কৰিব পৰাত মহিলা উকীলে কাৰণৰ ভিতৰ সোমাবৰ সুবিধা পোৱাত গোচৰত সুফল আদায় কৰাত কৃতকাৰ্যও হৈছে। দণ্ডবিধি আইনত ধৰ্ষণ, বলাৎকাৰ সম্বন্ধিত কিছুমান ধাৰা আছে, যিবোৰৰ সত্যাসত্য প্ৰমাণৰ বাবে কিছুমান কথা প্ৰকাশ কৰাৰ প্ৰয়োজন হয়, অথচ যিবোৰ কথা ঘটনাৰ বলি হোৱা মহিলাসকলে পুৰুষক খুলি কব নোৱাৰে। ফলত গোচৰ প্ৰমাণত অসুবিধা হয়। মহিলা উকীলসকলে অপৰাধ দূৰীকৰণত সক্ৰিয় সহযোগিতা আগবঢ়াব পাৰে। মহিলাৰ ওপৰত হোৱা শাৰীৰিক অপৰাধসমূহ (ভাৰতীয় দণ্ডবিধি আইনৰ ৩৬৬,৩৭৬ ধাৰা), মহিলাৰ ওপৰত শাৰীৰিক, মানসিক অত্যাচাৰৰ বাবে [ ৪৯৮ (ক) ধাৰা ] দণ্ডনীয় কৰাৰ ব্যৱস্থাসমূহ, পুৰুষ-মহিলাৰ সমান মজুৰিৰ ব্যৱস্থা থকা আইনবোৰ সম্পৰ্কে মহিলাক সজাগ কৰি যথাযথ ব্যৱহাৰত দৃষ্টি ৰাখিব পাৰে। বলাৎকাৰ অভিযোগৰ বাবে জড়িত পুৰুষে নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰাৰ, যৌতুক গোচৰত অভিযুক্তজনে নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰাৰ দায়িত্ব আৰু নিৰ্দোষিতা প্ৰমাণত বিফল হলে মৃত্যুদণ্ড পৰ্যন্ত শাস্তি বিধানৰ ব্যৱস্থা থকা আদি আইনগত সা-সুবিধাসমূহৰ কথা মহিলা সমাজত প্ৰচাৰ কৰাত আৰু কাৰ্যতঃ প্ৰয়োগ হোৱাত চকু ৰাখিব পাৰে। সংবিধান-আইনে মহিলাৰ ক্ষেত্ৰত দিয়া সা-সুবিধা সম্পৰ্কে মহিলাসকল প্ৰায় অজ্ঞ যেন লাগে। এই আইনগত সা-সুবিধাৰ কথা মহিলা উকীলসকলে মহিলা সংগঠনৰ মাধ্যমত অথবা প্ৰচাৰ-পত্ৰৰ সহায়েৰে বাতৰি কাকত, আলোচনীত লিখাৰ যোগে, গাঁৱে-ভূঞ্জে গৈ মহিলাসকলক লগ ধৰি মহিলা-জগতত সদৰী কৰাত, মহিলাক সজাগ কৰাত আৰু আইনগত ব্যৱস্থা লোৱাত সহায়তা

কৰিব পাৰে । ভাৰতীয় নাৰীৰ আইনগত বঞ্চনা, বিশেষকৈ মুছলমান নাৰীৰ বাবে কৰা আইনখনৰ ( Muslim Women Divorce Protection Act 1986 ) বিৰুদ্ধে জনমত গঠন কৰাত সহায় কৰিব পাৰে । পুৰুষৰ বলি হোৱা এইসকল তিৰোতাক পাৰ্যমানে আইনৰ বিনামূলীয়া সহায় দিব পাৰে । সংগঠিত মহিলা অনুষ্ঠানক সমূহীয়াভাৱে এইবোৰ সুবিধা আদায়ত পদক্ষেপ লোৱাৰ বাবে সক্ৰিয় কৰা দায়িত্ব লব পাৰে আইনজীৱী মহিলাসকলে । সংগঠিত মহিলা অনুষ্ঠানেও সহায় লব পাৰে মহিলা উকীল, হাকিম, প্ৰশাসনীয় বিষয়া, পুলিচ, শিক্ষক সকলোৰে । মহিলাই মহিলাৰ স্বাৰ্থ বুজিব সবাতোকৈ বেছি । যৌথ ভাৱে মতা মাত ৰজন্ জনাই যাব দূৰ-দূৰণিলৈ ; সেই সমস্বৰে কঁপনি তুলিব পুৰুষ-প্ৰধান সমাজৰ বুকুত ।

সামাজিক প্ৰাণী স্বৰূপে এখন সমাজত পুৰুষ-মহিলাৰ সমান ভূমিকা আছে । দেশ এখনৰ উন্নতি-প্ৰগতিত মহিলাৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ । পুৰুষ-নাৰী মিলি সমাজৰ সৃষ্টি । সুস্থ-সবল সমাজ এখন ৰচনা কৰোঁতে মহিলাৰ সাহায্য সমানে প্ৰয়োজন । পুৰুষে অকলে সমাজ এখন গঢ় দিব নোৱাৰে । সামাজিক দায়বদ্ধতা পুৰুষ-নাৰী উভয়ৰে সমান । সেয়ে সমাজ এখনৰ সমানে আধা অংশৰ বুদ্ধি, প্ৰতিভা, বিশ্বাস, আদৰ্শ তথা শক্তিক সমাজ-উন্নয়নৰ কামত লগাত সুবিধা দিব লাগিব । গণতান্ত্ৰিক সমাজ-ব্যৱস্থাত ন্যায়-সমতাৰ বিচাৰতো সমাজৰ আধা অংশক বঞ্চিত-লাঞ্চিত কৰিব নোৱাৰে । হেঁচা আৰু প্ৰভুত্ব খটাই তেওঁবোৰক দবাই থোৱা আজি সম্ভৱো নহয় । বহু দেশত পুৰুষে সেউজ সংকেত দিছেই । মহিলাসকল অস্তিত্ব ৰক্ষাৰ যুঁজত ইতিমধ্যেই জয়যুক্ত হৈছে । অপূৰ্ণ অংশ পূৰণৰ যুঁজ চলি আছে । এই যুঁজত আইনজীৱী মহিলাই দিক দৰ্শন দি নাৰী-প্ৰগতিত অৰিহণা যোগাব । মহিলা এই যুঁজত কৃতকাৰ্য হলেহে সমাজৰ পৰিপূৰ্ণতা আহিব, সমাজ-বিৱৰ্তনত গতিশীলতা অনাত সহায়ক হ'ব । ★

শ্ৰীদিলীপ শৰ্মা
( অধ্যাপক, গণিত বিভাগ, কটন কলেজ )

# এটা তিনিশ বছৰীয়া উপপাদ্য

পীয়েৰ দ্য ফাৰ্মা ( Pierre de Fermat ) সপ্তদশ শতিকাৰ ফ্ৰান্সৰ এজন নামজ্বলা আইনজ্ঞ ( জন্ম ১৬০১ চন, মৃত্যু ১৬৬৫ চন ) । পাৰ্লামেণ্টত তেওঁ আছিল ৰজাৰ উপদেষ্টা । ছাত্ৰ-জীৱনত আইন পঢ়া-শুনাৰ প্ৰধান বিষয় আছিল যদিও বিভিন্ন ভাষা আৰু সাহিত্য, বিজ্ঞান আৰু গণিতত তেওঁৰ আছিল গভীৰ ৰাপ । গণিত তেওঁৰ 'পেছা' নাছিল, 'নিচা'হে আছিল । প্ৰকৃতাৰ্থত তেওঁ আছিল গণিতামোদী । ব্যস্ততাপূৰ্ণ জীৱনৰ ফাঁকে ফাঁকে মনৰ আনন্দৰ বাবে তেওঁ অধ্যয়ন কৰিছিল সংখ্যা-তত্ত্ব, বিশ্লেষণাত্মক জ্যামিতি, সম্ভাৱিতা-তত্ত্ব, কলন-গণিত আদি । চখৰ বাবে গণিত অধ্যয়ন কৰিলেও গণিতৰ ইতিহাসত তেওঁ এজন সদা স্মৰণীয় ব্যক্তি । আইনজ্ঞ ফামাক মানুহে পাহৰিছে; কিন্তু গণিত-বেত্তা ফাৰ্মাক পাহৰা অসম্ভৱ ।

ফাৰ্মা পেছাদাৰী গণিতজ্ঞ নাছিল । সেইবাবেই তেওঁৰ কোনো গৱেষণা নিবন্ধ নাই, বা গ্ৰন্থও নাই । গণিতৰ গ্ৰন্থবোৰ তেওঁ অধ্যয়ন কৰিছিল, আৰু তেওঁৰ মনলৈ নতুন ধাৰণা আহিলে সেইবোৰ কিতাপৰ দাঁতিতে লিখি থৈ গৈছিল । কেতিয়াবা হয়তো এখন ফটা কাগজতে লিখি থৈছে । বন্ধু-বান্ধৱৰ লগত চিঠি-পত্ৰৰ আদান-প্ৰদানৰ জৰিয়তেও তেওঁৰ মনৰ ভাব বেকত কৰিছিল । বিশেষ বিশদ বিবৰণ পাবলৈ নাই । কিন্তু অ'ত-ত'ত সিঁচৰতি হৈ থকা কাগজ-পত্ৰবোৰৰ মাজতে ফাৰ্মাৰ অসাধাৰণ গাণিতিক জ্ঞানৰ পৰিচয় পোৱা যায় ।

বীজগণিতৰ জনক স্বৰূপ ডায়োফাণ্টাছৰ গভীৰ ভক্ত আছিল ফাৰ্মা । এদিন ডায়োফাণ্টাছৰ বীজগণিত পঢ়ি থাকোঁতে তেওঁ এটা অংক পালে; তাত $x^2+y^2=z^2$ সমীকৰণৰ অখণ্ড সমাধানৰ কথা কোৱা হৈছে । আমি জানো যে $x^2+y^2=z^2$ সমীকৰণটো x, y, z অৰ অখণ্ড মানৰ বাবে সিদ্ধ হয় ( যথা , $3^2+4^2=5^2$, $5^2+12^2=13^2$, $7^2+24^2=25^2$ ইত্যাদি ) । ফাৰ্মাইও সেই কথা জানে । কিন্তু তেওঁৰ মনলৈ এটা নতুন চিন্তা আহিল । যদি দুইতকৈ n ডাঙৰ হয়, তেনেহ'লে $x^n+y^n=z^n$ সম্বন্ধটো x, y, z অৰ অখণ্ড মানৰ বাবে সিদ্ধ হ'বনে ? পঢ়ি থকা কিতাপখনৰ দাঁতিত তেওঁ সৰু সৰু আখৰেৰে লিখিলে : "কোনো তৃতীয় ঘাতৰ সংখ্যাক দুটা তৃতীয় ঘাতৰ সংখ্যাৰ যোগফল হিচাপে, কোনো চতুৰ্থ ঘাতৰ সংখ্যাক দুটা চতুৰ্থ ঘাতৰ সংখ্যাৰ যোগফল

হিচাপে, অথবা সাধাৰণভাৱে দুইতকৈ ডাঙৰ ঘাতৰ কোনো সংখ্যাকে একে ঘাতৰ দুটা সংখ্যাৰ যোগফল হিচাপে প্ৰকাশ কৰিব নোৱাৰি। ইয়াৰ এটা চমৎকাৰ প্ৰমাণ মই উলিয়াইছোঁ; কিন্তু এই পাতখিলা ইমান ঠেক যে লিখা অসম্ভৱ।" (It is impossible to partition a cube into two cubes, or a biquadrate into two biquadrates, or generally any power higher than a square into two powers of like degrees. I have discovered a truly wonderful proof of this, which, however, this margin is too narrow to hold). অৰ্থাৎ $x^n + y^n \neq z^n$ যদি x, y, z অশূন্য অখণ্ড সংখ্যা আৰু n দুইতকৈ ডাঙৰ। এই উপপাদ্য 'ফাৰ্মাৰ শেষ উপপাদ্য' (Fermat's last theorem) বুলি জনাজাত। ফাৰ্মাই যে মাথোঁ এই উপপাদ্যটোৰ বিষয়ে লিখিছে এনে নহয়, তেওঁ আৰু বহুতো সংখ্যাতত্ত্ব সম্পৰ্কীয় উপপাদ্য উপস্থাপন কৰিছিল। তাৰ কিছুমানৰ প্ৰমাণ তেওঁ উলিয়াই থৈ গৈছে, কিছুমান হয়তো পৰৱৰ্তী গণিতজ্ঞসকলে প্ৰমাণ কৰিছে। তেওঁৰ দুই-এটা অনুমান ভুল বুলিও প্ৰমাণিত হৈছে। কিন্তু এই উপপাদ্যটোৰ সত্যাসত্য আজিকোপতি প্ৰমাণিত হোৱা নাই। সেয়ে ইয়াৰ নাম 'শেষ উপপাদ্য'। আনহাতে ফাৰ্মাই এই উপপাদ্যটো অৱতাৰণা কৰে ১৬৩৭ চনত। ১৬৩৭ চনৰ পাছত নিৰ্দিষ্টভাৱে কোনো গাণিতিক সত্যৰ কথা ফাৰ্মাই লিখা নাই। সেই পিনৰ পৰাও ই 'শেষ উপপাদ্য'। অৱশ্যে ইয়াৰ প্ৰায় সোতৰ বছৰ পাছত পাস্কেলৰ লগত ফাৰ্মাৰ চিঠি-পত্ৰৰ বিনিময়ৰ জৰিয়তে এক নতুন তত্ত্ব গঢ় লৈ উঠিছিল, সেয়া পৰিসংখ্যা বিজ্ঞানৰ অন্তৰ্ভুক্ত সৰ্বজনবিদিত সম্ভাৱিতা তত্ত্ব।

১৬৩৭ চনৰ পৰা গণিতজ্ঞসকলে এইটো প্ৰমাণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। কিন্তু সকলোৱেই ব্যৰ্থ হৈছে। অইলাৰ, লাগ্ৰাঞ্জ, লিজেণ্ডাৰ, কুম্মাৰ, ডেডিকেণ্ড প্ৰভৃতি পৃথিৱীৰ আগশাৰীৰ গণিতজ্ঞয়ো অসমৰ্থতা প্ৰকাশ কৰিছে। ইয়াক প্ৰমাণ কৰিবলৈ চেষ্টা কৰোঁতে অন্যান্য আনুষংগিক বহুতো তথ্য ওলাইছে। কুম্মাৰে ফাৰ্মাৰ শেষ উপপাদ্য সম্বন্ধীয় গৱেষণা নিবন্ধত Ideal number বুলি এবিধ নতুন ধৰণৰ সংখ্যাৰ অৱতাৰণা কৰে, যাৰ বাবে ১৮৫৭ চনত তেওঁ পেৰিচ একাডেমী বঁটা লাভ কৰে। আধুনিক কম্পিউটাৰৰ সহায়ত জন চেল্‌ফৰিজ আৰু বেৰি প'লাকে ১৯৬৪ চনত দেখুৱাইছে যে ফাৰ্মাৰ উপপাদ্য $3 \leq n \leq 25000$ অৰ বাবে সত্য। কিন্তু হয়, n অৰ সকলো মানৰ বাবে ইয়াক প্ৰমাণ কৰিব পৰা নাই।

এই উপপাদ্যটো সম্পৰ্কে হৈ-চৈ হোৱা দেখি ঊনবিংশ শতিকাৰ অন্যতম প্ৰধান গণিতজ্ঞ গাউছে কৈছে যে তেওঁ হেজাৰ-বিজাৰ উপপাদ্যৰ কথা ক'ব পাৰে, যিবোৰ কোনোৱে প্ৰমাণ কৰিব পৰা নাই বা নাকচো



কৰা নাই। সেয়ে ইয়াৰ প্ৰতি তেওঁৰ বিশেষ আগ্ৰহ নাই। গণিতৰ ইতিহাস ৰচোঁতা, 'Men of Mathematics' অৰ ৰচক পণ্ডিত-প্ৰৱৰ ই. টি. বেলে গাউছৰ এই মন্তব্য ভাল পোৱা নাই। বেলে গাউছৰ মন্তব্যক সাধুকথাৰ শিয়াল আৰু আঙুৰৰ লগত ৰিজাইছে (আঙুৰ টেঙা!)। ফাৰ্মাৰ উপপাদ্য ভুল বুলি প্ৰমাণ কৰাটোও (যদি কোনোবাই পাৰে) কম কৃতিত্বৰ কথা নহ'ব।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে ফাৰ্মাৰ এই অপ্ৰমাণিত উপপাদ্যৰ সম্পূৰ্ণ সমাধানৰ বাবে জাৰ্মান গণিতজ্ঞ ড০ এফ্. পি. উল্‌ফ-স্কোৱেলে (Dr. F. P. Wolfskoel) একলাখ মাৰ্কৰ এটা বঁটা ১৯০৮ চনত ঘোষণা কৰিছিল। ইয়াত যোগদান কৰাৰ শেষ দিন ২০০৭ চনৰ ছেপ্টেম্বৰ মাহৰ ১৩ তাৰিখ। কোন ভাগ্যৱান পুৰুষ (বা মহিলা) এই বঁটাৰ অধিকাৰী হ'ব, —এই প্ৰশ্নৰ সমিধান লুকাই আছে কালৰ গৰ্ভত। [আজিৰ পৰা পাঁচ বছৰ মান আগেয়ে ইন্দোৰৰ ড০ লাল্লু সিং নামে জনৈক অধ্যাপকে এখন গৱেষণা-পত্ৰত এই উপপাদ্যটো প্ৰমাণ কৰিছে বুলি খবৰৰ কাগজত পঢ়িছিলোঁ। কিন্তু ড০ সিঙৰ প্ৰমাণ নিখুঁত হয়নে নহয় নাজানো। নিখুঁত হলে কথাটো বৌজাল-বৌজাল হৈ গ'লহেঁতেন। বোধকৰোঁ ক'ৰবাত খুঁত ওলাইছে। যদি খুঁত ওলোৱা নাই, তেনেহ'লে আমাৰ "আনন্দে নধৰে হিয়া"।]

**উপসংহাৰ**: এই উপপাদ্যটোৰ বিষয়ে থূলমূলকৈ লিখাৰ এটা কাৰণ আছে। আমি উল্লেখ কৰিছোঁ যে ড০ উল্‌ফস্কোৱেলে যি বঁটা ঘোষণা কৰিছে, তাত যোগদান কৰাৰ শেষ দিন ২০০৭ চনৰ ছেপ্টেম্বৰ মাহৰ ১৩ তাৰিখ। নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী উৎসৱ অনুষ্ঠিত হ'ব ২০১২ চনত। সেই স্মৃতিগ্ৰন্থত যদি আমি পঢ়িবলৈ পাওঁ যে নগাঁও ছোৱালী কলেজৰ ছাত্ৰী এগৰাকীয়ে উক্ত বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে (যদিহে ইতিমধ্যে ড০ লাল্লু সিং বা অন্য কোনো ব্যক্তিয়ে নাপায়), তেনেহ'লে তাতোকৈ গৌৰৱৰ তথা আনন্দৰ কথা কিবা হ'বনে? আমি আশা কৰোঁ, নগাঁও ছোৱালী কলেজৰ গণিতৰ প্ৰতিগৰাকী ছাত্ৰীয়ে ভৱিষ্যতে এইটো প্ৰমাণ কৰিবলৈ চেষ্টা কৰিব, আৰু নগাঁও তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিব। আশা নকৰাটো অকল মূৰ্খামিয়েই নহয়, পাপো (It is a silly not to hope, rather it is a sin.) □

**Sri U. N. Bhuyan**, I. A. S.
( Deputy Commissioner, Nagaon )

# Rural Development : Role of the Youth.

Ever since the country's independence a good number of rural development programmes have been formulated and implemented in our country. The success or failure of these programmes need no elaborate analysis to the sensible public. In many areas lack of peoples' participation in rural development programmes is found to be a cause of their failure. It so happens that in the process of advancing in education, a simultaneous feeling also grows in us that there can be no blending of intelligence and labour. This has resulted in criminal negligence of villages and consequent degeneration in social order. More than 90% of our population lives in rural areas, and no development of the country can be thought of eliminating this vast majority of the population.

The educated section of the rural community's tendency to migrate to the urban areas in search of white collar jobs, leaves the illiterate and backward section of the villagers steeped in ignorance and devoid of even any semblance of progressive outlook. These groups are today averse to cultivation or to persue any rural based profession involving even a modicum of manual labour, though with their education and intelligence they can not only increase their own skill in the family's village based traditional prefession, but are capable of guiding the ignorant co-villagers in many ways.

In India almost half of its population constitute the youth—both male and female together. This vast number is a great asset for the country, which if channelised properly can bring about a lot of wonderful results. They have ample time, most of which is seen spent in idleness. They can make significant contribution in arousing awareness in the village people, and make them conscious of their right to achieve justice for themselves in sharing the benefits of the various rural development schemes. This is all the more essential as most of the officials responsible for execution of these development programmes at the grass root level lack a sympathetic outlook and soft approach to the problems of the poor.

We have seen that even with the wherewithal acquired through Govt. assistance, the villager is unaware of its proper utilisation to achieve economic benefits for his family. In such a situation, voluntary youth organisations can play a vital role in motivating and educating such people. Their vigilance can also prevent leakages through corruption and malpractices alleged so often.

With the resources locally available, the entire village scenario can also be changed from its sluggish and sleepy background prevailing in most of them. Organised and harnessed properly, the youth force can create durable assets for the benefit and upliftment of the rural community. Plantation of trees in the village wasteland and other available lands as a part of social forestry programme can not only meet the fuel and fodder requirement of the villagers but also help preventing severity of floods, droughts, soil erosion and other ecological imbalances besides serving as a source of income to the community. Development of fisheries is another area where the local youths organising voluntary work force can achieve a lot by reclaiming the large number of old abandoned ponds scattered all over our rural areas. The income from such sources can be utilised for various development schemes like

street lighting, water supply, repair of village roads, schools, community halls etc. This will generate economic activities in the village without any strain on Govt. coffer. A large number of our village women engaged in household affairs also work as farm labours, transplanting and harvesting paddy and helping the men-folk in various agricultural activities. There are amongst them traditional weavers, as though taken as a hobby, but with a little effort can be made a commercial venture to supplement the family income appreciably and without disturbing their routine engagement in household chores. This is yet another area where the youths have a role to play.

These are, to cite a few instances, areas where we have seen success in some parts of our own district of Nagaon. The fruits of independent India's economic development can percolate to those below the poverty line only through the efforts of the rising generation of our populace. We all have a duty to the poor, ignorant and backward villagers and justice demands that we place our services to them with whose taxes, we are, so to say, enjoying a life of luxury and comfort in the towns, cities and elsewhere. □

ড০ মুকুন্দমাধৱ শৰ্মা
( প্ৰধান অধ্যাপক, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় )

# সংস্কৃত আবৃত্তিৰ প্ৰসঙ্গ

আবৃত্তিঃ সৰ্বশাস্ত্ৰাণাং বোধাদপি গৰীয়সী। সকলো শাস্ত্ৰৰ ক্ষেত্ৰতে বাক্যটোহঁত বুজি পোৱাতকৈয়ো ভাল দৰে আবৃত্তি কৰিব পৰাটোহে বেছি গুৰুত্বপূৰ্ণ কথা। আবৃত্তি শব্দৰ মূল অৰ্থ আওঁৰোৱা বা মুখস্থ কৰা। কিন্তু এই শব্দই শ্লোক আদি ভাল দৰে উচ্চাৰণ কৰি গোৱা কাৰ্যকো বুজায়। বেদৰ অধ্যয়নৰ মূল কথাই আছিল আবৃত্তি, যাতে শিষ্য পৰম্পৰা ক্ৰমে শুনি শুনিয়েই মুখস্থ কৰা শ্লোক এটাৰ পাঠ এটা অবিকৃত ভাৱে যুগ যুগ ধৰি চলি থাকিব পাৰে। অধ্যয়ন মানেই "গুৰু-মুখোচ্চাৰণানুচ্চাৰণম্", গুৰুৰ মুখত শুনি শিষ্যই দুনাই তাকে উচ্চাৰণ কৰা কাৰ্য। বৈদিক মন্ত্ৰসমূহৰ উচ্চাৰণৰ বেলিকা উদাত্ত, অনুদাত্ত আৰু স্বৰিত আদি স্বৰৰ তথা বৰ্ণ সমূহৰ স্থানগতভাৱে শুদ্ধ উচ্চাৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল। এই বিষয়ে এটা সুপ্ৰসিদ্ধ শ্লোক আছে ঃ

মন্ত্ৰো হীনঃ স্বৰতো ৱৰ্ণতো ৱা
মিথ্যাপ্ৰযুক্তঃ ন তমৰ্থমাহ।
স ৱাগ্‌ৱজ্ৰো যযমানং হিনস্তি
যথেন্দ্ৰশত্ৰুঃ স্বৰতোঽপৰাধাৎ ॥

মন্ত্ৰ এটা যদি বৰ্ণসমূহৰ উচ্চাৰণ আৰু স্বৰৰ বিষয়ত ত্ৰুটিযুক্ত হয়, তেতিয়া তাক মিছাতে প্ৰয়োগ কৰা যেন হয়, আৰু সি বুজাব খোজা অৰ্থটোক নুবুজায়। সেই ত্ৰুটিযুক্ত বাক্যই এটা বজ্ৰৰ দৰে মন্ত্ৰ প্ৰয়োগ কৰোঁতাজনৰ অপকাৰহে সাধে। ইয়াৰ দৃষ্টান্ত হ'ল "ইন্দ্ৰশত্ৰুঃ"। এজন দৈত্যই ইন্দ্ৰৰ হানি ঘটাবৰ বাবে এটা যজ্ঞ কৰি তাত আহুতি দি মন্ত্ৰ মতিলে "ইন্দ্ৰশত্ৰুৰ্ৱৰ্ধস্ব"। এই মন্ত্ৰটোৱে বুজাব লাগিছিল "ইন্দ্ৰৰ শত্ৰুৰ (অৰ্থাৎ দৈত্যটোৰ নিজৰে) মঙ্গল হওক"। কিন্তু উচ্চাৰণ কৰোঁতে স্বৰৰ বিজুতি ঘটাত বাক্যটোৰ অৰ্থ হ'ল "ইন্দ্ৰ শত্ৰু যাৰ (অৰ্থাৎ দৈত্যটোৰ নিজৰে) মঙ্গল হওক"। দ্বিতীয় অৰ্থত এই কথাৰ ওপৰত গুৰুত্ব পৰিল যে ইন্দ্ৰহে দৈত্যটোৰ শত্ৰু বা ঘাতক। মন্ত্ৰৰ শক্তি অব্যৰ্থ। গতিকে ইন্দ্ৰইহে দৈত্যক বধ কৰি মন্ত্ৰটোক সাৰ্থক কৰি তুলিলে। যিখন শাস্ত্ৰত বেদৰ মন্ত্ৰৰ উচ্চাৰণৰ বিষয়ে কোৱা আছে, তাৰ নাম শিক্ষা। বেদৰ অধ্যয়নৰ সুবিধাৰ অৰ্থে এনে ছয় বিধ শাস্ত্ৰৰ অধ্যয়ন কৰা দৰকাৰ। সেই ছয় বিধ শাস্ত্ৰ হ'ল সেই ছয় বিধ শাস্ত্ৰক বোলা হয় বেদাঙ্গ।

শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দঃ আৰু জ্যোতিষ ।

শিক্ষা কল্পো ব্ব্যাকৰণং নিৰুক্তং ছন্দসাং চিতিঃ ।
জ্যোতিষামযনং চৈৱ ৱেদাঙ্গানি ষড্ এৱ তু ॥

শিক্ষাৰ নাম প্ৰথমেই লোৱাৰ দ্বাৰাই তাৰ গুৰুত্ব সূচিত হৈছে। প্ৰতিখন বেদৰে নিজা নিজা শিক্ষা গ্ৰন্থ আছিল। সেইবিলাকক বোলা হয় প্ৰাতিশাখ্য।

বৈদিকোত্তৰ ক্লাছিকেল সংস্কৃত ভাষাত স্বৰ নাই। কিন্তু এই ভাষাৰ ক্ষেত্ৰতো উচ্চাৰণৰ শুদ্ধতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। নিখুঁত ভাৱে আবৃত্তি কৰা সংস্কৃত গদ্যাই হওক বা পদ্যাই হওক, তাৰ এনে এটা মাধুৰ্য ফুটি ওলায় যে অৰ্থ নুবুজা জনেও শুনিয়েই ভাল পায়। সংস্কৃত গদ্য বা পদ্যৰ আবৃত্তি আকৰ্ষণীয় হবৰ বাবে কিছুমান নিয়ম আৰু কৌশল অৱলম্বন কৰা প্ৰয়োজন। তলত সেই বিষয়ে সংক্ষেপে আলোচনা কৰা হ'ল।

১। প্ৰথম নিয়ম হ'ল **উচ্চাৰণ** শুদ্ধ হ'ব লাগিব। উচ্চাৰণ **(ক) মাত্ৰাগত** ভাৱে আৰু (খ) **স্থানগত** ভাৱে শুদ্ধ হ'ব লাগিব।

(ক) মাত্ৰাগত ভাৱে শুদ্ধ উচ্চাৰণৰ বাবে **স্বৰবৰ্ণৰ** উচ্চাৰণ আৰু **বিসৰ্গযুক্ত, অনুস্বাৰযুক্ত** আৰু **সংযুক্ত বৰ্ণৰ পূৰ্ববৰ্তী** স্বৰৰ বিষয়ত দৃষ্টি দিব লাগিব।

ব্যাখ্যা : হ্ৰস্ব স্বৰত যদি এক মাত্ৰা ধৰা হয়, তেতিয়া দীৰ্ঘ স্বৰত দুই মাত্ৰা ধৰিব লাগিব।

**হ্ৰস্ব স্বৰ** : অ, ই, উ, ঋ। অকলশৰীয়া হ্ৰস্ব স্বৰ বৰ্ণ বা হ্ৰস্ব স্বৰবৰ্ণ যুক্ত ব্যঞ্জন বৰ্ণৰ উচ্চাৰণ হ্ৰস্ব বা লঘু বা এক মাত্ৰাৰ হ'ব।

**দীৰ্ঘস্বৰ** : আ, ঈ, ঊ, ৠ, এ, ঐ, ও, ঔ। অকলশৰীয়া দীৰ্ঘ স্বৰ বৰ্ণ বা দীৰ্ঘ স্বৰ বৰ্ণ যুক্ত ব্যঞ্জন বৰ্ণৰ উচ্চাৰণ দীৰ্ঘ, গুৰু বা দুই মাত্ৰাৰ হ'ব।

**অনুস্বাৰ** : অনুস্বাৰ যুক্ত দীৰ্ঘ স্বৰৰ উচ্চাৰণ দীৰ্ঘ হবই। তদুপৰি অনুস্বাৰ যুক্ত হ্ৰস্ব স্বৰৰ উচচাৰণো গুৰু হ'ব।

**সংযোগ পূৰ্ব**— সংযুক্ত ব্যঞ্জন বৰ্ণৰ আগত থকা হ্ৰস্ব স্বৰ বা হ্ৰস্ব স্বৰান্ত ব্যঞ্জনৰ উচ্চাৰণ গুৰু হ'ব। সংযুক্ত বৰ্ণটোৰ নিজৰ উচ্চাৰণ কিন্তু তৎপৰবৰ্তী স্বৰবৰ্ণ অনুসৰি হ'ব। সংযুক্ত বৰ্ণৰ ঠিক পিছতে আকৌ সংযুক্ত বৰ্ণ থাকিলে প্ৰথম সংযুক্ত বৰ্ণ হ্ৰস্ব-স্বৰান্ত হৈয়ো গুৰু হ'ব। যেনে,

২১ ২১১ ১১
নন্দ নন্দন হৰি

২ ২ ২২১১১১১২
কশ্চিৎ কান্তাৱিৰহগুৰুণা



২২ ২২ ১১১১১১২
ৰামং ৱন্দে দশৰথতনয়ম্। (হলন্ত ম-কো অনুস্বাৰৰ দৰে গণ্য কৰিব লাগিব।)

২ ২২২ ১১১১১ ২
কঃ সন্নদ্ধে ৱিৰহৱিধুৰাম্

**ঋ-ৰ উচ্চাৰণ** ৰি-ৰ দৰে নহয়। কৃ = ক্ৰি নহয়। ঋ-ৰ উচ্চাৰণ প্ৰায় ৰ্ৰ্ৰ দৰে। কৃপা = ক্ৰ্ৰ্পা। অসম বা বঙ্গত ক্ৰিপা বুলি উচ্চাৰণ কৰাৰ দৰে উৰিষ্যা আদিত ক্ৰুপা উচ্চাৰণ কৰা দেখা যায়। সেই দুয়োটা উচ্চাৰণ অশুদ্ধ।

**লুপ্ত অ** : সন্ধিৰ ফলত লুপ্ত হোৱা অ-কাৰক বুজাবৰ বাবে কেতিয়াবা দেৱনাগৰীত এচ্ আখৰৰ নিচিনা এটা অৱগ্ৰহ চিন আৰু অসমীয়াত এটা মাত্ৰা নোহোৱা হ ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত 'হ' বা 'অ' কোনো বৰ্ণৰে উচ্চাৰণ নকৰিব। ৰামোঽস্মি=ৰামোস্মি।

খ) **স্থানগত ভাৱে** শুদ্ধ উচ্চাৰণৰ বাবে কোন বৰ্ণৰ উচ্চাৰণৰ স্থান কি, সেই কথা ব্যাকৰণত চাই ল'ব লাগিব। **ক-বৰ্গৰ** উচ্চাৰণ কণ্ঠ্য। নামনি অসমৰ মানুহে স্বভাৱতে কণ্ঠ্য উচ্চাৰণ কৰে। উজনি অসমৰ মানুহে কোমল ভাৱে উচ্চাৰণ কৰাৰ ফলত সংস্কৃত উচ্চাৰণৰ পৰা কিছু আঁতৰি আছে। **চ বৰ্গৰ** চ, ছ আদিৰ উচ্চাৰণৰ বাবে জিভাই নিম্ন তালুত জোৰেৰে স্পৰ্শ কৰিব লাগিব। **ট বৰ্গৰ** উচ্চাৰণ মূৰ্ধন্য। গতিকে জিভাখন ওপৰলৈ ঘোৰ খুৱাই উজনি তালুলৈ নি উচ্চাৰণ কৰিব। ত-বৰ্গৰ উচ্চাৰণ দন্ত্য। গতিকে জিভাই নিম্ন তালুত স্পৰ্শ নকৰি বাস্তবিকতে আগ দাঁতৰ ভিতৰ ফালে স্পৰ্শ কৰিব। প-বৰ্গ আৰু য়, ৱ, ল, ৱ-ৰ উচ্চাৰণত অসুবিধা নাই। কিন্তু সংস্কৃত য-ৰ ঠাইত য় উচ্চাৰণহে হ'ব, জ নহ'ব। সংস্কৃত ৱ-ৰ সদায়ে উচ্চাৰণ ৱ। ৱ-ৰ ঠাইত ব নামাতিব।

**হ** - কণ্ঠ্য বৰ্ণ। ক বৰ্গৰ দৰে উচ্চাৰণ, সমস্যা একেই।

**শ** - ৰ উচ্চাৰণ কৰোঁতে মধ্য তালুৰ তলত জিভাখন চলু পাতি ধৰিব।

ষ- ৰ উচ্চাৰণৰ বেলিকা জিভাখন ওপৰলৈ ঘূৰাই মধ্য তালুৰ পৰা আৰু ভিতৰলৈ ঠেলি দিব।

স- ৰ উচ্চাৰণ কৰোঁতে জিভাই আগ দাঁতৰ ভিতৰ ফাল স্পৰ্শ কৰিব।

ক্ষ-ৰ উচ্চাৰণ খ্য বা ক্‌খ নহয়। (পৰীখ্যা বা পৰীক্‌খা নহয়)। এইটো ক আৰু ষ-ৰ যুক্তাক্ষৰ। ইয়াত ক আৰু ষ-ৰ উচ্চাৰণ স্পষ্ট ভাৱে ফুটি ওলাব লাগিব। গতিকে শুদ্ধ উচ্চাৰণ হ'ল **পৰীক্‌ষা**। অন্যান্য যুক্তাক্ষৰৰ বেলিকাও যুক্তাক্ষৰত সোমাই থকা স্বতন্ত্ৰ বৰ্ণ কেইটাৰ উচ্চাৰণ স্পষ্টভাৱে ওলাই পৰিব লাগিব। যেনে, জ্ঞ - ৰ উচ্চাৰণ গ্য-ৰ দৰে নহয়। (ৱিজ্ঞ - বিগ্য নহয়)। এই

ক্ষেত্ৰত জ আৰু ঞ-ৰ উচ্চাৰণ স্পষ্টভাৱে ফুটি ওলাব লাগিব। ঞ-ৰ শুদ্ধ উচ্চাৰণ এতিয়া সমগ্ৰ ভাৰতেতে পাবলৈ নোহোৱা হৈছে। অন্য আখৰেৰে তাৰ উচ্চাৰণ বুজাবলৈ গলে বিজ্ঞান সম্মত কথা নহ'ব। তথাপি কব পাৰি যে ঞ-ৰ উচ্চাৰণ কিছু পৰিমাণে য়ঁ-ৰ নিচিনা। (তুঃ অসমীয়া কেঞা)। গতিকে সংস্কৃতত ৱিজ্ঞান = বিজ্‌য়াঁন।

শ্চ চ্চ নহয়। পশ্চাৎ = পচ্চাৎ নহয়। শ্-ৰ উচ্চাৰণ শুদ্ধ ভাৱে কৰি লৈ চ-টো স্পষ্টভাৱে, স্বতন্ত্ৰভাৱে উচ্চাৰণ কৰিব লাগিব।

হ্য, ৰ উচ্চাৰণ জ্য নহয়। অসহ্য = অসজ্য নহয়। ইয়াতো হ্ আৰু য়-ৰ উচ্চাৰণ ফুটি ওলাব লাগিব। গতিকে অসহ্য = অসহ্‌য়।

ত্ম, দ্ম, দ্ব, আদিত ত-ৰ দ্বিত্ব কৰিলে নহ'ব। মহাত্মা = মহাত্তা নহয়। পদ্ম = পদ্দ নহয়, উদ্বেগ = উদ্দেগ নহয়। উচ্চাৰণত যুক্তাক্ষৰৰ প্ৰতিটো বৰ্ণ স্পষ্টভাৱে ফুটি ওলাব লাগিব। গতিকে শুদ্ধ উচ্চাৰণ হ'ব - মহাত্‌মা, পদ্‌ম, উদ্‌ৱেগ আদি।

বিসৰ্গ-ৰ উচ্চাৰণ প্ৰায় হলন্ত হ-ৰ দৰেই। পাৰ্থক্য হ'ল এই যে হলন্ত হ-ৰ উচ্চাৰণৰ ঠিক পিছতেই বিসৰ্গৰ পূৰ্ববৰ্তী স্বৰ বৰ্ণটোৰ দুনাই অৰ্ধমাত্ৰা পৰিমাণৰ উচ্চাৰণ কৰিব লাগিব। যেনে, ৰামঃ = ৰামহ্অ (১/২), গতিঃ = গতিহ্ই (১/২), প্ৰভুঃ = প্ৰভুহ্উ (১/২)। অৰ্ধমাত্ৰাৰ স্বৰৰ উচ্চাৰণটো প্ৰাতিশাখ্যসমূহৰ দ্বাৰা সমৰ্থিত।

### ২। যতি, লয় আৰু সুৰৰ প্ৰশ্ন

ক) পদ্যৰ আবৃত্তি ছন্দৰ লগত সঙ্গতি ৰাখি কৰিব। যি ছন্দৰ যি ঠাইত য ত, সেই ঠাইত সামান্য বিৰাম ঘটাব। যেনে, মালিনী ছন্দত ভোগী অৰ্থাৎ অষ্টম সংখ্যক আখৰ আৰু তাৰ পিছত লোক অৰ্থাৎ সপ্তম সংখ্যক আখৰত যতি পৰিব লাগে। মালিনীৰ লক্ষণ (দেফিনিচন্) হ'ল—

ন ন ম য় য় য়ুতেয়ং / মালিনী ভোগিলোকৈঃ।

যেনে, কিমপি কিমপি মন্দং / মন্দমাসক্তিয়োগাৎ। (ভৱভূতি)

অথবা, অয়ি শৰদনৱদ্যে / শুভ্ৰৰূপপ্ৰকাশে। (স্বৰচিত)

যি ছন্দত যতি নাই, তাতো শুদ্ধভাৱে হ্ৰস্ব-দীৰ্ঘৰ উচ্চাৰণ কৰিলে এটা লয় আহি পৰে। সমবৃত্তসমূহত সেই লয় চাৰিওটা চৰণৰ বাবে একে। গতিকে চাৰিওটা চৰণতে লয়ৰ সমতা ৰক্ষা কৰিবলৈ যত্ন কৰিব। চাৰিওটা চৰণৰ প্ৰতিটোতে উচ্চাৰণৰ সময় একে হ'ব লাগিব।

খ) সাধাৰণতে প্ৰতিযোগিতাৰ বাবে কৰা আবৃত্তিত সুৰৰ প্ৰশ্ন নুঠে। কিন্তু হিন্দী কবিতাৰ আবৃত্তিত প্ৰায়ে সুৰ দিয়ে। তাৰ আহিত আজি-কালি সংস্কৃতৰ আবৃত্তিতো সুৰ দিয়াৰ নিয়ম এটা হৈছে। দাক্ষিণাত্যত কাৰ্ণাটকী সুৰ আৰু উত্তৰ ভাৰতত হিন্দী কবিতাৰ সুৰ দিবলৈ



লৈছে। সুৰ দিলেও কিন্তু কবিতাটোৰ ভাব আৰু ৰসৰ লগত সঙ্গতি থকা বিধৰ হ'ব লাগিব। উদাহৰণ স্বৰূপে গীতাৰ দ্বিতীয় অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনক যুদ্ধ কৰিবলৈ উদগণি দিছে। ঠায়ে ঠায়ে প্ৰায় আদেশৰ সুৰতে কৈছে—"তস্মাদ্ উত্তিষ্ঠ কৌন্তেয় যুদ্ধায় কৃতনিশ্চয়ঃ"। এনে ক্ষেত্ৰত যদি লেনিয়া সুৰেৰে গীতাৰ আবৃত্তি কৰা হয়, তেনে হ'লে অৰ্থ নুবুজাকৈ কেৱল সুৰটো শুনি ভাল লাগিব পাৰে; কিন্তু আবৃত্তিটো হ'লে বিজ্ঞান-সম্মত হ'ল বুলি ক'ব নোৱাৰি। অৱশ্যে একাদশ অধ্যায়ত বিশ্বৰূপ দৰ্শনৰ পিছত অৰ্জুনে যেতিয়া শ্ৰীকৃষ্ণক স্তুতি কৰিছে, তেতিয়া সুৰ দি গাওক, ক্ষতি নাই।

ছন্দ ঃ বহু ক্ষেত্ৰত পদ্যৰ সুৰ আৰু লয় ছন্দটোৱেই নিৰ্ণয় কৰে, আৰু ছন্দটোও প্ৰায় ভাব আৰু অৰ্থৰ অনুকূল হোৱা দেখা যায়। সুবৃত্ততিলক গ্ৰন্থতো ক্ষেমেন্দ্ৰই কিছু দৃষ্টান্ত দি দেখুৱাই দিছে যে একোটাহঁত ছন্দ একোটাহঁত বিশেষ বিষয়-বস্তুৰ উপযোগী। যেনে, বৰ্ষা বৰ্ণনাৰ বাবে মন্দাক্ৰান্তা ছন্দ।

হ্ৰস্ব-দীৰ্ঘ আদিৰ উচ্চাৰণৰ নীতিসমূহ সংস্কৃত শব্দ-বহুল অসমীয়া পদ্যৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি। তেতিয়া আবৃত্তি অধিক হৃদয়-গ্ৰাহী হয়। যেনে,

২ ২ ২ ২
অয়ি অনৱগুণ্ঠিতা, ফুল্ল শিখৰিণী
২ ২ ২ ২ ২
ৰঞ্জি মণি কণিকাৰ হৰিত মেখলা
২ ২ ২ ২ ২ ২
আছা শোভি শুভ্ৰ বেশে
২ ২ ২ ২ ২ ২
লৌহিত্যৰ তীৰভূমি শ্যামল বননি।

(ৰঘুনাথ চৌধাৰী)

২৭।৮।৮৭ □

শ্ৰীমতী পুষ্পলতা দাস
( ৰাজ্য সভা আৰু বিধান সভাৰ প্ৰাক্তন সদস্যা )

# মূল্যবোধ আৰু নাৰী

আজি পৃথিৱীত হেনো মূল্যবোধৰ সংকট। সেয়ে পৃথিৱীয়ে চাইছে সেই সকললৈ যিসকলে বোধক মূল্যৰ মৰ্যাদা দিব পাৰিছে। বিশ্বৰ এই ধাৰিকা শক্তি হ'ল মাতৃ-শক্তি। মাতৃ-শক্তিয়ে যদি নিজৰ জীৱনবোধক সংযত কৰিব নোৱাৰে, তেন্তে বিশ্বত সাংস্কৃতিক বিপ্লৱ অৱশ্যম্ভাবী। অতীতৰ মন্ত্ৰ দ্ৰষ্টা ঋষিসকলে উদাত্ত কণ্ঠে গাই উঠিছিল "মাতা দেৱো ভৱ, পিতা দেৱো ভৱ, আচাৰ্য দেৱো ভৱ"; মাতা সাক্ষৰাই হওক বা নিৰক্ষৰাই হওক, মাকেই সকলোৰে আদি গুৰু। সেয়ে মাতৃগৰাকীৰ একো একোটি আচৰণে জাতিটোক গৌৰৱৰ স্বৰ্ণ সিংহাসনতো অধিষ্ঠিত কৰিব পাৰে, নতুবা নৰকৰ পঙ্কিল দুৱাৰলৈও লৈ যাব পাৰে। আজিৰ কিশোৰী-তৰুণীসকলেই ভৱিষ্যতৰ বিশ্বখনক কন্যাৰূপে, ভগিণীৰূপে, পত্নীৰূপে, মাতাৰূপে গঢ় দিব লাগিব। সেইবাবেই তেওঁৰ দায়িত্ব অতি গধুৰ।

নাৰীৰ প্ৰকৃত কাৰ্যক্ষেত্ৰ লৈ বহুতৰে বহুত প্ৰশ্ন। সন্তানৰ নিৰাপত্তা আৰু মঙ্গলৰ কাৰণে নাৰীয়ে যিদিনা নিজে নিজৰ অধিকাৰ খৰ্ব কৰি মাতৃকৰ্তৃত্ব প্ৰধান সমাজ-ব্যৱস্থাৰ পৰা পিতৃ-কৰ্তৃত্ব প্ৰধান সমাজ-ব্যৱস্থা গ্ৰহণ কৰিলে, সেই দিনাই এই প্ৰশ্নৰ মীমাংসা হ'ল যেন লাগে। আদিম যুগৰ অবাধ স্বাধীনতাৰ অধিকাৰিণী নাৰীসমাজে উপলব্ধি কৰিলে যে মাতৃৰূপে তেওঁৰ কৰ্তব্য অপূৰণ হৈ ৰ'ব, যদি সন্তানক জন্ম দি সমাজৰ বুকুত সন্তানক প্ৰতিষ্ঠা কৰিব নোৱাৰে, সন্তানৰ নিৰাপত্তাৰ কাৰণে নিজকে আহুতি দিব নোৱাৰে। সৃষ্টিৰ আনন্দই আনন্দৰ লগতে আনি দিলে সামাজিক মৰ্যাদা বোধ; সুস্থিৰ সমাজ এখন গঢ়াৰ প্ৰেৰণা; সংযত, সংহতিপূৰ্ণ সমাজ এখন ৰচনা কৰাৰ সপোন। এই সপোনেই নাৰীক তেওঁৰ বহিৰ্মুখী মনোভাব সলাই গৃহাভিমুখী কৰাৰ উপৰিও অন্তৰমখী সুকোমল ভাবৰাশিৰে ঘৰখনৰ বুকুলৈ কঢ়িয়াই আনিলে এটি স্বৰ্গীয় সৌন্দৰ্য। প্ৰকৃতিৰ এই স্বাভাৱিক দানক আশীৰ্বাদ ৰূপে শিৰত তুলি লৈ মাতৃয়ে পিতৃক পঠিয়ালে আহাৰৰ সন্ধানত, আৰু নিজে সন্তান আৰু পৰিয়ালৰ মঙ্গলৰ কাৰণে নিজকে বিলাই দি ত্যাগৰ, তৃপ্তিৰ পৰিপূৰ্ণতাৰে ভৰপূৰ হৈ ৰ'ল। মাতৃ-হৃদয়ে ইমানতো ক্ষান্ত নাথাকি আকৌ ভাবিলে—আহাৰৰ সন্ধানত হাবিয়ে-বননিয়ে ঘূৰি ফুৰোঁতে পিতৃৰ প্ৰাণ যদি বন্য জন্তুৰ হাতত বিপন্ন হয়,



তেন্তে তেওঁ সন্তানৰ সংস্থানৰ কাৰণে আকৌ সন্তানক নিৰাপত্তাহীন অৱস্থাত এৰি বাহিৰৰ জগতখনৰ বুকুলৈ ওলাই আহিব লাগিব। এই ভয়েই আৱিষ্কাৰ কৰিলে খেতিৰ। খেতিৰ উদ্ভাৱন সেয়ে তিৰোতাৰ মগজুৰ পৰা হৈছিল বুলি নৃতত্ত্ববিদসকলে কয়। তিৰোতা সমাজে এইদৰেই কৃষিৰ মাধ্যমেৰে অহিংস সমাজ-ব্যৱস্থা এটা গঢ়ি তুলিলে—একমাত্ৰ সন্তানৰ, নিজৰ টুপি টুপি তেজ ঢালি গঢ় দিয়া সন্তানৰ কল্যাণ আৰু নিৰপত্তাৰ কাৰণে।

ইতিহাসৰ এই পাত কেইখিলাৰ বুকুতেই এই প্ৰশ্নৰ উত্তৰ লুকাই আছে। কিন্তু লগতে ইতিহাসে নাৰী-সমাজৰ আন এটি পৰিচয়ো দিবলৈ পাহৰা নাই। বৈদিক যুগৰ যিসকল নাৰীয়ে ব্ৰহ্মবিদ্যাৰ অধিকাৰিণী হ'বৰ কাৰণে সংসাৰ ত্যাগ কৰি সন্ন্যাসিনী হৈছিল, তেওঁবিলাকে ব্ৰহ্মচাৰিণীৰ ব্ৰত উদ্‌যাপন কৰিও একে সত্যৰে আৰাধনা কৰিছিল। ক্ষুদ্ৰ পৰিসৰৰ পৰা তেওঁবিলাকৰ কল্পনাই বিৰাট বিশ্বক আপোন বুলি আঁকোৱালি লৈছিল। সেই "শৃণন্তু ৱিশ্বে অমৃতস্য পুত্ৰাঃ" বুলি ধ্বনি তুলিব পৰা উপনিষদৰ সভ্যতাই নাৰীক অকল মাতৃস্বৰূপিণী বুলিয়েই নহয়, ঋষি বুলিও সন্মান জনাইছিল। ঋক বেদত প্ৰথম যি শ্লোক দেৱীৰ ওপৰত লিখা হৈছিল, তাৰ ৰচয়িত্ৰী আছিল ঋষি বাক, বা বাগদেৱী। তেখেতসকল আছিল অনন্যা। সেয়ে নাৰীৰ কৰ্মক্ষেত্ৰ গৃহ যদিও গৃহয়েই জীৱনৰ শেষ সীমা নহয়। বহল বিশ্বৰ যি প্ৰশ্নয়েই তেওঁৰ বুকুত স্বাভাৱিক আলোড়ণ তোলে, তাতেই তেওঁৰ নাৰীত্বই পূৰ্ণ প্ৰকাশ পায়। আত্মসন্মানী, ব্যক্তিত্ব সম্পন্না মহিলাৰ কাৰণে ঘৰ-বাহিৰৰ ভেদ নাই। যি ক্ষেত্ৰই তেওঁৰ নাৰীত্বৰ অৱমাননা কৰে, তেনে কৰ্মক্ষেত্ৰ লোভনীয় হলেও বৰণীয় নহয়। সমাজৰ কল্যাণময় ৰূপৰ প্ৰকাশৰ বাবেই নাৰীৰ সৃষ্টি। পৃথিৱীৰ ধৰ্ম, সভ্যতা, সংস্কৃতি নাৰীৰ নিষ্ঠা, কোমল অনুভূতি আৰু মধুৰ সৌন্দৰ্যময়ী ভাবৰাশিৰ মাজতে লুকাই আছে।

পুৰুষ আৰু প্ৰকৃতি দুয়ো দুয়োৰো পৰিপূৰক, আৰু দুয়োৰো প্ৰকৃতিৰ স্বাভাৱিক অসম্পূৰ্ণতাৰ যহতে তেওঁবিলাকৰ পূৰ্ণতা। শৌৰ্য, বীৰ্য, বীৰত্বেৰে এজনৰ পুৰুষত্বৰ প্ৰকাশ; ত্যাগ, সহিষ্ণুতা, ক্ষমা, দয়া, কৰুণাৰ প্ৰতিমূৰ্তি হিচাপে আন এজনৰ নাৰীত্বৰ প্ৰকাশ। কিন্তু পূৰ্ণ মানৱ, পূৰ্ণ মানৱী এই দুয়ো গুণৰে অধিকাৰী।

নিজৰ নিজৰ সুকীয়া সুকীয়া ৰাজ্যত দুয়োজনেই সম্ৰাট আৰু সম্ৰাজ্ঞীৰ দৰে শক্তিশালী। এইটোৱেই আদৰ্শ সমাজ-ব্যৱস্থা, য'ত পুৰুষ আৰু নাৰী দুয়ো দুয়োৰো প্ৰতিদ্বন্দ্বী নহৈ দুয়ো দুয়োৰো পৰিপূৰক। পিছে আজিৰ যুগৰ অনাটনৰ প্ৰশ্নই নাৰী আৰু পুৰুষ দুয়োকো টানি আনিছে বাহিৰৰ জগতখনলৈ। বাহিৰৰ জগতখনলৈ নাৰী অহাত একো বাধা নাই, যদি তেওঁৰ এই অহাই ঘৰখনৰ তথা সমাজখনৰ বুকুলৈ

বিশৃংখলা নানে, সন্তানসকল যদি অনাদৃত হৈ সমাজৰ সমস্যা ৰূপে দেখা নিদিয়ে। কাৰণ যুগে যুগে নাৰী আৰু পুৰুষৰ কৰ্মক্ষেত্ৰ সদায়েই সুকীয়া বুলি বুৰঞ্জীয়েও সাক্ষী নিদিয়ে। কোনো নাৰীয়ে যদি বিৰাট প্ৰতিভা লৈ জন্ম লয়, তেওঁ যদি নাৰীৰ গতানুগতিক জীৱনতকৈ শ্ৰেষ্ঠতৰ জীৱনৰ কাৰণে সাধনা কৰিবৰ প্ৰয়াসী হয়, তেওঁ যদি জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰত পুৰুষৰ দৰেই অৱদান যোগাব পাৰিব বুলি দৃঢ় বিশ্বাসেৰে কৰ্মক্ষেত্ৰলৈ আগবাঢ়ি আহে, তেন্তে নাৰী বুলিয়েই তেওঁৰ সাধনাৰ বাটত হেঙাৰ পুতিব নালাগে। পুৰুষে যদি নাৰীৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাব পাৰে, তেন্তে তেওঁৰ যেনেকৈ নাৰীৰ কৰ্মক্ষেত্ৰলৈ অহাত বাধা নাই, তেনেকৈ নাৰীয়েও যদি পুৰুষৰ ক্ষেত্ৰত সঁচাকৈয়ে পাৰদৰ্শিতা দেখুৱাব পাৰে, তেন্তে তেওঁৰো সেই ক্ষেত্ৰত নমাত বাধা নাই। বিশ্বৰ সাংস্কৃতিক বুৰঞ্জীয়ে এনে প্ৰতিভাৰ স্বাক্ষৰ বহন কৰি আহিছে; কিন্তু সকলো অধিকাৰ পালেও নাৰী শ্লীলতা ৰক্ষাত পুৰুষতকৈ উৰ্দ্ধত থাকিব লাগিব। মোৰ দৃষ্টিৰে নাৰী পুৰুষৰ প্ৰতিবিম্ব হ'ব নালাগে; পুৰুষৰ ছায়া নহৈ নিজৰ কায়াৰেই নিজ পৰিচয় দিব লাগে।

সভ্যতাৰ জোখ-কাঠি, সভ্যতাৰ মানদণ্ড নিৰূপিত হয় সেই সমাজত নাৰীৰ স্থান, তেওঁৰ অৱদান, তেওঁৰ আচাৰ-ব্যৱহাৰ, পিন্ধন-উৰণ, জীৱনটোৰ প্ৰতি তেওঁৰ দৃষ্টি-ভঙ্গীৰ ওপৰত। শ্লীলতা আৰু সৌন্দৰ্যবোধৰ পিনৰ পৰা তেওঁৰ সুৰুচিয়ে যেন ৰুচিবোধ থকা মানুহৰ মাৰ্জিত ৰুচিক আঘাত নকৰে। শালীনতা আৰু আবুৰৰ এটি বেলেগ শ্ৰী আছে। নাৰীৰ উপস্থিতিয়ে পুৰুষৰ জীৱনটো যেন সংযত, সুন্দৰ কৰিব পাৰে; তেনে সাধনাই নাৰীক পুতলা নকৰি প্ৰকৃতাৰ্থত দেৱী কৰিব। ভাৰতীয় ঐতিহ্যই দিয়া সেৱা-ৰস সনা সম্ভ্ৰমী এই ৰূপটোৱেই তেওঁৰ ঐশ্বৰ্য, মূল্যবোধৰ মানদণ্ডেৰে সমৃদ্ধ।

**Dr. Niru Hazarika**
( Head, Political Science, Gauhati University )

# Emancipation of Women and Gandhi

Gandhiji's contributions towards Indian political thought are remarkable. Women, particularly Indian women, owe him a special debt of gratitude. Now let us see what Gandhiji said about emancipation of women.[1]

Gandhi said that woman is the companion of man. Both have equal mental capacities.[2] It is not justifiable to call women as a weaker sex. If strength means moral strength, then women are more self sacrificing and more courageous.[3] Bravery is not the monopoly of men only.[4] In no way women are inferior to men so far as moral courage is concerned.[5]

In the traditional society the birth of a girl is an unwelcome event. But Gandhi did not agree with this tradition. He said that both the sexes have equal right to live, and are equally necessary. One cannot exist without the other.[6]

Equality of sexes does not mean that both men and women must perform the same functions. There are natural differences between the two. One procreates, and the other begets.[7] She is passive, and he is active. She is essentially the mistress of the house. He is the bread earner. She is the keeper and distributor of the bread. She is the care-taker in every sense of the term. The art of bringing up the children is her special and sole prerogatives.

In trying to ride the horse that man rides she brings herself and him down. The sin will be on the

man's head for tempting and compelling his companion to desert her special calling.[8]

Gandhiji said that for ages men have dominated women. As a consequence, women developed an inferiority complex. But the Mahatma said that women are not the slaves of their husbands and of their parents.[9]

Gandhiji was against Purdah system. He said that Purdah in India was a recent institution and was adopted during the period of Hindu decline. It is not universal in India. It is unknown in Assam, Deccan, Gujrat and Punjab. Purdah, Gandhi argued, does not make woman more moral.

Gandhi argued that chastity cannot be superimposed. It cannot be protected by the surrounding wall of Purdah. It must generate from within, and to be worth anything, it must be capable of withstanding every unsought temptation. It must be defiant as that of Sita's. Men must trust their womenfolk. Therefore, Gandhi said that men should not keep women in Purdah.[10]

Gandhi included the uplift of women in his constructive programme, specially in the scheme of education. There is no justification in denying women of the right to education on the ground that they are less intelligent. Education is essential for enabling women to assert their natural rights, to exercise them wisely, and to work for their emancipation. The true knowledge of the self will not be attained without education. It is not exaggeration when we say that a human being without education is not far from animal. Education is, therefore, equally necessary for both men and women.

In framing a scheme of education for women, Gandhi said that men and women are complementary to each other. Man is supreme in outward activities of a married couple and therefore, in domestic affairs, in upbringing of children, women ought to have more knowledge. Not that knowledge should be divided into



water tight compartments or that some branch of knowledge should be closed to anyone, but unless the courses of instruction are based on a discriminating appreciation of these basic principles, the fullest life of men and women cannot be developed.[11]

Gandhi said that it is very painful to note that the husbands who regard their wives as their property like cattle and household furniture and therefore think that they have the right to beat them as they would beat their cattle. It is nothing but barbarism to behave in this manner.[12] Many do not realise that woman is the true helpmate of man. Women have been suppressed by custom and law made by men. In a plan of life based on non-violence, woman has as much right to shape her own destiny as man has to shape his. The rules of social conduct must be framed by mutual co-operation and consultation. They can never be imposed from outside. Men must consider women as their friends and co-workers.[11] Man has converted her into a domestic drudge and an instrument for the satisfaction of his pleasures instead of regarding her as a better-half. The result is that our society is paralysed.[14]

Mahatma said that wife has perfect right to offer resistance to her husband if she thinks that it is for a nobler purpose. Wife is not bound to be an accomplice of her husband's crime. And when she holds anything to be wrong, she must dare to do the right.[15]

Hindu culture has erred on the side of excessive subordination of the wife to the husband, and has insisted on complete merger of the wife in the husband. This has resulted in the husband sometimes excercising authority that reduces him to the level of brute. The remedy for such excesses does not lie on law but on education.

Mahatma realized the responsibility of woman as a mother. The future of the country lies on woman, said Gandhi. Because as mother it is her responsibility

to nurture the future generation. To be an ideal mother is not an easy task. The procreation of children has to be undertaken with a full sense of responsibility. She who gives intelligent, healthy and well-brought up children to the country is surely rendering a great service.[16]

At the same time Gandhi was also conscious of the fact that domestic slavery of woman is a symbol of our barbarism. Women should be freed from this. Domestic work ought not to take the whole of woman's time.[17]

She should be induced to qualify herself for service.[18] Gandhi pleaded for all disabilities under which women were placed. This is possible only by the spread of education among women.[19]

Merit should be the basis for selection of men and women to public officials. Gandhi did not demand for separate representation of women in services or political systems, That is, sex should not be the basis of selection for public officers. There should be justice and not favour.

Gandhi said that women must have the right to vote and equel legal status. He noted that very few take part in politics and most of them do not do independent thinkiug. They simply carry out their parent's or husband's behests. Therefore Gandhi said that women should think for themselves. Gandhi also said that women workers should enroll all eligible women as voters. impart practical education to them and tell them to think independently and thereby purify the atmosphere.[20]

Gandhiji had confidence in the capacity of women to bring swaraj. Import of foreign cloth affected the economic condition of the nation and threw millions out of employment. Economic distress was felt at home by women. Women who have drunkards as their husbands know what havoc the drink has done.[21]



Women can minimise distress by economising household expenditure. If drinking is given up, we can manage our daily affairs without any aid from Government.[22]

Gandhi thought that women are in better position to help him in picketing liquor and foreign cloth shops. Picketing by women would be peaceful. It would be the easiest way of educating the people concerned in the ethics of Swaraj. It would never be coercive in nature but a conversion by moral persuation. Further women can make effective appeal to the heart of men.[23]

Gandhi did not forget the enormous contributions made by women through spinning. Spinning from time immemorial is a special occupation of woman. It is not merely a means of livelihood, it is a duty. We should not neglect this duty, because India had attained her political Independence through it. Political Independence meant nothing if it did not bring in its wake freedom from strife, freedom from poverty, freedom from ignorance and disease, and above all, prevent moral degradation. Gandhi thought that economic and moral salvation of India rest mainly on women.[24]

Gandhi said that woman is the incarnation of 'Ahimsa'. Ahimsa means infinite love, which again meant infinite capacity for suffering, who but woman, the mother of man, knows this capacity in largest measure. If we translate her love to the whole community, she will occupy her proud position by the side of man as his mother, maker and silent leader.

Gandhi was against early marraige. The parents who give their daughters in marriage at an early age, commit sin. He was in favour of widow marriage. There should be provision for remarriage if the daughters become widows at an early age. When one becomes a widow at a ripe age, they should be given freedom to

শ্ৰীহুৰেশ্বৰ গোস্বামী
(অধ্যক্ষ, শিক্ষণ মহাবিদ্যালয়, নগাঁও)

# সম মৰ্যাদা

১'০১. তামিলনাডুত চৰকাৰে মাদাৰ টেৰেচাৰ নামত এখন মহিলা বিশ্ববিদ্যালয় স্থাপন কৰিছে। বিশ্ববিদ্যালয়খনৰ বাণী হৈছে "সম মৰ্যাদাৰ দিশত", "Towards Equal Status." । মহিলাৰ পুৰুষৰ লগত সম মৰ্যাদা প্ৰতিষ্ঠা কৰাই বিশ্ববিদ্যালয়খনৰ উদ্দেশ্য। পুৰুষৰ লগত মহিলাৰ সমান মৰ্যাদা স্থাপন আবহমান কালৰ পৰা চলি অহা এটা সামাজিক সমস্যা। বিভিন্ন যুগত বিভিন্ন দেশত এই সমস্যা বিভিন্ন প্ৰকাৰে সমাধান কৰা হৈছে। সমাধান হৈয়ো কেতিয়াবা সমস্যাটো সমাধান নহয় এই কাৰণেই যে, পুৰুষ আৰু স্ত্ৰীৰ সংসাৰ পাতি সমাজ জীয়াই ৰখাৰ আগ্ৰহটো পাৰস্পৰিক আৰু ব্যক্তিগত; সমাজে বান্ধি দিয়া কোনো চৰ্তই তেতিয়া কাম নকৰে।

১'০২. সভ্যতাৰ আদি যুগত হয়তো এগৰাকী স্ত্ৰীক কেন্দ্ৰ কৰি একাধিক পুৰুষৰ সহাৱস্থান হৈছিল। হয়তোবা শাৰীৰিক ৰক্ষণা-বেক্ষণৰ কাৰণে একাধিক স্ত্ৰীয়ে কোনো পুৰুষৰ আশ্ৰয় লব লগা হৈছিল। এনেকৈয়ে আমি মাতৃ-প্ৰধান পৰিয়াল আৰু পিতৃ-প্ৰধান পৰিয়াল পালেও আজিৰ যুগত সংখ্যাধিক্যৰ ফলত পিতৃ-প্ৰধান সমাজখনেই প্ৰতিপত্তি বিস্তাৰ কৰিছে। এনেকৈয়ে পুৰুষে মহিলাৰ অভিভাৱকত্ব বহন কৰিছে। ৰক্ষণাবেক্ষণৰ দায়িত্ব লৈ পুৰুষে মহিলাক ঘৰৰ ভিতৰত ৰখাৰ দিহা কৰিছে। ৰক্ষণাবেক্ষণৰ বিনিময়ত সকলো প্ৰকাৰ শাৰীৰিক শ্ৰমেৰে পুৰুষৰ প্ৰয়োজন পূৰণ কৰিছে মহিলাই। ফলত মহিলাৰ মৰ্যাদা নিম্নগামী হবলৈ আৰম্ভ কৰিছে।

১'০৩. মহিলাৰ মৰ্যাদাৰ প্ৰশ্ন উত্থাপিত হলেই এফালে যেনেকৈ ভাৰতীয় সমাজৰ গাৰ্গী, মৈত্ৰেয়ী, লীলাৱতীৰ নাম লোৱা হয়, আনফালে তেনেকৈ মনুৰ "নহি স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি" শ্লোকৰ নিন্দাও কৰা হয়। এনে মতামতবিলাক পিছে যুগৰ সামাজিক ইতিহাসৰ দৃষ্টি-ভঙ্গীৰেহে বিচাৰ কৰা উচিত। পুৰণি ভাল বা বেয়া একোকে আজিৰ সমাজৰ চিন্তাধাৰাৰে বিচাৰ কৰা উচিত নহ'ব। ভাৰতীয় ধৰ্ম-দৰ্শনত দুৰ্গা-ভগৱতী, লক্ষ্মী-সৰস্বতী, কালী-কামাখ্যাৰ স্থান; লক্ষ্মী-নাৰায়ণ, হৰ-গৌৰী, ৰাধা-কৃষ্ণ, পাৰ্বতী-পৰমেশ্বৰৌ আদি প্ৰকাশ-ভঙ্গীত দিয়া মৰ্যাদা উলাই কৰিব নোৱাৰি। মাদাৰ টেৰেচা, ড° হেলেন কেলাৰ, ড° মেৰীয়া মণ্টেচৰি, ইন্দিৰা গান্ধীৰ মৰ্যাদা পুৰুষে সাধি সাধিও পোৱা নাই। অধ্যক্ষ



হেম বৰুৱাক আমেৰিকাত যেতিয়া ভাৰতীয় মহিলা কিমান আগবঢ়া বুলি সুধিছিল, তেতিয়া হেম বৰুৱাই উত্তৰ দিছিল যে ৰাষ্ট্ৰসংঘৰ তেতিয়াৰ সভানেত্ৰী শ্ৰীমতী বিজয় লক্ষ্মী পণ্ডিতৰ সমান আগবঢ়া। কিন্তু এনেকৈ নাম ল'ব পৰাসকলেই বিশ্বৰ সমানে আধা জনগণক প্ৰতি-নিধিত্ব কৰিব নোৱাৰে।

১'০৪. ছোৱালীক শিক্ষা দিয়া নহয়, প্ৰয়োজন নাই। নে শিক্ষা
দিয়া হয় বিয়াৰ প্ৰয়োজনত। মহিলাক ভোটাধিকাৰ দিয়া নহয় বহুতো
দেশত। সমান সময়ৰ পাৰিশ্ৰমিক পুৰুষৰ সমানে মহিলাক দিয়া
নহয়। সোণ-ৰূপ গহনা দি বা ম'হ, মেখোন, গাহৰি দি বা ধন দি
মহিলাক পুৰুষে বিয়া কৰাই আনে। মহিলাৰ লগত যৌতুক দিব
লাগে। বিয়াত ছোৱালীৰ মতামত ল'ব নালাগে। গহনাৰ প্ৰতি মহিলাৰ
দুৰ্বলতা। এইবিলাক কথা মহিলাৰ সম মৰ্যাদাৰ অন্তৰায়। কিন্তু
শৰীৰ যথাসম্ভৱ উন্মুক্ত কৰি ঘূৰি ফুৰিব পৰা মুক্ত মহিলায়েই সম মৰ্যাদা
পাবনে? পুৰুষৰ ভয়তেই মহিলা সসম্ভ্ৰমে ফুৰিব নোৱৰাটো পুৰুষৰ
কাৰণেই লজ্জাজনক নহয় নে?

১.০৫. পৃথিৱীত মহিলা-মুক্তিৰ আন্দোলন চলিছে। সকলো
ক্ষেত্ৰতে পুৰুষৰ সমান মৰ্যাদা মহিলাৰ প্ৰাপ্য। বাধাসমূহ চিনাক্ত
কৰি আঁতৰাব লাগে। মহিলাক তাৰ বাবে অৰ্থনৈতিক স্বাধীনতা লাগে।
মহিলাগৰাকীয়েও ক'ৰবাত কাম কৰিব, অৰ্থ উপাৰ্জন কৰিব, আৰু তাৰ
বাবে সমানেই ঘৰৰ পৰা ওলাই যাব। পাবনে সম মৰ্যাদা? পিন্ধন-
উৰণত, চাল-চলনত, পুৰুষৰ লগত পাৰ্থক্য থাকিব নোৱাৰে। পাবনে
সম মৰ্যাদা? ব্যাকৰণৰ পৰা পুংলিঙ্গ আৰু স্ত্ৰী লিঙ্গ বুজোৱা বিশেষ্য পদ
আৰু সৰ্বনাম পদবিলাক উঠাই দিয়া হ'ব। পাবনে সম মৰ্যাদা?
নোপোৱা নহয়, পাইছে; কিন্তু কেইগৰাকীয়ে পাইছে? মুঠ জনসংখ্যাৰ
তুলনাত কেইগৰাকী?

২.০১. ভাৰতীয় সংবিধানে পুৰুষ আৰু মহিলাক সম অধিকাৰ
প্ৰদান কৰিছে। মহিলাক ৰক্ষণাবেক্ষণ দিবৰ কাৰণে ভাৰত চৰকাৰে
বিভিন্ন আইন তৈয়াৰ কৰিছে। তথাপি ভাৰতীয় সমাজত যুগ যুগ ধৰি
চলি থকা কিছুমান বদ্ধমূল ধাৰণাই সামগ্ৰিকভাৱে নাৰী জাতিৰ উন্নতিত
বাধা দি আহিছে। পুৰুষৰ শুশ্ৰূষাৰ কাৰণেই নাৰীৰ জীৱন। স্বামী
গুৰুৱেই পৰম গুৰু। তেনে এজন গুৰুৰ ওচৰত সমৰ্পণ কৰিবৰ
কাৰণেই পিতৃৰ চিন্তা বা দুশ্চিন্তা। শিক্ষা-দীক্ষাৰ কথা বাদ দি যথা-
সম্ভৱ সোনকালে এই দুশ্চিন্তাৰ পৰা পৰিত্ৰাণ পোৱাই পিতৃৰ উদ্দেশ্য।
স্বামীৰ অবিহনে এগৰাকী মহিলাৰ জীৱনত দেখা দিয়া সমস্যা-
সমূহ—অৰ্থনৈতিকভাৱে পৰিয়ালটোৰ উপায় নোহোৱা অৱস্থা, নিজে
জীয়াই থকা আৰু ল'ৰা-ছোৱালীক ভৱিষ্যতৰ কাৰণে প্ৰস্তুত কৰা,

স্বামীয়ে এৰি যোৱা সা-সম্পত্তি যদি থাকে তাৰো ৰক্ষণাবেক্ষণ, আনকি সৰ্বোপৰি নিজৰে ৰক্ষণাবেক্ষণ— এইবিলাক সমস্যা সমাধানৰ কাৰণেই দ্বিতীয় স্বামী গ্ৰহণ কৰিবনে? তাতোৰা সমাজৰ সন্মতি থাকে নে নাথাকে ?

২'০২. নাৰী জাতিৰ সমস্যাসমূহৰ উত্তৰণৰ এক প্ৰশস্ত পথ হ'ব পাৰে শিক্ষা-ব্যৱস্থা। ভাৰতত ১৪ বছৰ বয়সলৈকে সকলো শিশুৰ বাবে শিক্ষা বাধ্যতামূলক কৰা হৈছে যদিও, আচলতে এতিয়াও বাধ্যতা-মূলক হোৱা নাই। ১৯৯০ চনৰ ভিতৰতে ১১ বছৰ বয়সলৈ আৰু ১৯৯৫ চনৰ ভিতৰতে ১৪ বছৰ বয়সলৈ সকলো শিশুক স্কুললৈ অনা আৰু স্কুলত ৰখা হ'ব বুলি চৰকাৰে প্ৰস্তাৱ কৰিছে। এই ক্ষেত্ৰত ছোৱালীৰ শিক্ষাৰ কাৰণে চৰকাৰে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লগা হ'ব। বৰ্তমান ভাৰতত ১৪ বছৰ বয়সৰ তলৰ শতকৰা ৩১ ভাগ ছোৱালীহে স্কুললৈ যায়। স্কুললৈ নোযোৱা ল'ৰা-ছোৱালীৰ শতকৰা ৭০ ভাগেই ছোৱালী। গতিকে ল'ৰাৰ কাৰণে কৰা ব্যৱস্থাৰ দুগুণতকৈ অধিক ব্যৱস্থা ছোৱালীৰ কাৰণে লাগিব। আন এটা ডাঙৰ সমস্যা হৈছে স্কুল এৰি যোৱাটো। স্কুললৈ অহা শতকৰা ৩১ ভাগ ছোৱালীৰে শতকৰা ৭৭ ভাগেই ১৪ বছৰৰ আগতেই স্কুল এৰি গুচি যায়। শতকৰা শ ভাগ ছোৱালীকে স্কুললৈ অনা আৰু ১৪ বছৰ বয়সলৈকে স্কুলত ৰখাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে বিশেষ আঁচনি প্ৰস্তুত কৰাৰ প্ৰয়োজন হ'ব।

২.০৩. ভাৰতীয় মহিলাৰ শতকৰা ৭৫ ভাগেই নিৰক্ষৰা। ভাৰতৰ নিৰক্ষৰ জনতাৰ শতকৰা ৫৭ ভাগ মহিলা। পুৰুষৰ শুশ্ৰূষা-কাৰিণী হোৱাৰ বাহিৰে এওঁলোকে জীৱনৰ অন্য কোনো উদ্দেশ্য দেখা নাপায়। আনকি এওঁলোকৰ সৰহ ভাগেই নিজৰ ছোৱালীকো শিক্ষিতা হোৱাটো নিবিচাৰে। হয়তো ল'ৰাটোক শিক্ষিত কৰি বোৱাৰীৰ লগত সৰহ যৌতুক পোৱাৰ সপোন দেখে। ভাৰতীয় মহিলাৰ শতকৰা ৭৮ ভাগৰ কোনো অৰ্থোপাৰ্জনৰ ব্যৱস্থা নাই। এওঁলোকৰ শাৰীৰিক শ্ৰমো পৰিয়ালতে সীমাবদ্ধ। এওঁলোকৰ মাজত শিক্ষিতা মহিলাও আছে। বিশ্বৰ মুঠ উপাৰ্জনৰ শতকৰা ১০ ভাগহে মহিলাৰ উপাৰ্জন। এনে এটা অৱস্থাত নাৰী জাতিৰ আৰ্থ-সামাজিক উন্নতি সাধনৰ কাৰণে চৰকাৰৰ যথেষ্ট কৰণীয় আছে।

২.০৪. শিক্ষিতাৰ সংখ্যা বৃদ্ধিৰ কাৰণে বিশেষ ভাৱে অনানু-ষ্ঠানিক শিক্ষা কেন্দ্ৰৰ ব্যৱস্থা হ'ব লাগিব। এই ক্ষেত্ৰত অঞ্চলৰ শিক্ষিতা মহিলাসকলৰো নিজা উদ্যোগত কৰণীয় আছে। নিৰাশ্ৰয়া মহিলাসকলৰ কাৰণে বাস-গৃহৰ যেনেকৈ প্ৰয়োজন হ'ব, তেনেকৈয়ে তেওঁলোকৰ কাৰণে কিছুমান বৃত্তিৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰিব লাগিব। প্ৰশিক্ষণৰ পাছত সংস্থাপন ব্যৱস্থাৰ কাৰণেও চৰকাৰী সাহায্যৰ প্ৰয়োজন হ'ব। নিযুক্তি লৈ ঘৰৰ পৰা আঁতৰত থাকিব লগা হোৱাটোও বহুতৰে এটা সমস্যা। এই ক্ষেত্ৰত তেনে মহিলাৰ কাৰণে বাস-গৃহ নিৰ্মাণ কৰি চৰকাৰী ৰক্ষণাবেক্ষণ ব্যৱস্থাৰো প্ৰয়ো-জন হ'ব। এই সকলো ব্যৱস্থাৰ ক্ষেত্ৰত আঞ্চলিক স্বেচ্ছাসেৱী অনুষ্ঠান কিছুমানক জড়িত কৰাৰ আঁচনিও গ্ৰহণ কৰিব পাৰি।

২.০৫. ৰাষ্ট্ৰীয় শিক্ষা-নীতি (১৯৮৬) ৰূপায়ণৰ ক্ষেত্ৰত মহিলাৰ কাৰণে কিছুমান বিশেষ ব্যৱস্থাৰ প্ৰস্তাৱ কৰা হৈছে। উদ্দেশ্য হৈছে, মহিলাক সম মৰ্যাদা দান। সাধাৰণ ভাৱে ১৫ বছৰৰ পৰা ৩৫ বছৰ বয়সৰ ভিতৰৰ নিৰক্ষৰসকলৰ কাৰণে অনানুষ্ঠানিক শিক্ষা-কেন্দ্ৰৰ উপৰিও প্ৰৌঢ়া মহিলাসকলকো জীৱনৰ উপযোগী শিক্ষা দিয়াৰ আঁচনি লোৱা হৈছে। মহিলাৰ উপযোগী বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ অনুষ্ঠান স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। ছোৱালীক যাতে ১৪ বছৰ বয়সলৈকে স্কুলত ৰাখিব পাৰি, তাৰ বাবে ঘৰত সচৰাচৰ যি-বিলাক কামত ছোৱালীবিলাক আবদ্ধ হৈ থাকে, সেইবিলাক কামৰ কাৰণে পৰিয়ালবিলাকক বিশেষ সাহায্যৰ ব্যৱস্থাৰো প্ৰস্তাৱ কৰা হৈছে। মহিলাৰ কৃতিত্বৰ বিষয়ে বিশেষ প্ৰচাৰ-ব্যৱস্থা লোৱাৰ উপৰিও স্নাতক পৰ্যায়ৰ মৌলিক পাঠ্যক্ৰমত মহিলাৰ মৰ্যাদা সম্বন্ধে পাঠ সন্নিৱিষ্ট হ'ব লাগে।

আমাৰ সমাজত মহিলাৰ প্ৰতি কটাক্ষ কৰা বহুতো উক্তি প্ৰচলিত হৈ আছে। যোজনা-ফকৰাতো এনে বহুত কথা আছে। প্ৰস্তাৱ কৰা হৈছে যে, পাঠ্যপুথিসমূহত মহিলাক হেয় কৰা কোনো প্ৰকাৰৰ মন্তব্যই ঠাই পাব নোৱাৰে। মহিলাই বিশেষ আদৰ আৰু পুতৌৰ পাত্ৰ হ'বলৈ নিবিচাৰিলে, অদৰকাৰী গহনাৰ মোহ এৰিলে, অনাহক প্ৰদৰ্শনৰ স্পৃহা ত্যাগ কৰিলেও পাৰোক্ষ ভাৱে সম মৰ্যাদা লাভত সহায় হ'ব পাৰে। □

নগাঁও ছোৱালী কলেজ

# ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি

**মুখ্য পৃষ্ঠপোষক ঃ**

অসমৰ মাননীয় মুখ্যমন্ত্রী
শ্রীপ্রফুল্ল কুমাৰ মহন্ত

**পৃষ্ঠপোষক ঃ**

শ্রীমুহিৰাম শইকীয়া ( সংসদী সদস্য, নগাঁও )
শ্রীউপেন্দ্র নাথ ভূঞা ( উপায়ুক্ত, নগাঁও )
শ্রীএছ ৰামচন্দ্রন ( আৰক্ষী অধীক্ষক, নগাঁও )
শ্রীপ্রহ্লাদ ৰায় টোডি ।
শ্রীপ্রদ্যুৎ বৰা, ( সভাপতি, পৌৰসভা, নগাঁও )
শ্রীশৰৎ চন্দ্র গোস্বামী ।
শ্রীভুৱনেশ্বৰ গোস্বামী ।
শ্রীতৰুণ ফুকন ।
শ্রীমঙ্গৎ সিং ।

**বিষয় ববীয়া ঃ**

শ্রীআবু চামা, সভাপতি ।
শ্রীগোপাল চন্দ্র আগৰৱালা, উপ-সভাপতি ।
শ্রীইন্দ্রেশ্বৰ গোস্বামী, উপ-সভাপতি ।
শ্রীচর্দাৰ কার্টাৰ সিং, উপ-সভাপতি ।
শ্রীবিমল কুমাৰ বৰা, (অধ্যক্ষ) সাধাৰণ সম্পাদক ।
শ্রীশৰৎ চন্দ্র খাওন্দ, যুটীয়া সম্পাদক ।
শ্রীমহেশ চন্দ্র ভূঞা, যুটীয়া সম্পাদক ।

**বিত্ত উপ-সমিতি ঃ**

| | |
|---|---|
| শ্রীচন্দ্রকান্ত শৰ্মা<br>শ্রীপ্রহ্লাদ ৰায় টোডি | } আহ্বায়ক । |
| শ্রীহেমকান্ত শৰ্মা | সদস্য । |
| শ্রীখগেন্দ্র নাথ শৰ্মা ৰাজখোৱা | ,, |
| শ্রীতিলক চন্দ্র মজুমদাৰ | ,, |
| শ্রীমহেশ চন্দ্র ভূঞা | ,, |
| শ্রীশৰৎ চন্দ্র খাউণ্ড | ,, |
| অধ্যক্ষ শ্রীবিমল কুমাৰ বৰা | ,, |

শ্ৰীঘন বৰা, সদস্য।
শ্ৰীগোপাল চন্দ্ৰ আগৰৱালা, সদস্য।
শ্ৰীইন্দ্ৰেশ্বৰ গোস্বামী ,,
শ্ৰীহৰেশ্বৰ গোস্বামী ,,

**সাংস্কৃতিক উপ-সমিতি ঃ**

শ্ৰীইদ্রিছ আলি } আহ্বায়ক।
শ্ৰীজ্যোতি চক্ৰৱৰ্তী }
শ্ৰীমতী ভানু পদ্মপতি, সদস্য
শ্ৰীমতী ইন্দিৰা ভট্টাচাৰ্য ,,
শ্ৰীকৃষ্ণৰাম বৰা ,,
শ্ৰীদেৱকুমাৰ শইকীয়া ,,
শ্ৰীপদ্মাৱতী দাস ,,
শ্ৰীৰীতা বৰা ,,
শ্ৰীঅদিতি ভূঞা ,,

**স্মৃতিগ্ৰন্থ উপ-সমিতি ঃ**

শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা } আহ্বায়ক
শ্ৰীঅপূৰ্ব শৰ্মা }
শ্ৰীইদ্রিছ আলি সদস্য
শ্ৰীইন্দ্ৰেশ্বৰ গোস্বামী ,,
শ্ৰীনাৰায়ণ কটকী ,,
শ্ৰীকবিতাৰাণী দাস ,,

**খাদ্য আৰু অভ্যৰ্থনা উপ-সমিতি ঃ**

শ্ৰীমহেন্দ্ৰ নাথ শইকীয়া } আহ্বায়ক
শ্ৰীবীৰেন গায়ন }
শ্ৰীমতী মালতী বৰা সদস্য
শ্ৰীসিদ্ধেশ্বৰ বৰকাকতী ,,
শ্ৰীতগৰ বৰা ,,
শ্ৰীমতী জয়ন্তী দত্ত ,,
শ্ৰীমতী ৰীতা তালুকদাৰ ,,
শ্ৰীমতী গায়ত্ৰী দেৱী ,,
শ্ৰীললিত শৰ্মা ,,
শ্ৰীজ্ঞানদা বৰা ,,
শ্ৰীবিজেন বৰা ,,



**মণ্ডপ আৰু তোৰণ উপ-সমিতি ঃ**

শ্ৰীজয়ধন দাস } আহ্বায়ক
শ্ৰীবাদল চন্দ্ৰ ঘোষ }
শ্ৰীপ্ৰণৱ বৰুৱা সদস্য
শ্ৰীসুৰেশ কৰ ,,
শ্ৰীমেঘনাথ পাল ,,
শ্ৰীৰঞ্জিত তামুলী ফুকন ,,
শ্ৰীগুণ মহন্ত ,,
শ্ৰীসূৰ্য বৰুৱা ,,

**আলোচনা-চক্ৰ উপ-সমিতি**

শ্ৰীমতী হিমাদ্ৰি দেৱী } আহ্বায়ক
শ্ৰীপ্ৰভাত বৰা }
শ্ৰীজ্যোতিৰ্ময় জানা সদস্য
শ্ৰীবীৰেন ডেকা ,,

**স্বেচ্ছাসেৱক উপ-সমিতি**

শ্ৰীমতী দীপালী মুখাৰ্জী } আহ্বায়ক
শ্ৰীমতী অজন্তা বৰদলৈ }
শ্ৰীভূপেন্দ্ৰ নাথ তালুকদাৰ সদস্য
শ্ৰীপ্ৰদীপ মোহন দুৱৰা ,,
শ্ৰীদিলীপ কুমাৰ মেধি ,,
শ্ৰীৰাজেন দেৱ নাথ ,,
শ্ৰীচৰাজুল ইছলাম ,,
শ্ৰীমতী প্ৰীতি দেৱী ,,

**প্ৰদৰ্শনী উপ-সমিতি**

শ্ৰীমতী সৱিতা ভট্টাচাৰ্য } আহ্বায়ক
শ্ৰীপ্ৰণৱ বৰুৱা }
শ্ৰীমতী ৰূপাৰাণী শইকীয়া সদস্য
শ্ৰীমতী ৰীতা বৰা ,,
শ্ৰীবাদল চন্দ্ৰ ঘোষ ,,
শ্ৰীমতী মুনি কাকতী ,,
শ্ৰীস্বপ্না নেওগ ,,
শ্ৰীৰীতা কলিতা

## নিমন্ত্ৰণী উপ-সমিতি

শ্ৰীমতী তৰু বৰুৱা }
শ্ৰীমতীওৱাহিদা হুছেইন } আহ্বায়ক

শ্ৰীৰেখা দাশগুপ্তা — সদস্য
শ্ৰীফইজুৰ ৰহমান — ,,
শ্ৰীবিজয় প্ৰসাদ সিং — ,,
শ্ৰীমহম্মদ আলি — ,,

## স্বাস্থ্য, বিদ্যুৎ আৰু পানীযোগান উপ-সমিতি

শ্ৰী কৃষ্ণৰাম বৰা }
শ্ৰীমতী মঞ্জু জয়ছোৱাল } আহ্বায়ক

শ্ৰীগণেশ চন্দ্ৰ শৰ্মা — সদস্য
শ্ৰীগুণধৰ গগৈ — ,,
শ্ৰীমতী ৰীতা তালুকদাৰ — ,,
শ্ৰীখগেন বৰা — ,,
ডাঃ প্ৰবীণ কলিতা — ,,
শ্ৰীকৃষ্ণ দাস — ,,
ডাঃ কৃষ্ণ বৰা — ,,
ডাঃ ধীৰেন বৰকাকতী — ,,

প্ৰীতি আৰু শুভেচ্ছাৰে

অসম কাৰ্বন প্ৰডাক্ট্‌চ লিমিটেড
বিৰকুছি গুৱাহাটী—৭৮১০২৬

## LIST OF SOME DONORS IN CONNECTION WITH SILVER JUBILEE CELEBRATIONS, NOWGONG GIRLS' COLLEGE.

| | | | |
|---|---|---|---|
| 1. | Sri Prahlad Rai Todi | Rs. | 21,000·00 |
| 2. | Sri Chandra Gayan | Rs. | 11,001·00 |
| 3. | Jyoti Flour Mills | Rs. | 5,111·00 |
| 4. | Ramlal Durgadutta (Whole Sale) & Co. | Rs. | 5,111·00 |
| 5. | Naurang Rai Harikisan | Rs. | 5,111·00 |
| 6. | Karwa & Sons | Rs. | 5,111·00 |
| 7. | Hojai Meen Palak Sangha | Rs. | 5,001·00 |
| 8. | Pawan Industries | Rs. | 4,111·00 |
| 9. | Bhagirath Mal Jagdish Prasad | Rs. | 4,111·00 |
| 10. | Birdhi Chand Motilal | Rs. | 2,111·00 |
| 11. | Mahabir Saw & Veneer Mills | Rs. | 2,111·00 |
| 12. | Sitaram Bhagawati Prasad | Rs. | 2,111·00 |
| 13. | Puthighar Press | Rs. | 2,111·00 |
| 14. | Bajaj Saw Mills | Rs. | 2,100·00 |
| 15. | Jamunalal Nanda Kishore | Rs. | 2,100·00 |
| 16. | Doss & Co. | Rs. | 2,001·00 |
| 17. | Ananda Pustakalay | Rs. | 1,551·00 |
| 18. | J. D. Constructions | Rs. | 1,501·00 |
| 19. | Toyab Ali, Hojai | Rs. | 1,500·00 |
| 20. | Anfur Ali, do | Rs. | 1,500.00 |
| 21. | Ajnal Ali, do | Rs. | 1,500·00 |
| 22. | Maheswari Ispat Udyog | Rs. | 1,151·00 |
| 23. | Kothari Brothers | Rs. | 1,151·00 |
| 24. | M. C. Trust | Rs. | 1,111·00 |
| 25. | Ganpatrai Bhajanlal Ajitsaria | Rs. | 1,111·00 |
| 26. | Sitajakhala Milk Producers Co-Operative Society | Rs. | 1,101·00 |
| 27. | M. C. Duggar | Rs. | 1,101·00 |

| | | | |
|---|---|---|---|
| 28. | Dungarmal Agarwal | Rs. | 1,100·00 |
| 29. | Bajranglal Agarwala | Rs. | 1,100·00 |
| 30. | Syam Agarwala | Rs. | 1,100·00 |
| 31. | Bansidhar Lohia | Rs. | 1,100·00 |
| 32. | Mahabir Stores | Rs. | 1,100·00 |
| 33. | Khalilur Rahman Choudhury | Rs. | 1,001·00 |
| 34. | Tribeni Timber | Rs. | 1,001·00 |
| 35. | Lakshmi Brick Field | Rs. | 1,001·00 |
| 36. | Jagadamba Rope Co. | Rs. | 1,001·00 |


নগাঁও ছোৱালী কলেজলৈ শুভেচ্ছাৰে

**অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ-কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা প্ৰস্তুত কৰা কেইটামান লেখত লবলগীয়া আঁচনি ঃ**

১) গ্ৰাম্য ক্ৰীড়া আঁচনিৰ যোগেদি ক্ৰীড়াৰ সম্প্ৰসাৰণ কৰা আৰু গ্ৰাম্যাঞ্চলত বাস কৰা ল'ৰা-ছোৱালী সকলৰ প্ৰতিভা বিকাশত সুযোগ দিয়া ।

২) মাণ্ডলিক আৰু মহকুমা পৰ্যায়ত বিভিন্ন খেলৰ প্ৰশিক্ষণৰ আয়োজন কৰি প্ৰতিভা সন্ধান আঁচনি ।

৩) আৱশ্যক অনুযায়ী প্ৰশিক্ষকৰ যোগান ধৰা আৰু স্বীকৃতি প্ৰাপ্ত খেলুৱৈসকলক উচ্চ মানৰ প্ৰশিক্ষণৰ বাবে আৰ্থিক অনুদান ।

৪) প্ৰতিভাৱান খেলুৱৈসকলৈ জলপানি প্ৰদান ।

৫) ৰাষ্ট্ৰীয় দলত অন্তভুৰ্ক্ত অথবা বিদেশত প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত খেলুৱৈলৈ আৰ্থিক অনুদান ।

৬) বয়োজ্যেষ্ঠ ক্ৰীড়াবিদ আৰু ক্ৰীড়া সংগঠকলৈ পেঁন্সন মঞ্জুৰি ।

৭) বিদ্যালয়সমূহলৈ খেলৰ সামগ্ৰী যোগান ।

৮) ষ্টেডিয়াম, ইন্দোৰ হল আদি নিৰ্মাণৰ বাবে আৰ্থিক অনুদান ।

৯) পৰ্বাতাৰোহণ, ট্ৰেকিং, দুঃসাহসিক অভিযানৰ বাবে আৰ্থিক অনুদান ।

১০) আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত অভিলেখ সৃষ্টি কৰা খেলুৱৈ সকলৈ ৰাজ্যিক বঁটা প্ৰদান ।

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ-কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা প্ৰচাৰিত, নেহৰু ষ্টেডিয়াম, গুৱাহাটী- ৭

নগাঁও ছোৱালী কলেজ ৰূপালী জয়ন্তীৰ
সাফল্য কামনাৰে

**হস্ত তাঁত আৰু বস্ত্ৰ শিল্প উদ্যোগৰ জৰিয়তে আৰ্থিক উন্নতি সাধন কৰক।**

অসমৰ ঐতিহ্যমণ্ডিত বয়ন শিল্পৰ বিকাশ আৰু সম্প্ৰসাৰণ, শিপিনীৰ আৰ্থ-সামাজিক অৱস্থাৰ ক্ৰম উন্নয়নৰ বাবে অসম চৰকাৰৰ হস্ত তাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ে বহুতো আঁচনি ৰূপায়ণ কৰি আহিছে।

অসমৰ পৰম্পৰাগত বয়ন শিল্পক ব্যৱসায়িক ভিত্তিত লোৱাৰ বাবে বয়ন সম্প্ৰসাৰণ সেৱা কেন্দ্ৰ আদি বিভিন্ন ঠাইত স্থাপন কৰা হৈছে।

শিপিনীয়ে বিশিষ্ট মানৰ বস্ত্ৰ উৎপাদন কৰাৰ উদ্দেশ্যে বিজ্ঞান সন্মত প্ৰশিক্ষণৰ বাবে বয়ন প্ৰশিক্ষণ কেন্দ্ৰ সমূহ স্থাপন কৰা হৈছে।

শিপিনীৰ বস্ত্ৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ বাবে উন্নত মানৰ তাঁত শাল, সা-সঁজুলি আদি অনুদান দিয়াৰ আঁচনি লোৱা হৈছে।

বোৱা-কটা সমবায় সমিতি সমূহৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি অধিক টনকিয়াল কৰিবলৈ সমবায় সমিতি সমূহৰ সম্প্ৰসাৰণৰ আঁচনি লোৱা হৈছে।

বস্ত্ৰ শিল্প উদ্যোগৰ জৰিয়তে আৰ্থিক উন্নতিৰ বাবে প্ৰয়োজনীয় কাৰিকৰী দিহা-পৰামৰ্শৰ বাবে ওচৰৰ হস্ত তাঁত আৰু বস্ত্ৰ শিল্পৰ কাৰ্যালয়ত যোগাযোগ কৰক।

( হস্ত তাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ৰ দ্বাৰা প্ৰচাৰিত )



**আৰ্টফেড**

আৰ্টফেডে অসমৰ প্ৰাথমিক বোৱা-কটা সমবায় সমিতিসমূহক শক্তিশালী কৰাৰ কামত ব্ৰতী হবলৈ সংকল্প গ্ৰহণ কৰিছে।

আৰ্টফেডে ৰাজ্যখনৰ সমবায় সমিতি সমূহৰ দুখীয়া বোৱনী সকলৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে সেৱা আগবঢ়াবলৈ এতিয়াৰ পৰা দৃঢ় প্ৰতিজ্ঞ।

আৰ্টফেডে ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ উন্নয়নৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ বলিষ্ঠ পদক্ষেপ আগবঢ়াবলৈ অঙ্গীকাৰ কৰিছে।

আৰ্টফেডে ৰাজ্যৰ গ্ৰাহক সকলক সুলভ মূল্যত উন্নত মানৰ কাপোৰ যোগান ধৰাৰ প্ৰচেষ্টা হাতত লৈছে।

আমাৰ তলত দিয়া বিক্ৰী কেন্দ্ৰ সমূহৰ পৰা আপোনাসকলৰ প্ৰয়োজনীয় কাপোৰখিনি কিনিবলৈ অভ্যাস কৰক।

১। জাগৰণ, আমবাৰী, গুৱাহাটী—১
২। ৩নং ৰাধা বজাৰ, ফাঁচীবজাৰ
৩। দিচপুৰ, গুৱাহাটী—৬
৪। নগাঁও
৫। জাগৰণ, যোৰহাট
৬। শিৱসাগৰ
৭। ডিব্ৰুগড়
৮। শিলচৰ
৯। হাইলাকান্দি
১০। মঙ্গলদৈ
১১। গুৱালকুছি
১২। ধুবুৰী
১৩। কোকৰাঝাৰ
১৪। নলবাৰী
১৫। গোৱালপাৰা
১৬। তেজপুৰ

সদাশয় গ্ৰাহক সকলে যেন মনত ৰাখে, আৰ্টফেডৰ পৰা কাপোৰ কিনি আৰ্টফেডক সহায় কৰা মানে ৰাজ্যৰ শিপিনী সকলক বিভিন্ন সেৱা আগবঢ়োৱাত অৰিহণা যোগাবলৈ সুবিধা প্ৰদান কৰা। অসমৰ হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ বিকাশত সামান্যতম হলেও ৰবগুণি যোগোৱা।

আৰ্টফেড মূখ্য কাৰ্যালয়ৰ দ্বাৰা প্ৰচাৰিত।

*With best compliments from—*

# ASSAM POLYTEX LIMITED.

(A Government of Assam Undertaking)

Regd. Office :
R. G. Baruah Road,
Guwahati-781 024.

On the occasion of the
**SILVER JUBILEE**
of
**NOWGONG GIRLS' COLLEGE,**
to be held on 12, 13 & 14 Sept. 1987.

নগাঁও ছোৱালী কলেজলৈ
অভিনন্দনেৰে ঃ

অসম ৰাজ্যিক বস্ত্র নিগমৰ কোকৰাঝাৰ জিলাৰ বিজনীৰ নিকটবৰ্তী ১ নং নোৱাপাৰা গাঁৱত স্থাপিত মিশ্র সূতাকলত বর্তমানে পলিয়েষ্টাৰ আৰু পলিয়েষ্টাৰ-ভিচ্‌কচ সূতা উৎপাদন হৈছে। এই উৎপাদিত সূতাই অদূৰ ভৱিষ্যতে অসমৰ স্থানীয় চাহিদা বহলাংশে পূৰণ কৰিব পাৰিব।

## অসম ৰাজ্যিক বস্ত্র নিগম

ৰাধাগোবিন্দ বৰুৱা পথ
(পঞ্চম উপপথ)
গুৱাহাটী — ৭৮১০০৩

নগাঁও ছোৱালী কলেজৰ
ৰূপালী জয়ন্তীৰ সাফল্য কামনাৰে ঃ

বান পানীৰ পিছত মাহ জাতীয় আৰু তৈল জাতীয় শস্যৰ খেতিয়ে কৃষকৰ আর্থিক উন্নয়নত সহায় কৰিব পাৰে।

অধিক উৎপাদন আৰু আর্থিক উন্নয়নৰ বাবে উন্নত পদ্ধতিৰে ৰাসায়নিক সাৰ ব্যৱহাৰ কৰি মাহ জাতীয় আৰু তৈল জাতীয় শস্যৰ খেতি কৰক।

সবিশেষ জানিবলৈ ওচৰৰ কৃষি বিষয়াক লগ ধৰক।

অসম কৃষি বিভাগৰ দ্বাৰা প্ৰচাৰিত।

*With best compliments from—*

## A B C INDIA LIMITED

Regd. Office, Fancy Bazar,
Guwahati.
Phone No. : 32236, 32237, 32001, 27843

## ASSOCTATE TRANSPORT CORPORATION OF INDIA Ltd.

Bimala Bora Road.
Nagaon-782001
Phone : 374

Branches : All over India.
Burden Becomes Light When Cheerfully Borne.

---

তুমি পশু-পক্ষী, সুৰাসুৰ তৰু-তৃণ
অজ্ঞানত মূঢ় জনে দেখে ভিনাভিন ॥

—শংকৰদেৱ

Man is only a part of the Nature's Life line, any undue disturbance to which causes disharmony and may even wipe out life. We must therefore Preserve Natural resources for future survival.

**CHIEF CONSERVATOR OF FORESTS,
WILDLIFE : ASSAM.**

---

নগাঁও ছোৱালী কলেজ ৰূপালী জয়ন্তীলৈ শুভেচ্ছাৰে—

## মনত ৰাখিব

※ মাদক দ্ৰব্য নিবাৰণ কৰাটো সমাজৰ সকলো শ্ৰেণীৰ লোকৰে পবিত্ৰ কৰ্তব্য।

※ মাদক দ্ৰব্যই দৰিদ্ৰ দূৰ কৰে, দৰিদ্ৰতাই অনেক সময়ত স্বভাৱ নষ্ট কৰে, অপৰাধ কৰিবলৈ প্ৰবৃত্তি জন্মায় আৰু ঘৰ-সংসাৰ ধ্বংসৰ মুখলৈ ঠেলি দিয়ে।

※ শিক্ষানুষ্ঠানৰ পবিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ ৰাগিয়াল বস্তুৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ কৰা উচিত।

※ ছাত্ৰ-ছাত্ৰীৰ সবল নৈতিক চৰিত্ৰই দেশৰ উন্নতি কঢ়িয়াই আনিব।

※ নতুন-পুৰুষৰ প্ৰধান শত্ৰু নিচাদ্ৰব্যৰ প্ৰচলন ৰোধ কৰি উজ্জ্বল ভৱিষ্যত গঢ়ি তোলক।

**※ সকলো ধৰণৰ ৰাগিয়াল বস্তু গ্ৰহণৰ বিৰুদ্ধে দৃঢ় জনমত গঠন কৰক।**

(অসমৰ আবকাৰী বিভাগৰ দ্বাৰা প্ৰচাৰিত, গুৱাহাটী- ৩)

The India Carbon Story
Has Always Been a Tradition in
Service

A Tradition that has been
built on a Philosophy
which is in tune with the
aspirations of our people
and our corporate objectives

**INDIA CARBON LIMITED**
**NOONMATI :: GAUHATI–20**

**STATFED**

অসম ৰাজ্যিক সমবায় বেচা-কিনা আৰু গ্ৰাহক ফেডাৰেচনে (ষ্টেটফেড) অসমৰ প্ৰগতিৰ ক্ষেত্ৰত ৰাজহুৱা বিতৰণ ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি সমবায় আন্দোলনক ক্ষিপ্ৰতাৰে আগুৱাই নিয়াত অৰিহণা যোগাই আহিছে ॥

ভাৰতৰ ঔদ্যোগিক বিকাশৰ মানচিত্ৰত পিছ পৰি থকা অসমত উদ্যোগ বিকাশৰ ক্ষেত্ৰত 'তৃপ্তি বনস্পতিৰ' উৎপাদন আৰু ইয়াৰ জনপ্ৰিয়তা তথা সফলতা ষ্টেটফেডৰ এক দৃঢ় পদক্ষেপ ।

কৃষি প্ৰধান এই ৰাজ্যত কৃষক সকলক উন্নত মানৰ বীজ আৰু সাৰ যোগানে, ৰাজ্যখনত সেউজ বিপ্লৱ কেউদিশে বিয়পাই তোলাত ষ্টেটফেডে প্ৰত্যক্ষভাৱে অৰিহণা যোগাই আহিছে ॥

**ষ্টে ট ফে ড**

" অসমা সুষমা নিৰুপমা "

অপৰূপা অসমৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু বাৰে-বৰণীয়া সংস্কৃতিৰ সোৱাদ লবলৈ বছৰে বছৰে দেশ-বিদেশৰ পৰা অহা হাজাৰ হাজাৰ পৰ্যটকে আমাক কৃতাৰ্থ কৰে।

কাজিৰঙা, মানাহৰ বিচিত্ৰ জীৱ-জন্তু আৰু চালে চকুৰোৱা সৌন্দৰ্যৰ স্মৃতি লৈ তেওঁলোক স্বদেশলৈ উভতি যায়—লগতে বাঢ়ে আন্তৰ্জাতিক সম্প্ৰীতিৰ ডোল।

পৰ্যটন বিভাগে এইসকল লোকৰ যতন লয়।

যোগাযোগ কৰক—

সঞ্চালক—

**পৰ্যটন বিভাগ, অসম**

গুৱাহাটী —৭৮১০০১

ফোন নং :—২৭১০২/৩১০২২

"আজি আমাৰ প্ৰয়োজন ক্ৰমোন্নতিৰ আকাংক্ষা, প্ৰয়োজন স্বতন্ত্ৰতাৰ প্ৰতি অনুৰাগ, আত্মবিশ্বাস, আত্মনিৰ্ভৰশীলতা আৰু অসীম ধৈৰ্য। আমাক লাগে এক নতুন উদ্দীপনা যি পিছলৈ চোৱাৰ পৰা বিৰত ৰাখি মাথোঁ সন্মুখৰ ফালে দৃষ্টি প্ৰসাৰিত কৰাব। আমাৰ দেহৰ প্ৰতি ধমনীত, তেজৰ সোঁতত এই গুণবোৰ প্ৰৱাহিত হওক।"

—স্বামী বিবেকানন্দ।

**অসম পশুপালন আৰু পশুচিকিৎসা বিভাগ**

অসম পশুপালন আৰু পশুচিকিৎসা বিভাগৰ তথ্য আৰু প্ৰদৰ্শনী শাখাৰ দ্বাৰা প্ৰচাৰিত।

## ভূমি সংৰক্ষণ কৰক

সমাজৰ প্ৰগতিৰ বাবে
উত্তৰ পুৰুষৰ নিৰাপত্তাৰ বাবে।
ভূমি প্ৰকৃতিৰ অমূল্য অবদান।
ভূমি সংৰক্ষণ কৰা মানেই—
মানৱ সমাজ, জীৱ-জগত আৰু প্ৰকৃতিৰ
ৰক্ষণাবেক্ষণ কৰা।
ভূমি বৈজ্ঞানিক পদ্ধতিৰে ব্যৱহাৰ কৰি
মানৱ সমাজ, সভ্যতা আৰু সংস্কৃতিক
জীয়াই ৰাখক।
ভূমিৰ "ধাৰণ সামৰ্থ্যৰ" ভিত্তিত শ্ৰেণীবদ্ধ কৰি
উপযুক্ততা অনুসৰি ব্যৱহাৰ কৰক।
□ এচলীয়া মাটি খলপীয়া কৰি লৈহে ব্যৱহাৰ কৰক।
□□ থিয় গৰা মাটি সদায় গছগছনিৰে আবৃত কৰি ৰাখক।
□□□ অবৈজ্ঞানিক ভাবে ডোং বা পানীবাহক নলা খান্দি
ভূমিডোখৰ বিপদাপন্ন নকৰিব।
□□□□ জনসংখ্যা বৃদ্ধিৰ লগতে ভূমিৰ পৰিমাণ নাবাঢ়ে।
সেয়ে—
ভূমি ক্ষয় ৰোধ কৰি মাটিডৰাৰ পৰা অধিক
উৎপাদন পোৱাৰ ব্যৱস্থা কৰক।
পৰামৰ্শৰ আদান-প্ৰদান আৰু আলোচনাৰ বাবে যোগাযোগ কৰক—

অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ সঞ্চালক
ৰাধাগোবিন্দ বৰুৱা পথ, গুৱাহাটী - ৫।

[ অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ দ্বাৰা প্ৰচাৰিত ]



ৰূপালী জয়ন্তী উৎসৱৰ সাফল্য কামনাৰে ঃ—

অসম খাদী গ্ৰামোদ্যোগ বৰ্ডে
কপাহী,
ৰেচম আৰু
পলিবস্ত্ৰৰ ওপৰত
বিশেষ ৰেহাই আগবঢ়াইছে,
১০ আগষ্টৰ পৰা ৫৫ দিনৰ বাবে
কপাহী, চিল্ক আৰু পলিবস্ত্ৰৰ ওপৰত—
শতকৰা ২০ ৰ পৰা ৩৫ টকা ৰেহাই

অসম খাদী গ্ৰামোদ্যোগ ভাণ্ডাৰত পদাৰ্পণ কৰি এই সুবৰ্ণ সুযোগ গ্ৰহণ কৰক।
মনত ৰাখিব, ১ মিটাৰ খাদী কাপোৰ ক্ৰয় কৰা মানেই দেশৰ নিয়োগ আৰু অৰ্থনীতি সবল কৰা।

**অসম খাদী গ্ৰামোদ্যোগ বৰ্ডৰ চান্দমাৰী গুৱাহাটী-৩-ৰ দ্বাৰা প্ৰচাৰিত।**

নগাঁও ছোৱালী কলেজৰ ৰূপালী জয়ন্তী উৎসৱ সফল হওক।

"পৃথিৱীৰ যতমানে
পূণ্য আছা কৰি
প্ৰাণী সৱ সেৱাক
অল্পকো নাহি সৰি"
—শংকৰদেৱ

সভ্যতাৰ আদিতে বন।
গছ থাকিলেহে মানুহ থাকিব।

বন আৰু বন্য প্ৰাণী দেশৰ আপুৰুগীয়া সম্পদ, ৰাপতি সাহন। বনজ সম্পদ জাতীয় সম্পদ। একালৰ চিৰসেউজীয়া গছ-গছনি, পশু-পক্ষীৰে ভৰা অসমী আইৰ বুকুত থকা মনোমোহা বননিখন আজি জধে-মধে কটাৰ ফলত নিঃশেষ হৈ যাব ধৰিছে। প্ৰকৃতিৰ সংৰক্ষণৰ ওপৰত যে মানৱ জাতিৰ ভৱিষ্যত ওতপ্ৰোতভাৱে জড়িত, সেই কথা পলমকৈ হলেও এতিয়া উপলব্ধি কৰিছে অহাটো সৌভাগ্যৰ কথা। অনিয়মিত ভাৱে হোৱা ধ্বংসৰ গ্ৰাসৰ পৰা এই জাতীয় সম্পদক সুৰক্ষা কৰক। বিজ্ঞানসন্মত পদ্ধতিৰে পৰিচালনা কৰি বনৰ উৎপাদন বঢ়োৱাত আৰু বনজ সম্পদৰ বিকাশ সাধন কৰাত সহায় কৰক। সংৰক্ষণৰ যোগেদি প্ৰকৃতিৰ উৎকৰ্ষ সাধন আৰু সকলো শ্ৰেণীৰ জনসাধাৰণৰ উজ্জ্বল ভৱিষ্যতৰ পথ সুপ্ৰতিষ্ঠ কৰাটোৱেই আমাৰ প্ৰচেষ্টা হোৱা উচিত। এটিৰ অবিহনে আনটিৰ উন্নতি সম্ভৱপৰ নহয়। অধিক বৃক্ষৰোপণ আৰু সংৰক্ষণৰ যোগেদি বিশুদ্ধ বতাহ, বাসোপযোগী পাৰিপাৰ্শ্বিকতা, নিৰ্মল পানী, সাৰুৱা ভূমিভাগ নিশ্চিত কৰক। মনত ৰাখিব, গছ-বিৰিখ সকলোৰে বাবে।

**মুখ্য বন সংৰক্ষক, অসম,**
**গুৱাহাটীৰ দ্বাৰা প্ৰকাশিত।**

অধ্যাপক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞাৰ দ্বাৰা সম্পাদিত, অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰাৰ দ্বাৰা প্ৰকাশিত, আৰু পুথিঘৰ প্ৰেছত মুদ্ৰিত।
মূল্য ঃ দহ টকা।